# প্ৰজ্ঞা

## কন্যা মহাবিদ্যালয়ৰ আলোচনী

অষ্টাচত্বাৰিংশত সংখ্যা

২০২৩-২০২৪ শিক্ষা বৰ্ষ

সম্পাদক

কংকণা পাটৰ

# প্ৰজ্ঞা

**কন্যা মহাবিদ্যালয়ৰ আলোচনী**
**৪৮ সংখ্যা**
**গুৱাহাটী-২১ৰ দ্বাৰা প্ৰকাশিত**
**আৰু সৰ্বস্বত্ব সংৰক্ষিত**
**২০২৩-২০২৪ শিক্ষা বৰ্ষ**

**Pragya :** The Annual Journal of Kanya Mahavidyalaya Published by Kanya Mahavidyalaya Student Union
Kanya Mahavidyalaya, Guwahati-21





## সম্পাদনা সমিতি

**মুখ্য উপদেষ্টা ঃ**
ড° হোমেশ্বৰ কলিতা
সভাপতি, কন্যা মহাবিদ্যালয় পৰিচালনা সমিতি

**উপদেষ্টা ঃ**
ড° সত্যজিৎ কলিতা
অধ্যক্ষ, কন্যা মহাবিদ্যালয়

**তত্ত্বাৱধায়ক**
বিনীতা গগৈ
মূৰব্বী অধ্যাপক, অসমীয়া বিভাগ

**সহযোগী তত্ত্বাৱধায়ক**
অনন্যা ৰয়, মুৰব্বী অধ্যাপক, বাংলা বিভাগ
নজৰুল ইছলাম, সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ
ড° নৰকান্ত শৰ্মা, সহকাৰী অধ্যাপক, হিন্দী বিভাগ

**সম্পাদক**
কংকণা পাটৰ

**সদস্য**
ৰীতা দাস, কৃত্তিকা ভূঞা,অদিতি পাত্ৰ, অঞ্জলি কুমাৰী, প্ৰিয়ংকা চক্ৰৱৰ্তী

**বেটুপাত**
কিশোৰ শৰ্মা

**মুদ্ৰণ ঃ**
এমএছ এভ্ৰিহুৰেৰ
জু ৰোড, গুৱাহাটী

## মহাবিদ্যালয়ৰ সংগীত

পূব ভাৰতৰ এটি আশাৰ নিলয়
শত শত কন্যাৰ জ্ঞানৰ জেউতি য'ত
পূৰ্ণ প্ৰকাশিত হয়।
কলা দৰ্শন আৰু ক'ত সাধনাৰ
ই যে কন্যা মহাবিদ্যালয়।

সত্তৰ দশকৰ সপ্তম বৰ্ষত
নাৰী শিক্ষাৰ গতি সবল কৰি
সমাজ সেৱাত ব্ৰতী শুচিব্ৰতা আৰু
অধ্যক্ষ ইন্দিৰা মিৰি
দহৰ স'তে গঢ়িলা জ্ঞানৰ আলয়
উজ্বলি উঠিল য'ত হেজাৰ হৃদয়
ই যে কন্যা মহাবিদ্যালয়।

একৈশ শতিকাৰ নৱ প্ৰয়াসে
নতুন সপোন বহু দিছেহি আনি
আই অসমীৰ গৰিমা প্ৰসাৰী
আপোন জ্যোতিৰে যাম জগত জিনি
আশাভৰা খোজ নিতে হয় গতিময়
বিশ্বয়ো জানিব আমাৰ পৰিচয়
ইযে কন্যা মহাবিদ্যালয়।

গীতিকাৰ ঃ ড° অৰূপ কুমাৰ শৰ্মা
সুৰকাৰ ঃ ড° অপৰ্ণা বুজৰবৰুৱা

# শ্ৰদ্ধাঞ্জলি




## প্ৰয়াত মুনীন্দ্ৰ বৰ্মন

জন্ম-মৃত্যু চৰাচৰ জগতৰ পুৰাতন ৰীতি। জন্মৰে পৰা আমি অবিনশ্বৰ আত্মাৰ বিনাশশীল দেহ লৈ জীয়াই থাকো। প্ৰকৃতিৰ সৌন্দৰ্য উপভোগ কৰো, ৰংগমঞ্চৰ ক্ষন্তেকীয়া ভাৱৰীয়া হৈ জীৱন নাটৰ ভাও দি প্ৰকৃতিৰ চিৰন্তৰ সত্যৰ ওচৰত হাৰ মানি অকালতে তুমি গুচি গ'লা আৰু কোনো দিনে উভতি নহাৰ বাটেৰে। তোমাৰ স্মৃতি সুঁৱৰি অশ্ৰুসিক্ত নয়নেৰে কন্যা মহাবিদ্যালয়ে যাঁচিলো সভক্তিৰে একাঁজলি শ্ৰদ্ধাঞ্জলি।

লগতে আমাৰ জ্ঞাত-অজ্ঞাত সকলো স্বৰ্গগামী পুণ্যাত্মালৈ অশ্ৰুঅঞ্জলি যাঁচিলো।

— কন্যা মহাবিদ্যালয়ৰ পৰিয়াল




# অধ্যক্ষকৰ দু আষাৰ



১৯৩০ খৃঃ পৰা সাম্প্ৰতিক শতিকালৈ উচ্চ তথা বিশ্ববিদ্যালয় স্তৰৰ শিক্ষাৰ গুড়ি বঠা, ৰাজহুৱা তথা ব্যক্তি বিশেষৰ প্ৰচেষ্টা, দান-বৰঙনি আদিৰে গঠিত আৰু পৰিপুষ্ট হৈ আহিছে আৰু অনাগত দিনলৈ ই অব্যাহত থাকিব। সোণালী জয়ন্তী গৰকিবলৈ মাত্ৰ দুবছৰ কাল বাকী থকা কন্যা মহাবিদ্যালয়ো তাৰ ব্যক্তিক্ৰম নহয় বৰং ই এধাপ চৰাহে। স্ত্ৰী শিক্ষাৰ এই অনুষ্ঠানখনে আজি সহঃশিক্ষাৰ বাটত খোজ পেলাবলৈ প্ৰয়াস কৰিছে। সেয়ে অৰ্ধ শতিকা যোৰা এই সোণসেৰীয়া যাত্ৰাৰ সহভাগী হ'বলৈ সদৌটিলৈ কৰযোৰে মিনতি জনালো।

আলোচনীখন মহাবিদ্যালয়ৰ দাপোন স্বৰূপ। ই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ অন্যতম আধাৰ হিচাপে ক্ৰিয়া কৰে। ১৮৮৯ চনত জোনাকী কাকতে ভূমুকি মৰা দিন ধৰি বাঁহী, উষা, আৱাহন, ৰামধেনু, প্ৰান্তিক, গৰীয়সী আদিকে প্ৰমুখ্যে কৰি অলেখ আলোচনী প্ৰকাশিত হৈ আহিছে, কিন্তু বিদ্যালয়-মহাবিদ্যালয় স্তৰৰ আলোচনীৰ এক অন্য ৰূপ আছে— কিয়নো ই ছাত্ৰ-ছাত্ৰীক হাতত কলম ল'বলৈ শিকায়। ভাবৰ ৰং বুলাবলৈ প্ৰোৎসাহিত কৰে। সেয়ে বিদ্যালয়-মহাবিদ্যালয় আলোচনীখনৰ গুৰুত্ব অতি বেছি।

সাম্প্ৰতিক সময় এক জটিল সময়। সুস্থ চিন্তা তথা মননশীলতাৰ অৱক্ষয় হ'বলৈ চৌপাশৰ বাতাবৰণ কুলষিত হোৱাৰ উপক্ৰম হৈছে। চৌদিশে হিংসা, সন্ত্ৰাস, ধৰ্ষণ আৰু মোবাইল সংস্কৃতিয়ে নতুন প্ৰজন্মৰ সৃষ্টিত আউল লগাইছে। এনেকুৱা কৃত্ৰিম তথা অস্বাস্থ্যকৰ পৰিৱেশত সাহিত্যই বা আলোচনীয়ে এক দিকনিৰ্নায়ক ভূমিকা লোৱাৰ সময় সমাগত।

আমাৰ আশা মহাবিদ্যালয়ৰ আলোচনীখনে এক নতুন পৰিবেশ সৃষ্টিত অগ্ৰনী ভূমিক ল'বলৈ সক্ষম হ'ব। আশা ৰাখিম মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে এক আদৰ্শবান ছাত্ৰ তথা দেশৰ আদৰ্শবান নাগৰিক হিচাপে গঢ় লৈ সমাজ তথা জাতিৰ মংগলৰ বাবে কাম কৰিবলৈ সক্ষম হ'ব। তেওঁলোক প্ৰকৃত মানৱ সম্পদলৈ ৰূপান্তৰিত হ'ব।

সকলোকে অলেখ শুভকামনা জনালো। আলোচনীখনৰ আঁৰত যিসকল ব্যক্তি, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী জড়িত হৈ আছে তেওঁলোকলৈয়ো মোৰ আন্তৰিক শুভেচ্ছা জনালো। আলোচনীখন সমাজত সমাদৃত হওঁক তাৰেই কামনাৰে—

জয়তু 'প্ৰজ্ঞা'
জয়তু কন্যা মহাবিদ্যালয় আলোচনী,
জয়তু কন্যা বিদ্যালয়, গীতানগৰ

**ড° সত্যজিৎ কলিতা**
অধ্যক্ষ
কন্যা মহাবিদ্যালয়



**বিনীতা গগৈ**
তত্বাৱধায়ক, 'প্ৰজ্ঞা'

# তত্বাৱধায়কৰ একাষাৰ...

'প্ৰজ্ঞা' আমাৰ দৃষ্টিত কেৱল কন্যা মহাবিদ্যালয়ৰ এখন আলোচনীয়ে নহয়, 'প্ৰজ্ঞা' আমাৰ মন্দিৰ সদৃশ মহাবিদ্যালয়খনিৰ যেন আত্মা। আত্মা বিহীন শৰীৰৰ প্ৰমূল্য নোহোৱাৰ দৰে মহাবিদ্যালয়ৰ দাপোণস্বৰূপ আলোচনীখনৰ অবিহনে মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল ইতিহাস আধৰুৱা হৈ ৰয়। বিশেষ অসুবিধা বশতঃ '২২-২৩ বৰ্ষৰ আলোচনীখনৰ কাম আধৰুৱা হৈ ৰোৱাৰ পৰিপ্ৰেক্ষিতত এই বৰ্ষত দুয়োটা বৰ্ষকে সামৰি প্ৰজ্ঞাই ন ৰূপত মহাবিদ্যালয়ৰ ইতিহাস সামৰি আপোনাসৱৰ কাষলৈ আহিল। আশাকৰো, আপোনালোকৰ মৰম আদৰত 'প্ৰজ্ঞা' সুগন্ধি কুসুম হৈ ফুলিব।

সুদীৰ্ঘ দিনৰ শ্ৰমৰ অন্তত 'প্ৰজ্ঞা' উন্মোচনৰ শুভ মুহূৰ্ত সমাগত। এফালে আমাৰ মন আনন্দত আত্মহাৰা আৰু আনহাতে আমাৰ মন বেদনাই আগুৰা। কিয়নো অনাগত দিনত 'প্ৰজ্ঞা'ই কন্যা মহাবিদ্যালয়ৰ ঠাইত গীতানগৰ মহাবিদ্যালয়ৰ ইতিহাস বুকুত সাবটি ধাৱমান হ'ব। কন্যা মহাবিদ্যালয়ৰ নামেৰে এইখন শেষ 'প্ৰজ্ঞা' হৈ নিজেই ইতিহাস হৈ ৰ'ব। সময়ে বাগৰ সলাব, নতুনে পুৰণিক নিজৰ মাজতে সামৰি নতুনত্বৰে ৰহন সানিব। আমি আশাবাদী, নতুন নামেৰে ছাত্ৰ-ছাত্ৰী উভয়কে আকোঁৱালি আমাৰ প্ৰাণৰ মহাবিদ্যালয়খনি জাকত জিলিকা হৈ উঠিব।

'প্ৰজ্ঞা' প্ৰকাশৰ ক্ষেত্ৰত প্ৰধান ভূমিকা নিঃসন্দেহে আমাৰ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° সত্যজিৎ কলিতা ডাঙৰীয়া। অকপটে স্বীকাৰ কৰো, এক মুহূৰ্তও তেখেতে 'প্ৰজ্ঞা'ৰ কথা মনৰ পৰা আঁতৰিবলৈ নিদিয়াৰ ফলশ্ৰুতিত 'প্ৰজ্ঞা'ত প্ৰাণ সঞ্চাৰ হ'ল। কৃতজ্ঞ ছাৰ, আপোনাৰ কৰ্ম প্ৰেৰণা সদায়েই অটুট থাকক। 'প্ৰজ্ঞা'ৰ সন্মানীয় লেখকসকল, মুদ্ৰক শ্ৰদ্ধাৰ কিশোৰ দাদাকে প্ৰমুখ্য কৰি সকলোকে সহযোগিতা আৰু পৰামৰ্শ আগবঢ়োৱাৰ বাবে কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

'প্ৰজ্ঞা'ৰ প্ৰকাশৰ ক্ষেত্ৰত সকলো সময়তে উপদেশেৰে ধন্য কৰা সম্পাদনা সমিতিৰ সন্মানীয় উপদেষ্টা মণ্ডলী, ছাঁটোৰ দৰেই অনবৰতে সহযোগিতা আৰু পৰামৰ্শ আগবঢ়োৱা সন্মানীয় সহযোগী তত্বাৱধায়ক শ্ৰদ্ধাৰ বেংগলী বিভাগৰ মূৰব্বী অধ্যাপক অনন্যা ৰয় বাইদেউ, ইংৰাজী বিভাগৰ জেষ্ঠ অধ্যাপক নজৰুল ইছলাম ছাৰ, হিন্দী বিভাগৰ সহকাৰী অধ্যাপক ভাতৃ প্ৰতীম ড° নৱকান্ত শৰ্মাৰ লগতে সম্পাদক কংকণা পাটৰ আৰু ছাত্ৰী সদস্য বন্ধু সকলক আন্তৰিকতাৰে ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আজিৰ এই আনন্দৰ সময়তো দুচকু পানীৰে উপচি পৰিছে অকালতে আমাৰ মাজৰ পৰা হেৰাই যোৱা কনিষ্ঠ ভাতৃ সদৃশ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী মুনীন্দ্ৰ বৰ্মনক স্মৰণেৰে। আজিৰ এই পবিত্ৰ দিনটিত তেওঁৰ আত্মাৰ সদগতি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

শেষত, 'প্ৰজ্ঞা' প্ৰকাশৰ ক্ষেত্ৰত হোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটীৰ বাবে ক্ষমা প্ৰাৰ্থনাৰ লগতে আমাৰ মহাবিদ্যালয়খনিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

ধন্যবাদেৰে
**বিনীতা গগৈ**
তত্বাৱধায়ক, 'প্ৰজ্ঞা'
মূৰব্বী অধ্যাপক, অসমীয়া বিভাগ।

# সম্পাদকীয়



**কংকণা পাটৰ**
আলোচনী সম্পাদক

প্ৰতিবেদনৰ আৰম্ভণিতে কন্যা মহাবিদ্যালয়ৰ পৰা শ্ৰদ্ধাৰে অধ্যক্ষ মহোদয়, শিক্ষক সমাজৰ লগতে বিভিন্ন কামত নিয়োজিত সকলো সদস্যকে মোৰ সশ্ৰদ্ধপ্ৰণাম জনালো। ইয়াৰ উপৰি মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী আৰু বাইদেউ-ভণ্টীসকলো শুভাকাংক্ষীকে মোৰ শ্ৰদ্ধা আৰু মৰম যাঁচিলো।

গুৱাহাটী মহানগৰীৰ মাজমজিয়াত অৱস্থিত কন্যা মহাবিদ্যালয়ৰ লগত জড়িত হৈ থকা বহু জ্ঞানী-গুণী লোকৰ অশেষ কষ্টৰ ফলত সুনাম অৰ্জন কৰিবলৈ সক্ষম হোৱা মহাবিদ্যালয়খন এতিয়া ঠন ধৰি উঠিছে। তাৰেই এখ সুফলস্বৰূপ হ'ল ইয়াৰ বাৰ্ষিক মুখপত্ৰ 'প্ৰজ্ঞা'। এই সংখ্যাৰ 'প্ৰজ্ঞা'ৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হোৱাৰ দিনৰে পৰা আলোচনীখন প্ৰকাশৰ দিনলৈকে নতুন নতুন চিন্তাধাৰাৰে মোক অনুপ্ৰাণিত কৰাসকলক এই সুযোগত সুঁৱৰিছো।

বিগত কেইবছৰৰ মহাবিদ্যালয়ৰ বিভিন্নজন আলোচনী সম্পাদকৰ দৰেই এই বছৰ মই বাৰ্ষিক আলোচনীখন প্ৰকাশৰ এক গুৰুদায়িত্ব বহনৰ সুবিধা লাভ কৰিছোঁ যদিও অকলে এই দায়িত্ব পালন কৰোঁতে দুঃসাধ্য কাম আছিল। সেয়ে মোৰ পৰম শ্ৰদ্ধেয়া শিক্ষাগুৰু বিনীতা গগৈ বাইদেউৰ তত্বাৱধানত নিৰৱচ্ছিন্ন সহযোগিতা আৰু পৰিচালনাত এই গধুৰ দায়িত্ব এটি নিয়াৰিকৈ পালন কৰিব পাৰিলোঁ।

ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ বৌদ্ধিক চিন্তা-চৰ্চা, অনুভূতি, জ্ঞান আদিৰ প্ৰকাশৰ বাবে আলোচনীৰ গুৰুত্ব অপৰিসীম। অসমীয়া কৃষ্টি-সংস্কৃতিৰ লগতে এখন সমাজক ভাষাতাত্ত্বিক দিশত আগবঢ়াই নিবলৈ এখন আলোচনীয়ে গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। ছাত্ৰ-ছাত্ৰীসকলৰ মনোৰম কল্পনাপ্ৰৱণ, বিশ্লেষণাত্মক লেখাসমূহে মহাবিদ্যালয় বা সমাজৰ বাবে বিভিন্ন ক্ষেত্ৰত এক বাৰ্তাবাহক হিচাপে কাম কৰিব পাৰে। আলোচনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ ভাব, কবিত্ব জ্ঞান, জীৱন দৰ্শন, স্মৃতিৰ সুবা ইত্যাদি প্ৰকাশ কৰিব পাৰে। যাৰ দ্বাৰা তেওঁলোকৰ সাহিত্য জ্ঞানৰ বিকাশৰ গতি আৰু অধিক দ্ৰুততৰ হয়।

শেষত মোৰ কাৰ্যকালত নানা দিশত সহায়-সহযোগিতা আগবঢ়োৱা অধ্যাপক, অধ্যাপিকা, গ্ৰন্থগাৰিক, কাৰ্যালয়ৰ সহায়কবৃন্দ উপদেষ্টামণ্ডলী আৰু বিশেষকৈ বিনীতা গগৈ, অনন্যা ৰয় বাইদেউ, নজৰুল ইছলাম ছাৰ আৰু ড° নৰকান্ত শৰ্মা ছাৰ আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সত্যজিৎ কলিতা ছাৰক মই আন্তৰিকতাৰে শলাগৰ শৰাই আগবঢ়াইছোঁ।

যদি মোৰ কাৰ্যকালত কোনো ধৰণৰ ভুল-ত্ৰুটি ৰৈ গৈছে তেনেহ'লে কৰযোৰে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

সদৌ শেষত কন্যা মহাবিদ্যালয়ৰ দাপোণস্বৰূপ 'প্ৰজ্ঞা'ৰ উজ্জ্বল ভৱিষ্যৎ কামনাৰে মই মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—
জয়তু কন্যা মহাবিদ্যালয়
**কংকণা পাটৰ**
আলোচনী সম্পাদিকা

# সূচীপত্ৰ

## অসমীয়া বিভাগ


দক্ষিণ-পূৰ্ব এচিয়াৰ কৌশলী সমৰনায়ক
মহাবীৰ লাচিত বৰফুকন
ড° হোমেশ্বৰ কলিতা ১১
ড° ভূপেন হাজৰিকাৰ কবিতা ঃ এটি চমু আলোচনা
ড° পূৰ্ণ ভট্টাচাৰ্য ১৫
যদা যদাহি ধৰ্মস্য...
নৰেন পাটগিৰি ১৯
অসমীয়া সংস্কৃতি - জনগোষ্ঠীয় সংস্কৃতি
ড° সত্যজিৎ কলিতা ২৪
জ্ঞান মন্দিৰ কন্যা মহাবিদ্যালয়
(এক ৰেখাংকন— এক অৱলোকন)
হেমন্ত কুমাৰ বৰদলৈ ৩৭
সাম্প্ৰতিক পৰিস্থিতিৰ পটভূমিত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰাসঙ্গিকতা
বিনীতা গগৈ ৪৪
অসমীয়া কবিতাত লোকসংস্কৃতিৰ প্ৰভাৱ
(কেইজনমান নিৰ্দিষ্ট কবিৰ কবিতাৰ উল্লেখেৰে)
মৰমী চৌধুৰী ৪৮
অসমীয়া লোকগীত ঃ এক চমু অধ্যয়ন
লতিফা বেগম ৫৪
'অসমীয়া সাজ-পাৰ আৰু আ-অলংকাৰ ঃ এক চমু অধ্যয়ন
শিখা শৰ্মা ৫৯
অসমীয়া সংস্কৃতিত 'তামোল-পাণ
বিউটী কাঠাৰ ৬৩
অসমীয়া জাতীয় উৎসৱ 'বিহু'ৰ লোকাচাৰ
জেউতি দাস ৬৭
বড়ো কছাৰীসকলৰ চমুৰ পৰিচয় উৎসৱ
জুৰি বৰ্মন ৭৩
ধৰ্মীয় অনুষ্ঠান 'কামাখ্যা মন্দিৰ'
দিপিকা গগৈ ৭৬
হাজো পঞ্চতীৰ্থ
মধুস্মিতা চক্ৰৱৰ্তী ৮০
অসমীয়া লোকগীতত তাঁতশালৰ স্থান
বৰ্ষা ৰায় ৮৫
মিছিংসকলৰ লোকউৎসৱ 'আলি-আই-লৃগাং'
লিপি বৰ্মন ৮৯


## কবিতাৰ কৰণি


সোৱৰণিৰ এখিলা সৰাপাত
ৰখামণি কলিতা ৯৩
ভাল লগা ছবিটি (শিশু কবিতা)
বিজুমণি শৰ্মা ৯৩
দেউতা
ৰিংকি পাছৱান ৯৪
মা আৰু মৰম
কংকনা পাটৰ ৯৪
বন্ধুত্ব
আঞ্জিনা বেগম ৯৫
এটি পথৰ অপেক্ষাত
ৰুমী ৰায় ৯৫
জীৱন জোনাক
ৰূপাঞ্জলি কলিতা ৯৫
তই মাথোঁ এটি চাকি নহয়
প্ৰেৰণা ডেকা ৯৬
অপৰাজিতা
স্নেহা মালাকাৰ ৯৬
সপোন
দুলুমণি দাস ৯৭
বন্ধু (নাছিৰ আলীৰ সোঁৱৰণত)
প্ৰিত্যমণি ডেকা ৯৭
মৰমৰ মা
নাজিমা আখটাৰ ৯৮
মোৰ সেই স্কুলখনি
প্ৰীতিমণি ডেকা ৯৮
নাহৰৰ পাতত মেলা এটা পাটবাউসীৰ জোন

# সূচীপত্ৰ


কাব্যশ্ৰী হাজৰিকা ৯৯

দেউতা

হিয়ামণি পাটগিৰী ৯৯

বিবিধা

জৰ্জ এডৱাৰ্ড মূৰ

ৰীতা দেৱী ১০১

বন্ধুত্ব ঃ এক মিঠা, চুক্তিবিহীন, নিস্বাৰ্থ এনাজৰী

প্ৰেৰণা ডেকা ১০২

ডায়েৰীৰ ধূসৰ পৃষ্ঠা

ড° নবকান্ত শৰ্মা ১০৩

ইণ্ডোনেছিয়াৰ প্ৰখ্যাত দুখন বিশ্ব ঐতিহ্য স্থান

ড° অপৰ্ণা বুজৰবৰুৱা ১০৫

বিজয়াৰ বিগলিত সন্ধ্যা

চন্দন কুমাৰ শৰ্মা ১০৭

প্ৰতিবেদন ১১৯-১২৬

English Section

History : The Concept and Idea of Humanism and Human Development

Guptajit Pathak ১২৮

Industrial Revolution : Its affect on the culture and society of 19th century England

Nazrul Islam ১৩৩

Unlocking Opportunities: India's Strategic Benefits from the G-20 Summit 2023

Tridib Goswami ১৩৬

Silent Sorrows

Khrishna Choudhury ১৩৭

A Traveler's Journey

Jayashree Kathar ১৪০

The Beauty of Failure

Prapti Dutta ১৪০

How Social Media is Destroying Society

Hiyamoni Patgiri ১৪১

Military Service

Aditi Patra ১৪১

Ali Baba and Forty Thieves

Mrinal Das ১৪২

Story of time

Aditi patra ১৪৩

Do Not Give Up

Biul Thakur ১৪৪

Good manners

Priti Kumari ১৪৪

Vasco da Gama: The Discovery Eras

Ruplekha Nath ১৪৫

Civilization of the Nile River

Jumi Das ১৪৬

Archaeological Sources: Revealing the Secrets of Ancient India

Himadri Deka ১৪৭

Jane Austen (A Famous Novelist)

Jayashree Kathar ১৪৯

The Silent Voice

Baby Das ১৪৯

Friendship

Khrishna Choudhury ১৫০

Fiction

Jayshree kathar ১৫০

हिन्दी विभाग

अंतर्राष्ट्रीय प्रेम

डॉ. जाकिर हुसैन ১৫২

महागुरु का महाप्रयाण

डा0 नव कांत शर्मा ১৫৬

चार भाईयों की कहानी

खुशी कुमारी ১৫৯

घमंडी का सिर नीचा

खुशी कुमारी ১৬০

# সূচীপত্র


सुनो तो सब ठीक है
रामा कुमारी ১৬১
मेरी मां
नीलम कुमारी ১৬২
मेरे प्यारे पापा
नागमा खातुन ১৬২
भगवान की कृपा
( प्रेणनादायक कहानी )
नेहा शाह ১৬৩
मैं सबसे छोटी होऊं
संध्या दास ১৬৩
मैं और मेरा हिंदी साहित्य प्रेम
सोनी कुमारी ১৬৪
शिक्षक दिवस
अंजली कुमारी ১৬৪
आर्मी भाई
विजय कुमार माहातो ১৬৫
कुछ करना है, तो डटकर चल
पार्वती कुमारी राय ১৬৬
पुस्तक
प्रीति कुमारी ১৬৬


বাংলা বিভাগ


রবীন্দ্রনাথ ঠাকুরের ছোট গল্প ও ছড়ায় শিশু মনস্তত্ব
অনন্যা রায় ১৬৮
গাছ
নিকিতা দেৰনাথ ১৭২
সুখ
সুরজ দাস ১৭২
মা
কুলদীপ বর্মন ১৭২
জ্ঞানের লাইব্রেরি
প্রতিমা পোদ্দার ১৭২
আমার আকাশ
প্রতিমা পোদ্দাৰ ১৭২
মশা
প্রিয়াঙ্কা চক্রৰর্তী ১৭২
প্রজাপতি
মতম ধুকমালী দেববর্মা ১৭২




# অসমীয়া বিভাগ



# দক্ষিণ-পূৰ এচিয়াৰ কৌশলী সমৰনায়ক
# মহাবীৰ  লাচিত বৰফুকন


**ড. হোমেশ্বৰ কলিতা**

অধ্যক্ষ, গুৱাহাটী কমাৰ্চ কলেজ

ফোন ঃ ৯৪৩৫৩-৫৬০৬০




বিগত ৩৫০ বছৰকাল ধৰি যি গৰাকী মহান দেশভক্ত সমৰনায়কৰ বীৰ গাঁথাই অসমীয়া মানুহক সৰ্ব্বাধিক অনুপ্ৰাণিত কৰি আহিছে, তেৱেঁই হ'ল জাতীয় জীৱনৰ শৌৰ্য-বীৰ্যৰ প্ৰতীক শৰাইঘাট যুদ্ধৰ (১৬৭১ চন) কৌশলী আৰু নিৰ্ভীক সেনাপতি— লাচিত বৰফুকন। লাচিতৰ পিতৃ মোমাই নেচাঙ্গ বা মোমাই তামুলীক স্বৰ্গদেউ প্ৰতাপ সিংহই ১৬১৮ চনত নতুনকৈ সৃষ্টি কৰা বৰবৰুৱা পদত নিয়োগ কৰিছিল। মোমাই তামুলী বৰবৰুৱাৰ সাতজন পুত্ৰ আছিল— যথাক্ৰমে অঙ্গ, মৰঙ্গি, দতুকীয়া, লালুক, বাদুলী, ডাংধৰা আৰু লাইচিত বা লাচিত। ১৬২২ চনৰ ২৪ নৱেম্বৰ তাৰিখে নাগেশ্বৰী আইদেউৰ গৰ্ভত চৰাইদেউত লাচিতৰ জন্ম হয়। ধন্য বীৰ প্ৰসৱিনী মাতৃ নাগেশ্বৰী আইদেউ, যিয়ে মহানবীৰ লাচিতৰ দৰে সন্তানক অসমীয়া জাতিক উপহাৰ হিচাবে আগবঢ়াব পাৰে।

**সমকালীন সময়ৰ অসমৰ ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতি ঃ**

লাচিত বৰফুকন দুগৰাকী স্বৰ্গদেউৰ শাসনত বৰফুকন হিচাবে সামৰিক বাহিনীৰ মুখ্য সমৰ নায়কৰ দায়িত্ব পালন কৰিব লগা হৈছিল। ১৬৬৩ চনত ২১তম্ ৰজা চক্ৰধ্বজ সিংহই ৰাজ সিংহাসনত বহে আৰু লাচিতক আহোমৰ বৰফুকন হিচাবে নিযুক্তি দিয়ে। লগে লগে মোগলৰ বিৰুদ্ধে আগন্তুক যুদ্ধৰ প্ৰধান সেনাপতিৰ দায়িত্বও অৰ্পণ কৰে। মোগলৰ বিৰুদ্ধে চলা দীঘলীয়া সংগ্ৰামখনৰ মাজভাগতে ১৬৭০ চনত চক্ৰধ্বজ সিংহৰ পৰলোকপ্ৰাপ্তি হয়। ইয়াৰ পাচত দ্বাবিংশতম্ ৰজা উদয়াদিত্য সিংহই ৰাজপাটত বহে। উদয়াদিত্য সিংহৰ দিনতে লাচিতে বিখ্যাত শৰাইঘাটৰ যুদ্ধত মোগলৰ ১৭তম্ আক্ৰমণ



প্ৰতিহত কৰিছিল। শৰাইঘাটৰ যুদ্ধৰ ঠিক ১০০ বছৰ পূৰ্ব্বে অৰ্থাৎ ১৫৭১ চনৰ চ'ত মাহৰ দৌল পূৰ্ণিমাৰ দিনাখন বসন্ত ৰোগত ভুগি অসম মাতৃৰ আন এগৰাকী শ্ৰেষ্ঠ সমৰনায়ক মহাবীৰ চিলাৰায়ৰ দেহাৱসান ঘটিছিল। মহাৰাজ নৰনাৰায়ণ আৰু তেওঁৰ ভ্ৰাতৃ চিলাৰায় দুয়ো মহাশক্তিধৰ আৰু গুণী-জ্ঞানী বীৰ আছিল। আহোম ৰাজ্যৰ ১৬তম্ (ষষ্ঠদশ) স্বৰ্গদেও চুখাম্ফা বা খোৰা ৰজাৰ সৈন্য বাহিনীয়ে ভুল বুজা-বুজি বশতঃ তিনিজন কোঁচ ৰাজবংশৰ যুৱকক হত্যা কৰিছিল আৰু ৰাজকুমাৰী লীলাৱতিক অপহৰণ কৰিছিল। এই ঘটনাই গুৰুতৰ ৰূপ ল'লে। পৰিণতিত ১৫৬২ চনত বিশাল সেনাবাহিনীৰে নৰনাৰায়ণ-চিলাৰায়ে আহোম ৰাজ্য আক্ৰমণ কৰিলে। যুদ্ধত আহোম সেনা সম্পূৰ্ণকৈ পৰাস্ত হ'ল। কোঁচ সৈন্যই গড়গাঁও দখল কৰে। নৰনাৰায়ণ ৩ মাহ কাল গড়গাঁৱত থাকি পুনৰ আপোন ৰাজ্য কোঁচ বেহাৰলৈ ঘূৰি আহোতে বাটত মুখামুখি হোৱা কছাৰী, মণিপুৰ, জয়ন্তীয়া, ত্ৰিপুৰা, খাছী, গাৰো, শ্ৰীহট্ট, ডিমৰীয়া ৰাজ্য আদিবোৰ জয় কৰি কোঁচ ৰাজ্যৰ অন্তৰ্ভূক্ত কৰিলে। তদুপৰি আহোম ৰাজ্য জয় কৰাৰ আগতেই ভূঞা ৰাজ্য, দফলা ভূটীয়া আদি পৰ্বতীয়া ৰাজ্যবোৰো কোঁচ ৰাজ্যৰ তলতীয়া কৰিছিল বা মিত্ৰতা পাশত আৱদ্ধ হৈছিল। এনেদৰেই শৰাইঘাটৰ যুদ্ধৰ প্ৰায় ১১০ বছৰ পূৰ্বে শদিয়াৰ পৰা কোঁচবেহাৰলৈ নানা জাতি-উপজাতি আৰু জনগোষ্ঠিৰ লোকসকল এক উমৈহতীয়া ৰাজনৈতিক শাসন ব্যৱস্থাৰ অধীনলৈ আহিছিল। নৰনাৰায়ণ-চিলাৰায়ৰ উদ্যোগত এই বিশাল ভূ-খণ্ডৰ জনগণই অসমীয়া ভাষাক গণসংযোগী ভাষা হিচাবে গভীৰ শ্ৰদ্ধাৰে আঁকোৱালি লৈছিল। ফলত এই মুলুকৰ মানুহে বিপদৰ সময়ত বাহিৰৰ পৰা অহা সাম্ৰাজ্যবাদী শক্তিৰ বিৰুদ্ধে একত্ৰিত হৈ হাতত হেংদাং তুলি লোৱাৰ এক পৰম্পৰাও লাহে লাহে গঢ়লৈ উঠিল। এই ঐক্যৱদ্ধ পৰম্পৰাই লাচিত বৰফুকনৰ সকলো আঁচনিকে সফল ৰূপ দিয়াত সহায় কৰিছিল। নৰনাৰায়ণ চিলাৰায়ে বিজিত জাতি জনগোষ্ঠি বিলাকৰ ওপৰত আধিপত্য স্থাপন কৰা নাছিল। বৰং সেইবোৰত ৰাস্তা-ঘাট নিৰ্মাণ কৰি, পুখুৰী খনাই সু-শাসনৰ ব্যৱস্থা কৰি দিছিল। তদুপৰি একে সময়তে মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱ আৰু তেৰাসৱৰ শিষ্য বৰ্গয়ো এই বিশাল ভূখণ্ডত উদাৰচেতীয়া নৱ-বৈষ্ণৱ ধৰ্মীয় কৃষ্টিৰ প্ৰসাৰেৰে বিভিন্ন পন্থৰ মানুহৰ মাজত বৃহত্তৰ অসমীয়া জাতিৰ ধাৰণা সোমাই দিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰি ইছলাম ধৰ্ম প্ৰচাৰৰ বাবে ১৬৩৬ চনত অসমত পদাৰ্পণ কৰা আজান পীৰ (যাৰ আচল নাম আছিল চৈয়দ মইনুদ্দিন বাগদাদী) ৰচিত জিকিৰ আৰু জাৰি গীতসমূহেও অসমত হিন্দু আৰু মুছলমান সম্প্ৰদায়ক সম্প্ৰীতিৰ বান্ধেৰে বান্ধি ৰাখিছিল। ইয়াৰ ফলত খিলঞ্জীয়া আৰু বাহিৰৰ পৰা অহা দয়ো প্ৰকাৰৰ ইচলামধৰ্মী সমাজৰ বহুতেই শৰাইঘাটৰ যুদ্ধত লাচিতৰ পক্ষত থিয় হৈছিল বুলি ইতিহাসবিদসকলে উল্লেখ কৰিছে।

দুৰ্ভাগ্যৰ কথা এয়ে যে বিশাল অসম বা কোঁচ ৰাজ্য স্থাপন কৰা মহাৰাজ নৰনাৰায়ণ আৰু মহাবীৰ চিলাৰায়ৰ মৃত্যুৰ পিছত তেওঁলোকৰ সতি-সন্ততিসকল একগোট হৈ থাকিব নোৱাৰিলে। নৰনাৰায়ণ পুত্ৰ লক্ষ্মীনাৰায়ণ আৰু চিলাৰায় পুত্ৰ ৰঘুদেৱৰ মাজত কৌৰৱ পাণ্ডৱৰ দৰে ঘোৰ শত্ৰুতা হ'ল। পৰৱৰ্তী কালত তেওঁলোকৰ নাতিয়েকসকলে ইজনে সিজনক বধ কৰিবলৈ মোগলৰ সহায় লবলৈও কুণ্ঠাবোধ নকৰা হ'ল। ফলত বিভক্ত কোঁচ ৰাজ্যবোৰ মোগলৰ কৰতলীয়া হ'ল। ঔৰংজেৱৰ নিৰ্দেশত কোঁচবেহাৰৰ ১৫,০০০ ধনুৰ্দ্ধাৰী সেনাই ৰামসিংহৰ লগত চামিল হৈ লাচিতৰ বিৰুদ্ধে যুঁজিব লগা হৈছিল। এয়া নিশ্চয় স্বেচ্ছামূলক নাছিল। বৰং চুক্তিৰ বাধ্যবাধ্যকতাহে আছিল।

**মিৰজুমলাৰ অসম আক্ৰমণ আৰু শৰাইঘাটৰ যুদ্ধৰ মূল কাৰণ-ঘিলাঝাৰীৰ চুক্তি ঃ**

১৬৪৮ চনত ৰাজসিংহাসনত আৰোহণ কৰা জয়ধ্বজ সিংহ (চুতাম্‌লা) আছিল আহোম ৰাজতন্ত্ৰৰ বিংশতিতম্ ৰজা। জয়ধ্বজ সিংহ এগৰাকী সাহসী স্বাধীনমনা আৰু উচ্চাকাংক্ষী ৰজা আছিল। সেই সময়ত কামৰূপ ৰাজ্য মোগলসম্ৰাট চাহজাহানৰ অধীনত আছিল। বৃদ্ধাৱস্থাত চাহজাহানৰ সিংহাসনকলৈ পুত্ৰসকলৰ মাজত তুমুল যুদ্ধ চলিল। এই সুযোগতে জয়ধ্বজ সিংহই কামৰূপ দখল কৰি লয়। পৰৱৰ্ত্তী সময়ত চতুৰ কূটনীতিক ঔৰংজেৱে বাকী ভ্ৰাতৃসকলক হৰুৱাই অথবা হত্যা কৰি দিল্লীৰ সিংহাসন অধিকাৰ কৰে। সম্ৰাট হৈয়ে ঔৰংজেৱে মিৰজুমলাৰ অধীনত এক বিশাল বাহিনী দি অসম আক্ৰমণ কৰিবলৈ পঠায়। মিৰজুমলা এগৰাকী লেখতলবলগীয়া বীৰ সেনাপতি আছিল। তেওঁ ১৬৬২ চনৰ ৪ জানুৱাৰী তাৰিখে দিল্লীৰ পৰা যাত্ৰা আৰম্ভ কৰি ধুমুহাৰ গতিৰে আহি অসমত প্ৰৱেশ কৰে। বাটত পোৱা আহোমৰ সকলো গড়, সৈন্যৰ ছাউনি ধ্বংস কৰি ফেব্ৰুৱাৰীৰ শেষত শিমলু গড়ৰ পতন ঘটালে। ইয়াৰ পাচত চামধৰা, শলাগড় আৰু লখৌগড়ৰ পতন ঘটায় আৰু ১৭ মাৰ্চ তাৰিখে গড়গাঁও দখল কৰে। লখৌগড়ৰ পতন হোৱাত জয়ধ্বজ সিংহই নামৰূপলৈ পলায়ন কৰে। সেইবাবে তেওঁক ভগনীয়া বা পলৰীয়া ৰজা বুলিও জনা যায়। এই যুদ্ধত আহোমৰ সেনাপতি আছিল মনথিৰ ভৰালী বৰুৱা। যুদ্ধৰ পৰিণতিত মোগলৰ বশ্যতা স্বীকাৰ কৰি আহোম আৰু তিপামৰ ৰজাই তিপামৰ ঘিলঝাৰী নামে ঠাইত যি চুক্তিত স্বাক্ষৰ কৰিছিল, তাকে বিখ্যাত ঘিলঝাৰীৰ সন্ধি নামে জনা যায়। ১৬৬৩ চনৰ জানুৱাৰী মাহত সম্পন্ন হোৱা ঘিলাঝাৰী চুক্তিখন আহোম তথা অসমীয়াৰ ইতিহাসত এখন অতি অপমানজনক চুক্তি আছিল।

চুক্তি অনুসৰি আহোম আৰু তিপামৰ ৰজাদ্বয়ে বছৰি ২০,০০০ তোলা সোণ, ১২ মাহৰ ভিতৰত ৩ লাখ তোলা ৰূপ, অসংখ্য হাতী, চাৰিজন প্ৰধান ডাঙৰীয়াৰ চাৰিজন পুত্ৰৰ উপৰি জয়ধ্বজ সিংহৰ ছয়বছৰীয়া জীয়েক ৰমণী গাভৰু আৰু তিপামৰ ৰজাৰ জীয়েক মোহিনী আইদেউক সম্ৰাটৰ হেৰেমলৈ পঠাব লগা হৈছিল। এনে অপমান আৰু শোক সহিব নোৱাৰি ১৬৬৩ চনত মদগ্ৰ ৰোগত জয়ধ্বজ সিংহৰ পৰলোক প্ৰাপ্তি ঘটে।

এনে পৰিস্থিতিত ১৬৬৩ চনত আহোম ৰাজপাটত বহিয়ে নতুন স্বৰ্গদেও চক্ৰধ্বজ সিংহই ডা-ডাঙৰীয়াসকলক মাতি আনি স্বাভিমান ব্যক্ত কৰিলে— 'পৰৰ আইচতি সহিব নোৱাৰো, অধীন হৈ থকাতকৈ মৰণেহে তুল্য।'

উপযুক্ত স্থানত আৰু উপযুক্ত সময়ত স্বৰ্গদেওৰ এই ফাঁকি বীৰত্বপূৰ্ণ আৰু দেশপ্ৰেমমূলক বক্তব্যই দেশৰ ডা-ডাঙৰীয়া, ৰণুৱা বনুৱা সকলোকে জগাই তুলিলে। কেউপিনে মোগলৰ বিৰুদ্ধে ৰণ দুন্দুভি বাজি উঠিল।

জ্যোতিষীয়ে গণনা কৰি শুভ দিনবাৰ চাই ১৬৬৭ চনৰ ২০ আগষ্টৰ দিনা পূজা পাতল কৰি লাচিত বৰফুকনে নৌসেনা আৰু স্থলসেনা লৈ গুৱাহাটী অভিমুখে যাত্ৰা আৰম্ভ কৰে।

**ৰণাঙ্গনত নমস্য সামৰিক বিষয়াসকলৰ অৱস্থান ঃ**

এখন বৃহৎ যুদ্ধত বিজয় মাল্য পৰিধান কৰিবলৈ হ'লে সেনানায়কগৰাকী কিমান হিচাবী আৰু কৌশলী হোৱাৰ প্ৰয়োজন, তাক সেনাধ্যক্ষ লাচিতৰ এই যুঁজখনৰ প্ৰস্তুতিপৰ্বলৈ মন কৰিলেই সহজে বুজা যায়। মূল ৰণাঙ্গনত বিভিন্ন স্থানত নেতৃত্ব দিয়া বীৰ-সেনানায়কসকলৰ অৱস্থান এনে ধৰণৰ আছিল—

**সম্পূৰ্ণ বাহিনীৰ মূল সেনাধ্যক্ষ লাচিত বৰফুকন ঃ** প্ৰধান কাৰ্য্যালয় ইটাখুলি। দক্ষিণ পাৰৰ সেনাধ্যক্ষ অমাৰাজুৰিৰ পৰা পাণ্ডুলৈ— ফুকন কঁহুৱা বৰগোঁহাই। ৰাঙলী বুৰুজৰ পৰা কামাখ্যাৰ পশ্চিম পাৰলৈ— তৰুৱা দিহিঙ্গীয়া ৰাজখোৱাৰ পুত্ৰ। দুৱাৰ গৰিলা- লাটুম বৰুৱা। পাৰঘোপাৰ পৰা ধেণুখিৰুৱা-বাৰুকিয়াল গোঁহাই। গোটানগৰৰ পৰা অসুৰৰ আলিলৈ- হাজৰিকা নেওগ। অসুৰৰ আলি- কলিয়াবৰীয়া ফুকন। অসুৰৰ আলিৰ দক্ষিণে- মৰঙ্গিখোৱা চেতিয়া। উষা হৰণ পাহাৰ- নামদঙ্গিয়া ৰাজখোৱা। ওভোতা শিমলু পথ- চক্ৰপাণি ৰাজখোৱা।

উত্তৰপাৰৰ সেনাধ্যক্ষসকল জুৰিয়াৰ পৰা শৰাইঘাটলৈ- অভয়াপুৰীয়া ৰাজখোৱা। শৰাইঘাটৰ সন্মুখ- ডেকা অভয়পুৰীয়া ৰাজখোৱা। কেঁকুৰীৰ পৰা লঠিয়ালৈ- মাখৰু ৰাজখোৱা। লটিয়া পাহাৰত- বাহগৰীয়া বুঢ়াগোঁহাই। লঠিয়াৰ পৰা চিলালৈ- মিৰি সন্দিকৈ ফুকন। সেন্দুৰী ঘোপাৰ পৰা খৰা গৰুৱা আলিলৈ- তৰুৱা ৰাজখোৱা। লঠিয়াৰ পৰা চিলা পৰ্বতলৈ- গজপুৰীয়া ৰাজখোৱা।

**অশ্বক্লান্ত সন্মুখত নৌবাহিনী ঃ** ৰংমহলৰ পৰা কুৰিয়ালৈ- চাৰিঙ্গিয়া ফুকন। চাহবুৰুজত- ৰূপ সন্দিকৈ। কুৰুৱাত- বৰপাত্ৰ ৰাইদঙ্গীয়া ফুকন।

ইয়াৰ উপৰি ভাগে ভাগে আছিল- ৰছদপাতি, যুদ্ধাস্ত্ৰ নিৰ্মাণ আৰু যোগানৰ ব্যৱস্থা, গোলা বাৰুদ- বৰটোপ কঢ়িওৱা, গড় বনোৱা ব্যৱস্থা, কাঢ়ি, অশ্বাৰোহী, নাও চালনা কৰা মানুহ ইত্যাদি সকলো দিশতে এক নিখুঁত ব্যৱস্থা। স্বৰ্গদেও চক্ৰধ্বজ সিংহই কিছু নিৰাপদ দূৰত্বত আলেঙে আলেঙে থাকি ডাঁৰৰ বাতৰি ডাঁৰে লৈ আছিল। এই সকলোবোৰৰ ওপৰত আছিল পৰম দেশভক্ত বুদ্ধিত বৃহস্পতি, লাচিতৰ মুখ্য পৰামৰ্শ দাতা মহামন্ত্ৰী আতন বুঢ়াগোঁহাই। গুৱাহাটীত দূৰ্গ নিৰ্মাণৰ দায়িত্বত আছিল- আতন বুঢ়াগোঁহাই।

এই যুদ্ধাভিযান আছিল- যথেষ্ট দীঘলীয়া। ১৬৬৭ চনৰ ছেপ্তেম্বৰ মাহত লাচিত বাহিনীয়ে পোনপ্ৰথমে উত্তৰ পাৰৰ বাহবাৰীৰ মোগলৰ দূৰ্গ দখল কৰে আৰু দুজন মোগল সেনাধ্যক্ষক বন্দী কৰে। এনেদৰে আৰম্ভ হোৱা এই যুদ্ধখন ১৬৭১ চনতহে সামৰণী পৰিছিল।

গুৱাহাটীলৈ আগবাঢ়ি আহোতে বৰফুকন বাহিনীয়ে কাজলী, সোণাপুৰ, পানীখাইতি তাঁতিমৰা, আদি দূৰ্গ দখল কৰিলে। ইয়াৰ পাচত ৪ নবেম্বৰ তাৰিখে সামৰিক দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ ইটাখুলি দূৰ্গ পাহাৰ দখল কৰিলে। উত্তৰ পাৰেও অসমীয়া সৈন্যই বীৰত্ব সহকাৰে যুদ্ধ কৰি উত্তৰ গুৱাহাটী, মণিকৰ্ণেশ্বৰ বা শ্বাহবৰুজ পাহাৰ দখল কৰিলে। এনেদৰে প্ৰায় দুমাহৰ ভিতৰতে সোঁণৰ সঁফুৰা গুৱাহাটী উদ্ধাৰ হোৱা দেখি চক্ৰধ্বজ সিংহই বিষয়াসকলক উপযুক্ত মান আৰু বঁটা বাহন প্ৰদান কৰিলে আৰু মন্তব্য প্ৰকাশ কৰিলে 'এতিয়াহে মই এগৰাহ ভাত সুখেৰে খাওঁ।'

১৬৬৭ চনত বীৰ লাচিতৰ হাতত মোগলৰ প্ৰতিনিধিসকল সকলো ঠাইতে পৰাস্ত হোৱাৰ খবৰ পাই অসমীয়াক এশিকনি দিবলৈ ঔৰংজেৱে ৰাজপুত বীৰ জয় সিংহৰ পুত্ৰ ৰজা ৰামসিংহক হুকুম দিলে। যুদ্ধৰ সকলো প্ৰস্তুতি নিয়াৰিকৈ সম্পন্ন কৰি ৰামসিংহই ১৬৬৯ চনৰ ফেব্ৰুৱাৰী মাহত ৰঙামাটিত উপস্থিত হ'ল। ৰামসিংহৰ তলত উপমুখ্য সেনাধ্যক্ষ হিচাবে আছিল গুৱাহাটীৰ পুৰ্ব্বৰ থানেদাৰ ৰছিদ খান, আলম খান, বৰকম খান, নাছিৰ খান, জুৰেল বেগ ইত্যাদি। ওঠৰ হাজাৰ নিপুণ অশ্বাৰোহী, ত্ৰিশ হাজাৰ পদাতিক, ১৫ হাজাৰ ধনুধাৰী, ৫০০ হিলৌধাৰী, একৈশজন ৰাজপুত নায়কৰ উপৰি আৰু অন্যান্য শাখাৰ প্ৰায় ৩০ হেজাৰ সৈন্য আৰু গোলা বাৰুদ, বিশাল নৌ বাহিনী ইত্যাদি।

বীৰ লাচিতৰ নেতৃত্বত অসমীয়াৰ সৈন্যসংখ্যা, বৰতোপ, গোলা-বাৰুদ আদিৰ সংখ্যা তেনেই নগণ্য আছিল। মোগলৰ বিশাল বাহিনীৰ বিৰুদ্ধে যে এখন

দীঘলীয়া যুদ্ধত অৱতীৰ্ণ হ'ব লাগিব, সেই কথা দূৰদৰ্শী লাচিতে আগতীয়াকৈ অনুমান কৰিব পাৰিছিল। সেয়েহে বৰফুকনদেৱে পৰিস্থিতি চাই-চিতিহে যুদ্ধৰ আদেশ দিছিল। চাৰিওফালে গড় বান্ধি নিজ সৈন্য দলক গড়ৰ ভিতৰত সুৰক্ষিত কৰি ৰাখিছিল। প্ৰয়োজন সাপেক্ষে গৰিলা যুদ্ধ কৰি শত্ৰু পক্ষৰ ক্ষতি কৰিছিল। ৰামসিংহৰ বাহিনীক মুকলি যুদ্ধত বলে পৰা নাযাব। গতিকে কেতিয়াও মুকলি ঠাইত যুদ্ধৰ বাবে আদেশ দিয়া নাছিল। ৰজাৰ নিৰ্দেশত আলাবৈ নামৰ ঠাইত যুদ্ধ কৰিব লগা হোৱাত এদিনতে ১০ হাজাৰ বীৰ অসমীয়া সৈন্য নিহত হৈছিল।

ৰজা ৰামসিংহ এগৰাকী উচ্চ মৰ্যদাসম্পন্ন আৰু বিবেচক সেনাপতি আছিল। যুদ্ধৰ নিষ্ঠুৰতাৰে সাধাৰণ প্ৰজাৰ ওপৰত লুটপাত বা নৰসংহাৰ পচন্দ নকৰিছিল। সেয়ে ৰামসিংহই প্ৰথমে কটকীৰ জৰিয়তে ভয় ভাবুকি প্ৰদান কৰি লাচিত বৰফুকনক বশ কৰিবলৈ চেষ্টা কৰিছিল। লাচিতৰ লগত সকলো সময়তে যদুকুলৰ শিৰোমণি কৃষ্ণসদৃশ আতন বুঢ়াগোঁহাই মন্ত্ৰণা দাতা হিচাবে আছিল। গতিকে লাচিতে সকলো কূটনৈতিক পৰ্য্যায়ত ৰামসিংহক পৰাস্ত কৰিছিল।

এই যুদ্ধখন আছিল বহুতো খণ্ডযুদ্ধৰ সমাহাৰ। তাৰ ভিতৰত আলাবৈৰ যুদ্ধ, আগিয়াথুৰিৰ মোমাইকটা গড়ৰ যুদ্ধ আৰু শৰাইঘাটৰ নিৰ্ণায়ক যুদ্ধ অন্যতম। আগিয়াথুৰিত ৰাতিৰ ভিতৰতে এক বিশেষ ধৰণৰ গড় নিৰ্মাণ কৰিবলৈ লাচিতে যাক দায়িত্ব দিছিল, তেওঁ আছিল লাচিতৰ মোমাইয়েক। ৰাতি লাচিতে কামৰ অগ্ৰগতি পৰ্যবেক্ষণ গৈ দেখে যে বনুৱাসকলে কৰ্ত্তব্যৰ পিনে পিঠি দিছে। তেওঁ মোমাইয়েকৰ পৰা ইয়াৰ সদুত্তৰ নেপাই মোমাইয়েকক লগে লগে খাপৰ পৰা হেংদাং উলিয়াই দুছেৱা কৰিলে আৰু বীৰদৰ্পে চিঞৰি উঠিল— 'দেশতকৈ মোমাই ডাঙৰ নহয়।' বৰফুকনৰ উগ্ৰ ৰূপ দেখি সৈন্য আৰু বনুৱা সকলে প্ৰাণটাকি কাম কৰিলে। ৰাতিৰ ভিতৰতে দুৰ্ভেদ্য গড় নিৰ্মাণ হৈ উঠিল। পিছদিনাখন ৰামসিংহৰ সৈন্যই গড় দেখি বিচূৰ্ত্তি মানিলে। কোনোফালে সুৰুঙা উলিয়াব নোৱাৰি মোগল পিছ হুঁহকি গ'ল।

**শৰাইঘাটৰ যুদ্ধ ঃ** ১৬৭১ চনৰ সেই যুদ্ধখন আছিল অসমীয়া জাতিৰ ভাগ্য নিৰ্ণায়ক যুদ্ধ। হয় তৰিব, নহয় মৰিব।

ৰামসিংহই দুৰ্জেয় বাহিনী লগত লৈ আন্ধাৰু বালিৰে গুৱাহাটীত প্ৰৱেশৰ সিদ্ধান্ত লৈছিল।

হায় বিধিৰ বিধান! এনে সময়তে সকলোৰে আশা ভৰষাৰ সূৰ্য্য মহাবীৰ লাচিত বৰফুকনৰ গাত তীব্ৰ; ১। উত্তাপে শৰীৰ দহিছে। লাচিতৰ নৰীয়াৰ বাতৰিয়ে এফালে মোগলৰ শিবিৰত উৎসাহৰ বন্যা বোৱাইছে, আনফালে লাচিতৰ অধীনত সমবেত নানা উপজাতি-জনগোষ্ঠিৰ সেনাদলত হতাশাৰ কলীয়া ডাঁৱৰে ছানি ধৰিছে।

এনে পৰিস্থিতিত সেই বীৰ সূৰ্য্যৰ স্বাভিমানী মনে শৰীৰৰ বাধা মনা নাই। বৰফুকন ইটাখুলিৰ পাহাৰ দুৰ্গৰ পৰা ৰুগীয়া গাৰেই যুদ্ধৰ মাত্ৰ নাওবোৰৰ গতিবেগ লক্ষ্য কৰিছিল। তেওঁ অনুভৱ কৰিছিল নৌ বাহিনীৰ এটা সাধাৰণ ভুলেও অসমীয়া সেনাৰ কাৰণে মাৰাত্মক হৈ উঠিব পাৰে। সেয়েহে ৰুগীয়া দেহাৰেই যুদ্ধত জঁপিয়াই পৰিবলৈ তেওঁ সিদ্ধান্ত লৈছিল।

ৰাজজ্যোতিষী অচ্যুতানন্দ দলৈয়ে চাই দিয়া শুভ মুহূৰ্তত লাচিত বৰফুকনে তেওঁৰ গা-ৰখীয়াক হুকুম দিছিল তেওঁক বিছনাৰে সৈতে নাৱলৈ লৈ যাবৰ বাবে। অন্য ছয়খন যুদ্ধৰ নাওসহ বৰফুকনৰ নাও অসমীয়া সৈন্যৰ মাজত সোমাই পৰিছিল। আৰু শত্ৰুৰ ওপৰত শৰ নিক্ষেপ কৰাৰ হুকুম দিছিল।

বৰফুকনৰ এই উদ্যোগত ভয়ত পেঁপুৱা লগা অসমীয়া সৈন্যদলে যেন মৃতসঞ্জীৱনীহে বিচাৰি পাইছিল।

বৰফুকনে চিঞৰি চিঞৰি কৈছিল— 'মোগলে মোক জীৱন্তে ধৰি লৈ যাওঁক আৰু আমাৰ মানুহক ঘৰলৈ গৈ শান্তিৰে থাকিবলৈ দিয়ক।' বৰফুকনে সাতখন নাও লৈ গোলাবৰ্ষণ কৰি শত্ৰু সৈন্যৰ পিনে আগুৱাই গৈছিল। যেতিয়া দুই পাৰত থকা অসমীয়া সৈন্যই দেখিছিল যে বৰফুকনৰ নাও শত্ৰুৰ পিনে আগুৱাই গৈছিল ততাতৈয়াকৈ দুয়োপাৰৰ পৰা অসমীয়া সৈন্যৰ নাও বৰফুকনৰ পিনে আগবাঢ়ি গৈছিল। এক প্ৰচণ্ড যুদ্ধৰ দামামাই আকাশ-বতাহ কঁপাই তুলিলে। ইটাখুলি, কামাখ্যা আৰু অশ্বক্লান্তৰ মাজত ব্ৰহ্মপুত্ৰৰ ৰূপালী পানী তেজেৰে ৰাঙলী হ'ল আৰু অৱশেষত যুদ্ধৰ বিজয় মুকুট লাচিত বৰফুকনৰ শিৰত শোভা বৰ্ধন কৰিলে। মোগল সম্ৰাট ঔৰংজেবৰ বিচক্ষণ সেনাপতি ৰাম সিংহই ৰঙা মাটিলৈ পশ্চ্যাদ গমন কৰিলে। এই তিনিবছৰীয়া যুদ্ধৰ অন্তত মানাহ নদীলৈকে অসমৰ সীমা নিৰ্ধাৰণ হ'ল। ৰাম সিংহই অসমীয়া সেনাৰ মহত্ব আৰু বীৰত্ব স্বীকাৰ কৰি কৈ গ'ল— বৰফুকনৰ সেনাবাহীনিৰ এজন মানুহ একোটা গড়। একোজন সৈনিকে নাও বাব পাৰে, গড় বান্ধিব পাৰে, বিচক্ষণ কৌশলেৰে তৰোৱাল চলাব পাৰে। এনে পাকৈত সেনাবাহিনী ভাৰতৰ আন কোনো ৰাজ্যত মই দেখা নাই। ধন্য লাচিত বৰফুকন, ধন্য অসম দেশৰ সেনানী।

এই যুদ্ধৰ এবছৰ পিচতেই অসম মাতৃৰ বুকু শুদা কৰি ১৬৭২ চনৰ ২৫ এপ্ৰিল তাৰিখে শ্ৰান্ত-ক্লান্ত মহান যোদ্ধা লাচিত বৰফুকনে ইহলীলা সম্বৰণ কৰে। আজি অসমী আইৰ কলিজাৰ এফাল লাচিত বৰফুকন নাই কিন্তু তেওঁৰ আপোচ বিহীন দেশপ্ৰেমৰ আদৰ্শ আজিও জীয়াই আছে আৰু অনাগত দিনৰ নতুন পুৰুষে তেওঁৰ আদৰ্শক জীয়াই ৰাখিব।

*(প্ৰবন্ধটো লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে ৰচিত আৰু নিয়মীয়া বাৰ্তাৰ সম্পাদকীয় পৃষ্ঠাত ইতিপূৰ্বে প্ৰকাশিত)*



# ড° ভূপেন হাজৰিকাৰ কবিতা ঃ এটি চমু আলোচনা

ড°পূৰ্ণ ভট্টাচাৰ্য

এক বৰ্ণাঢ্য জীৱন পৰিক্ৰমাৰ অধিকাৰী সুধাৰ আকৰ ড° ভূপেন হাজৰিকাৰ কলা-সাহিত্য-সংস্কৃতিৰ সাধনাও বাৰেবৰণীয়া, বিচিত্ৰ। ওৰেটো জীৱন কলা-সাহিত্যৰ মাজতে ডুব গৈ থাকি এইগৰাকী সৰ্বগুণাকৰ যুগজয়ী কালপুৰুষে অসমীয়া জাতীয় জীৱনত যি অনবদ্য প্ৰভাৱ বিস্তাৰ কৰি থৈ গ'ল সিয়ে তেওঁক মহীয়ান কৰি থৈ যোৱাৰ লগতে অসমীয়া জাতিৰ জীৱন-পৰিক্ৰমাৰ ইতিহাসকো মহতোমহীয়ান কৰি থৈ গৈছে। মহাপুৰুষ শ্ৰীশংকৰদেৱৰ দিনৰ জাতীয় জীৱনৰ চৰিত্ৰ আৰু ব্যাপ্তিৰ লগত ড° ভূপেন হাজৰিকাৰ যুগ-বন্যা আৰু তাৰ প্ৰসাৰতাৰ ক্ষেত্ৰ বেলেগ। আনকি কুৰি শতিকাৰ বাটচ'ৰাতে জন্মগ্ৰহণ কৰা জনতাৰ শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আৰু মাটি আৰু মানুহৰ সপক্ষে, শ্ৰমজীৱী মানুহৰ জীৱনৰ উত্তৰণৰ বাবে কলা সাধনা কৰা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সময়ৰ সমাজৰ কণ্ঠস্বৰতকৈও ড° ভূপেন হাজৰিকাৰ সময়, সত্যতা আৰু ইতিহাসৰ চেতনাবোধ আৰু সামাজিক দৃষ্টিভংগীৰ পৰিৱৰ্তন লক্ষ্য কৰিব পাৰি। বিশ্বায়ন বুলিয়েই কওঁ, ভোগবাদী সমাজ-সংস্কৃতিৰ সময় যি বুলিয়েই নকওঁ কিয় কুৰি শতিকাৰ শেষাৰ্ধ আৰু একৈশ শতিকাৰ এটা দশক জুৰি হাজৰিকাদেৱে অসমীয়া জাতীয় জীৱনক যেনেদৰে সমৃদ্ধ কৰি থৈ গ'ল, যেনেদৰে এটা যুগৰ সৃষ্টি কৰি জাতীয় জীৱনৰ সাৰ্থক উত্তৰণ সম্ভৱ কৰি তুলিলে— সেয়া ইতিহাসত বিৰল বুলি ক'ব পাৰি। ক'বলৈ গ'লে আমি উল্লেখ কৰা তিনিগৰাকী মহা-মহীষী, বিপ্লবী, যুগনায়কৰ ঐতিহাসিক উপমাৰ লগত ড° হাজৰিকাদেৱৰ নাম জাতীয় জীৱনৰ ভাস্কৰ্যত খোদিত হোৱাত অসমীয়া জাতিৰ জাতীয় জীৱনৰ সমৃদ্ধি আৰু এখোপ আগবাঢ়ি গৈছে। ড° ভূপেন হাজৰিকা সাম্প্ৰতিক কালৰ এগৰাকী মহানায়ক।



ড° ভূপেন হাজৰিকাৰ জীৱনৰ ব্যাপ্তি দিগন্ত বিয়পা। অসমীয়া কলা-সাহিত্য-সংস্কৃতিৰ প্ৰতিটো ক্ষেত্ৰতে হাজৰিকাৰ জীৱনৰ হৃদয়ৰ স্পন্দনে

স্পন্দিত কৰিছে। কি নাছিল ড° ভূপেন হাজৰিকাৰ? চলচ্চিত্ৰ পৰিচালক, চলচ্চিত্ৰৰ সংগীত পৰিচালক, প্ৰবন্ধ লেখক, গীতিকাৰ, সুৰকাৰ, ভ্ৰমণ কাহিনীৰ লেখক, শিশু-সাহিত্য সাধক, আলোচনী-সাহিত্যৰ বিশিষ্ট সম্পাদক আৰু এগৰাকী কবি ইত্যাদি ইত্যাদি নানান সাধনাৰ সমাহাৰত প্ৰোজ্জ্বল হৈ উঠিছে ড° ভূপেন হাজৰিকাৰ গতিশীল বৰ্ণাঢ্য জীৱন সাধনা। ভূপেন হাজৰিকাৰ ব্যক্তিত্ব থূপ খুৱাই যদি এটা মন্দিৰ সজা হয় তেতিয়া হ'লে তাত দৰ্শন কৰিবলৈ উঠা খট্‌খটিৰ উচ্চতা চকুৰে মণিব নোৱৰা নহ'লেও সু-উচ্চ পাহাৰসদৃশেই হ'ব। আনহাতে ক'বলৈ গ'লে তেওঁৰ জীৱন পৰিক্ৰমাৰ গতিপথৰ বিচাৰ, দৰ্শন আৰু চিন্তা-চৰ্চাৰ বিচাৰৰ ক্ষেত্ৰখনো হ'ব নিঃসন্দেহে মহাকাব্যিক। এই কথা অনস্বীকাৰ্য যে ড° ভূপেন হাজৰিকাৰ সাধনাৰ যি সামগ্ৰিকতা তাত অসমীয়া মহাজীৱনৰ মহাবাহু ব্ৰহ্মপুত্ৰৰ দৰে বৈ আছে সংগীতৰ সাধনাৰ চিন্তা-চৰ্চা, স্ৰষ্টাৰ প্ৰৱাহমান ধাৰাই। তাৰ পিছতে আমাৰ দৃষ্টিত চলচ্চিত্ৰ জগত। লাহে লাহে সেই ৰেখাডাল সাংবাদিকতা, সম্পাদনা ইত্যাদি ইত্যাদি দিশেৰে অগ্ৰসৰ হ'ব।

> *আচলতে প্ৰতিটো গীতেই একোটা সাৰ্থক কবিতা। তাত ছন্দ আছে, লয় আছে, গতি আছে, আনুভূতিক গভীৰতা আছে আৰু আছে নন্দনতাত্ত্বিক সৌন্দৰ্য সুষমা। ড° ভূপেন হাজৰিকাৰ গীতৰ যিখন বাজ্য, সেইখনত তেওঁ বহু পৰিমাণে একক আৰু অদ্বিতীয়। ড° ভূপেন হাজৰিকাৰ গীতত কি নাই- আলোচকে মহাপুৰুষৰ কীৰ্তন পুথি সম্পৰ্কত কোৱাৰ দৰে ভাষাৰ লালিত্য, যুগব ঝংকাৰ ইয়াৰ অনবদ্য শক্তি। এই গীতৰ মাজতেই নিহিত হৈ আছে শব্দৰ ব্যঞ্জনাময় মাধুৰ্য, ভাষা অৰ্থাৎ শব্দৰ তেজস্বী শক্তি, হিল-দ'ল ভাঙি অহা মানবতাবাদী কণ্ঠ সুযমা, কল্পনা আৰু বাস্তৱৰ সু-সমাহাৰত নন্দনতাত্ত্বিক সৌন্দৰ্যৰ পূৰ্ণিমা। গীতেই হাজৰিকাৰ প্ৰাণ, প্ৰাণময় সৌন্দৰ্য। সম্পূৰ্ণ যাযাবৰী জীৱন বুলি নকওঁ, কিন্তু বিচিত্ৰ জীৱন পৰিক্ৰমাৰ অধিকাৰী হাজৰিকাৰ জীৱনত গীতেই যেন এক সৰ্বহ শক্তিপ্ৰাণ। তেওঁ মাটি আৰু মানুহৰ কলাকাৰ।*

এনে বিশাল পৰিক্ৰমাৰ মাজতো ড° ভূপেন হাজৰিকাৰ কাব্য-সাধনাৰ বিচাৰ কেনেধৰণে কৰিব পৰা যায়? আচলতে গোটেই ভাৰতীয়ই, গোটেই বিশ্বই এইগৰাকী সাধক, এগৰাকী গায়ক বা গীতিকাৰ আৰু সুৰকাৰ হিচাপে চিনি পালেও তাৰ মাজতো লুকাই আছে তেওঁৰ ভিতৰৰ কবিসত্তা। আচলতে প্ৰতিটো গীতেই একোটা সাৰ্থক কবিতা। তাত ছন্দ আছে, লয় আছে, গতি আছে, আনুভূতিক গভীৰতা আছে আৰু আছে নন্দনতাত্ত্বিক সৌন্দৰ্য সুষমা। ড° ভূপেন হাজৰিকাৰ গীতৰ যিখন বাজ্য, সেইখনত তেওঁ বহু পৰিমাণে একক আৰু অদ্বিতীয়। ড° ভূপেন হাজৰিকাৰ গীতত কি নাই- আলোচকে মহাপুৰুষৰ কীৰ্তন পুথি সম্পৰ্কত কোৱাৰ দৰে ভাষাৰ লালিত্য, যুগব ঝংকাৰ ইয়াৰ অনবদ্য শক্তি। এই গীতৰ মাজতেই নিহিত হৈ আছে শব্দৰ ব্যঞ্জনাময় মাধুৰ্য, ভাষা অৰ্থাৎ শব্দৰ তেজস্বী শক্তি, হিল-দ'ল ভাঙি অহা মানবতাবাদী কণ্ঠ সুযমা, কল্পনা আৰু বাস্তৱৰ সু-সমাহাৰত নন্দনতাত্ত্বিক সৌন্দৰ্যৰ পূৰ্ণিমা। গীতেই হাজৰিকাৰ প্ৰাণ, প্ৰাণময় সৌন্দৰ্য। সম্পূৰ্ণ যাযাবৰী জীৱন বুলি নকওঁ, কিন্তু বিচিত্ৰ জীৱন পৰিক্ৰমাৰ অধিকাৰী হাজৰিকাৰ জীৱনত গীতেই যেন এক সৰ্বহ শক্তিপ্ৰাণ। তেওঁ মাটি আৰু মানুহৰ কলাকাৰ।

তথাপি সম্পূৰ্ণভাৱে এই দৃষ্টিৰে ড° ভূপেন হাজৰিকাৰ কাব্যময় জীৱনক, সাধনাক চাব নোৱাৰি। ড° ভূপেন হাজৰিকাৰ চিত্ৰ, নাট, গীত, কবিতাতে। বিচাৰিলে পোৱা যাব তেওঁৰ সুকীয়া একোটি বিশেষ ঠিকনা বুলি নিজেই গীতেৰে কৈছে; কিন্তু সাধক গৰাকীৰ সাহিত্য সাধনাৰ দীঘ-বাণি বিচাৰ কৰি ক'ব পৰা যায় যে হাজৰিকাদেৱে কবিতা সাধনাক বিশেষ সাধনা হিচাপে গ্ৰহণ কৰা নাছিল, অনুভূতিৰ পূৰ্ণতা দিবলৈ বা হৃদয়ৰ আকাংক্ষা পূৰণ কৰিবলৈ তেওঁ কবিতাৰ জগততো বিচৰণ কৰিছিল। সেয়েহে গীতৰ ভাব, ভাষা আৰু চিন্তাৰ যি সৌন্দৰ্যৰ ত্ৰিবেণী সংগম কবিতাৰ মাজত বিচাৰিলে হয়তো ভুল কৰা হ'ব। জ্যোতিপ্ৰসাদ আৰু বিযুও ৰাভাদেউৰ কবিতাৰ যিখন ক্ষেত্ৰ তাৰ তুলনাত ভূপেন হাজৰিকাদেৱৰ কবিতাৰ ক্ষেত্ৰখন বহু পৰিমাণে সীমিত। জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভাৰ সৈতে এই ক্ষেত্ৰত তুলনা কৰিবলৈ যাওঁতে আমি এই সত্যও পাহৰিব নালাগিব যে হাজৰিকাদেৱ অকল গীতিকাৰেই নাছিল। সেই গীতক সুৰ আৰু কণ্ঠ দি তাৰ অনিৰ্বাপিত সৌন্দৰ্য সুষমাৰে, 'লুইতৰ পৰা মিচিচিপি হৈ ভল্গাৰ ৰূপ চাই, অটোৱাৰ পৰা অষ্ট্ৰিয়া হৈ পেৰিছ সাবটি লৈ গীতৰ ভাষাৰে, সুধাৰ কণ্ঠেৰে মানুহক অনুপ্ৰাণিত কৰিছিল আৰু বোধহয় সেই গুণে এটা কবিসত্তা থকাৰ পিছতো কাব্য ৰচনাত অধিক মন-প্ৰাণ তেওঁ উৎসৰ্গা কৰিব পৰা নাছিল। তথাপি কিন্তু এইটো কথাও বোধহয় সত্য-গীতৰ যি অফুৰন্ত, প্ৰাণোচ্ছল শক্তি, ভাষাৰ যি লালিত্য আৰু মানৱতাবাদী, মানৱদৰদী যি চিন্তা-দৰ্শনৰ কণ্ঠস্বৰ-তাক কবিতাৰ মাজত বিচাৰিলে পোৱা নাযাব। তথাপি 'নোপোৱা যিখিনি থাকক বাকী' সেই চিন্তাকে আধাৰ হিচাপে লৈ পোৱাখিনিৰ মাজতো তেওঁক চমুকৈ বিচাৰ কৰি চাব পৰা

যায়।

আমাৰ হাতত থকা তথ্যমতে হাজৰিকাদেৱৰ স্বৰচিত কবিতাৰ সংখ্যা প্ৰায় দুকুৰি, অনূদিত কবিতাৰ সংখ্যাও প্ৰায় সিমানেই হʼব। কবিতাৰাজিৰ বিষয়বস্তু ভিন্ন বিষয়ক। কোনাৰ্ক, জগন্নাথ মন্দিৰৰ পৰা আৰম্ভ কৰি বিহু, বʼহাগলৈ তাৰ ব্যাপ্তি। আচলতে গীতৰ ক্ষেত্ৰতো যেনেদৰে তেওঁ ভিন্ন পৰিবেশ আৰু পৰিস্থিতিৰ মুখামুখি হৈ তাৰ মাজতে গীতৰ ৰূপ আৰু ৰস গভীৰভাৱে উপলব্ধি কৰাৰ প্ৰয়াস কৰিছিল, তেনেদৰে কবিতাৰ মাজতো বিচাৰিছিল হৃদয়ৰ সত্য উপলব্ধিৰ গভীৰতাৰ ব্যঞ্জনাময় প্ৰকাশ। চিত্ৰকল্প, প্ৰতীক আদিৰ গভীৰতাই যে তেওঁৰ কবিতাক বিশেষ ৰূপ লাবণ্য আনি দিছিল— সেইকথা কবিতাখিনি পঢ়ি কʼব পৰা নাযায়। কʼবলৈ গʼলে হেজাৰ গীতৰ পৰা হেজাৰ শ্ৰোতাই জীৱনৰ শক্তিশালী চিন্তা-চেতনাৰ কণ্ঠস্বৰ যেনেদৰে চিনাক্ত কৰিব পাৰে, কবিতাসমূহৰ মাজেৰে নোৱাৰে। কেতিয়াবা কবিতাৰ মাজেৰে ফুটি উঠিছে গভীৰ ভাবাৱেগ, কেতিয়াবা কম কথাৰে মূৰ্ত হৈছে সংযত ভাব মূৰ্ছনা। ১৯৫৩ চনতে ডʼ হাজৰিকাদেৱে ৰচনা কৰিছিল ‘ঊষা আৰু নিশা’ নামৰ কবিতা। নিশা আৰু ঊষাৰ মাজৰ জ্যোতি আৰু এন্ধাৰৰ মাজত সখী নিশাক এৰি ঊষাই বাট বুলিছে— যʼত ৰোমাণ্টিক হৃদয়ৰ অভিব্যঞ্জনা প্ৰকাশিত হৈছে— ‘অ’ সখী নিশা/নাভাঙো তোমাৰ আশা/নিদ্ৰা এৰিছে মহাজীৱনে/পোহৰ বিচাৰি আজি/সেয়েহে আজি ন-ৰহণেৰে— ওলালোঁ সাজোন কাচি/যোৱা মোৰ সখীটি নিশা।’ জনপ্ৰিয় তথা গভীৰ চিন্তাসমৃদ্ধ সম্পাদকীয় ৰচনাৰ ক্ষেত্ৰতো অসমীয়া সমাজ জীৱনৰ সামাজিক-ৰাজনৈতিক পটভূমিক আধাৰ হিচাপে লৈ কবিতাক মাধ্যম কৰি লৈছে। প্ৰকাশ নিঃশব্দঃ সময় কঠিন নামৰ কবিতাটিত অসমৰ সন্ত্ৰাসবাদৰ সংকটৰ এখন বাস্তৱ ছবি মূৰ্ত কৰিছে— ‘আজি ২৫ ছেপ্টেম্বৰ’ ৯৯। সন্ধিয়া বোম্বেৰ কাকতত হেডলাইনঃ/অসমত আলফাই আৰু ৭২ ঘণ্টা/সময়সীমা বঢ়াই দিলে/পণবন্দী কেইজনৰ কেতিয়া/কি হয়/কোনেও নাজানে।’ অৱশ্যে এনেধৰণৰ কবিতা বাস্তৱৰ সত্যৰ নিৰ্মম ৰূপহে, কাব্যিক সাৱলীল মাধুৰ্যপূৰ্ণ কাব্যিক অভিব্যঞ্জনাৰ অংশীদাৰ নহয়।

কʼবলৈ গʼলে হেজাৰ গীতৰ পৰা হেজাৰ শ্ৰোতাই জীৱনৰ শক্তিশালী চিন্তা-চেতনাৰ কণ্ঠস্বৰ যেনেদৰে চিনাক্ত কৰিব পাৰে, কবিতাসমূহৰ মাজেৰে নোৱাৰে। কেতিয়াবা কবিতাৰ মাজেৰে ফুটি উঠিছে গভীৰ ভাবাৱেগ, কেতিয়াবা কম কথাৰে মূৰ্ত হৈছে সংযত ভাব মূৰ্ছনা। ১৯৫৩ চনতে ডʼ হাজৰিকাদেৱে ৰচনা কৰিছিল ‘ঊষা আৰু নিশা’ নামৰ কবিতা। নিশা আৰু ঊষাৰ মাজৰ জ্যোতি আৰু এন্ধাৰৰ মাজত সখী নিশাক এৰি ঊষাই বাট বুলিছে— যʼত ৰোমাণ্টিক হৃদয়ৰ অভিব্যঞ্জনা প্ৰকাশিত হৈছে

কবিয়ে আধুনিক জীৱন ধাৰাৰ বিক্ষিপ্ত জীৱনভংগীক কবিতাৰ মাজেৰে প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। মাৰ্ক্সবাদী বা সমাজবাদী চিন্তাক কবিতাত ৰূপ দিব খুজিলেও সেয়াও যেন বৰ স্পষ্ট নহয়। গান্ধী, মাৰ্ক্সবাদ, লেনিনবাদ, ফ্ৰয়েডৰ দৃষ্টিভংগী যি ভাবনাত মগ্ন হৈছে তাকেই কবিতাৰ মাজলৈ টানি আনিছে— ‘দুটা গুলীৰ শব্দত/আৰ্তনাদ/হে বাম/দুনিয়াৰ মজদুৰ এক হওক। নহয় এক/লেনিনেও মূৰকত মুখ থেকেচা খালে/লেনিন আমাৰ প্ৰতিদিন/প্ৰতিনিয়ত’। কবি নৱকান্ত বৰুৱাৰ জন্মদিন— ‘কবিতাৰ দিন’। এই কবিতাৰ দিনক লৈ হাজৰিকাদেৱে কবিতা ৰচনা কৰিছে— ‘নৱকান্ত নাই/গভীৰ চিন্তাৱসত কাপ/জুবুৰিয়াই/তুমি লিখি গʼলা/অনুভূতিৰ কবিতা/’ নিজৰ সংজ্ঞা বিচাৰি ককাদেউতাৰ হাড়ৰ ওচৰ চাপিছে। ৰংঘৰৰ বাকৰিত বিচাৰি পোৱা নিজৰ সংজ্ঞা, সুধিবলৈ যেন নাই কুমাৰ ভাস্কৰবৰ্মা, শংকৰদেৱ, মাধৱদেৱ, সূৰ্যকুমাৰ ভূঞা। ইয়াৰ লগে লগে ‘এৰা বাটৰ সুৰ’ৰ প্ৰসংগ তেওঁ টানি আনিছে। জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভায়ো যেন অসমীয়া জাতীয়ত্বৰ প্ৰমাণ দিবলগীয়া হৈছে’ পুণেৰ ফিল্ম ইনষ্টিটিউটত/অতীত নিগেটিভো কিছু ভস্ম/হʼল জ্যোতি ককাইদেৱে প্ৰমাণ দিবলগা হৈছে/তেওঁ কোন? বিষ্ণুও ককাইদেউক কোনোবাই সুধিছে বিষ্ণু ৰাভা বড়োনে? নে অনাঅসমীয়া?’ এনে প্ৰসংগতে যেন ৰাভাদেউৰ সাত্বিক জীৱনৰ সংজ্ঞা দিছে— বিষ্ণু দা কোন/ৰঙা মাটি/ৰঙা তেজ/ৰঙা বিপ্লৱৰ সাধুকথা।’

গীতত প্ৰাণ পাই উঠা চিন্তা আৰু ধ্যান-ধাৰণাও মাজে-সময়ে তেওঁৰ কবিতাত স্পষ্টভাৱে অনুৰণিত হৈছে। বিশেষকৈ ‘এটি মদাৰ ফুলৰ কথা’ নামৰ কবিতাটিত এই স্থিতি স্পষ্ট। মদাৰেৰে ফুল হেনো কামে-কাজে নালাগে’ গীতটিৰ সুৰধ্বনি শব্দ ধ্বনি হৈ বাজি উঠিছে এনেদৰে— ‘পুৰণি পুৰোহিতে কয়/পূজাই-সবাহে হেনো মোক নালাগে।’ তেনেদৰে ‘ৰʼদ পুৱাবৰ কাৰণে মাতিবানো কাক’— গীতটিৰ স্পষ্ট প্ৰকাশ নাথাকিলেও ভাবৰ প্ৰকাশ আছে— ‘ছবি আকোঁ বʼলা’ নামৰ কবিতাটিত- ‘ছবি আকোঁ বʼলা/বʼহাগ আহিছে/অকণমান বʼদ পুৱাওঁগৈ বʼলা।’ সৌৱা ৰহদৈৰ জাক

ওলাই আহিছে/‘ব’হাগ’ কবি ভূপেন হাজৰিকাৰ চিন্তাতো প্ৰকাশিত হৈছে। আচলতে ড° ভূপেন হাজৰিকাৰ সত্তাত ব’হাগে প্ৰতিটো ক্ষণতে প্ৰাণ পাই উঠে; কিন্তু তাৰ মাজতে ‘ব’হাগ’ নামৰ কবিতাত প্ৰকাশ পোৱা ৰূপ আৰু ৰসৰ গতি-পৰিক্ৰমা সুকীয়া ‘পথাৰলৈ যাবা/গুলী খাবা/ঘৰত থাকিবা/গুলী খাবা/পাহাৰ বগাবা/গুলী খাবা।/এই ব’হাগতো/জন্ম আৰু মৃত্যুৱে/হয়তো পাশা খেলিব/আগৰ দৰেই।/’ সুন্দৰ আংগিক, সাৰ্থক অভিব্যঞ্জনা।

ড° ভূপেন হাজৰিকাৰ ‘সময়’ নামৰ আধুনিক ধ্যান-ধাৰণা সম্পন্ন, সু-আংগিক সম্পন্ন কবিতাটিত অতি সুন্দৰভাৱে ‘সময়’ক বাণীবদ্ধ কৰা হৈছে— ‘সৰিছিল সময়/মোৰ আঙুলিৰ ফাঁকেদি/উৰিছিল সময়/তাইৰ ৰঙা চকুৰ চাৱনিৰে।/ কবিতাটিত সন্ত্ৰাসবাদৰ তেজ-সংঘৰ্ষ পৰিণতিৰ ছবি অংকন কৰি শেষৰ স্তৱকত বিমূৰ্ত সময়ক মূৰ্ত কৰাব প্ৰয়াস কৰিছে এনেদৰে— ‘সময় নসৰে/সময় নুৰে/ সময় মাথোঁ থমকি বয়।/’

ড° ভূপেন হাজৰিকা আছিল সময় বা কাল চেতনাৰ কবি। সংগীতৰ সাধনাত অহৰহ ব্যস্ত থাকিলেও তাৰ মাজতে নিৰীক্ষণ কৰিছিল অসমক, অসমৰ জাতীয় জীৱনক। বিশেষকৈ আশীৰ দশকৰ আন্দোলন, অসমত গা কৰি উঠা সন্ত্ৰাসবাদৰ ভয়াৱহতা তেওঁ প্ৰতিটো মুহূৰ্ততে উপলব্ধি কৰিছিল। বিভিন্ন পৰিবেশ আৰু পৰিস্থিতিয়ে তেওঁৰ হৃদয়ত গভীৰ প্ৰভাৱ পেলাইছিল আৰু সেই ক্ৰিয়াৰ প্ৰতিক্ৰিয়া তেওঁ গীত, কবিতাত চিত্ৰৰ ৰূপায়িত কৰিছিল। এইকথা অৱশ্যে পুনৰ ক’বলগীয়া সত্য যে গীতৰ মাজত যিজন ড° ভূপেন হাজৰিকাক আমি বিচাৰি পাওঁ, কবিতাৰ মাজত তাৰ আংশিক ৰূপতহে তেওঁক বিচাবি পাওঁ, গীতৰ ভূপেন হাজৰিকা, গীতৰ ভাব-ভাষা, চিন্তা-সৌন্দৰ্য গভীৰতা ব্যাপ্তি আৰু সাৰ্বজনীনতা কবিতাৰ মাজত পৰিস্ফুট হোৱা নাই। নোহোৱাৰে কথা, কবিতা ৰচনাক বোধহয় তেওঁ সামগ্ৰিক সত্তাৰ বা এক একাষৰীয়া প্ৰৱাহ বুলিহে ভাবিছিল।

ভূপেন হাজৰিকা এগৰাকী অনুবাদক কবিও। যিমান সংখ্যক স্ব-ৰচিত কবিতা তেওঁ ৰচনা কৰিছিল প্ৰায় সমানুপাতত বিভিন্ন কবিৰ কবিতা তেওঁ অনুবাদ কৰিছে। তেওঁ অনুবাদ কৰা কবিসকলৰ মাজত আছে, ব্ৰেখট, মায়াক’ভস্কি, টি এছ এলিয়ট, মিৰ্জা গালিব, মহম্মদ ইকবাল, কাজী নজৰুল ইছলাম, ৰবীন্দ্ৰনাথ ঠাকুৰ, সলিল চৌধুৰী আদি কবি আৰু গীতিকাৰৰ কবিতা। হিন্দী সাহিত্যৰ বিশিষ্ট কবি ‘অজ্ঞেয়’ৰ (মূল নামটো উল্লেখ কৰা নাই) ‘আহ্বান’ শিৰোনামেৰে এটি সুন্দৰ কবিতা হাজৰিকাদেৱে অনুবাদ কৰিছে এনেদৰে— ‘আহঁা/মোৰ চৰণ চিহ্ন মচি মচি হ’লেও/আহাঁ/তোমালোকৰ মুখত এমোকোৰা/অশ্লীল গালি ভৰাই হ’লেও/আহঁা/সেই গালি মোলৈ দলিয়াই দি হ’লেও/আহাঁ।’

গীতিকাৰ গুলজাৰৰ উৰ্দু কবিতা মৰণ, মৰণৰ আঁচোৰ সাৰ্থকভাৱে অনুবাদ কৰিছে— ‘চহৰত কোনেও কাকো হত্যা কৰা নাই। চহৰত কাৰো মৃত্যু হোৱা নাই/ সেইবোৰ মাথোঁ নিহত শব্দ/ কোনেও কাৰো মূৰতো থপিয়াই কটা নাই/ সেইবোৰ মাথোঁ টুপী/টুপীৰ ভিতৰত সেয়া এফালৰ মস্তিষ্কৰ ঢৌ/মহানগৰীৰ বাটত বৈ যোৱা তেজৰ সোঁতৰ/এটোপ দুটোপ নিহত শব্দ...’।

আলোচনাৰ প্ৰাৰম্ভতে এইকথা উল্লেখ কৰা হৈছে যে ভূপেন হাজৰিকাদেৱৰ সাধনাৰ ক্ষেত্ৰখন যিমান গভীৰ, সিমান বিশাল। আধুনিক অসমীয়া জাতীয় জীৱনৰ এনে এটা কলাত্মক দিশ নাই, য’ত হাজৰিকাদেৱৰ কলমৰ পৰশ পৰা নাই, কাব্য সাধনাৰ আশ্ৰয় লোৱা নাই। মাত্ৰ কিবা এক হৃদয়ৰ তাড়নাত, আনন্দৰ বিমিশ্ৰ-সোঁতত উটি যোৱা মনটোক প্ৰশান্তি দিবলৈ এইগৰাকী সাহিত্য-সংস্কৃতি সাধকে কবিতাৰ ক্ষেত্ৰখনত খোজ দিছে। বাৰে বৰণীয়া জীৱন পৰিক্ৰমা, বৰ্ণাঢ্য চিন্তা, জনতাৰ প্ৰতি থকা দৰদ আৰু গভীৰ মানৱতাবোধ আশ্ৰিত মনটোক কেতিয়াবা কেতিয়াবা জয় কৰিবলৈ কবিতা ৰাজ্যত এইগৰাকী সাধকৰ আগমন। সেয়া হ’লেও ভূপেন হাজৰিকাৰ উচ্চ কলাত্মক সাধনাই কবিতাৰ মাজত বিচৰণ কৰোঁতে ভৰিৰ তলৰ মাটি হেৰুওৱা নাই। মহাজীৱনৰ মহাসাধনাৰ বিশাল ক্ষেত্ৰত আনুভূতিক গভীৰতাৰে, স্বাভাৱিক শব্দ-সুযমাৰে তেওঁ ৰচি গৈছে কিছুসংখ্যক কবিতা। ভাব আৰু ভাষাৰ সু- সমন্বয়ত, নিটোল শব্দ প্ৰয়োগৰ আধাৰত ড° ভূপেন হাজৰিকাৰ কবিতাই স্বকীয় মান অক্ষুণ্ণ ৰাখি মহাজীৱন পৰিক্ৰমাৰ এটা খোজ আগবঢ়াই দিছে। ড° হাজৰিকাৰ কবিতা বিচাৰৰ সময়ত সামগ্ৰিক অৱদানক সন্মুখত ৰাখিহে আনবোৰ কথাৰ মূল্যায়ন কৰিব লাগিব বুলি মনে-প্ৰাণে বিশ্বাস হয়।

*লেখকৰ ঠিকনা ঃ বিভাগীয় মুৰব্বী, অসমীয়া বিভাগ*
*গুৱাহাটী কমাৰ্চ কলেজ, গুৱাহাটী-২১*



# যদা যদাহি ধৰ্মস্য...

**নৰেন পাটগিৰি**
অৱসৰপ্ৰাপ্ত অধ্যাপক, ইতিহাস বিভাগ

ভগবৎগীতাত কৃষ্ণই অৰ্জুনক কৈছে—
যদা যদা হি ধৰ্মস্য
গ্লানিৰ ভবতি ভাৰত
অভ্যুথানং অধৰ্মস্য
তদাৎন্মানং সৃজম্যহম
পৰিত্ৰানায় সাধুনাম
বিনাশায় চ দুস্কৃতাম
ধৰ্ম সংস্থাপনাৰথায়
সম্ভৱামি যুগে যুগে।

অৰ্থ ঃ ধৰ্ম গ্লানিময় হ'লে, অধৰ্ম বাঢ়ি গ'লে, মই ভগবান স্বয়ং উপস্থিত হওঁ।

পৰিজনৰ ৰক্ষাৰ হেতু, দুষ্টৰ বিনাশ আৰু সৎজনৰ সংস্থাপন কৰিবলৈ যুগে যুগে স্বয়ং মই আৰ্বিভাৰ হওঁ।

আলোচনালৈ আগবঢ়াৰ আগতে কেইটামান মৌলিক কথাৰ মীমাংসা কৰা ভাল। ভগবানৰ অৰ্থ কি ? ঈশ্বৰ মানে কি বুজায় ? বেদৰ অৰ্থ কি ? আৰু ধৰ্ম ?

ধৰ্ম মানে ধাৰণ কৰা। য ধৃয়তে চ ধৰ্ম- যি আমাক ধাৰণ কৰি থাকে, সিয়েই ধৰ্ম নদীৰ প্লাবন বা জুইৰ দহন ক্ষমতাৰ দৰে যিবোৰ গুণ মানুহৰ পৰা পৃথক কৰা নাযায়, সেয়াই ধৰ্ম অৰ্থাৎ মনুষ্যত্ব। আমি যেতিয়া কাৰোবাক কওঁ— এটা ধৰ্ম কথা কোৱা, ধৰ্মৰ অৰ্থ ইয়াত সত্য, সত্য কথা কবলৈ কোৱা হৈছে। ভাৰতীয় দৃষ্টিভঙ্গী অনুসৰি ধৰ্ম মানে ইংৰাজী শব্দ ৰিলিজন (religion) নহয়। হিন্দু ধৰ্ম হ'ল, এনে কিছুমান গুণৰ সমন্বয়, যিবোৰৰ গৰাকী হলেহে এজন মানুহক প্ৰকৃত মানুহ বুলিব পৰা যায়। হিন্দু ধৰ্মৰ সাধাৰণ

লক্ষণ সমূহ হ'ল— অহিংসা, চোৰ্য কৰ্মৰ পৰা আতৰি থকা, পবিত্ৰ মনোভাৱ, সত্যনিষ্ঠা আৰু সংযম। ধৰ্ম-অধৰ্মক নিৰ্ণয় কৰাৰ বাবে আছে বেদ, স্মৃতি, সদাচাৰ আৰু বিবেকৰ শিক্ষা। ধৰ্মৰ মূল কথা সেৱা-ঈশ্বৰৰ আৰাধনা আৰু মানুহৰ প্ৰতি সেৱা। বস্তুজগত আৰু আধ্যাত্মিক জগত সম্পৰ্কে শুদ্ধ আৰু সম্যক জ্ঞান ধাৰণ কৰা। সংস্কৃতত ধৰ্ম শব্দই 'যি প্ৰতিষ্ঠিত বা দৃঢ়' তাকে বুজায়।

সমাজৰ দ্বাৰা মনোনীত আচৰণ, নৈতিকতা, বিশ্বাস, পাঠ্য, পবিত্ৰ স্থান, ভবিষ্যত বাণী, নীতি কথা এইবোৰে ধৰ্মপ্ৰাণ লোকক ধৰ্মৰ মূল সাৰভাগৰ লগত সম্পৰ্ক স্থাপন কৰে। ভাৰতীয় দৰ্শনত ধৰ্ম বুলিলে, আন বহু কথাৰ লগতে নৈতিক আচৰণ, মহাবিশ্বৰ লগত মানুহৰ সম্পৰ্ক আৰু জীৱন যাত্ৰাক বুজায়। ইয়াৰ লগত আছে ঈশ্বৰ চিন্তা— যি অতিন্দ্ৰীয় আৰু অতি-প্ৰাকৃত। বিশ্বাসে মিলয় হৰি তৰ্কে বহুদূৰ। সকলো ধৰ্মৰে ধৰ্মীয় অনুশীলন বুলি কওঁতে বিভিন্ন আচাৰ-অনুষ্ঠান, উপদেশ, উপাসনা, উৎসৱ, ভোজন, সমাধি, দীক্ষা, বিবাহ, শেষকৃত্য, ধ্যান, প্ৰাৰ্থনা, সঙ্গীত, শিল্পকলা, নৃত্য আদিক সামৰি লয়। ধৰ্মশাস্ত্ৰ বেদ, ৰামায়ন, মহাভাৰত আদি আৰু ধৰ্মানুষ্ঠানৰ মুখ্য কথা হ'ল, জীৱনৰ অৰ্থ প্ৰদান। পুৰাণে দিয়ে নীতিজ্ঞান। পৃথিৱীত দহ হেজাৰটা সৰু বৰ ধৰ্ম আছে। ধৰ্মবোৰ অঞ্চলভিত্তিক। ভাৰতৰ মূল ধৰ্ম হিন্দু, প্ৰায় মুঠ জনসংখ্যাৰ ৮০%; বাকী ইছলাম ১৪%, বৌদ্ধ ১.৭%, খ্ৰিষ্টান ০.২৬%।

এতিয়া আহো ভগবানৰ কথালৈ।

ভগবান শব্দৰ ভগ মানে সৌভাগ্য, বান হ'ল গৰাকী অৰ্থাৎ সৌভাগ্যৰ গৰাকী। আনহাতে ঈশ্বৰ শব্দটোৱে বুজায়, কৰতুম...না কৰতুম...অন্যত্ৰ কৰতুম ইয়াৰ অৰ্থ কৰিব পাৰো, নকৰিব ও পাৰো, অন্যভাবে কৰিব পাৰো। ইফালে বেদ শব্দটো বিদ ধাতুৰ পৰা অহা আৰু ইয়াৰ অৰ্থ হ'ল— বিদ্যা বা জ্ঞান। তেন্তে জ্ঞান কি? জ্ঞান প্ৰত্যক্ষভাবে আহৰণ কৰা হ'ব পাৰে, অনুমান কৰা বা শব্দৰ বিশেষ ধাৰণাক উপলব্ধি কৰাও হ'ব পাৰে। ইন্দ্ৰিয়জ জ্ঞানৰ বাহিৰৰ শব্দৰ



জ্ঞানেই বেদ। ৫০২৪ বছৰ আগতে লিখা বেদৰ পৰাই বেদ্য মানে ধৰ্মৰ বিষয়ে জানিব লাগিব।

আমাৰ নিচেই ওচৰৰ আৰাধ্য দেৱতা কেইগৰাকী মানৰ অন্যতম হ'ল মৃত্যুঞ্জয় দেৱতা— মহাদেৱ।

ওম এয়ম্বকম যযামহে<br>
সুগন্ধি পুষ্টি বৰ্দ্ধনম<br>
উৰ্বাৰু কমিব বৰ্দ্ধনাৰ্থে<br>
মুক্ষিয় মামৃতাৎ

অৰ্থ ঃ আমি ত্ৰিনয়ন শিৱক পূজা কৰো; সুগন্ধিময় শিৱই সকলোকে পালন কৰে; ডালৰ বন্ধনৰ পৰা ফল সৰি পৰাৰ দৰে, তেওঁৱেই আমাক মৃত্যুৰ পৰা মুক্ত কৰিব, মানুহ হ'ব মৃত্যঞ্জয়ী।

শিৱ শব্দৰ অৰ্থ মঙ্গল বা শুভ। তেও বিষ্ণুৰে ৰূপ; তেওঁৱেই সবাতকৈ প্ৰাচীন দেৱতা। অসমত বৈদিক হিন্দু ধৰ্মৰ প্ৰচলনৰ আগতে কামৰূপৰ গৰিষ্ঠ সংখ্যক বাসিন্দা আছিল কিৰাত মূলৰ আৰু এওঁলোক আছিল শিৱৰ উপাসক। বিষ্ণু আৰু ধৰিত্ৰীৰ পুত্ৰ নৰকক কামৰূপত স্থাপন কৰি কামাখ্যা বা দেৱী পূজাৰ পাতনি মেলাৰ আগতে শিৱৰ প্ৰাধান্য আছিল বেছি। স্বয়ং নৰকো আৰম্ভনিতে শিৱৰে ভক্ত আছিল। পিছলৈ নৰকাসুৰৰ দিনত কামাখ্যাৰ প্ৰভাৱ বৃদ্ধি পালেও, কালিকা পুৰাণ, যোগিনী তন্ত্ৰ আদিৰ পৰা জনা যায়, কামৰূপত শিৱৰ প্ৰভাৱ আছিল অদ্বিতীয়। দ্বিতীয় কৈলাশ নাটকাচল আছিল শিৱৰ প্ৰধান ক্ষেত্ৰ। যোগিনীতন্ত্ৰত উল্লেখ আছে, অসমত কোটিৰো অধিক শিৱ মন্দিৰ আৰু থান আছিল। একেদৰে, এই মুলুকত মা কামাখ্যাৰ প্ৰভাৱো মনকৰিবলগীয়া। কালিকা পুৰাণত আছে, অন্যত্ৰ বিৰলা দেৱী কামৰূপং গৃহে গৃহে। কামৰূপ পিছলৈ দেৱী ক্ষেত্ৰত পৰিণত হয়। অন্য দেশত দেৱীয়েই বিৰল। কিন্তু কামৰূপৰ ঘৰে ঘৰে দেৱী অৰ্থাৎ কামৰূপৰ তিৰোতা মাত্ৰেই দেৱী স্বৰূপিনী। সকলোৱে জানে দক্ষ যজ্ঞৰ কাহিনী আৰু যোনিপীঠ সৃষ্টিৰ কথা।

দেৱীৰ প্ৰভাৱৰ সমান্তৰালকৈ কামৰূপত শৈৱপন্থাৰ কৈৰাতজ ধৰ্মৰ বিৰাট প্ৰভাৱৰ কথা যোগিনীতন্ত্ৰই উল্লেখ কৰিছে। কামৰূপত মাছ, মাংস ত্যাগ কৰাৰ বিধি বা ব্ৰহ্মচৰ্য মতো নাই। ইয়াত হাঁহ, পাৰ, কাছ, গাহৰি খাব পাৰি। এৰিলে দুৰ্গতি হয়। সেই কাৰণে ইয়াত সংসৰ্গ-দোষ নাই (জাতি-বৰ্ণ নিৰ্বিশেষে মিলা-

মিছা কৰাত দোষ নাই)। তন্ত্ৰমতৰ যাদু-মন্ত্ৰও কামৰূপ কামাখ্যাত প্ৰচলন আছিল বুলি কোৱা হয়।

**শৈৱমত ঃ**

কামাখ্যা শক্তিপীঠ আৰু শক্তিপন্থাৰ সতে শিৱ ভক্তিৰ এটা সম্পৰ্ক আছিল। কিয়নো শিৱ হ'ল সবাতোকৈ প্ৰাচীন দেৱতা। পূৰ্বতে শিৱ আৰু কালী আছিল জনগোষ্ঠীয় দেৱতা। কৃষিৰ শ্ৰীবৃদ্ধি আৰু মানুহৰ বংশবৃদ্ধিৰ হকে আদিম জনগোষ্ঠীয় সমাজে উৰ্বৰতা শক্তি (fertility cult)ক পূজা কৰিছিল। শিৱৰ বিৰাট প্ৰভাৱৰ বাবে অন্তিমতো খ্ৰিষ্ট পূৰ্বত শিৱক ৰুদ্ৰ নতুন নামেৰে আৰ্যীকৰণ কৰা হয়। অনা বৈদিক পৰম্পৰাৰ শৈৱপন্থা বৈদিক ব্ৰাহ্মণ ঐতিহ্যৰ অন্তৰ্ভুক্ত হয়। বৌদ্ধধৰ্মৰ সতে সহাৱস্থান কৰি কালক্ৰমত বহু হিন্দু ৰজাৰ পৃষ্ঠপোষকতাত দক্ষিণ-পূব এচিয়াৰ ইন্দোনেচিয়া, কম্বোদিয়া, ভিয়েতনাম আদিত বহুতো শিৱ মঠ-মন্দিৰ স্থাপন হৈছিল। সোণকালে শিৱ হৈ পৰে আৰ্যৰ আপোনভোলা অথচ সময়ত অতি খঙাল দেৱতা ৰুদ্ৰ ৰূপ। দেৱতাৰ ঘোৰ বিপদৰ ত্ৰাণকৰ্তা এওঁ। হিন্দুৰ মাজৰ দ্বিতীয় বৃহৎ ধৰ্ম বিশ্বাস হ'ল শিৱ। ২০১০ চনত ভাৰতত শৈৱপন্থী লোকৰ সংখ্যা হ'ল ২৫৩ মিলিয়ন অৰ্থাৎ হিন্দুৰ ২৬.৬%। শিৱপুৰাণ পুথিত মহাদেৱ স্তুতিৰ ৰ লাখ শ্লোক আছে। শ শ বছৰ ধৰি অসম মুলুকত শিৱ উপাস্য দেৱতা। মহাভাৰতত পোৱা হিড়িম্বা পুত্ৰ কিৰাত তনয় আছিল শিৱৰ উপাসক। যোগিনীতন্ত্ৰত আছে শোণিত পুৰৰ বাণৰজা আছিল শিৱভক্ত। অনিৰুদ্ধক অগ্নিগড়ৰ পৰা উদ্ধাৰ কৰাৰ বাবে কৃষ্ণৰ লগত হোৱা হৰি-হৰৰ যুদ্ধৰ কথা আমি জানোহঁক। বানভট্টৰ 'হৰ্ষচৰিত' পুঠিত কামৰূপৰ ৰজা ভাস্কৰ বৰ্মাক শিৱভক্ত বুলি উল্লেখ কৰিছে। কালিকা পুৰাণৰ মতে, অসমত শৈৱপন্থাৰ দুটা শাখা— কাপালিক আৰু পশুপত। সাতসৰী বুৰঞ্জীত আছে, দিহিঙীয়া ৰজাই কছাৰী ৰাজ্য আক্ৰমণ কৰাৰ সময়ত জয় নিশ্চিত কৰাৰ আশাত শিৱপূজা দিছিল। প্ৰতাপ সিংহই দেৱগ্ৰাম আৰু গদাধৰ সিংহই উমানন্দ আৰু বিশ্বনাথত শিৱ মন্দিৰ সাজিছিল। অসম আক্ৰমণৰ সময়ত কোঁচ ৰজা নৰনাৰায়নে শিৱপূজা কৰাৰ কথা 'দৰং ৰাজবংশাৱলী'ত উল্লেখ আছে। মনসা কাব্যৰ ৰচয়িতা মনবৰ আৰু সুকবি নাৰায়ণদেৱৰ ৰচনাত আছে শিৱৰ অপাৰ মহিমাৰ কথা। সকলোৰে জনা কথা কুসুম্বৰ ভূঞাৰ পুত্ৰ সন্তান নথকাত পত্নী সত্যসন্ধাক শিঙৰিৰ শিৱ মন্দিৰত পূজা এভাগ আগবঢ়াবলৈ দিহা দিলে। পূজাভাগ দিয়াৰ পিছত শংকৰৰ জন্ম হ'ল আৰু এইজনা শংকৰেই অসমীয়া জাতি-সংস্কৃতিৰ প্ৰাণ পুৰুষ শ্ৰীমন্ত শংকৰদেৱ।

সত্যম শিৱম সুন্দৰম— সত্যই শিৱ, শিৱই সুন্দৰ- এয়াই শিৱৰ স্বৰূপ। উমা, সতী, পাৰ্বতী, দুৰ্গা, কালী তেওঁৰ সহধৰ্মী নাৰী। শিৱ শম্ভু (দয়ালু), শংকৰ (পৰোপকাৰী), মহেশ (মহান দেৱতা), অৰ্দ্ধনাৰীশ্বৰ (আত্মবিস্মৃত), পশুপতি, সমুদ্ৰ মন্থনৰ পিছত সৃষ্টিৰ বিনাশ ৰোধ কৰিবলৈ হলাহল বিষ পান কৰি নীলকণ্ঠ, জটাধাৰী মূৰত চন্দ্ৰ আৰু গংগা... আমাৰ লোকগীতত আছে শিৱৰ ৰেহ-ৰূপ, সহযোগী নন্দী-ভৃঙ্গী, বৃষভ... অ' হৰ হৰ নন্দী-ভৃঙ্গী স্তুতি কৰে গন্ধৰ্ব...। যোনি মণ্ডলৰ ওপৰত সংস্থাপিত শিৱৰ লিঙ্গপূজা হিন্দুৰ অন্যতম পূজা।

এতিয়াও ভক্তি মাৰ্গত মহাকাল মহাদেৱ সৰ্বজন শ্ৰদ্ধেয় দেৱতা, মানুহে সহজে ঢুকি পোৱা আৰু অলপতে সন্তুষ্ট হোৱা ভগবান বিষ্ণুৰে ৰূপ।



**শ্ৰীকৃষ্ণ ঃ**

ভাৰতবৰ্ষৰ যুগদেৱতা ৰাম আৰু শিৱৰ পিছতে শ্ৰীকৃষ্ণ। বিশিষ্ট পুৰাণবিদ নৃসিংহ ভাদুৰীয়ে ৰামৰ পিছতেই কৃষ্ণক সৰ্বজন শ্ৰদ্ধেয় বুলি কৈছে। কিন্তু আমাৰ মাজত কৃষ্ণ বেছি ওচৰৰ যেন লাগে। কৃষ্ণৰ অৰ্থ সহজ— যিজনে সবাকো আকৰ্ষণ কৰে। কৃষ্ণ সৰ্বোত্তম সত্য; প্ৰেম, ধৰ্ম, সাহসৰ যুগ পুৰুষ। বিষ্ণুৰ অষ্টম অৱতাৰ। ৫,২০০ বছৰ পূৰ্বে গো-পালক আৰু কৃষি কৰ্মত ব্ৰতী মথুৰাৰ যদু বংশত জন্ম হৈছিল। কৃষ ধাতুৰ পৰা কৃষি আৰু কৃষ্ণ। মহাভাৰত আৰু গীতাত আমি তেওঁৰ দাৰ্শনিক বোধৰ উমান পাওঁ। অধৰ্মৰ বিৰুদ্ধে ধৰ্ম,

অন্যায়ৰ বিপৰীতে ন্যায় প্ৰতিষ্ঠাৰ নায়ক শ্ৰীকৃষ্ণ। স্ব-জাতিক হত্যাৰ শোকত কুৰুক্ষেত্ৰত ম্ৰিয়মান অৰ্জুনক কৰ্মযোগৰ দৃষ্টান্ত দাঙি ধৰি তেওঁ গীতাৰ ১৮ অধ্যায়ৰ ৬৬ নম্বৰ শ্লোকত নিজৰ মহিমা দাঙি ধৰি কৈছিল—

সৰ্ব ধৰ্ম পৰিত্যায্য মামেকম শৰণম ব্ৰজঃ

সকলো ধৰ্ম এৰি মোৰ ওচৰত শৰণ লোৱা। ভয়ৰ কাৰণ নাই, ময়েই তোমাক সকলো পাপৰ পৰা মুক্ত কৰিম। আৰু কৈছিল, তুমি বিচৰাটোৰ হকে যদি যুদ্ধ নকৰা, পিছত তুমি যি হেৰুৱাবা, তাক লৈ নাকান্দিবা। নিজ বিশ্বাসেহে মানুহ এগৰাকীক গঢ় দিয়ে। কৰ্মই মুখ্য কথা।

কৰ্মন্যে ৱাধিকাৰাস্তে মা ফলেসু কদাচন

ফলৰ কথা নাভাবি, মানুহে কাম কৰি যোৱাটোৱেই মুখ্য কথা। কিন্তু ফলৰ কথা ভাবিয়েই আজিৰ মানুহে কাম কৰে। কামে ফল নিৰ্দ্ধাৰণ কৰি থয়। এয়া গীতা আৰু মহাভাৰতৰ শ্ৰীকৃষ্ণ। কিন্তু আমাৰ বাবে শংকৰদেৱে দি যোৱা আৰু এজন কৃষ্ণ আছে। দুয়োজন একেজনেই হলেও গুৰুজনাই দিয়া বান্ধৱ কৃষ্ণ আমাৰ তেনেই ওচৰৰ আপোনজন। শংকৰদেৱৰ শ্ৰীকৃষ্ণ স্বৰূপত ৰাধা নাই। উত্তৰ ভাৰত বা বঙ্গৰ কৃষ্ণ মহিমাত ৰাধা, ৰাধা-কৃষ্ণৰ প্ৰেম আছে। কিন্তু গুৰুজনাৰ ভক্তি ভাবত ৰাধাৰ প্ৰাধান্য নাই। কৃষ্ণ ভক্তি ভাবক ভাগ নকৰাৰ বাবে বা কৃষ্ণ ভক্তিত হীন-দেৰি নোহোৱাৰ বাবেই শংকৰদেৱে সচেতন ভাবে ৰাধাক আতৰাই ৰাখিছিল। শংকৰদেৱ- মাধৱদেৱৰ শিশু কৃষ্ণ বা পৰম পুৰুষ কৃষ্ণ অসমীয়া সমাজ জীৱনৰ বাবে তেনেই ঘৰুৱা। ৰাতিপুৱাই উঠি শিকিয়াত বান্ধি নিয়া কৰ্কৰা ভাতৰ টোপোলা লৈ গৰু চৰাবলৈ যোৱা, গধূলি আহি মাক যশোদাক কোমল গাতো বনে কটা বুলি দেখুৱাই অভিমান কৰি একো নেখাই শুই থকা, কেতিয়াবা ভোক লগা বুলিমাকৰ আগত পেটতো পিহি দেখুৱা, ভোকত কাতৰ হৈ বন্ধু দাম-সুদামৰ লগ-লাগি গোপীৰ গৃহত সোমাই দৈ-লৱনু চুৰি কৰি খোৱা, ৰাতি কাণখোৱা অহাৰ ভয়ত টোপনি যোৱা, আনৰ লগত কাজিয়া কৰি যশোদাৰ মাৰৰ ভয়ত লুকাই থকা... এইবোৰ ঘৰে ঘৰে মাক আৰু শিশুৰ পৰিচিত ছবি। আনকি আমাৰ লোকগীত-মাত কথন-মথনত ঘৰুৱা আৰু আপোনজন বাবেই কৃষ্ণক 'দুষ্ট কানাই' বা 'কানু হাৰামজাদা'... মাই তই জলে নাযাব অ', অ'হে কলঙ্কিনী ৰাধা, কদম গাছে উঠি আছে কানু হাৰামজাদা। লগৰ, আপোনজনৰ ক্ষেত্ৰতহে এনে শব্দ ব্যৱহাৰ কৰা হয়। উত্তৰ ভাৰত বলয়ত কৃষ্ণৰ ভক্তৰ সতে এনে সাধাৰণ আপোন আপোন সম্পৰ্ক দেখা নাযায়। ইয়াৰ অৰ্থ কৃষ্ণ ভক্তিত হীন-দেৰি হোৱাৰ সুযোগ এলানি মানো নাই।

গুৰুজনা আমাৰ আধ্যাত্মিকতা বা নিষ্কাম ভক্তিৰ পথ প্ৰদৰ্শকেই নহয়, তেওঁ অসমীয়া জাতিৰ ভেটি গঢ় দিয়া সৰ্বজন শ্ৰদ্ধেয় পিতা। নামঘৰৰ কথাটোকে ভাবক। নামঘৰ কৃষ্ণ ভক্তিৰ বাবে কেৱল সমাজৰ উচ্চ বৰ্গৰ অনঞ্জষ্ঠান নহয়, জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে সমূহীয়া কেন্দ্ৰস্থল। একে সময়তে নামঘৰ হ'ল সংস্কৃতিৰ চৰ্চাকেন্দ্ৰ। থলুৱা লোক অনুষ্ঠানৰ পৰম্পৰাৰ লগত ধ্ৰুপদী শৈলীৰ সমন্বয় সাধনেৰে শংকৰদেৱে অঙ্কীয়া নাট ভাওনা, বৰগীত, অঙ্কীয়া নৃত্যৰ উদ্ভাৱন কৰি তাৰ ধাৰাবাহিক চৰ্চাৰ বাট মুকলি কৰিছিল। জনজাতীয় আৰ্হিত নিৰ্মাণ কৰা নামঘৰবোৰৰ মঠ-মন্দিৰৰ দৰে আৰ-বেৰ নাছিল। নামঘৰত গোপনীয়তাৰো ঠাই নাছিল। ই আছিল আৰ-বেৰ নথকা মুকলিমূৰীয়া। সকলো স্তৰৰ জাতি-জনগোষ্ঠীৰ লোকে একেলগে বহি নাম-প্ৰসঙ্গ কৰিছিল; একেলগে প্ৰসাদ খায়। নামঘৰ হ'ল অসমীয়া জাতিৰ ঐক্য ভাবৰ হকে আৰু বৰ্ণভেদৰ বিৰুদ্ধে গঢ়ি তোলা এটা সামাজিক অনুষ্ঠান। ই কেৱল ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানেই নহয়, ই গাৱঁৰ ৰাইজৰ সাংবিধানিক, গণতান্ত্ৰিক গাঁঠনিটোকো আটোমটোকাৰিকৈ স্থাপন কৰিছিল। আজিৰ জাতীয় অনুষ্ঠানবোৰৰ নামঘৰেই আদিমাতৃ। আজিও অসমীয়া সমাজ জীৱনত নামঘৰৰ ভূমিকা অতুলনীয়। প্ৰায় পাঁচশ বছৰ আগতে অসমীয়া জাতিৰ ভেটি ৰূপে নামঘৰ প্ৰতিষ্ঠা কৰাতো গুৰুজনাৰ এক যুগান্তকাৰী পদক্ষেপ।

ভাগৱতৰ নানা কাহিনীৰে ৰচিত অঙ্কীয়া নাটৰ সুত্ৰধাৰ আৰু সত্ৰীয়া নৃত্যৰ মাজত দেখা পাও, ছিপাঝাৰ অঞ্চলৰ ওজাপালি আৰু ৰণচণ্ডী নৃত্যৰ প্ৰত্যক্ষ প্ৰভাৱ। ব্ৰজাৱলী ভাষাত লিখা 'কীৰ্ত্তন ঘোষা'ত দেখিবলৈ পোৱা যায় অসমীয়া গ্ৰাম্য ভাষাৰ আদি ৰূপ। দুইজনা গুৰুৰ বৰগীত সমূহে অসমৰ আপামৰ ভক্তবৃন্দৰ মন আধ্যাত্মিকতাৰ ওখ ভেটিত থাপি তেওঁলোকক ঈশ্বৰ মুখী কৰিলে। ব্ৰহ্মাণ্ড ভেদি বৈ গক্সল ভক্তিৰসৰ অপাৰ মহিমা। শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলা বহে ব্ৰহ্মাণ্ডক ভেদি। মানুহেই নহয়, তেওঁ কুকুৰ শৃগাল গৰ্দ্দভৰ্বকো আত্মাৰাম বুলি বিবেচনা কৰিছিল। কীৰ্ত্তন পুথিৰ সুৱীয়া পাঠেৰে জাতিটোৰ মাজত সৃষ্টি কৰিছিল ভাগৱত ভক্তিৰ বিৰাট পৰিমণ্ডল। নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মিচিংৰ ৰমানন্দ, বামুণৰ দামোদৰ, কৈৱৰ্তৰ পূৰ্ণানন্দ, বনিয়াৰ হৰিদাস, কছাৰীৰ ৰমাই আৰু মুছলমানৰ চান্দসাইক শিষ্যত্ব প্ৰদান কৰি উদাৰ অসমীয়া জাতিৰ বৰভেটি গঢ়িছিল। গুৰুজনাৰ এনে বৰ অসমৰ উদাৰতা আজি সংকীৰ্ণতাৰ মনোবৃত্তিৰে আক্ৰান্ত, প্ৰায় থানবান। জাতিৰ কথা ভবা মানুহৰ সংখ্যা দিনক দিনে কমি আহিছে। ই দুখদায়ক বাৰ্তা।

**বুদ্ধ** ঃ আৰু এক মহাত্মাৰ কথাৰে সামৰিব খুজিছো। তেওঁ হ'ল বুদ্ধ। বৌদ্ধধৰ্মৰ প্ৰৱৰ্তক বুদ্ধ। বৌদ্ধধৰ্মৰ প্ৰভাৱ বৰকৈ মন



নকৰিলেও ভাৰতীয় ধৰ্ম চিন্তাত বৌদ্ধ ধৰ্মৰ সামাজিক আচৰণ আৰু নৈতিকতাৰ প্ৰভাৱ সৰ্বত্ৰ বিৰাজমান। আমাৰ জাতীয় পতাকাৰ চক্ৰটো বৌদ্ধধৰ্মৰ পৰাই লোৱা। ই গতিশীল ভাৰতকে সূচায়। মহাত্মা গান্ধীয়ে ব্ৰিটিছৰ বিৰুদ্ধে স্বাধীনতাৰ হকে প্ৰয়োগ কৰা অহিংসা আৰু সত্যাগ্ৰহ পন্থা বৌদ্ধ আৰু জৈন ধৰ্মৰ পৰা লৈছিল। তেওঁৰ ধৰ্ম কথাবোৰ মানুহৰ ধাৰ্মিক আৰু সামাজিক জীৱন পৰিচালনাৰ আচৰণবিধি— code of conduct. দুৰ্ভাগ্যৰ বিষয়, ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰতিৰোধৰ বাবেই দক্ষিণ-পূব এচিয়াৰ বেছিভাগ দেশতে সমাদৃত বৌদ্ধধৰ্ম নিজ দেশ ভাৰতত সংকুচিত। তথাপি বৌদ্ধধৰ্মৰ ব্যাপক প্ৰভাৱক আমি নেওচা দিব নোৱাৰো। ষষ্ঠ শতিকাত সৃষ্টি হোৱা বৌদ্ধধৰ্মৰ মুল শিক্ষা হ'ল, সৰলতা, অহিংসা আৰু সমতা। বুদ্ধই হিন্দু ধৰ্মৰ জটিলতা আতৰ কৰি ধৰ্মৰ সহজ বোধ আৰু সকলো লোকৰে সমান সামাজিক সমতাৰ কথা কৈছিল। দুৰ্বল, পীড়িত, সম্বলহীন লোকৰ প্ৰতি সহমৰ্মিতা, সৰ্ব জীৱৰ প্ৰতি প্ৰেম, সত্য সাৰথি আৰু দেশৰ ৰাষ্ট্ৰীয় ঐক্য আৰু বিশ্ব ভ্ৰাতৃত্বৰ কথা কৈছে। যিকোনো অন্ধ বিশ্বাসৰ পৰা মনক মুক্ত কৰি ৰখা, জীৱ হত্যা বন্ধ কৰা আৰু গছ-বিৰিখ, তৰু-তৃণৰ প্ৰতি মমতাময় সংৰক্ষণ বুদ্ধৰ জৰুৰী বাৰ্তা। বৌদ্ধ অশোকে ৰজাৰ জীৱন এৰি ভিক্ষুৰ জীৱন ধাৰণ কৰা আৰু চিৰসেউজ তথা নিম আৰু বট বৃক্ষ ৰোপণৰ তাৎপৰ্যটো আমি আজিও বুজি উঠা নাই। শংকৰদেৱেও এই বিষয়ত গুৰুত্ব আৰোপ কৰিছিল। নিমে বায়ুক প্ৰদূষণ মুক্ত কৰে; বট গছৰ পাতে আন গছৰ পাততকৈ বাৰগুণ অক্সিজেন বেছিকৈ প্ৰস্তুত কৰে। বাঁহ গছ এডালৰ গা, পাত দুয়ো অক্সিজেন তৈয়াৰ কৰে আৰু এই অক্সিজেন অবিহনে মানুহৰ জীৱন ধাৰণেই অসম্ভৱ কথা। অথচ অমৃতৰ সন্তান বুলি দম্ভালি মৰা মানুহে গছ-বন কাটি নিজৰে মৃত্যু মাতিছো। নিজৰ মৃত্যু মতা মানুহক জ্ঞানী জীৱ বুলিব পাৰিনে? সকলো জাতি-বৰ্ণৰ সামাজিক কল্যান সাধন আৰু নাৰী শিক্ষাৰ কথাও তেওঁ তেতিয়াই কৈ গৈছে। বৌদ্ধ মতে দেৱ-দেৱতাক বিশ্বাস নকৰে। সৎ জীৱন ধাৰণৰ বাবে, দুখৰ কাৰণ আৰু দুখ মোচনৰ বাবে সঠিক জ্ঞান অৰ্জন বুদ্ধধৰ্মৰ মূল কথা। শুদ্ধ সামাজিক আচৰণৰ বাবে, বুদ্ধই জীৱৰ প্ৰতি অন্যায় নকৰা, এনেই দিয়া বস্তু গ্ৰহণ নকৰা, যৌন ব্যভিচাৰৰ পৰা বিৰত থকা, মিছা কথাৰ আশ্ৰয় নোলোৱা আৰু নিচা জাতীয় দ্ৰব্য সেৱনৰ পৰা আতৰি থকাতো সততাপূৰ্ণ জীৱনৰ বাবে জৰুৰী বুলি কৈছে। আৰু বহু কথা আছে- বৌদ্ধমতৰ। মৃত্যুৰ পৰা মুক্তি বা নিৰ্বাণ তেওঁৰ দৰ্শনৰ বিশেষ বিষয়। জীৱিত মানুহে মৰণৰ কথা পাতিব নুখুজে। মৃত্যু ছাঁটোৰ দৰে জীৱনৰ পিছে পিছে ঘূৰি ফুৰা বুলি জানি-বুজিও আমি মৃত্যুক পাহৰি থাকো। মৃত্যুক জয় কৰিবলৈ মহাদেৱৰ মৃত্যুঞ্জয় মন্ত্ৰ মাতো, কৃষ্ণৰ চৰণত শৰণ লওঁ। ধৰ্মৰ মেল পাতো। কাৰণ মানুহৰ বাবে জীৱন মহা মূল্যবান। জীৱন কচু পাতৰ পানী নহয়, জীৱন জ্যোৰ্তিময়।

মোহময় জীৱন, মানুহ অবিহনে, সমাজ অবিহনে অৰ্থহীন নিস্ফল। জীৱনক অৰ্থপূৰ্ণ কৰি তোলাৰ বাবেই আমি ধৰ্মক ধাৰণ কৰো। এই দীঘলীয়া আলোচনাৰ অন্তিম প্ৰশ্নটো হ'ল—

ধৰ্মই আমাক কি শিকায়?

এক, সামাজিক বান্ধোন আৰু সামাজিক সম্পৰ্কৰ প্ৰতি সন্মান। মানুহ সামাজিক সম্পৰ্কৰ সমষ্টি।

দুই, শান্তি, সৌহাৰ্দ আৰু বিশ্ব ভাতৃত্বৰ মনোভাৱ। এই মনোভাৱৰ আদৰ্শ ঃ অতিথি দেৱ ভৱ/বসুন্ধৈৱ কুতুম্বকম।

তিনি, এটা সুস্থ কু-সংস্কাৰ মুক্ত জীৱন। আজিও বেজ-বেজালি, ডাইনী-ভূতুনী, মাদুলি-তাবিজৰ অন্ধ বিশ্বাসৰ পিতনিত আমি ডুবি আছো। অন্ধ বিশ্বাসে নিজৰ আৰু সমাজৰ ক্ষতি কৰে। কোনো ধৰ্মই অন্ধ বিশ্বাসৰ পোষকতা নকৰে। এই কথা আমি মনত ৰখা ভাল।

চাৰি, ধৰ্মৰ শেষকথা মানুহ, মানুহৰ কল্যান। মানুহৰ জয়েই ধৰ্মৰ জয়, ধৰ্মৰ সাৰ্থকতা।





# অসমীয়া সংস্কৃতি - জনগোষ্ঠীয় সংস্কৃতি

ড° সত্যজিৎ কলিতা

নৃতাত্ত্বিক আৰু সমাজতাত্ত্বিকসকলৰ মতে উন্নত আৰু বিজ্ঞানসন্মত জীৱনৰ বিষয়ে অজ্ঞ, আদিম বিশ্বাসৰ ওপৰত নিৰ্ভৰশীল আৰু একে তেজৰ সম্পৰ্ক থকা আৰু একেলগে বসবাস কৰা একে বংশ পৰিয়ালৰ মানুহেই জনজাতি বা জনগোষ্ঠী। একে সূত্ৰৰ পৰা জনা যায় যে আদিতে সকলো মানুহেই জনজাতীয় আছিল। আদিম জনজাতীয় সমাজৰ কোনো প্ৰকাৰৰ শ্ৰেণীৰ ভিত্তি নাছিল, তাত ৰজা-প্ৰজা বুলি কোনো নাছিল। আনকি দোষীৰ দোষ বিচাৰ কৰিবলৈ বিচাৰকো নাছিল। সমূহেই আছিল সৰ্বেসৰ্বা। সেই সমাজত ব্যক্তিগত সম্পত্তিৰো স্থান নাছিল। সকলোৱে সমূহীয়াভাৱে শ্ৰম কৰিছিল আৰু শ্ৰমৰ ফল সকলোৱে উপভোগ কৰিছিল। উৎপাদন পদ্ধতি আছিল তেনেই অনুন্নত কোৰ-কুঠাৰ, ধনু-কাঁড়ত বাদে অন্য আহিলা বা হাতিয়াৰৰ ব্যৱহাৰ তেওঁলোকে নাজানিছিল। সমকালীন পৃথিৱীৰ এস্কিমো, পিগমী, ভেদদা, চেংমা আদি কৰি জনজাতিসকলৰ মাজত আদিম জনজাতিৰ সকলো লক্ষণেই হেনো বিদ্যমান। আদিম মানুহৰ দৰে এওঁলোকৰো হেনো সংঘাত-সংগ্ৰাম মহাপ্ৰকৃতিৰ বিৰুদ্ধেই পৰিচালিত।[১]

বৰ্তমান অসমত বড়ো, ৰাভা, ডিমাছা, কাৰ্বি, মিচিং, তিৱা, হাজং, গাৰো, চুতীয়া, সোণোৱাল, প্ৰভৃতি জনগোষ্ঠীক জনজাতি বোলা হয়। ইংৰাজ শাসনৰ প্ৰৱৰ্তনৰ আগতে জনজাতি শব্দৰ প্ৰচলন নাছিল। কিৰাত, কছাৰী, খাচি, গাৰো, মিৰি আদি ভিন ভিন জনগোষ্ঠী আছিল। বিভাজন আৰু শাসন নীতিৰ সুদৃঢ় সমৰ্থক ইংৰাজ শাসনেহে এই জনগোষ্ঠীসমূহক জনজাতি নাম দি অ-জনজাতীয়ৰ পৰা পৃথক কৰি দেখুৱাবলৈ লৈছিল।

বৰ্তমান অসমৰ জনজাতি বড়ো, ৰাভা, ডিমাছা, কাৰ্বি, মিচিং, তিৱা, হাজং, গাৰো, চুতীয়া, সোণোৱাল, প্ৰভৃতি জনগোষ্ঠীৰ পূৰ্বপুৰুষ সকলেই শ শ বছৰ আগতে তেওঁলোকৰ বিশ্বাস আৰু ধাৰণা অনুসৰি এইখন ৰাজ্যৰ নাম দিছিল প্ৰাগজ্যোতিষপুৰ, ই ৰূপান্তৰিত হৈছিল কামৰূপলৈ আৰু শেষত

অসমলৈ। এইসকল লোকৰে পূৰ্বপুৰুষসকলে আৱশ্যকতাৰ প্ৰতি লক্ষ্য ৰাখি সংমিশ্ৰণ আৰু সমন্বয়ৰ ভেটিত গঢ়ি তুলিছিল অসমীয়া জাতি-ভাষা আৰু সংস্কৃতি।

ড° বাণীকান্ত কাকতিয়ে তেওঁৰ গৱেষণা গ্ৰন্থত লিখিছে যে অনাৰ্য ভাষা সাগৰত অসমীয়া এটা দ্বীপ।[২] অন্যথা নগা ৰাজ্যৰ জনসংযোগী ভাষা 'নাগামিজ' অসমীয়া ভিত্তিক হৈ থাকিব নোৱাৰিলহেঁতেন আৰু অৰুণাচলৰ জনগণৰ সংযোগী ভাষাও অসমীয়া হৈ থাকিব নোৱাৰিলেহেঁতেন।



মণিৰাম দেৱানৰ মতে[৩] 'মধ্যযুগৰ অসমত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে আৰ্যবসতি নাছিল, উত্তৰ পাৰে পাতলীয়াকৈ আৰ্যবসতি আৰম্ভ হৈছিল। কমতা ৰজা দুৰ্লভ নাৰায়ণে যুদ্ধৰ সন্ধিৰ ফলস্বৰূপে গৌড়ৰ ৰজা ধৰ্মনাৰায়ণৰ পৰা সাতঘৰ ব্ৰাহ্মণ (বামুণ) আৰু সাতঘৰ কায়স্থ বিচাৰি অনা কাৰ্যই মণিৰাম দেৱানৰ কথা সমৰ্থন কৰে। পণ্ডিতসকলৰ মতে মধ্যযুগীয়া অসমৰ অসমীয়া কবি, সাহিত্যিক আৰু সমাজ সংস্কাৰকসকল এই ব্ৰাহ্মণ আৰু কায়স্থসকলৰ সন্ততি আছিল। অসমীয়া ৰামায়ণৰ ৰচক মাধৱ কন্দলিক বড়ো-কছাৰীৰ বৰাহী ফৈদৰ ৰজা মহামাণিক্যই পৃষ্ঠপোষকতা কৰিছিল। মাধৱ কন্দলিৰ প্ৰায় সমসাময়িক কবি হৰিবৰ বিপ্ৰ, হেমসৰস্বতী, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলি প্ৰভৃতিক কমতা ৰজা দুৰ্লভনাৰায়ণ আৰু ইন্দ্ৰনাৰায়ণে পৃষ্ঠপোষকতা কৰিছিল। শংকৰদেৱ, মাধৱদেৱ, ৰামসৰস্বতী, প্ৰভৃতি, বৈষ্ণৱ কবিসকলৰ কোঁচ ৰজা নৰনাৰায়ণ আৰু তেওঁৰ বংশধৰসকল মুখ্য পৃষ্ঠপোষক আছিল। নৃতাত্ত্বিকসকলৰ মতে কোঁচসকল অষ্ট্ৰিক আৰু মঙ্গোলীয় প্ৰজাতিৰ পিতৃ-মাতৃৰ সংমিশ্ৰণত জন্মা লোক।[৪]

এই তথ্যই প্ৰমাণ কৰে যে আজিৰ অসমত যিসকলক জনজাতি বোলা হয় সেইসকলে মধ্যযুগতেই জাতীয় তথা ৰাষ্ট্ৰীয় জীৱন গঢ়ি তুলিছিল।

কাছাৰৰ ৰজা সুৰদৰ্প নাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰি কবি ভুৱনেশ্বৰ বাচস্পতিয়ে 'বৃহন্নাৰদীয় পুৰাণ'ৰ পদ কৰা দৃষ্টান্তই প্ৰমাণ কৰে যে বৰ্তমান অসমৰ ডিমাছাৰূপে পৰিচিত লোকসকলেও মধ্যযুগতে অসমীয়া জাতিসত্তা গঢ়াত বিশিষ্ট ভূমিকা পালন কৰিছিল। কাৰবি আৰু মিজো ৰামায়ণে প্ৰমাণ কৰে যে অসমৰ জনজাতি মধ্যযুগতে মহাজাতীয় আদৰ্শৰে অনুপ্ৰাণিত আছিল।

সেয়েহে অসমৰ সংস্কৃতি জনগোষ্ঠীয় সংস্কৃতি বুলি ক'লে ভুল কোৱা নহয়। যদিওঁ ই সংমিশ্ৰণৰ পৰস লাভ কৰে। ঐতিহাসিক, নৃতাত্ত্বিক আৰু ভাষাতাত্ত্বিক বিশ্লেষণৰ পৰা জ্ঞাত হয় যে আজিৰ যিসকল লোকক জনজাতি বোলা হয় সেইসকলৰ আদিম পুৰুষসকলেই অসমৰ প্ৰাচীনতম অধিবাসী অসমীয়া। অসমৰ ভাষা, সাহিত্য, সংস্কৃতি তথা অসমীয়া জাতিসত্তাৰ নিৰ্মাতাও আছিল এই সকল লোকেই। আমি ইয়াত এই জাতি জনগোষ্ঠীসমূহৰ সংস্কৃতিক দিশত কিছু আলোকপাত কৰিব বিচাৰিছো।

**বড়ো জনগোষ্ঠী** ঃ বড়ো-কছাৰীসকল কিৰাত আৰু মঙ্গোলীয়ান গোষ্ঠীৰ মানুহ। পুৰণি কালত তেওঁলোকৰ ধৰ্ম গোটেই কামৰূপ ৰাজ্যতে প্ৰাধান্য বিস্তাৰ কৰিছিল। যোগিনীতন্ত্ৰত এই ৰাজ্যৰ ধৰ্মক কিৰাতন বুলি উল্লেখ পোৱা যায়।

বড়োসকলৰ প্ৰধান উপাস্য দেৱতা হ'ল শিৱ মহাদেৱ। শিৱক তেওঁলোকে মহাদেও, বাথৌ-বৌৰাই বা বুৰা বাথৌ বুলি পূজা কৰে। নামান্তৰত শিৱে চৰাজা, খুৰিয়া বৌৰাই বা আঁৰিয়া বৌৰাই মাহাৰাজা বুলিও অভিহিত হয়। শিৱৰ পত্নী পাৰ্বতীক মাইনাও, লীখী (লক্ষ্মী), বাথৌ বুৱৈ আৰু চংবুৱৈ নামকৰণ দি পূজা কৰে। ইয়াৰ উপৰি অন্যান্য বহু দেৱ-দেৱীৰ পূজাওঁ তেওঁলোকে কৰি আহিছে। বড়োসকলৰ প্ৰাচীন কৌলিক ধৰ্মৰ উপৰি আৰ্য হিন্দু, ব্ৰহ্ম, খ্ৰীষ্টান, মুছলমান ধৰ্ম আদিৰ প্ৰভাৱত কিছু সংখ্যক বড়ো অন্য ধৰ্মাৱলম্বী হোৱাৰ দৃষ্টান্তও আছে।

'খেৰাই' আদিম বড়োসকলৰ আটাইতকৈ ডাঙৰ ধৰ্মীয় অনুষ্ঠান। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মতে 'খয়' শব্দৰ পৰা খেৰাই শব্দৰ উৎপত্তি হৈছে। তেখেতৰ মতে 'খয়' শব্দৰ অৰ্থ সৃষ্টি। আন এগৰাকী চিন্তাশীল ব্যক্তি ধুপাৰাম বসুমতাৰীয়ে খয়+বীৰাই শব্দৰ পৰা খেৰাই শব্দৰ উৎপত্তি হোৱা বুলি মত পোষণ কৰিছে। তেখেতৰ ব্যাখ্যা মতে খয় মানে সৃষ্টিকৰণ। বীৰাই শব্দৰ দ্বাৰা তেখেতে

শিৱ মহাদেৱ বা ঈশ্বৰ সৃষ্টিকৰ্তাক বুজাইছে।[৫] খুৰিয়া বৌৰাই বা খৰিয়া বৌৰাই শব্দৰ পৰা খেৰাই শব্দৰ উদ্ভৱ হৈছে বুলি অনুমান কৰিব পাৰি। খৰিয়া বৌৰাই শব্দৰ পৰাই খুৰাৰাই, খুৰাই আৰু তাৰ পৰা ক্ৰমে খেৰাই হোৱা বুলি পণ্ডিতসকলে মতপোষণ কৰিছে। শিৱ-মহাদেৱক আকৌ 'খৰিয়া বৌৰাই' বুলিও কোৱা হয়। খৰিয়া শব্দৰ অৰ্থ ৰুদ্ৰ। সৃষ্টি সংহাৰ কৰিবলৈ এসময়ত মহাদেৱে ৰুদ্ৰমূৰ্তি ধাৰণ কৰিছিল। বড়ো জনবিশ্বাসমতে শিৱে ৰুদ্ৰাৱস্থা ধাৰণ কৰিলে মানুহৰ দুৰ্যোগ ঘটে। খেৰাই পূজাত সেই বাবে দৌদিনীয়ে (দেওধানী) গঞা ৰাইজক দৈৱবাণীৰে সতৰ্ক কৰি দিয়ে। এই খৰিয়া বৌৰাই শব্দৰ পৰা অপভ্ৰংশ ৰূপে খৰাবৌৰাই, খৰাই আৰু কালক্ৰমত খেৰাই শব্দ হৈছে বুলি অনুমান কৰা হয়।

বাথৌ বৌৰাই শিৱ-খেৰাই পূজাৰ ঘাই দেৱতা। শালিখেতিৰ পিছত সাধাৰণতে কাতি-আঘোণ মাহত খেৰাই পূজা অনুষ্ঠিত হয়। খাৰিফ শস্যৰ প্ৰাচুৰ্য কামনা কৰি আৰু ঋতু পৰিৱৰ্তন হেতু সম্ভাৱ্য বেমাৰ-আজাৰৰ পৰা ৰক্ষা পাবৰ কাৰণে শিৱ মহাদেৱক লগতে মাইনাও (লক্ষ্মী) দেৱীক সন্তুষ্ট কৰিবৰ উদ্দেশ্যে খেৰাই পূজা অনুষ্ঠিত কৰা হয়। গোটেই ৰাতি পূজাৰ লগে লগে নৃত্য-গীতো পৰিৱেশন কৰা হয়। বাথৌৰ (বেদী) মাজ ভাগত সৰু এজোপা সিজু গছ আৰু তাৰ ওচৰত এজোপা তুলসী গছ ৰোপণ কৰা হয়। বাথৌৰ চাৰিওফালে ঘূৰণীয়া আকাৰৰ পাঁচযোৰ বাঁহৰ কামিৰে বেৰ দিয়া হয়। বাঁহ ফালি ১৮ যোৰ খুটি পুতি বেৰৰ গাঁঠনি দিয়া হয়। সিজুগছৰ সন্মুখত এগছি বস্তি প্ৰজ্বলিত থাকে। বাথৌৰ দুৱাৰমুখত দুয়োফালে কেঁচা পাতেৰে সৈতে বাঁহৰ চেকনি দুডাল প্ৰোথিত কৰা হয়। বাঁহৰ চেকনি দুডালক 'জাথা' বোলা হয়। জাথাত এডালকৈ এৰা বগা সূতা মৃত্তিকা স্পৰ্শীকৈ ওলোমাই ৰখা হয়। সিজু আৰু তুলসী গছ সমন্বিতে পঞ্চযোৰ কামিৰে পৰিৱেষ্টিত বেদীয়েই 'বাথৌ'। বাথৌৰ 'বা' শব্দৰ অৰ্থ পাঁচ আৰু 'থৌ' শব্দৰ অৰ্থ গভীৰ। এইদৰে অৰ্থ বিশ্লেষণ কৰিলে বাথৌ এটা পঞ্চতত্ত্বমূলক বেদী বুলি ক'ব পাৰি। বেদীৰ লগালগিকৈ উত্তৰফালে এটা দীঘলীয়াকৈ সৰু আলি প্ৰস্তুত কৰা হয়। এই আলিৰ ওপৰত কলপাত পাৰি লৈ বিভিন্ন দেৱতা আৰু দেৱীৰ নামে চাউলৰ গুড়ি আৰু মনুৱাকল এযোৰ কৈ নৈবদ্য দিয়া হয়। ওজাই মন্ত্ৰ আওৰাওঁতে প্ৰত্যেক দেৱ-দেৱীৰ নাম উল্লেখ কৰি যায় আৰু দেউৰীয়ে প্ৰত্যেকৰ নামত কুকুৰা আৰু পাৰ পোৱালিৰ বলি আগবঢ়ায়।

খেৰাই পূজাত এজনী তিৰোতাই নায়িকা হিচাপে কাম কৰে। এই তিৰোতাগৰাকীক 'দৌদিনী' বুলি কোৱা হয়। খেৰাই পূজাৰ আৰম্ভণিত দৌদিনীয়ে বাথৌৰ সন্মুখত পীৰা এখনত আসন গ্ৰহণ কৰে। খোপা খুলি পিঠিৰফালে চুলিবোৰ ওলমাই ৰাখে। সন্মুখত তুলসীৰ পৱিত্ৰ পানীৰ ঘটি এটা আৰু তৰোৱাল এখন ৰখা হয়। ওজাই দৌদিনীৰ ওচৰত উপৱিষ্ট হৈ বাথৌ বৌৰাই, মাইনাও বৰৈ আৰু অন্যান্য দেৱ-দেৱীৰ নাম উল্লেখ কৰি মন্ত্ৰ উচ্চাৰণ কৰে। মন্ত্ৰৰ সামৰণিৰ পিছতেই দৌদিনীৰ স্বাভাৱিক অৱস্থা নাইকিয়া হয়। অৰ্ধচেতন অৱস্থাত তেওঁ দৈৱবাণী কৰি গাঁৱৰ অনাচাৰ, আপদ-বিপদ, আদি অন্যান্য বিষয়ত পৰামৰ্শ আগবঢ়ায়। পৰৱৰ্তী সময়ত ঢাল-তৰোৱাল লৈ মাদলৰ চেৱে চেৱে, চিফুং আৰু জথাৰ (খুটিতাল) তালে তালে নৃত্য পৰিৱেশন কৰি বাথৌ প্ৰদক্ষিণ কৰে। অন্যান্য সহচৰীসকলেও সহযোগ কৰে। খেৰাই উৎসৱেই বড়ো নৃত্য-গীতৰ উৎস বুলি কোৱা হয়। আধুনিক বড়ো নৃত্য-গীতবোৰ খেৰাইৰ নৃত্য-গীতৰ ৰূপান্তৰ মাথোন।

খেৰাই পূজাৰ বাহিৰেও বড়োসকলে ৰাজহুৱাভাৱে জেঠ মাহত আন এটা অনুষ্ঠান সম্পাদন কৰে। নতুন পানীৰ ঢল অহাৰ লগে লগে জলবায়ুৰ পৰিৱৰ্তন হোৱাত বেমাৰ-আজাৰ হোৱাৰ সম্ভাৱনা থাকে। সেইকাৰণে জেঠ মাহত গাঁৱৰ মংগল আৰু শান্তি কামনা কৰি গঞা ৰাইজে নৈ-বিলৰ দাঁতিত ডাঙৰ ডাঙৰ গছৰ তলত পূজাৰ আয়োজন কৰে। এই পূজাক 'হামবায় হীনায়' (মংগল পূজা) বুলি কোৱা হয়। এই পূজাত পাৰ, কুকুৰা আৰু ছাগলীৰ মূৰত সেন্দূৰ সানি ভেলৰ ওপৰত থৈ নৈ বিলৰ পানীত উটুৱাই দিয়া হয়। দক্ষিণ কামৰূপৰ ভেল দিয়া উৎসৱৰ দৰে ই একে উৎসৱ তাত মাত্ৰ কুকুৰা আৰু ছাগলীৰ ঠাইত বিভিন্ন নৈবেদ্য, হাঁহকণী আদি দিয়া হয়।

শৰত কালত বড়োসকলে 'গাৰ্জা' নামৰ পূজাৰ আয়োজন কৰে। মানুহৰ সুখ-দুখ বেমাৰ আজাৰ আপদ-বিপদ আৰু শান্তি-অশান্তি এইবোৰ 'মৌদাই' (দেৱতা) সকলৰ সন্তুষ্টি-অসন্তুষ্টিৰ ওপৰত নিৰ্ভৰ বুলি বড়োসকলে বিশ্বাস কৰে। মৌদাইৰ সন্তুষ্টিৰ কাৰণে এই পূজাৰ আয়োজন কৰা হয়।

বৈচাগুৱ (ব'হাগ বিহু) সময়ত ঘৰৰ মংগলৰ বাবে পৰিয়ালত বাথৌ পূজা কৰা হয়। ঘৰৰ বাথৌ পূজাক 'চালামি' বুলি কোৱা হয়।

খেৰাই, মাৰাই (মাৰৈ), বৈছাগু, দমাছি আদি লোক উৎসৱ বড়ো-কছাৰীসকলৰ সমুহীয়া সংস্কৃতিৰ নিদৰ্শন।

তিব্বতো-বৰ্মী ভাষা-ভাষী কিৰাতসকলে ভৈয়ামত নৈৰ পাৰে পাৰে বসতি স্থাপন কৰি হাল বাই খেতিৰ প্ৰচলন কৰিছিল। আৰ্যসকল অসমলৈ আহি এই খেতিয়ক আদিম অধিবাসী সকলৰ কৃষিকেন্দ্ৰিক সাংস্কৃতিক জীৱনত কিছু প্ৰভাৱ বিস্তাৰ কৰিলেওঁ থলুৱা আচাৰ ব্যৱহাৰ, ধৰ্মানুষ্ঠান, লোক-উৎসৱ, লোক নৃত্য-গীত, সংস্কাৰসমূহ বহু পৰিমাণে প্ৰচলিত আৰু অপৰিৱৰ্তিত হৈ

ৰ'ল বৰঞ্চ আৰ্যসকলৰ সাংস্কৃতিক ক্ষেত্ৰত এইবোৰে কিছু প্ৰভাৱহে পেলালে।

আমাৰ অসমীয়া জাতীয় জীৱনত বড়োসকলৰ প্ৰভাৱ বহুলাংশে পৰা দেখিবলৈ পোৱা যায়। গঞা জীৱনৰ সচৰাচৰ ব্যৱহৃত খেতি-বাতিৰ সঁজুলি, যেনে— হাল, কোৰ, কাঁচি, মৈ, হোলোঙা, ধানৰ নাম- মাগুৰি, জহা, কেংৰে, আহু, শালি, ঘৰুৱা সামগ্ৰী কামি, ৰুৱা, মালী, কাঠী, জপনা, গুৱা, থেকেৰা, ৰিহা, পাট, কুনসৰা, জাপি আদি নামবোৰ বড়ো মূলৰ পৰা অহা। ডেকাচাং, খুঁটা আৰু চ'তিৰে ওখকৈ বন্ধা ঘৰ, চাং পাতি মৃতকৰ সৎকাৰ, বিয়াৰ ক্ষেত্ৰত বিশেষ বাছনি, তামোলৰ ব্যৱহাৰ, দুমুখীয়া চুঙাৰে জুহাল পতা, কাপোৰ বোৱা, তাঁত শাল আদিওঁ এই সংস্কৃতিৰেই অংগ। ইয়াৰ উপৰি কামাখ্যা, কামৰূপ, কমলপুৰ, চামতা, হাজো, বিহামপুৰ, ডিহং, ডিবং, ডিগাৰু, নামৰূপ, নামবৰ, লুইত, টংলা, লামডিং, হাফলং, ডিফু হেৰেমেডো, চতমা, বমা, হাহৰা, ননৰা, কৰৰা, ৰংজুলি, দুধনৈ, দতমা আদি বড়ো মূলৰ পৰা উৎপত্তি হোৱা নামসমূহৰ পৰা এইটোৱেই সূচাইছে যে তাহানি কালৰ পৰাই অসমৰ জাতীয় সংস্কৃতিত বড়োসকলে অৱদান যোগাই অহাৰ উপৰি সংহতিৰ ক্ষেত্ৰতো এক বিশিষ্ট ভূমিকা পালন কৰি আহিছে।

**ৰাভা জনগোষ্ঠী ঃ** ইণ্ডো-মঙ্গোলয়দ নৃগোষ্ঠীৰ চীন-তিব্বতীয় প্ৰধান ভাষা পৰিয়ালৰ তিব্বতবৰ্মীয় শাখাৰ অসম বৰ্মীয় বডোৰ বৃহত্তৰ ভাষা সমষ্টিৰ ৰাভাসকল লোকগীত, লোকনৃত্য আৰু অন্যান্য সংস্কৃতিৰ দিশত অতিকৈ আগবঢ়া।

ৰাভাসকলৰ জাতীয় উৎসৱৰ ভিতৰত প্ৰধানকৈ 'ৰংদানি' মাইটৰী সকলৰ 'বায়খো' বা 'খুকচি' পূজা আৰু পাতিৰাভাসকলৰ 'লাঙা' পূজাই প্ৰধান। ইয়াৰ লগতে 'হাছং পূজা', 'পাংবা পূজা', 'বৰমানী' বা 'বিষহৰি' পূজা আদি বিভিন্ন দেৱ-দেৱীৰ পূজাওঁ জনসমাজত প্ৰচলিত হৈ আহিছে। এই উৎসৱসমূহ সাধাৰণতে কষি কাৰ্যত নমাৰ আগতে পথিৱীৰ বুকুলৈ ন-পানী নমাৰ সময়ত অৰ্থাৎ জেঠ মাহতহে অনুষ্ঠিত কৰা হয়। প্ৰকৃতি দেৱীক সন্তুষ্ট কৰি পথাৰৰ শস্য নদন-বদন হোৱাৰ লগতে ৰোগ-বেমাৰ মাৰি-মৰক আদিৰ পৰা পৰিত্ৰাণ পায় বুলি জনবিশ্বাস দেখা যায়।

ভাৰতীয় শাস্ত্ৰসমূহত যোল্লবিধ সংস্কাৰৰ কথা উল্লেখ পোৱা যায়। এইসমূহৰ ভিতৰত ৰাভাসকলৰ মাজত প্ৰচলিত জন্ম সংস্কাৰ অন্যতম। ৰাভাসকলে প্ৰসৱ বেদনা লাঘৱ কৰিবলৈ প্ৰসৱৰ এমাহ আগতে 'বায়-মা-বায়' পূজা পাতে। কন্যা সন্তান হ'লে ৩ দিনত আৰু পুত্ৰ সন্তান হ'লে ৪ দিনত পাচতি সবাহ পাতে। পাচতিৰ অন্তত নৱজাতকক নিমন্ত্ৰিত অতিথিসকলে কোলাত লৈ উপহাৰ দিয়ে। ৰাভাসকলৰ চূড়াকৰণ, অন্নপ্ৰাসন অনুষ্ঠান পতাটো বাধ্যতামূলক নহয়।

ৰাভা সমাজত পুৰণি প্ৰথামতে কইনা ধৰা (ভৰি চিংকায়), বিধৱা বিবাহ (ক্ৰাংচি বিয়া), আসুৰিক বিয়া (কায় বিকায়), ঘৰ সমওৱা (নকঢাকায়) আৰু জোঁৱাই ধৰা (ডাঙৰ ঢাংকায়) এই পাঁচবিধ বিয়াৰ প্ৰচলন আছিল।

সংস্কাৰৰ অন্যতম মৃত্যু সংস্কৰ। ৰংদানি ৰাভাসকলে মৃতকৰ শ্ৰাদ্ধৰ সময় 'ফাৰাকান্তি' বা 'হকতৰং' কৰিলে পুৰুষ-মহিলাই শ্মশানলৈ গৈ মৃতকৰ অস্তি ৰখা পঁজাটোৰ সন্মুখত ভাত, মাংস, মদ আদিৰে মৃতকৰ প্ৰতি শ্ৰদ্ধা জনাই পিণ্ড অৰ্পণ কৰাৰ সময়ত কেইজনমান পুৰুষ-মহিলাই হাতত ঢাল-তৰোৱাল লৈ ঢাকৰ ছেৱে-ছেৱে উক্ত পঁজাটোৰ চাৰিওফালে ঘূৰি ঘূৰি ফাৰকান্তি নৃত্য কৰে।



প্ৰধানতঃ কৃষিজীৱী ৰাভাসকলে আদিকালৰ পৰা নিজে পাহাৰত বন কাটি কপাহৰ খেতি কৰিছিল। সেই কপাহৰ পৰা ৰাভা মহিলাসকলে নিজে সূতা কাটি বিভিন্ন চানেকিৰে বাছকবনীয়া কাম্বুং, ৰুফান, ফৌগু, পাজাল, পাজাৰ আদি কাপোৰ তৈয়াৰ কৰি নিজে পিন্ধাৰ বাহিৰেও পৰিয়ালৰ সকলোকে পিন্ধাইছিল। নিজে সূতা কাটি কাপোৰ ব'বলৈ নজনা ছোৱালী বা তিৰোতাক ৰাভা সমাজে 'ঘাচুৰী'

(অকাজী) বুলি হেয় প্ৰতিপন্ন কৰিছিল। তদুপৰি সেই মহিলাসকলে বিভিন্ন গছৰ ছাল, পাত, সিপাৰ পৰা ৰস উলিয়াই ৰসৰ ৰঙেৰে নিজে কটা সূতাত গাপ দি ৰং কৰিব জানিছিল। পুৰুষসকলে বাঁহ-বেতৰ পৰা দাম, দোকা, পাচি, ফুলজাপ, জাকৈ, খকদুৰ নাথোক, চৰেং, দোকা, পাচি, চালনি কুলা, খৰাহি পাচি আদি সাজিব জানে। গোটা কাঠৰ বুকু খুলি পুৰি সুঁন্দৰ নাও বনাব জানে। কৃষি কাৰ্যত ব্যৱহাৰ্য কৃষিৰ সজুলি নাঙল, যুঁৱলি, বিধা, খাপনি, তাঁতশাল, শাল, মাকোঁ, দৰ্পতি, ৰাচ, চেৰেকী, যঁতৰ আদিও নিজ হাতে তৈয়াৰ কৰিব জানে।

খেতিয়েই ৰাভাসকলৰ জীৱন। প্ৰকৃতিৰ বুকুত উৎপাদিত কৃষি শস্যই তেওঁলোকৰ প্ৰধান সম্পদ। খাদ্যাভাষত ৰাভা সমাজৰ খাৰৰ ব্যৱহাৰ অতীজৰ পৰাই আছে। সেয়ে প্ৰতি পৰিয়ালতে কলগছৰ আলু, দোনাবোৰ ফালি কাটি ৰ'দত শুকুৱাই জুইত পুৰি ছাইবোৰ একোটা ডাঙৰ হাড়ী বা পাত্ৰত ভালদৰে সাঁচি ৰাখে। তাৰ পৰা খাল উলিয়াই ডমৰু, কচুপাত, লাউ, কোমোৰা, বনৰীয়া আলু আদিৰ খাৰণি আঞ্জা খায়। খাৰৰ আঞ্জা ৰাভাসকলৰ অতি প্ৰিয় খাদ্য। বাঁহৰ গাজ আৰু জিম টেঙাৰ আঞ্জাওঁ তেওঁলোকৰ প্ৰিয় খাদ্য।

ৰাভাসকলৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান হ'ল হানাঘোঁৰা নৃত্যানুষ্ঠান। প্ৰথম ব'হাগৰ পৰা সাত বিহুলৈ তেওঁলোকে হানাঘোঁৰা নৃত্য উদ্‌যাপন কৰে। বিহুৰ আগতে ঘোঁৰা নিৰ্মাণৰ কাম আৰম্ভ কৰা হয়। বাঁহেৰে নিৰ্মিত এই ঘোঁৰাটোৰ মূৰটো কাঠেৰে তৈয়াৰ কৰা হয়। অৱশ্যে ঘোঁৰা আকৃতিৰ যদিও মুখখন দেও ছাগলীৰ মুখৰ নিচিনাহে দেখা যায় আৰু দেওছাগলীৰ শিং যুক্ত কৰা হয়। বাঁহেৰে নিৰ্মিত এই খাছাটো মাজেৰে মানুহ সোমাব পৰা ব্যৱস্থা থাকে। গোটেই খাছাটো আৱৰি থকাকৈ ক'লা কাপোৰ আৰু ঠাইবিশেষে বগা কাপোৰ মেৰিয়াই দিয়া হয়। ভিতৰত সুমোৱা মানুহজনে পখৰা কাপোৰ আৰু মূৰত পাগুৰি মাৰে। হানাঘোঁৰা নৃত্য কৰাজনৰ সহিতে বিশ-বাইশ জনমান সঙ্গী থাকে। হানাঘোঁৰাৰ দুকাষে ঢাল, তৰোৱাল লৈ নৃত্য কৰা দুজন, মাদল বজোৱা দুজন, দুগুৰী বজোৱা দুজন, কোদাল বা ঘাণ্টি বজোৱা এজন, শিঙা বজোৱা দজন কাহী বজোৱা দুজন আৰু গান ধৰা আৰু অন্যান্য পাঁচৰ পৰা সাতজন মানুহ প্ৰয়োজন হয়।

হানাঘোঁৰ লৈ যাত্ৰাৰ প্ৰথম দিনা অৰ্থাৎ প্ৰথম বিহুৰ দিনাখনেই কোনো ৰাজহুৱা স্থানত অথবা গোসাঁইঘৰত পূজা অনুষ্ঠিত কৰা হয়। আগলতি কলপাতত মিঠাতেলৰ চাকি, ধূপ-ধূনা জ্বলাই দুটা কণীত তেল-সেন্দূৰ লগাই হানাঘোঁৰালৈ আগবঢ়োৱা হয়। পূজাৰ শেষত কণীদুটা হানাঘোঁৰাৰ শিঙত ফুটাই লগাই দিয়া হয়। ঘোঁৰা লওতাজনে গা-পা ধুই একান্তভাৱে প্ৰাৰ্থনা জনাই ঘোঁৰাত প্ৰৱেশ কৰে। পূজাৰ কাৰ্যৰ শেষত ৰাইজৰ মঙ্গল কামনাৰে হৰ্ষধ্বনি দি যাত্ৰা আৰম্ভ কৰা হয়।

সভ্যতা সংস্কৃতিত আগবঢ়া অসমৰ কৃষি সংস্কৃতিলৈ ৰাভা জনগোষ্ঠীৰ অৱদান কোনো গুণে কম নহয়। এই আপুৰুগীয়া কৃষ্টি সমূহৰ সংমিশ্ৰণেই অসমীয়া সংস্কৃতি।

**সোণোৱাল কছাৰী ঃ** সোণোৱাল কছাৰীসকল বড়ো গোষ্ঠীৰ এক অন্যতম সম্প্ৰদায়। এই জনগোষ্ঠীৰ এসময়ত নিজা ভাষা আছিল যদিও বৰ্তমান তাৰ চিন মোকাম নাই। অসমীয়া ভাষাকেই আটায়ে নিজৰ একমাত্ৰ ভাষা হিচাপে গ্ৰহণ কৰিছে। সাজ-পোছাক, ঘৰ সজা পদ্ধতি আদিও সম্পূৰ্ণ অসমীয়া। কৃষিয়েই তেওঁলোকৰ মূল জীৱিকা। আহোম ৰজাৰ দিনত সোণ কমোৱা বৃত্তি অৱলম্বন কৰিছিল বাবেই সোণোৱাল আখ্যা পায়। গাঁও পাতি বাস কৰা এই জনগোষ্ঠীৰ এফালে সত্ৰৰ শিষ্য আৰু আনহাতে কিৰাত ধৰ্মীয় অনুষ্ঠান সমহো বলি- বিধানেৰে পালন কৰা দেখা যায়।

কিৰাত ধৰ্মৰ মতে তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা শিৱ আৰু উপাস্য ৰূপটোওঁ হৈছে কিৰাত ৰূপ। মহাভাৰতৰ বনপৰ্বত শিৱই অৰ্জুনৰ আগত কিৰাত ৰূপত আৱিৰ্ভাৱ হৈছিল বুলি উল্লেখ আছে। কছাৰীসকলৰ মতে কিৰাত ৰূপত শিৱক আৰাধনা কৰিলে শিৱ সহজতে তুষ্ট হয়। যিদৰে শিৱ কিৰাত ৰূপত পূজিত হয় তেনেদৰে পাৰ্বতীও কিৰাতী বা কিৰাতকী ৰূপত পূজিত হয়। দৰং ৰাজবংশাৱলীত শিৱক কছাৰীৰ নীতি নিয়মেৰে পূজা নকৰি হিন্দু ধৰ্মীয় পদ্ধতিৰে পূজা কৰাৰ হেতু কোঁচ ৰজা নৰনাৰায়ণৰ প্ৰতি বিতুষ্ট হৈ কছাৰীৰ নিয়মেৰে পূজিবলৈ ৰজাক স্বপ্নাদেশ কৰে। শিৱক সোণোৱাল কছাৰীয়ে 'বাইথ' নামেৰে আৰাধনা কৰি আহিছে। তেওঁলোকৰ কিৰাত-কিৰাতীৰ পূজাৰ বাহিৰেও বিভিন্ন দেৱ-দেৱীৰ পূজা-সেৱাওঁ নিজা নিজা ধৰ্ম বিশ্বাসৰ অন্তৰ্ভুক্ত হৈ পৰিল।

সোণোৱাল কছাৰীৰ প্ৰাচীন পূজা পদ্ধতিক ঘৰুৱা আৰু ৰাজহুৱা এই দুই ভাগত ভগাব পাৰি। ঘৰুৱাভাৱে পালন কৰিবলগীয়া পূজা-সেৱাসমূহ হ'ল বঢ়া পোহা, চাউল খুওৱা, পীৰ দিয়া, খীন ভঙা, আই মকাম, অপেশ্বৰী সবাহ, লখিমী মতা, জলসাই, চামন ডাঙৰীয়া, বুঢ়া ডাঙৰীয়া, খেতৰক দিয়া, কালিকা দিয়া, সৰ্গদেউ আদি। ৰাজহুৱা পূজাসমূহ হ'ল— গজাই, জ্ঞাতিগুৰি, বাইথ, বাটৰ সবাহ, লখিমী তোলা, সবাহ, চেঙেলি মাছৰ ভোজ, ফুল কোৱৰ, সুবচনী সবাহ, ভূৰ উটোৱা, কেঁচাই খাইতী আদি।

এই আটাইবোৰ পৰ্ব বৰ্তমান অসমীয়া প্ৰতিটো সমাজতে কম-বেছি ৰূপে প্ৰচলিত হোৱা দেখা যায়।

সোণোৱাল কছাৰীসকলে নিজৰ ভাষা, সাজ-পোছাক, আচাৰ-ব্যৱহাৰ আদি সকলো বিষয়তে বৃহৎ অসমীয়া জাতিৰ সৈতে এনেদৰে মিলি গৈছে যে তেওঁলোকৰ জনজাতীয় বৈশিষ্ট্য প্ৰায় নোহোৱাৰ দৰে হৈ পৰিছে। পুৰণি ধৰ্ম বিশ্বাসেই জনজাতীয় বৈশিষ্ট্যৰ একমাত্ৰ নিৰ্ণায়ক ৰূপে ক্ৰিয়া কৰি আছে।

হুগ্ৰা বা মিৰি পন্থ সোণোৱালসকলৰ এক আদিম জৈৱিক লোকনৃত্য। এইনৃত্য জৈৱিক নৃত্য বুলি এই কাৰণেই কোৱা হৈছে যে এই নৃত্যৰ লগত সোণোৱালসকলৰ আদিম চিকাৰজীৱী জীৱনৰ ধ্যান-ধাৰণা জড়িত হৈ আছে। সাধাৰণ দৃষ্টিত হুগ্ৰা নৃত্য বিহুৰ লগত জড়িত যদিও ইয়াৰ মূল তত্ত্বটো চিকাৰজীৱী সমাজৰ আদিম জৈৱিক তাড়নাৰ লগতহে সম্পৰ্কিত।

সাধাৰণতে ব'হাগ বিহুৰ সাতদিনৰ আগতে এই নৃত্যৰ আয়োজন কৰা হয়— অনাখৰি, সোণোৱালসকলে, প্ৰকৃতিৰ পৰিৱৰ্তন, জোনৰ অৱস্থিতি আৰু ঘাইকৈ এটা আহু খেতিৰ পৰা খেতিৰ পথাৰত গহৰা গজা আহু ধানলৈ লক্ষ্য ৰাখি চ'ত অহাৰ অনুমান কৰি লৈছিল আৰু তেতিয়াই এই নৃত্যৰ আয়োজন কৰিছিল। আগৰ দিনত যি ঘৰ গৃহস্থৰ ঘৰত আগৰ বছৰৰ বিহু সামৰা হৈছিল— সেই ঘৰ গৃহস্থৰ ঘৰৰ পৰাই এই নৃত্য আৰম্ভ কৰিছিল। স্বৰূপাৰ্থত সোণোৱাল সকলে হুগ্ৰা নৃত্যৰে বিহু আৰম্ভ কৰিছিল। কিন্তু বৰ্তমান সমূহীয়াভাৱে নামঘৰৰ পৰাই নৃত্য আৰম্ভ কৰে। মিৰিপন্থ বা হুগ্ৰা ঘাইকৈ চিকাৰ কৰা আৰু চিকাৰ আয়োজনৰ সামূহিক নৃত্য। এই নৃত্য তথা অভিযান (চিকাৰ অভিযান) একেৰাহে সাতদিনলৈ চলে। তাৰ পিছতহে বিহু পাতে। আগৰ দিনৰ চিকাৰত পোৱা শাক-পাচলি, মাছ-পছুৰেহে বিহু পতা হৈছিল।

হুগ্ৰা নৃত্যত কেইবাজনো লোকে অংশগ্ৰহণ কৰে। গাহৰিৰূপী চিকাৰৰ উপৰিও হাবিৰ চিকাৰী, ডাল চিকাৰী, অৰ্থাৎ প্ৰধান চিকাৰীৰ সহায়ক সকল, জাকৈ, খালৈ, বা যখ-যখিনী (পুৰুষ-তিৰোতা উভয় ৰূপত) অন্যান্য লগৰীয়াসকল থাকে। ইয়াৰ উপৰি চিকাৰৰ পৰিশ্ৰম লাঘৱ কৰা আৰু গোটেই অভিজানটো আনন্দমুখৰ কৰি তুলিবৰ বাবে বহুৱা চৰিত্ৰও থাকে। এই নৃত্যত চিকাৰী হুগ্ৰাবীৰে সম্পূৰ্ণ চিকাৰীৰ মাজত সাজি-কাচি ওলায়। পিন্ধনত তেওঁ লেংটি বা কৌপিন, গাত কোনোধৰণ বস্ত্ৰ পৰিধান নকৰে। গেটেই গা আৰু মুখত বিভিন্ন ধৰণৰ টটেম লয়। হাতত ধনু-কাঁড় আৰু আলু খন্দা ঠাৰেং। সহযোগীবোৰেও অনুৰূপ বেশ-ভূষা ধাৰণ কৰে আৰু তৰোৱাল লয়। জাকৈ-খালৈ নাৰী আৰু পুৰুষ চৰিত্ৰ। পছুটোৱে সম্পূৰ্ণ পছুৰ পোছাক পৰিধান কৰে। এওঁলোক আটায়ে চিকাৰ সম্বন্ধীয় বিভিন্ন নৃত্য কৰে। বৰগীতেৰে আৰম্ভ হোৱা এই হুগ্ৰৰ নৃত্যত সমূহীয়া হুঁচৰি গীত গোৱা হয়। এই নৃত্য-গীতৰ মাজেৰে হুগ্ৰা নৃত্যৰ বলি বিধানৰ দিশটোতকৈ ইয়াৰ ব্যৱহাৰিক দিশৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে হুগ্ৰা নৃত্যৰ গোটেই প্ৰক্ৰিয়াটোত সোণোৱাল কছাৰীসকলৰ আদিম চিকাৰজীৱী জীৱনৰ জৈৱিক তাড়নাৰ বিষয়টোৱেই প্ৰধানতঃ প্ৰকাশ পায়।

সোণোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত অন্য এক লোকনৃত্য হ'ল 'বহুৱা নাচ'। এই নাচত কোনো ধৰণৰ সংগীতৰ ব্যৱহাৰ নহয়। এই নৃত্যৰ পৰিৱেশন প্ৰক্ৰিয়াৰ পৰা অনুমান কৰিব পৰা যায় যে এই নৃত্য সোণোৱালসকলৰ আদিম অৰণ্য জীৱনৰ প্ৰতিভূ। এই নৃত্যত বস্ত্ৰৰ পৰিৱৰ্তে কলপাতৰ ছিৰিলি ছিৰিলি বসন বহুৱা-বহুৱালিয়ে পৰিধান কৰে। মুখাৰ প্ৰচলনো দেখা যায়। নৃত্যৰ শেষত পানীত বুৰ মাৰি সকলো বস্তু এৰি আহি নদীৰ পাৰত ভোজ ভাত খোৱা হয়। সাধাৰণতে ব'হাগৰ সাত বিহুৰ দিনা বহুৱা ওলোৱা নিয়ম। সোণোৱাল কছাৰীসকলে মাঙ্গলিক আৰু আনন্দ উৎসৱৰ অনষ্ঠান বহাগৰ নতুন বছৰতে অনুষ্ঠিত কৰা দেখা যায়।

**চাহ জনজাতি ঃ** অসমৰ সামন্বয়িক সংস্কৃতিৰ বুকুত এক হৈ যোৱা বিভিন্ন জাতি সত্তাৰ মাজত চাহ-জনগোষ্ঠী অন্যতম। চাহ জনগোষ্ঠীৰ কলা-সংস্কৃতি অসমীয়া জাতিৰ থলুৱা সংস্কৃতিৰ সৈতে অদ্ভুত মিল থকা দেখা যায়। দৈনন্দিন জীৱন যাত্ৰাৰ প্ৰণালীৰ ওপৰি বিহু উৎসৱকে আদি কৰি বিভিন্ন আনন্দ আহ্লাদৰ অনুষ্ঠান, পূজা- পাতাল আদিত অভিন্নতা প্ৰত্যক্ষ কৰা যায়। কৃষিজীৱী অসমীয়া মানুহৰ পথাৰত হালবোৱা, ভুঁইৰোৱা, ধান চপোৱা আদি ব্যস্ততাৰ সৈতে চাহ শ্ৰমিক সকলৰো একান্ত পৰিচয় আছে। তদুপৰি অন্যান্য ধৰ্মীয় বিশ্বাস তথা লোকাচাৰৰ কথাও এইক্ষেত্ৰত উল্লেখযোগ্য।

জীৱনে-মৰনে অসমীয়া হৈ পৰা এই জনগোষ্ঠীৰ কলা-সংস্কৃতিৰ এক স্বকীয় বৈশিষ্ট্য আছে। দৈনন্দিন জীৱনৰ ব্যস্ততা, জীৱনৰ অৱসাদ, ক্লান্তি আঁতৰাবলৈ তেওঁলোকে বিভিন্ন পূজা-পৰবৰ আয়োজন কৰে। এই পূজা-পৰব বিলাকৰ ভিতৰত কৰম পূজা, টুচু পূজা, দুৰ্গা পূজা, তুলসী পূজা, চহৰাই পৰব, ফাগুৱা, গ্ৰাম পূজা আদি প্ৰধান। এই পূজা বিলাকৰ ভিতৰত কৰম পূজাত গোৱা ঝুমুৰাই গীত সকলোৰে সমাদৃত। এই ঝুমুৰাই গীতত বিহু উৎসৱৰ বৰ্ণনা মন কৰিবলগীয়া—

'আসাম দেশেৰ বৈশাস পৰব
লাগে বৰ ভাল
ঢল বাজে পেঁপা বাজে
আৰ বাজে কৰতাল।'

কাতি মাহত কৃষিভিত্তিক উৎসৱ গৰয়া পূজা বা চহৰাই পৰব আৰম্ভ হয়। গৰু-গাইৰ মংগল কামনা

কৰি শিৱ-পাৰ্বতীক পূজা কৰা হয়। পাঁচৰ পৰা সাতদিন পৰ্যন্ত হোৱা এই পূজাত গোৱা গীতক 'জাহলী' গীত বুলি কোৱা হয়।

গৰু বিহুৰ দিনা চোতালত 'থুপা' দিয়াৰ দৰে এই গো-পূজাত সন্ধিয়াৰ আগে আগে গোহালিত ধূপ-ধুনা দি, জুইত সৰিয়হ ছতিয়াই কৰা ধোঁৱাৰে 'নিংচাই' কৰে। লোক বিশ্বাস যে এনে কৰিলে মহ ডাঁহ, বেমাৰৰ আজাৰ আদি পুৰি নিঃশেষ হয়।

মাঘ বিহুৰ দিনা, মকৰ সংক্ৰান্তিত চাহ-জনগোষ্ঠীৰ লোকসকলে 'টচপৰ' পালন কৰে। ইয়ো এক কৃষি উৎসৱ।

চাহ জনজাতিৰ দ্বাৰা আয়োজিত আন এক পূজা হ'ল তুলসী পূজা। আহিন মাহৰ পূৰ্ণিমা তিথিৰ পৰা কাতি মাহৰ পূৰ্ণিমা তিথিলৈ প্ৰায় এমাহ এই পূজা উদ্‌যাপিত হয়। কাতি বিহুৰ তুলসী তলত বন্তি জ্বলাই এমাহলৈ সেৱা জনোৱাৰ সৈতে এই তুলসী পূজাৰ সাদৃশ্য দেখা যায়।

চাহ জনগোষ্ঠীৰ সামাজিক ৰীতি-নীতি পূজা পৰব, বিবাহ অন্যান্য বহুতো অনুষ্ঠানৰ সৈতে অসমৰ বাৰেৰহণীয়া সংস্কৃতিৰ অপূৰ্ব মিল থকা দেখা যায়।

অসমীয়া জীয়াৰী-বোৱাৰীৰ দৰে এওঁলোকৰ জীয়াৰী-বোৱাৰীয়েও মেখেলা চাদৰ পৰিধান কৰি ভাল পায়। হাঁচটিত তামোল-পাণ লৈ কঁকালৰ খোচনিত তেওঁলোকেই 'পখটুৰং' বা হাঁচটি ব্যৱহাৰ কৰে। তেওঁলোকৰ মুখে মুখে চলি অহা গীত-পদ, ফকৰা-যোজনা, সাঁথৰ, সাধুকথা, ল'ৰা ধেমালিৰ গীতে অসমৰ লোক সংস্কৃতিৰ ভঁৰাল চহকী কৰিছে।

**মিচিং জনগোষ্ঠী ঃ** মিচিংসকল সংস্কৃতি বৈচিত্ৰ্যময়। পৰম্পৰাগত সংস্কৃতিৰ লগতে অসমৰ থলুৱা সংস্কৃতিৰ মিশ্ৰণ ঘটাই এক নব্য সংস্কৃতিৰ সৃষ্টি কৰি মিচিংসকলে অতীত সংস্কৃতিক মিনা কৰাই লৈছে।

লোকবিশ্বাস আৰু পৰম্পৰাৰ ওপৰত ভিত্তি কৰি তেওঁলোকে পূজা পাতাল, ভূতপ্ৰেত বিশ্বাস 'মিবু' মাতি মংগল চোৱা, গাঁও শুচি কৰিবলৈ 'বদুৰ' পূজা-পাতল কৰা আদি ধৰ্মীয় তথা লোকবিশ্বাস পালন কৰি আহিছে। মিচিংসকলৰ ধৰ্ম বিশ্বাসত গাহৰি, মাছ, কুকুৰাৰ প্ৰয়োজন বেচি। বিয়া বাৰু অপদেৱতাৰ পূজা, পৰাগ উৎসৱত গাহৰিৰ কলিজাত মঙ্গলচোৱা আদিত গাহৰি আৰু কুকুৰাৰ প্ৰয়োজন। আনহাতে মৃতকৰ শ্ৰাদ্ধাদিত প্ৰয়োজন হয় মাছৰ। চৰাই চিৰিকিটি, পশু-পক্ষীলৈয়ো অনেক লোকবিশ্বাস দেখা যায়। 'আলি-আই-লৃগাং' উৎসৱত ব্যৱহাৰ কৰা তৰা গছ পিৰ-খাগৰি, কপাহ আদি বৃক্ষ সম্বন্ধীয় সংস্কৃতিও জড়িত আছে।

কৃষি সংস্কৃতিৰ অন্যতম হ'ল— আলি আই লৃগাং, ন খোৱা, ভড়াল ঘৰ লোৱা, লখিমী অনা আদি। আলি আই লৃগাঙৰ গীত-মাতসমূহ কৃষি সম্বন্ধীয় আৰু নৃত্যসমূহ চিকাৰৰ লগত জড়িত। কাতি বিহুত বন্তি প্ৰজ্বলন, ভৱিষ্যত গণনা আদি প্ৰকৃতিৰ লগত সম্পৃক্ত।

এওঁলোকৰ পৰাগ আৰু আলি আই লৃগাঙেই প্ৰধান উৎসৱ। পৰাগ উৎসৱ পাতিবলৈ এখন গাঁৱে কেইবাবছৰো ধৰি প্ৰস্তুতি চলাব লাগে। ডেকা-গাভৰুৱে 'দাগলেক'ৰ সহায়েৰে ধন আহৰণ কৰে। পাঁচ দিন ধৰি চলা পৰাগ উৎসৱ সাধাৰণতে আঘোণ বা ফাল্গুন মাহত অনুষ্ঠিত কৰা হয়। পূৰ্বৰ মুৰংঘৰ আদিত বৰ্তমান গাঁৱৰ পথাৰৰ মাজত মুৰংঘৰ সাজি এই উৎসৱ আয়োজন কৰা হয়। এই মুৰংঘৰ জনজাতি সমাজৰ গণতান্ত্ৰিক সমাজ পদ্ধতিৰ মূল ভেটি। মিচিং সংস্কৃতিৰ ঘাই শিপাডাল এই মুৰংঘৰতেই জড়িত হৈ আছে। ইয়াৰ উপৰি খাদ্য, বাসস্থান, সাজ-পোছাক, দৈনন্দিন কৰ্ম, বাদ্যযন্ত্ৰ, আ-অলংকাৰ, বাচন-বৰ্তন, সা-সামগ্ৰী আদিৰ লগতো গৌৰৱোজ্জ্বল মিচিং সংস্কৃতি জড়িত হৈ আছে। ই বৃহত্তৰ অসমীয়া সংস্কৃতিৰ ভড়াল চহকী কৰিছে।

**কাৰ্বি জনগোষ্ঠী ঃ** অসমৰ বৈচিত্ৰ্যৰ মাজত ঐক্য আৰু সংহতি স্থাপনত কাৰ্বি জনগোষ্ঠীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ, কাৰ্বিসকল মূলতঃ কৃষিজীৱী লোক। কৃষিৰ লগত জড়িত সকলো আচাৰ-অনুষ্ঠান তেওঁলোকে নিজস্বভাৱে পালন কৰে। গাঁৱৰ মুৰব্বী ব্যক্তি গাঁওবুঢ়া যাক কাৰ্বিসকলে 'ছাৰথে' বুলি কয়, তেওঁৰ নাম অথবা কুল অনুসৰি কাৰ্বি গাঁওবোৰৰ নামকৰণ কৰা হয়। গাঁওখনৰ সমস্ত সমাজ শৃংখলা ছাৰথে জনৰ ওপৰত ন্যস্ত থাকে। ছাৰথে জনতকৈ অধিক মৰ্যাদা সম্পন্ন আঞ্চলিক হাৱাই অৰ্থাৎ হাবে পিনপ আদি কাৰ্বি সমাজ তন্ত্ৰত বিষয়া থাকে। কাৰ্বিসকলে বিভিন্ন দেৱ-দেৱীক পূজা-উপাসনা কৰে। সূৰ্যা পূজা (এঠাপক), ইন্দ্ৰ পূজা (চমেং আমেপক), বুঢ়া নাটুক বা দেহাল, বিশ্বহৰি, মহাদেৱ আদি তেওঁলোকৰ উপাস্য দেৱতা।

দেহাল পূজা তেওঁলোকৰ প্ৰধান উৎসৱ। এই পূজা তেওঁলোকে গাঁৱৰ সুখ-শান্তি, নানা বাধা-বিঘিনিৰ পৰা হাত সাৰিবলৈ কৰে। এই পূজাত ঠাই বিশেষে কুকুৰা, গাহৰি, ছাগলী, পাৰ আদি বলি আগবঢ়ায়। কাৰ্বি সমাজত বেদ নাই, বেদাংগৰ বিধিহে তেওঁলোকে মানি চলে।

কাৰ্বিসকলৰ আন এটি প্ৰধান পূজা হ'ল 'চমাংকান' ইয়াক চমাংকান উৎসৱ বুলি কোৱা হয়। এই উৎসৱ মৃত ব্যক্তিৰ আত্মাৰ সদ্‌গতিৰ বাবে উদ্‌যাপন কৰা হয়। এই শ্ৰাদ্ধ বৰ বায়বহুল আৰু উৎসৱমুখৰ। এই উৎসৱৰ কোনো নিৰ্দিষ্ট তিথি বাৰ নাথাকে। কাৰ্বি জনবিশ্বাস মতে আত্মা অমৰ আৰু ই পুনৰ জন্ম লয়। তেওঁলোকে বিশ্বাস কৰে যে মানুহৰ মৃত্যু হ'লে যমৰাজৰ দেশলৈ যায়, কাৰ্বি ভাষাত ইয়াক 'চম আৰং' বা 'যম আৰং' বুলি কোৱা



হয়। সেয়েহে তেওঁলোকে চমাংকান পাতি আত্মাৰ মুক্তিৰ পথ সুগম কৰি দিয়ে। এই উৎসৱত কাৰ্বি ডেকাই তেওঁলোকৰ পৰম্পৰাগত সাজ-পাৰ পিন্ধি হাতত ঢাল-তৰোৱাল লৈ নৃত্য কৰে। এই সময়ছোৱাত উচেনীয়ে করুণ সুৰেৰে গীত গায়। পুনৰ জনমত বিশ্বাসী কাৰ্বিসকলে নৱজাত শিশুৰ মত ব্যক্তিৰ নামেৰে নামকৰণ কৰা দেখা যায়।

পৰাচিত বা শুধি কৰা প্ৰথা কাৰ্বি সমাজত প্ৰচলিত। কিন্তু তেওঁলোকে কোনো পুৰোহিতৰ দ্বাৰা পৰাচিত নকৰি নিজ গাঁৱে গাঁৱে নিৰ্বাচন কৰি দিয়া লোকজনৰ দ্বাৰাই যিকোনো সময়ত পূজা আদি কৰি গৃহস্থক পৰাচিত বা উদ্ধাৰ কৰা প্ৰথা প্ৰচলিত। এই পৰাচিত কৰা লোকজনক কাঠাৰ বুলি কোৱা হয়। এই লোকজনক গাঁৱৰ উচ্চ বংশৰ বুলি গণ্য কৰা হয়। প্ৰত্যেক গাঁৱত এই কাঠাৰজন বেলেগ বেলেগ উপাধিৰ হোৱা দেখা যায়।

হৰ (মদ) কাৰ্বিসকলে বিভিন্ন পূজা, সকাম আদিত প্ৰধান উপাদান হিচাপে ব্যৱহাৰ কৰা দেখা যায়। জন্ম, বিবাহ, বিভিন্ন পূজা, শ্ৰাদ্ধ আদিত মদৰ বহুল ব্যৱহাৰ হয়।

কাৰ্বি সমাজত বিবাহ দৰা-কইনাৰ ঘৰৰ আলোচনা মতেই হয়। কইনা লৈ গৈ কইনাৰ আত্মীয়ক দৰাজনে উপহাৰ দি আশীৰ্বাদ লয়। কইনাই প্ৰতিবছৰে মদৰ ভাৰ ভেটি, মাননি আদি লৈ পিতৃগৃহলৈ যোৱা প্ৰথা আছে যাক বাৰ্ষিক যাত্ৰা বুলি কোৱা হয়।

কাৰ্বিসকলে নদ-নদী, পাহাৰ পৰ্বত, হাবি বননি, জান জুৰি, অগ্নি, বৰুণ চন্দ্ৰ, সূৰ্য আদিক নিজা ধৰণেৰে পূজা আগবঢ়ায়। প্ৰতি পূজাৰ বিধি-বিধান আৰু স্থান বেলেগ বেলেগ।

ব্ৰিটিছ আমোলত খ্ৰীষ্টধৰ্মই প্ৰভাৱ বিস্তাৰ কৰিছিল যদিও কাৰ্বিসকলৰ সৰহ সংখকেই নিজ ধৰ্ম অৱলম্বী। হিন্দু ধৰ্মৰ অৱতাৰী পৰম পৰুষ 'ৰাম' কাৰ্বি সমাজে আদৰি লোৱা দেৱতা। 'ছাবিন আলনেই' (কাবি ৰামায়ণ) ইয়াৰ প্ৰমাণ ।

ইন্দ্ৰ দেৱতা (বাৰিথে)ক সন্তুষ্ট কৰিবলৈ তেওঁলোকে 'চজন' পূজা পাতে। এই পূজা ৰাজহুৱাকৈ পাতিলে তাক 'ৰক আপিৰ্থাং' বুলি কোৱা হয়।

মাটিত নাঙল দিয়াৰ আগে আগে তেওঁলোকে 'ৰংকেৰ' পূজা কৰে। গাঁৱৰ মূৰৰ আলিবাটৰ সংযোগ স্থলত 'দুৱান' সাজি পতা এই পূজা ভাগত পাৰ, ছাগলী মুৰ্গী আদি উছৰ্গা কৰা হয়। 'অনাম ফাৰৌ' নামৰ দেৱতাৰ নামত ছাগলী বলি দিয়া হয় আৰু আঞ্চলিক দেৱ-দেৱী থান আৰ্নমেৰ নামত চৰাই আৰু পাৰ উছৰ্গা কৰে। এই পূজা ভাল শসাৰ বাবে কৰা হয়। ইয়াৰ উপৰি তেওঁলোকে পেং, হেমফু পিটু, দৰ, লামকি, বাংকে, দুই খাই, আবৰ, ৰিত অৰ্নাম, ছামেমে, থান আৰ্নাম, ৰং আৰ্নাম, মূৰ্তি, চেক আমা আদি পূজা কৰে। কাৰ্বিসকলৰ 'চক্ৰেয়' নামৰ লখিমী উৎসৱ অন্য এক উল্লেখযোগ্য উৎসৱ। এই উৎসৱত গোৱা লক্ষী কেপ্ৰাং গীতৰ মাজত ধানৰ আদিম ইতিহাস আৰু কাৰ্বিসকলৰ কুকিচীনৰ লগত থাকা সম্পৰ্কৰ উল্লেখ পোৱা যায়। ন খোৱা উৎসৱকে কাৰ্বিসকলে 'চক্ৰেয়' বা 'ছককেৰই' বোলে। এই উৎসৱত পৰিৱেশন কৰা নৃত্য-গীতক 'হাচাকেকান' বোলা হয়।

ভৈয়ামবাসী কাৰ্বিসকলে 'দুমাহী' বুলি কৃষি উৎসৱ পালন কৰে। পাহাৰৰ কাৰ্বিসকলে 'হাচ্ছা কেকান' নৃত্যৰ মাজেৰে পথাৰৰ শস্য সামৰা আনন্দ উৎসৱ পালন কৰে। কাৰ্বিসকলৰ 'চমাংকান' উৎসৱৰ মূল আদৰ্শ বিহুৰ লগত একে নহয় যদিও ঢোল, পেঁপা, গগনা আদি উমৈহতীয়া সংস্কৃতিৰ সম্পদ।

**হাজং জনগোষ্ঠী ঃ** অসমৰ অন্য এক জনগোষ্ঠী হ'ল হাজং জনগোষ্ঠী। এওঁলোক তিনিটা শ্ৰেণীত বিভক্ত ব্ৰহ্মগোষ্ঠী, বৈৰাগী গোষ্ঠী আৰু প্ৰাচীন বিশ্বাসী। ব্ৰহ্মগোষ্ঠীয়ে ব্ৰাহ্মণ পুৰোহিতৰ দ্বাৰা পূজা-পাতাল আৰু হোম কৰে। বৈৰাগী গোষ্ঠী বৈষ্ণৱীসকলে জাত-কুল বিশ্বাস নকৰি নাম-কীৰ্তনত গভীৰ বিশ্বাসী আৰু এওঁলোক নিৰামিষ ভোজী। প্ৰাচীন বিশ্বাসীসকলে দেৱ-দেৱীৰ পূজা

কৰে। বৈষ্ণৱীসকলে ডিঙিত তুলসী মালা পিন্ধে, টিকনি ৰাখে আৰু কপালত চন্দনৰ ফোট লয়। পূৰ্ণিমা, অমাৱস্যা আদি তিথিত ব্ৰত ৰাখে। গোসাঁই ঘৰ সাজি শালগ্ৰাম স্থাপন কৰি, চোতালত তুলসী ৰুই চাকি-বন্তি জ্বলাই। শাক্তসকলে বলি-বিধান দি দেৱ-দেৱীৰ পূজা কৰে।

বিষহৰি পূজা তেওঁলোকৰ এক অন্যতম উৎসৱ। এই পূজা কেইবাদিনো ধৰি অনুষ্ঠিত কৰে। প্ৰথম দিনা চণ্ডী পূজা, দ্বিতীয়দিনা ঘট পূজা আৰু চতুৰ্থ দিনা গৰখীয়া পূজা অনুষ্ঠিত হয়। এই পূজাত পাতি হাঁহ বলি দিয়া হয়। ওজাপালিয়ে পদ গায় আৰু নৃত্যৰ মাধ্যমেৰে পূজা কাৰ্য আগবঢ়ায়। দেওধনী নৃত্য আৰু পৰাণৰ পদ গোৱা হয়।

তেওঁলোকে উদ্‌যাপন কৰা অন্য এক উৎসৱ হ'ল চ'ৰ খেলা উৎসৱ। এই উৎসৱ সাদিন ধৰি অনুষ্ঠিত হয়। হুঁচৰি মৰাৰ দৰে গাঁৱৰ এটা মূৰৰ পৰা ঘৰে ঘৰে নৃত্য গীত কৰি ধান, চাউল বা টকা-পইচা সংগ্ৰহ কৰে। এই নৃত্য গীতত ঢোল (তাকী), বাঁহী, তাল আদি ব্যৱহাৰ কৰা হয়। সংগ্ৰহ কৰা পুঁজিৰে ৰাইজে 'চৰা খেলা খাৱন' নামৰ এটি অনষ্ঠান অনুষ্ঠিত কৰে। ইয়াতেই লখিমী আই আৰু ভগৱানৰ নামত পূজা দিয়া হয়। ইয়াকেই হাজং সকলে 'ঠাকুৰ সেৱা' বোলে।

'চ'ৰামাগা' উৎসৱৰ লেৱাটানা, দেৱীযুদ্ধ, ভাঙা নাৱৰ জাখা মাৰা, টেঙেলা গাহন আদি অনেক ধৰণৰ গীত পৰিৱেশন কৰা হয়। এই উৎসৱৰ লেৱাটানা নৃত্য-গীতৰ ভূমিকা মন কৰিবলগীয়া।

হাজংসকলে দুৰ্গা, কালী, সৰস্বতী, লক্ষ্মী, কাৰ্তিক (কাতকা), বাসন্তী, শিৱ (ত্ৰিনাথ), সত্যনাৰায়ণ, কামাখ্যা আদি দেৱ-দেৱীক পূজা কৰা প্ৰথা আছে। (কাতকা) পূজাত তিৰোতাসকলে ৰং ৰূপে সাজি কাচি গোটেই ৰাতি কাতকা গীত গায়। হাজংসকলে নাম যজ্ঞ অনুষ্ঠিত কৰে। এই নাম যজ্ঞ অষ্ট, যোল্ল, বত্ৰিশ বা ততোধিক প্ৰহৰ ব্যাপি পালন কৰা হয়।

হাজংসকলে ৰঙালী বিহু (বিষুৱা), মাঘ বিহু আৰু কাতি বিহু পালন কৰে। নতুন চাউলেৰে 'নয়া খাৱা' উৎসৱ অনুষ্ঠিত কৰা ৰীতিও হাজংসকলৰ আছে।

হাজংসকলে 'দেউচী' পুৰোহিতৰ মাধ্যমেৰে দেৱতাৰ আশীৰ্বাদ লাভৰ বাবে প্ৰাৰ্থনা কৰে। বাস্তু থান নামৰ এখন বিশেষ স্থানত এই পূজা অনুষ্ঠিত কৰে আৰু বাস্তু লক্ষ্মী ঠাকুৰ দেও দেৱতা (ৰাই দেও) আদি বাস্তু গোষ্ঠীৰ দেৱ-দেৱীসকলক প্ৰাৰ্থনা কৰা হয়।

চৰামাগাৰ আগতে ভূঁইমাগা বা থুবীমাগা নামৰ অন্য এক উৎসৱ অনুষ্ঠিত কৰা হয়। এই উৎসৱত ল'ৰা আৰু ডেকাসকলে ঘৰে ঘৰে গৈ গীত গাই বৰঙণি তোলে।

বছৰৰ প্ৰথম ৰোৱা গোছ দিয়াৰ দিনা 'পইলা ৰোৱা খাওৱা' উৎসৱ পালন কৰা হয়। সেই দিনা 'বিছি ভাত' বা বন্নিধানৰ ভাত বনাই কাছ বা অন্য মাংসৰে খোৱাৰ প্ৰথা আছে। ঘৰুৱা মদ ব্যৱহাৰ কৰা হয়। ভুঁই ৰোৱাৰ অন্তত পৰস্পৰে গাত বোকা সানি নৃত্য-গীত কৰি আনন্দ কৰে।

কাঁচি ধোৱা আৰু ধান ভুকা হাজংসকলৰ অন্য এক উৎসৱ। ধান দাই শেষ হোৱাৰ দিনা ৰাইজক খুৱাই আদৰ অভ্যৰ্থনা জনোৱা হয়। এই উৎসৱৰ দিনা ধান দোৱা কাঁচিবোৰ লেছেৰিৰ লগত বান্ধি যথাবিহিত প্ৰথাৰে ধোৱা- পখলাৰ নিয়ম কৰা হয়।

ইয়াৰ উপৰি হাজংসকলৰ নিজস্ব কিছুমান আচাৰ আনুষ্ঠান আছে। তাৰ ভিতৰত জন্ম, বিবাহ আৰু মৃত্যু অন্যতম। হাজংসকলৰ শিশুৰ জন্ম হ'লে প্ৰসৱৰ কেইদিনমান পূৰ্বে প্ৰস্তুতিৰ কাৰণে এটি সুকীয়া অস্থায়ী খেৰৰ চালি বা ঘৰ সাজি দিয়া হয়। এই ঘৰটোক 'ছুৱা ঘৰ' বা জাতক ঘৰ বোলা হয়। ধাই-মা বা ধাত্ৰীৰ বাহিৰে এই ঘৰটোত প্ৰসূতিৰ লগত পৰিয়ালৰ কাৰো সংস্পৰ্শ নাথাকে। ধাইজনীয়ে বাঁহৰ চেঁচুৰে নৱজাতকৰ নাভি নাড়ীডাল কাটি বাৰীৰ পিছফালে পুতি থয়। তাৰ পিছত নিৰ্দিষ্ট দিনত নাপিত মাটি নৱ শিশুৰ চুলি খুৰাই পুৰোহিতৰ মন্ত্ৰপূত পানীৰে শুচি হয়। মাহেকীয়া শুচি হোৱাৰ পিছতহে ৰন্ধা-বঢ়া, পজা-পাৰ্বণ আদিত প্ৰসূতিয়ে ভাগ ল'ব পাৰে।

বিবাহ হাজংসকলে পৰম্পৰাগতভাৱে প্ৰচলিত নীতি-নিয়মেৰে সম্পন্ন কৰে। নিয়ম ভঙ্গ কৰিলে সমাজচ্যুত কৰাৰো নিয়ম আছে। হাজংসকলৰ প্ৰথা অনুসৰি দৰাঘৰীয়াই কইনা ঘৰীয়াক 'গা-ধান' দিব লাগে। হাজং সমাজত সাধাৰণতে দৰা ঘৰতহে শুভ বিবাহৰ কাৰ্য সম্পন্ন হয় যদিও আৰ্থিকভাৱে সবল নাইবা পুত্ৰ সন্তান নথকা জনে ঘৰ জোঁৱাই হিচাপে চপাই লোৱাৰো নিয়ম আছে।

মৃত্যু সংস্কাৰ হাজংসকলে জনগোষ্ঠীয় পৰম্পৰাৰে সম্পন্ন কৰিলেও ব্ৰাহ্মণ পুৰোহিতৰ দ্বাৰা বৈদিক ৰীতিত শ্ৰাদ্ধৰ কাৰ্য সম্পন্ন কৰে। শ্ৰাদ্ধৰ দিনা ভোজ ভাতৰ পূৰ্ব মুহূৰ্তত কিছুমানে কীৰ্তনীয়া দল মাতি কীৰ্ত্তন গায়। মূল শ্ৰাদ্ধৰ পিছত এমাহ বা এবছৰৰ অন্তত বাৰ্ষিক শ্ৰাদ্ধও কৰে।

হাজংসকলৰ জন্ম আৰু মৃত্যু অনুষ্ঠানত ক্ৰিয়া কৰ্মবোৰত প্ৰায়ভাগতে বৈদিক হিন্দুৰ প্ৰভাৱ পৰিলক্ষিত হয়। অসমৰ আন আন জনগোষ্ঠীসমূহৰ দৰে হাজংসকলে স্বকীয় বৈশিষ্ট্যৰে নিজৰ জনগোষ্ঠীটোৰ পৰম্পৰাৰে বৃহত্তৰ অসমীয়া সমাজত নিজৰ মৰ্যাদা অটুট ৰাখিবলৈ সক্ষম হৈছে।

**দেউৰী জনগোষ্ঠী ঃ** দেউৰীসকলৰ আদি পুৰুষ সম্পৰ্কে

বিভিন্ন পণ্ডিতে মত পোষণ কৰিছে। কিছুমানে বিভিন্ন কাহিনীৰ বৃত্তান্তৰে এই জাতিৰ জন্মৰ কথা অনুমান কৰা দেখা যায়। বৰ্মন বংশৰ আগত অৰ্থাৎ খৃঃ পূঃ ২০০০-১৪০০ চন মানত অসমৰ উজনিখণ্ডত ভীষ্মক ৰজাই ৰাজত্ব কৰিছিল। দেউৰীসকলক সেই ভীষ্মক ৰজাৰ ৰাজ পুৰোহিত বুলি কোৱা হয়।

দেৱল-বশিষ্ঠৰ দৰে অতীতৰ পৰাই দেউৰীসকলে শক্তি উপাসনা কৰি আহিছে। তেওঁলোকৰ আৰাধ্য দেৱ-দেৱীৰ দেৱালয়সমূহ এতিয়াও ভগ্নাৱশেষ অৱস্থাত দেখা যায়। তেওঁলোকে মুখ্যতঃ চাৰিশাল গোসাঁনীক পূজা কৰে। অতীতৰ ভীষ্মক, বশিষ্ঠ, কামাখ্যা, ঊষা চিত্ৰলেখা আদি নামসমূহ দেউৰীসকলৰ লগত সম্পৰ্কিত। উদাহৰণ স্বৰূপে—

(১) 'শদিয়াৰ ৰাজত ঐ চাৰিশাল গোসাঁনী
তালৈকে কৰি যাওঁ সেৱা।'

(২) 'কুন্দিনা আগুজুন কামাখ্যা না আগুজন
পুজিয় ইৰানা লেন।'

(৩) 'ন যদি চাৰণত ইৰা' পাৰিজাত
বশিষ্ঠ মনি চান আঁ।'

(৪) 'পৰশুৰাম কুণ্ডহ জিকুকুন বজিপাই
বাবা নাগ আগুনে জুকুন।

দেউৰীসকলৰ পূজিত চাৰিশাল গোসাঁনী হ'ল— বুঢ়া-বুঢ়ী, বলিয়া বাবা, তাম্ৰেশ্বৰী বা কেঁচাইখাতী আৰু পাটৰশাল বা চেং কোঁৱৰ।

তান্ত্ৰিক যুগত আন আন জাতিসমূহৰ দৰে দেউৰী জনজাতিয়েও নৰবলি প্ৰথা বুঢ়া-বুঢ়ী, তাম্ৰেশ্বৰী, বলিয়াবাবা আদি দেৱালয়ত প্ৰচলন কৰিছিল। ১৭৮০-৯৪ খৃঃপূত গৌৰীনাথ সিংহই এই প্ৰথা বন্ধ কৰি দিয়ে। গো-বধ, ব্ৰাহ্মণ বধ, পিতৃ-মাতৃ বধ আদি পাপীক প্ৰায়শ্চিত্ত কৰিব পৰা পুৰোহিত সেইকালত দেউৰীসকলক বাহিৰে আন কোনো নাছিল।

দেউৰী গোষ্ঠী অতীজৰ পৰাই বৈদিক ধৰ্মী। দুই এটা আচাৰ-অনুষ্ঠানক বাদ দি প্ৰায় সকলো পূৰ্ণমাত্ৰায় হিন্দু ধৰ্মী। আদি যুগৰ পৰাই এওঁলোকে হিন্দুৰ দেৱ-দেৱীৰ পূজা-অৰ্চনা চলাই আহিছে।

দেউৰীসকলে প্ৰতি মাহৰ শুক্লপক্ষৰ প্ৰথম বুধবাৰে দেৱালয়ত একোটা পূজা পতা নিয়ম আছে। এই পূজাক 'মাহেকীয়া পূজা' বুলি কোৱা হয়। আহাৰ মাহত 'অম্বুবাচী অশৌচ বা যাঠৰ চুৱা' বুলি আৰু পুহ মাহৰ 'পুহচুৱা' বুলি দুটা অশৌচ নিবৃত্তি পূজা কৰে। শাওণ মাহত 'ন-ধানৰ' পূজা পতা হয়। ইয়াৰ উপৰি মাঘ মাহত 'মাঘবিহু' পূজা উৎসৱ আৰু ব'হাগ মাহত 'বাসন্তী পূজা' উৎসৱ বা ব'হাগ বিহুৰ পূজা উৎসৱ উলহ মালহেৰে পালন কৰে। ব'হাগ বিহুৰ পূজা উৎসৱ সবাতকৈ শ্ৰেষ্ঠ জাতীয় পূজা উৎসৱ।

ন-ধান চপাই দেউৰীসকলে ন-খুউৱা উৎসৱ পালন কৰে। এই উৎসৱত ন-চাউল, সাজ বাতি, ন-মাছ, কুকুৰা নাইবা হাঁহ মাৰি এই ভোজ পতা হয়। এই প্ৰথাই খেতিয়কসকলক উৎসাহিত কৰি তোলে। বছৰেকত দুবাৰ ন-খুউৱা উৎসৱ পতা হয়। শাওণ মহীয়া আহু ধান চপোৱাৰ পিছত আৰু আনবাৰ আঘোণ মহীয়া শালি ধান চপোৱাৰ পিছত এই উৎসৱ পালন কৰা হয়। ন-খোৱা উৎসৱটোৱে গাঁৱলীয়া জীৱনৰ শান্তি, সৰলতা আৰু সুখী জীৱনৰ ছবি দাঙি ধৰে। এই প্ৰথা সনাতন ধৰ্ম হিচাপে প্ৰাচীন কালৰ পৰা চলি আহিছে। জ্ঞাতি, গুৰুসকলক নিমন্ত্ৰণ কৰি নৱান্ন ভোজনেৰে আপ্যায়িত কৰাটো এটা গৃহাশ্ৰমৰ প্ৰধান ধৰ্ম। ধানৰ আগ-অনা, (আগ লোৱা) ন-খোৱা, লখিমী আদৰা আদি একো একোটা উৎসৱ।

বিহু-পূজা উৎসৱ উপলক্ষে 'সুৱাচনী' পূজা পতা হয়। পূজাৰীয়ে এই পূজা নপতাকৈ বিহু পূজা পাতিব নোৱাৰে। এই পূজা নাপাতিলে দেওধ্বনি আৱিৰ্ভাৱ হ'ব নোৱাৰে বুলি জনবিশ্বাস প্ৰচলিত। গতিকে প্ৰতি গৃহস্থই ঘৰে ঘৰে এই পূজা পতা নিয়ম।

দেওধ্বনি উৎসৱ ব'হাগ বিহুৰ পূজা উৎসৱৰেই অবিভক্ত অঙ্গ। সেয়ে বিহু-পূজাৰ লগতেই দেওধ্বনি আৱিৰ্ভাৱৰ কাৰণে বেলেগে পূজা পতা হয়, যাৰ ফলত দেওধ্বনি আগমন সম্ভৱ হয় বুলি জনবিশ্বাস।

দেউৰী সমাজত সন্তান জন্ম হ'লে অন্ততঃত সাত দিনলৈ মাকৰ অশুচীয়া বুলি গণ্য কৰে। প্ৰসূতি থকা ঘৰত তুঁহ জুই জ্বলাই থোৱা হয়। জুইত সৰিয়হ দিয়া হয়। বিছনাৰ কাযত দা-কটাৰী ৰখা হয়। এই অশুচি ভাব এমাহলৈ থাকে। কেঁচুৱাৰ মূৰ খুৰায়। শিশুৰ জাত-কৰ্মাদি সম্পাদন কৰা নিয়ম আছে। সন্তান জন্ম হোৱাৰ পাছত পতা এই শুদ্ধি উৎসৱক দেউৰীসকলে 'ভেজনী খউৱা' বোলে।

দেউৰী সমাজত তিনি প্ৰকাৰৰ বিবাহৰ প্ৰচলন আছে— বৰ বিয়া, মাজু বিয়া আৰু সৰু বিয়া। দেউৰীসকলে কইনা বিচাৰি মাননি হিচাপে তামোল পাণৰ শৰাই আৰু 'সাজ' অলপ আগবঢ়াই। ছোৱালী পক্ষই প্ৰস্তাৱটি গ্ৰহণ কৰিলে মদ বাকি বিলাব লাগে। ইয়াৰ পাছত ছোৱালী বিয়া পাতি নিব নোৱাৰালৈকে শুভ দিন বাৰ গণনা কৰি মাঘ বা ব'হাগ মাহত এবাৰকৈ 'ভোজা ভাৰ' দিব লাগে। এই ভাৰত তামোল-পাণৰ শৰাই, মদ একলহ, ডেমেহীয়া কুকুৰা চৰাই এজনী, চাউল, লোণ, তেল ইত্যাদি দিয়া হয়।

বিয়াৰ দিনা জান-জুৰিৰ পৰা পানী তুলি আনি নোওৱা-ধুওৱা নিয়ম আছে। পুৰাই এনে কাৰ্য কৰি শুভক্ষণত ইষ্ট-কুটুম্ব প্ৰমুখ্যে ঢোলে-ডগৰে, গায়নে-

বায়নে দৰা-কইনাৰ ঘৰলৈ যাত্ৰা কৰে আৰু হিলৈ মৰা হয়। দৰা আদৰিবলৈ কইনাঘৰৰ পদূলিত তোৰণ দিয়া হয়। কলপুলি ৰুই আমপাতৰ মালা আঁৰি দিয়ে। দৰাক ভৰিৰ ধুৱাই মঙ্গল উৰুলি দি ৰভাৰ তলত বহুওৱা হয়। পুৰোহিতে বিষ্ণুক স্মৰণ কৰি যজ্ঞৰ আৰম্ভ কৰে। বিয়াৰ অন্তত আয়তীসকলে মঙ্গল উৰুলি দি চাউল আৰু বনগুটি ছটিয়াই। বিয়াৰ দিনা আয়োজন কৰা কইনাঘৰীয়াৰ ভোজৰ দৰে, দৰাঘৰতো বাহী বিয়াৰ দিনা বিৰাট ভোজৰ আয়োজন কৰা হয়।

মৃত্যু সংস্কাৰ মতে দেউৰীসকলে শৱ দাহ কৰে। মৃতকৰ অস্থি নৈত উটুৱাই, ভোজ ভাত খাই অশুচ ভাঙে। পিণ্ডাদি অৰ্পণৰ ৰীতি আছে। মৃতকৰ মঙ্গলৰ বাবে দহা-কাজত বহুত বস্তু দান কৰা প্ৰথা পৰিলক্ষিত হয়। দেউৰী সমাজ অসমীয়া জাতিৰ এক অন্যতম গোট। আদিতে তেওঁলোকৰ ধৰ্মবিশ্বাস, পূজা পদ্ধতি আৰু দেৱপূজা কৰা ভাষাটো গোটেই অসমতে প্ৰসাৰিত আছিল। বৰ্তমান লুপ্তপ্ৰায় হ'লেও ব্ৰাহ্মণৰ কৌণ্ডিলা গোত্ৰ আৰু দ'ল-দেৱালয় আদি দেখিবলৈ পোৱা যায়। অসমৰ মঠ-মন্দিৰ আৰু থান-সত্ৰ-দেৱালয় আদিত আগৰ দিনীয়ী ৰজাসকলে একোজন দেউৰী পাতি থৈছিল, যি দেউৰী এতিয়াওঁ সকলোতে আছে। শক্তিপীঠ কামাখ্যাত বৰ্তমানো বৰদেউৰী আছে। এই বৰদেউৰী বাবটো সেই সময়ৰ পূৰ কামাখ্যাৰ কুণ্ডিমামা বা পিস্বাডেমা-পিস্বাচিডেমা সেৱকৰ পৰা ধাৰ কৰা বুলি পণ্ডিতসকলে মত পোষণ কৰিছে। বৰ্তমান অৱস্থাতো আমাৰ সমাজত সকাম নিকাম, পূজা-উৎসৱ হৈ যোৱাৰ পিছত জলপান, প্ৰসাদ নাইবা বুট-ৰুগ আদি বিলাবলৈ আৰু সেইবিলাকৰ আয়োজন কৰিবলৈ একোজন সদাচাৰী লোক নিযুক্ত হয়, তেওঁক দেউৰী বুলি কোৱা হয়। আজিও আমাৰ অসমীয়া সংস্কৃতিত দেউৰী নামটোৱে উচ্চ স্থান পাই আহিছে। মা কামাখ্যাৰ উপৰি তাম্ৰেশ্বৰী মন্দিৰ, বুৰঞ্জীয়ে ঢুকি পোৱা ধৰ্মপাল ৰজাৰ পৰা আৰম্ভ কৰি বাৰভূঞাৰ ৰাজত্বৰ দিনলৈ আহোম ৰাজত্বৰ দিনটো দেউৰী চুতীয়াৰ তাম্ৰেশ্বৰী গোসাঁনীক বলি-বাহন দি পূজা কৰা হৈছিল। শাক্তপন্থী বাৰভূঞাসকলৰ দিনটো দেৱালয় বিলাকত পূজা-পাতাল কৰা লোকজনক দেউৰী বোলা হৈছিল। বৰ্তমান অৱস্থাতো দৰং-কামৰূপ আদিত অৱস্থিত দল, পীঠ, থান আদিত দেউৰী নামধাৰী পূজাৰী সকলেহে হাঁহ, পাৰ, ছাগলী বলি দি গোসাঁনী পূজা কৰা দেখা যায়। এইদৰেই দেউৰী সংস্কৃতি অসমীয়া সংস্কৃতিত লীন হৈ আছে।

**অসমীয়া ভাষাৰ গঠন-বিকাশত জনজাতীয় ভাষাৰ অৱদান ঃ** অসমীয়া ভাষা গঠন তথা পাৰিপুষ্টি সাধনত জনজাতীয় ভাষাই ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু শব্দ ভাণ্ডাৰৰ যোগেদি অতুলনীয় অৱদান আগবঢ়াইছে। ধ্বনিতত্ত্ব দৃষ্টিৰে সংস্কৃতত দন্ত্য আৰু মূৰ্দ্ধন্যন ধ্বনিৰ মাজত পাৰ্থক্য আছে। কিন্তু অসমীয়াত সংস্কৃতৰ দৰে দন্ত্য- মূৰ্দ্ধনা ধ্বনিৰ পাৰ্থক্য নাই। এই দুয়োবিধ ধ্বনিৰ সলনি অসমীয়াত দন্তমূলীয়া ধ্বনিহে শুনা যায়। সংস্কৃতৰ তালবা ধ্বনিও সেইদৰে অসমীয়া ভাষাত দন্তমূলীয় ধ্বনিত পৰিণত হৈছে। অসমীয়া মান্য ভাষাত সংস্কৃতৰ উষ্ম ধ্বনি অসংযুক্ত হ'লে স্বাভাৱিকতে 'স' ৰূপে উচ্চাৰিত হয়। অসমীয়া মান্য ভাষাৰ ধ্বনিগুণৰ এই বৈশিষ্ট্যসমূহ মূলতঃ তিব্বতবৰ্মী ভাষাৰে অৱদান বুলি ভাষা বিজ্ঞানীসকলে মত পোষণ কৰিছে।

অসমীয়া ভাষাত নিৰ্দিষ্ট কোনো বস্তু বা মানুহক বুজাবলৈ ব্যৱহাৰ কৰা প্ৰত্যয়বোৰৰ ক্ষেত্ৰত কোনো নিয়ম ৰক্ষিত হোৱা দেখা নাযায় আৰু এই প্ৰত্যয়বোৰ কিছুমান শব্দৰ পাছত যোগ দিয়া হয়। যেনে— হাতখন, চকীখন, মানুহটো, কলমটো ইত্যাদি। অসমীয়া ভাষাৰ এই বৈশিষ্ট্যটো চীন-তিব্বতীয় প্ৰভাৱযুক্ত বলি ক'ব পাৰি।

সম্বন্ধ বাচক শব্দৰ পিছত বিভিন্ন পুৰুষ অনুযায়ী বিভিন্ন প্ৰত্যয় অসমীয়া ভাষাত যোগ হয়, এই প্ৰত্যয়বোৰক পুৰুষ বাচক নিৰ্দিষ্টতা বাচক প্ৰত্যয় বোলে। যেনে— মোৰ বোপাই, তোৰ বাপেৰ, তাৰ বাপেক। পুৰুষবাচক নিৰ্দিষ্টতা বাচক প্ৰত্যয়ৰ ক্ষেত্ৰতো অষ্ট্ৰীক ভাষাৰ অন্তৰ্গত চাওতালীৰ সতে সাদৃশ্য সন্দৰ্ভত বাণীকান্ত কাকতিয়ে অসমীয়া ভাষালৈ এই প্ৰত্যয়বোৰক অষ্ট্ৰিকৰ অৱদান বুলি কৈছে। কিয়নো চাওতালী ভাষাতো 'এঙ্গ এ' মোৰ মা, 'এঙ্গ উ' তাৰ মাক।

অসমীয়া ভাষাত নয়াৰ্থক ক্ৰিয়াৰ ৰূপ গঠনৰ পদ্ধতিটোও সম্পূৰ্ণৰূপে চীন-তিব্বতীয় ভাষাৰে অৱদান। ক্ৰিয়াৰ আগত নয়াৰ্থক 'ন' যোগ হয় আৰু ধাতুটোৰ প্ৰথম স্বৰধ্বনি অনুযায়ী ন-ৰ 'অ' স্বৰধ্বনিৰ সমীভৱন হয়। যেনে— নমৰে, নামাৰে, নেমাৰে, নুশুনে। এই ক্ষেত্ৰত বড়ো, গাৰো, দেউৰী, চুতীয়া, ৰাভা, টাই, নগা আদি ভাষাৰ বৈশিষ্ট্যবোৰলৈ আঙুলিয়াব পাৰি। বড়ো-কছাৰী ভাষাত অনুজ্ঞাসূচক হ'লে নয়াৰ্থক ৰূপ হ'ল— আং, যেনে- 'আঙহা ফইচাগৈয়া', মোৰ পইচা নাই। অসমীয়া ভাষাৰ বহুবচনাত্মক প্ৰত্যয়ৰ 'বোৰ' আৰু 'বিলাক' বহু বচনৰ এই প্ৰত্যয় দুটাৰ মূল চীন-তিব্বতী জনজাতীয় ভাষাৰ বুলি ড° কাকতীদেৱে কৈছে। বিলাক শব্দ মিচিমি 'কা-ফ্লাক' (সকলো) শব্দৰ পৰা ওলোৱাটো বেছি সম্ভৱ। 'কা ফ্লাক' মিজ, মিচিমি ভাষাৰ বহু বচনৰ প্ৰত্যয়ৰ পৰা অহা। যেনে—

| বড়ো | অসমীয়া |
|---|---|
| মালসিফাৰ | মানুহবোৰ |
| বিজাবাফাৰ | কিতাপবোৰ |

| | |
|---|---|
| মগৌফৌৰ | গৰুবোৰ |

বৈয়াকৰণিক লিংগ প্ৰকৰণৰ ক্ষেত্ৰত যে বিশেষ বিশেষ শব্দৰ প্ৰয়োগ পূৰ্ব্বক অথবা বিশেষ্যৰ আগত পুৰুষ আৰু স্ত্ৰী নিৰ্দেশক শব্দৰ প্ৰয়োগ কৰি অসমীয়াত লিংগ নিৰ্ণয় কৰা প্ৰক্ৰিয়া দেখা যায়, সেইটোওঁ নিঃসন্দেহে তিব্বত বৰ্মী ভাষা সমূহৰে অৱদান। বড়ো, গাৰো, ডিমাছা, চুতীয়া, মিচিং আদিৰ সকলো ভাষাতে লিংগ নিৰ্ণয় এনেদৰে কৰা হয়। যেনে—

| | |
|---|---|
| বীমা ফাণ্ঠা | বুমা ফাণ্ঠী |
| মাউজি বুন্দা | মাউজি বন্দী— বড়ো |
| মুণ্ডক লেপেদুৰ | মিচিও পেপেদৰ— চুতীয়া |
| (মতা ছাগলী) | (মাইকী ছাগলী) |
| মেথান আল | মেথান আপি— কাৰ্বি |
| (মতা কুকুৰ) | (মাইকী কুকুৰ) |
| মাবা গোৰায় | মাজু গোৰাই— ৰাভা |
| (মতা ঘোঁৰা) | (মাইকী ঘোঁৰা) |

বড়ো, ডিমাছা আদি ভাষাত আকৌ বেলেগ বেলেগ শব্দৰ ব্যৱহাৰ কৰিও লিংগ নিৰ্ণয় কৰাৰ নীতি দেখা যায়। যেনে—

| | |
|---|---|
| হৌবা | হিনজাও— বড়ো |
| (মতা) | (মাইকী) |
| আদা | বাজৈ— বড়ো |
| (ককাই) | (বৌ) |
| আবাই | আমাই— ডিমাছা |
| (দেউতা) | (আই) |

অসমীয়া স্ত্ৰীলিংগ নিৰূপক 'ৰী' প্ৰত্যয়ক বড়ো স্ত্ৰী প্ৰত্যয়ৰ 'শ্ৰী' লগত সম্বন্ধ থকা বুলি কব পাৰি। বড়ো ভাষাত বিশেষ্যৰ পিছত 'শ্ৰী' প্ৰত্যয় যোগ কৰি স্ত্ৰীবোধক অৰ্থ প্ৰকাশ কৰা হয়। যেনে—

| | |
|---|---|
| সোনা | সোনাৰাম- চোনাশ্ৰী |
| ৰূফা | ৰূফাৰাম - ৰূফাশ্ৰী |

পুৰুষ বুজাবলৈ সাধাৰণতে 'ৰাম' শ্ৰোণ আদি যোগ কৰা হয় আৰু স্ত্ৰী বুজাবলৈ 'শ্ৰী' যোগ কৰা হয়। অসমীয়া ভাষা 'পৰ' প্ৰত্যয় প্ৰধান ভাষা যদিও ঠায়ে ঠায়ে মধ্য প্ৰত্যয়ৰ ব্যৱহাৰো দেখা যায়। অসমীয়া ভাষাত শব্দ সাধনৰ এই পদ্ধতিটো জনজাতীয় ভাষাৰ অৱদান বুলি কব পাৰি। যেনে— কিতাপ, কিতাপখন, কিতাপ কেইখন, মানুহ মানুহবোৰ, মানুহকেতবোৰ।

অসমীয়া ভাষাত পঞ্চমী বিভক্তিৰ চিন নাই। ষষ্ঠী বিভক্তিৰ চিন 'ৰ'ৰ পিছত 'পৰা' এই পৰাসৰ্গটো যোগ দি অপাদানৰ অৰ্থ প্ৰকাশ কৰা হয়। জনজাতীয় ভাষাত এই বৈশিষ্ট্যটো পোৱা যায়। এই ক্ষেত্ৰত ডিমাছা ভাষাত 'আঞ্চ' মানে ল'ৰা, 'আঞ্চনি' ল'ৰাৰ, 'আঞ্চনি প্ৰাং' ল'ৰাৰ পৰা। আকৌ বড়ো ভাষাত 'ন'- ঘৰ, ন'নি = ঘৰৰ, 'ন'নিফ্ৰাই' = ঘৰৰ পৰা। ৰাভা ভাষাত আং - মই, আং ই = মোৰ, আংই পাৰা = মোৰ পৰা।

অসমীয়া ভাষাৰ পেখম, লেহেম, লোধমা আদি শব্দৰ ম/মা অংশ, ধেপেচা, ৰঙাচৰা আদি শব্দৰ 'চা'- 'চু' অংশ বড়ো ভাষাৰ পৰা অহা। যেনে—

বড়ো— দৈয়মা = ডাঙৰ নৈ, দৈচা = সৰু নৈ।

অসমীয়া ভাষাত সচৰাচৰ বিশেষ্য শব্দটো স্ত্ৰীলিংগৰ হ'লেও বিশেষণ শব্দটো স্ত্ৰীলিংগৰ নহয়। যেনে— ভাল ল'ৰা, ভাল ছোৱালী। এই বৈশিষ্ট্যটোত জনজাতীয় তিব্বতবৰ্মী ভাষাৰে অৱদান বুলিব পাৰি। অসমীয়া বহু ক্ৰিয়াৰ মূল তিব্বতবৰ্মী আৰু আহোম ভাষাৰ পৰা অহা বুলি কব পাৰি। জেক, ব, চেপ, চেলেক, সোত, যোৰ, চোপ, গলং, গমৰেপ আদি বড়ো, গাৰো, ডিমাছাৰ পৰা অহা বুলি অনুমানৰ থল আছে। আহোম ভাষাৰ পৰা অহা কিছুমান ক্ৰিয়া হ'ল— বক্, চাপ, লেট, পম, পাং, জক, টিপ, চোহ ইত্যাদি।

বিভিন্ন জনজাতীয় শব্দ ভাণ্ডাৰো অসমীয়া ভাষাত জীণ গৈ অসমীয়া ভাষাৰ পৰিপুষ্টি সাধন কৰিলে। কিছুমান জনজাতীয় ভাষাৰ শব্দ অসমীয়া ভাষালৈ কোনো পৰিৱৰ্তন নঘটাকৈ আহিছে। যেনে— বড়ো ভাষাৰ ঃ চিফুং, দখনা, মিচিঙৰ মূৰং, আপং, আহোমৰ ঃ কাৰেং, কিংখাপ আদি। আকৌ কিছুমান শব্দ পৰিমাৰ্জিত হৈ ধ্বনি ক্ষয়, অৰ্থ ব্যয় আৰু শব্দ বা শব্দাংশৰ লগত বিভক্তি প্ৰত্যয় আদি যোগ হৈ পৰিৱৰ্তিত ৰূপত অসমীয়া ভাষাত সোমাইছে। যেনে—

বড়ো = ব্ৰহ্মপুত্ৰ < ভুল্লুম বুথুৰ।

বড়ো = ভড়ালী < ভল্লী বুঢ়ী।

খাচী = কামাখ্যা < কামা, কামাই, কোমুই, কামতে।

বড়ো = বৰদৈচিলা < বাৰ দাই + চিখলা।

এইদৰে বিচাৰ কৰি চালে দেখা যায় যে অসমীয়া ভাষাৰ শব্দ সম্ভাৰ জনজাতীয় ভাষাৰ শব্দ সম্ভাৰেৰে পুষ্ট। জনজাতীয় ভাষাৰ স্থানবাচক শব্দৰ ভিতৰত প্ৰাগজ্যোতিষপুৰ, কামৰূপ, কামাখ্যা, গোৰেশ্বৰ আদি শব্দ অষ্ট্ৰিক ভাষাৰ পৰা অহা। হাকমা, হাজো, বিহামপুৰ, দিছপুৰ আদি শব্দ বড়ো ভাষাৰ শব্দ। ত-তা-তু শেষ অংশত থকা শব্দবোৰ ড° বাণীকান্ত কাকতিদেৱৰ মতে অষ্ট্ৰিক ভাষাৰ শব্দ। যেনে- কামতা, চামতা, বকতা, চাপতগ্ৰাম, ধৰ্মতুল আদি। চাংসাৰি শব্দটোৰ মূল মন। সেইদৰে অষ্ট্ৰিক ভাষাৰ পৰা অহা ঙ আঙ, লাঙ যত নদীৰ নাম যেনে- দিবাং, দিচাং, তিলাং (ব্ৰহ্মপুত্ৰ) আদিও অসমীয়া ভাষাত সোমাইছে।

ড° কাকতিয়ে উল্লেখ কৰা মতে চেলেক, ৰেপ, আগচ, গচক, চেপ, খামবান্ধ, গবামাৰ, বিৰদি, হাফলু, হাওঁফাওঁ, লফাডাউক আদি শব্দ জনজাতীয় ভাষাৰ পৰা আহি অসমীয়া ভাষাত সোমাইছে।[৮] অসমীয়াত প্ৰচলিত বিষয়া বা উপাধি বুজোৱা কিছুমান শব্দ আৰু আহোমসকলৰ মাজত প্ৰচলিত সম্বন্ধবাচক শব্দ কিছুমান আহোম ভাষাৰ পৰা অহা। যেনে— ফুকন, চাওডাং, নিচাদেউ, এপদেউ, এমাদেউ, পুথাও, আথাও, আপুটি আদি। পুলুঙা-পুলুঙি, কেৰেং-মেৰেং, উচাট-বিচাট, ওখোৰা মখোৰা, টুলং-ভতাং, লিং লাং, গুং গাং— এনে চিত্ৰধৰ্মী আৰু বিস্তৃত ভাৱ প্ৰকাশক শব্দবোৰ আহোম ভাষাৰ অৱদান।

এইদৰে অসমীয়া ভাষালৈ জনজাতীয় ভাষাৰ পৰা অহা শব্দ সম্ভাৰৰ ফালে লক্ষ্য কৰিলে দেখা যায় যে বড়ো, চুতীয়া, মিচিং, ডিমাছা, আহোম আদি জনজাতীয় ভাষাৰ অনেক শব্দৰে অসমীয়া শব্দ সম্ভাৰ সমৃদ্ধ। অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক দিশত, ৰূপতাত্ত্বিক গাঁঠনিত আৰু শব্দ সম্ভাৰৰ বৈচিত্ৰ্যত, আনকি কোনো কোনো ক্ষেত্ৰত বাক্য বিন্যাস পদ্ধতিতো জনজাতীয় ভাষাসমূহৰ অৱদান অনস্বীকাৰ্য।

অসম বিভিন্ন জাতি-জনগোষ্ঠীৰে ভৰা এখন পূণ্যভূমি। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা বৰ্তমানলৈ বিভিন্ন সময়ত বিভিন্ন দিশৰ পৰা আহি ইয়াত বসবাস কৰি অসমীয়া হৈ পৰা লোকৰ সংস্কাৰ সংস্কৃতিয়ে অসম দেশক উজ্জলাই ৰাখিছে। অষ্ট্ৰিক, মংগোলীয়, আৰ্য আদি জনগোষ্ঠীৰ বিভিন্ন সম্প্ৰদায়ে যেনে ঃ বড়ো, কছাৰী, মেছ, ৰাভা, তিৱা বা লালুং, সোণোৱাল, দেউৰী, চুতীয়া (মিচিং), মিকিৰ (কাৰ্বি), গাৰো, হাজং, খামতি, আহোম, ব্ৰাহ্মণ, কায়স্থ, কলিতা আদি লোক অসমত বসবাস কৰি আহিছে। অসমীয়া ভাষা সংস্কৃতিত নিমজ্জিত হোৱাত এই সমূহ জনগোষ্ঠীৰ নিজস্ব কৃষ্টি-সংস্কৃতিয়ে অসমীয়া জাতিৰ সংস্কৃতিৰ ফুলনিখনত যেন ভিন্ন ৰঙৰ সমাহাৰ ঘটাইছে। পৰম্পৰাগত নিজস্ব কৃষ্টিৰে সমৃদ্ধিশালী এই বিভিন্ন জনগোষ্ঠীৰ নিজস্ব বৈশিষ্ট্য থাকিলেও সামূহিকভাৱে অসমীয়া সংস্কৃতিৰ সমলসমূহ সকলো জনগোষ্ঠীৰ মাজত দেখা যায়। সেয়ে অসমীয়া সংস্কৃতি মূলতঃ জনগোষ্ঠীয় সংস্কৃতি। খাদ্য সম্ভাৰ, সাজ-পোছাক, সংস্কাৰিক কৃত্য কৰ্মাদি সকলোতে সাদৃশ্য প্ৰতিফলিত হয়। বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ত অসমীয়া সংস্কৃতি গঢ় লৈ এক সংস্কৃতিৰ দোলেৰে বান্ধি ৰাখি এক মহাজাতি হিচাপে পথিৱীত নিজস্ব পৰিচয় দাঙি ধৰিবলৈ ই সক্ষম হৈছে।

**পাদটীকা ঃ**

১। শৰ্মা, শশী ঃ অসমৰ জনজাতীয় সমস্যা. প. ৫
২। Assamese Its Formation and Development.
৩। বুৰঞ্জী বিবেক ৰত্ন - ১৮৩৮
৪। শৰ্মা, শশী ঃ অসমৰ জনজাতীয় সমস্যা, পৃ. ৬
৫। ব্ৰহ্ম, মোহিনী মোহন ঃ বড়ো সমাজৰ ধৰ্ম আৰু পূজা পাৰ্বণ, প. ৬৪
৬। দৰং ৰাজবংশাৱলী, ১৯৭৩, পৃ. ৬৬
৭। দেউৰী, শ্ৰীৰাণা প্ৰসাদ ঃ অসমৰ দেউৰী জনজাতি, পৃ. ১৪৭
৮। মেধী, শ্ৰীপৰমেশ্বৰ ঃ অসমীয়া ভাষা গঠন, পৃ. ১৩০
(প্ৰবন্ধটো যুগুত কৰোতে বিভিন্ন গ্ৰন্থ, আলোচনীৰ সহায় লোৱা হৈছে।)






# জ্ঞান মন্দিৰ কন্যা মহাবিদ্যালয়

## (এক ৰেখাংকন— এক অৱলোকন)

**হেমন্ত কুমাৰ বৰদলৈ**



১৯৭৭ চনৰ ফেব্ৰুৱাৰী মাহৰ এটি ৰবিবাৰৰ কথা। তাৰিখৰ হিচাপত সেই দিনটো আছিল ১০ ফেব্ৰুৱাৰী, ১৯৭৭ চন।

তৎকালীন তথা ভৱিষ্যতৰ সমাজখনৰ প্ৰগতিৰ হকে এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ দুৰ্বাৰ আশা-আকাংক্ষা আৰু উদ্দীপনাৰে সমৱেত হয় গুৱাহাটী মহানগৰীৰ কিছুসংখ্যক ব্যক্তি। এইসকল বক্তিৰ মন-হৃদয়ৰ মাজত সংস্থাপিত হৈ আছিল কন্যা বিদ্যাৰ্থীসকলৰ কল্যাণ সাধিব পৰাকৈ এখন কন্যা মহাবিদ্যালয় গঢ়ি তোলাৰ এক সুন্দৰ সপোন। স্থান গুৱাহাটীৰ চানমাৰিস্থিত পূব গুৱাহাটী ছোৱালী হাইস্কুল। চানমাৰিৰ পুৰণি বিশ্ববিদ্যালয় আৱাসিক এলেকা (Old University Colony) আৰু নৱগিৰিৰ মাজত এই হাইস্কুলখন।

সভাখন বহিছিল আবেলি দুই বাজি ত্ৰিশ মিনিটৰ (২.৩০) পৰা। আনুমানিক পোন্ধৰৰ পৰা ঊনৈশ (১৫-১৯) গৰাকী আহ্বায়কৰ দ্বাৰা প্ৰচাৰিত এক ৰাজহুৱা গোহাৰিমৰ্মে অনুষ্ঠিত হয় ৰাইজৰ এই সভা। সভাখনত আহ্বায়কসকলৰ বাহিৰে উপস্থিত সমজুৱা আছিল মুঠতে একচল্লিশ (৪১)জন। এইসকলৰ স্বাক্ষৰ লোৱা হৈছিল 'ভদ্ৰলোকৰ' নাম শিতানত। অন্যদিশে সভ্যসকলৰ তালিকাখনত আছে একত্ৰিশ (৩১)গৰাকীৰ স্বাক্ষৰ।

এনেদৰে সৰ্বমুঠ বাসত্তৰ (৭২)গৰাকী সমাজহিতৈষীৰ উপস্থিতিত হোৱা এই সভাখনেই আছিল বৰ্তমানৰ গুৱাহাটী মহানগৰীত অৱস্থিত কন্যা মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ বাবে অনুষ্ঠিত সৰ্বপ্ৰথম সভা।

আহ্বায়ক অনন্ত কুমাৰ শৰ্মাদেৱৰ প্ৰস্তাৱ আৰু শুচিব্ৰতা ৰায়চৌধুৰীৰ সমৰ্থনক্ৰমে খনীন্দ্ৰ চন্দ্ৰ বৰুৱাদেৱে এই সভাত সভাপতিত্ব কৰে। মদন মোহন শইকীয়াদেৱে উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছত বিভিন্ন গৰাকী বিশিষ্ট

ব্যক্তিয়ে নিজস্ব মন্তব্য আগবঢ়ায়।

সন্মানীয় ব্যক্তিসকলৰ ভিতৰত শুচিব্ৰতা ৰায়চৌধুৰীয়ে স্ত্ৰী শিক্ষাৰ অনুষ্ঠান পতাত গুৰুত্ব প্ৰদান কৰে। ধৰ্মকান্ত মহন্ত, সতীশ চন্দ্ৰ কাকতি, অধ্যাপক পৰমেশ্বৰ শৰ্মাকে ধৰি উদ্যোক্তাসকলে মহাবিদ্যালয়খনৰ আদৰ্শ, ভূমি, স্থায়ী ভৱন, আৰ্থিক সাহায্য ইত্যাদি বিষয়ৰ ওপৰত বক্তব্য আগবঢ়ায়। সভাপতি মহোদয়ে ৰাইজৰ সহযোগিতা কামনা কৰে।

দুহিতা বা কন্যাসকলৰ বাবে এখন নতুন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ কৰা গভীৰ প্ৰয়াসৰ অন্তৰালত আছিল এক বিশেষ কাৰকৰ ক্ৰিয়া। এই কথা উপলব্ধি কৰিব পৰা যায় সেই নিৰ্দিষ্ট 'জাননী'খনৰ পৰা যিখন প্ৰকৃত অৰ্থত আছিল সদাশয় ৰাইজৰ প্ৰতি এক অমূল্য গোহাৰি। এই গোহাৰিৰ প্ৰতি সঁহাৰি জনাই উপস্থিত হৈছিলহি সেইসকল লোক।

উক্ত জাননীখনত সেইসকল মহানুভৱ আহ্বায়কে প্ৰকাশ কৰিছিল যে পূব গুৱাহাটী অৰ্থাৎ ঐতিহ্যমণ্ডিত দীঘলীপুখুৰীৰ পূব দিশত বিংশ শতিকাৰ বিয়লি পৰতো এখনি ছোৱালী মহাবিদ্যালয় স্থাপন নোহোৱাটো বৰ পৰিতাপৰ কথা।

শ্বিলঙৰ পৰা আহি দিছপুৰ পোৱা তেতিয়াৰ অস্থায়ী ৰাজধানীখনৰ প্ৰভাৱে সমাজখনলৈ আনি দিয়ে পৰিৱৰ্তিত আৰু পৰিবৰ্ধিত ৰূপ। এনেদৰে অধিক জনবহুল হৈ পৰা এই অঞ্চলটোত এশ এবুৰি সমস্যাৰ মাজত নাৰীৰ উচ্চ শিক্ষাৰ সমস্যাটো সময়োপযোগী চিন্তনীয় বিষয় হিচাপে তেওঁলোকে গভীৰভাৱে অনুভৱ কৰিছিল। এই অনুভৱৰ কথা সমাজৰ মাজত প্ৰচাৰ কৰি এক ভাবধাৰাৰূপে পূব গুৱাহাটীবাসী জনসাধাৰণৰ মাজলৈ বোৱাঁই নিয়াৰ প্ৰচেষ্টাৰ ফলশ্ৰুতিতে অনুষ্ঠিত হয় ১৯৭৭ চনৰ ২ (দুই) ফেব্ৰুৱাৰী, দেওবাৰৰ সেই ৰাজহুৱা সভাখন।

এইসকল উদ্যোক্তাৰ মহানুভৱতাৰ কথা অনুধাৱন কৰি সমাৱেশত সমৱেত হোৱাসকলৰ মাজত আছিল স্বনামধন্য ব্যক্তিৰ পৰা আৰম্ভ কৰি জনসমুদ্ৰৰ মাজত নীৰৱে বিলীন হৈ থকা তেনেই নিমাখিত শ্ৰেণীৰ ব্যক্তিলৈকে। শিক্ষা-সংস্কৃতি সাধনা ব্যৱসায়-বাণিজ্য, আইন, ৰাজনীতি আদি দিশবোৰত জড়িত হৈ থকা সাধাৰণ শ্ৰেণীৰ পৰা বিশেষ শ্ৰেণীভুক্ত ব্যক্তিসকললৈকে সকলোৰে ঐকান্তিকতাৰে সভাৰ প্ৰমূল্য উপলব্ধি কৰাৰ চেষ্টাত মগ্ন হৈছিল। সকলোৰে মনত এটাই কথা— কন্যাসকলৰ বাবে এখনি মহাবিদ্যালয় খোলা।

অনুক্ৰমত গঠিত হয় এখন পৰিচালনা সমিতি। মহান কাৰ্য সততে আগুৱাই নিয়াৰ উদ্দেশ্যে গঠিত এই প্ৰথমখন পৰিচালনা সমিতিত থকা লোকসকল হ'ল ক্ৰমে—

সভাপতি— খনীন্দ্ৰ চন্দ্ৰ বৰুৱা

উপ-সভাপতি— কালী নাথ শৰ্মা
মহেন্দ্ৰ গোহাঞি
অশ্বিনী বৰকাকতি
ইন্দিৰা মিৰি

সম্পাদিকা— শুচিব্ৰতা ৰায়চৌধুৰী

সহ-সম্পাদক— অনন্ত কুমাৰ শৰ্মা

যুটীয়া সম্পাদক— মদন মোহন শইকীয়া
অচ্যুতানন্দ শৰ্মা
ভাৰত চন্দ্ৰ দাস

ধন ভৰালী— সতীশ চন্দ্ৰ কাকতি

সভ্য— নৰেন্দ্ৰ নাথ শৰ্মা
পৰমেশ্বৰ শৰ্মা
ৰাধানাথ বৰা
অমৰেন্দ্ৰ নাথ পাঠক

প্ৰথমখন সভাতে বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ তথা সিদ্ধান্ত গ্ৰহণ কৰা হয়। উদাহৰণস্বৰূপে মহাবিদ্যালয়খনৰ নাম দিয়া হৈছিল 'নাৰী মহাবিদ্যালয়, গুৱাহাটী'। ইয়াত প্ৰৱৰ্তন কৰিবলগীয়া বিষয়সমূহ হ'ল— ইংৰাজী, অসমীয়া, শিক্ষা, ৰাজনীতি, অৰ্থবিজ্ঞান, বুৰঞ্জী আৰু গাৰ্হস্থ্য বিজ্ঞান। প্ৰাক্‌বিশ্ববিদ্যালয় (P.U.) শ্ৰেণীৰে আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা এই মহাবিদ্যালয়ৰ পাঠদান কাৰ্য চলোৱাৰ উদ্দেশ্যে বিভিন্ন শিক্ষা তথা চৰকাৰী-বেচৰকাৰী অনুষ্ঠানৰ লগত যোগাযোগৰ সিদ্ধান্ত লোৱা হয় শ্ৰেণী কক্ষৰ সন্ধানত।

ইয়াৰ পাছৰে পৰা ধাৰাবাহিৰকভাৱে পৰিচালনা সমিতিৰ সভা অনুষ্ঠিত হৈ থাকে। প্ৰাসংগিকভাৱে তদৰ্থ সমিতিসমূহ গঠন কৰা হয়। এই সমিতিসমূহে নিজ নিজ দায়িত্ব সুচাৰুৰূপে পালনৰ বাবে দৃঢ় প্ৰচেষ্টা কৰি গৈছিল।

চৰকাৰী পক্ষৰ সৈতে যোগাযোগ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৈতে যোগাযোগ ইত্যাদিৰ লগতে নিজা ভূমি, গৃহ, অৰ্থসাহায্য লাভৰ ব্যৱস্থাপনাত নিয়োজিত হৈছিল বিভিন্নগৰাকী বিশেষ ব্যক্তিৰ অন্তৰ্ভুক্তিৰে গঠিত সঁজাতী দল।

লটাৰী খেল, কথাছবি আদি আহ্বান কৰি অৰ্থ সংগ্ৰহ কৰাৰ যত্ন কৰা হৈছিল। এইসমূহ কাৰ্য পুৰামাত্ৰাই ফলৱতী নহ'লেও এক মহান প্ৰচেষ্টাৰ অংশৰূপে আজিও স্মৰণযোগ্য হৈ ৰৈছে।

১২/৭/৭৭ তাৰিখৰ পৰিচালনা সমিতিৰ দ্বিতীয় সভাত মহাবিদ্যালয়খনৰ পূৰ্বৰ নামৰ পৰিৱৰ্তে 'কন্যা মহাবিদ্যালয়, গুৱাহাটী' ৰখা হয়। এই নামটো ভগগিৰি ৰায়চৌধুৰী দেৱৰ আহ্বানত প্ৰদান কৰা হৈছিল।

অধ্যক্ষ নিয়োগৰ ক্ষেত্ৰত মাননীয় ইন্দিৰা মিৰি, আনন্দেশ্বৰ




শৰ্মা আদিৰ দৰে বিভিন্নগৰাকী ব্যক্তি।

৬/১১/৭৭ৰ কাৰ্যনিৰ্বাহকৰ সভাত খৰ্গেশ্বৰ শৰ্মাদেৱৰ চানমাৰিস্থিত দুমহলীয়া ঘৰটো মাহিলি ৫৫০ টকা হাৰত ভাৰা লোৱা সিদ্ধান্তটো ১৫/১১/৭৭ তাৰিখৰ পৰা কাৰ্যকৰী কৰা হয়। আগদিনা এই বিষয়ে Assam Tribuneত বিজ্ঞাপন প্ৰকাশ কৰা হয়। শ্ৰেণীসমূহৰ সময় সলনি কৰা হয়।

এনেদৰে অধ্যক্ষ ইন্দিৰা মিৰি মহোদয়া আৰু শুচিব্ৰতা ৰায়চৌধুৰী মহোদয়াৰ বাসগৃহৰ পৰা আৰম্ভ হোৱা জ্ঞান মন্দিৰখনৰ যাত্ৰা এক আলোকৰ যাত্ৰালৈ পৰ্যবসিত হ'বলৈ ধৰে। মহাবিদ্যালয়ৰ মহাপ্ৰাণ কৰ্মকৰ্তাসকলৰ অক্লান্ত প্ৰচেষ্টাৰ অন্তত এইখন কন্যা মহাবিদ্যালয়ে কায়িকৰূপত নিজৰ পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হয়।

শৰ্মা আৰু তাৰিণীকান্ত ভট্টাচাৰ্যৰ ভিতৰত ইন্দিৰা মিৰি মহোদয়াক উক্ত পদত অধিষ্ঠিত কৰা হয়। মহাবিদ্যালয়খনে চৰকাৰী অনুমতি নোপোৱা পৰ্যন্ত 'প্ৰাইভেট কোচিং চেণ্টাৰ'ৰ স্তৰত থকালৈকে ইন্দিৰা মিৰি মহোদয়াই অধ্যক্ষ পদত থকাৰ মত প্ৰকাশ কৰে।

কাৰ্যালয়, শ্ৰেণীকক্ষ, শিক্ষক চ'ৰা ইত্যাদি ইত্যাদিৰে মহাবিদ্যালয়খনৰ অস্তিত্ব প্ৰকাশ কৰাৰ বাবে অপৰিহাৰ্য আংগিকতাখিনি লাভ কৰাৰ প্ৰচেষ্টাত উদ্যোক্তাসকলে বহু অনুষ্ঠানৰ ওচৰ চাপি বাৰে বাৰে ব্যৰ্থ হয়। পূব গুৱাহাটী ছোৱালী হাইস্কুল, অসম একাডেমী, জে. বি. আইন মহাবিদ্যালয়, শিলপুখুৰীৰ পঞ্চৰতী, নৱগ্ৰহ হাইস্কুল, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়, চানমাৰিৰ পৰিত্যক্ত চৰকাৰী বাসভৱন ইত্যাদি অনুষ্ঠানৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰাৰ উদ্দেশ্য আছিল ৰাতিপুৱাৰ ভাগত কন্যা মহাবিদ্যালয়ৰ ছাত্ৰীসকলক পাঠদান কৰিব পৰাকৈ অস্থায়ীভাৱে (Temporarily) এটি কক্ষ লাভ কৰা।

শেহান্তৰত কৰ্মকৰ্তাসকলে সম্পাদিকা মহোদয়াৰ বাসভৱনতে মহাবিদ্যালয়ৰ অস্থায়ী কাৰ্যালয় পাতি ছাত্ৰীৰ নামভৰ্তি আৰু আনুষংগিক কাৰ্যসমূহ চলাই নিয়াৰ ব্যৱস্থা হাতত লয়। আনহাতে অধ্যক্ষ মহোদয়াৰ শিলপুখুৰীৰ গৃহত পাঠদান সম্পন্ন কৰা হয়। ইতিপূৰ্বে (১৭/৭/৭৭) পৰিচালনা সমিতিয়ে গঠন কৰা তদৰ্থ সমিতিয়ে Lecturer আৰু Tutor— এই দুই ধৰণে শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিছিল।

একাংশ উদ্যোক্তাও শিক্ষা প্ৰদানত ব্ৰতী হয়। এইসকল মান্যবৰৰ ভিতৰত আছিল ভগগিৰি ৰায়চৌধুৰী, ইন্দিৰা মিৰি, অনন্ত কুমাৰ শৰ্মা, ভাৰত চন্দ্ৰ দাস, অচ্যুতানন্দ শৰ্মা, পৰমেশ্বৰ

ভাৰাঘৰ হ'লেও নাম ফলক (Sing Board)খনৰ দ্বাৰা মহাবিদ্যালয়খন পোনতে গুৱাহাটী বাসীৰ মাজত পৰিচিত হয় আৰু ক্ৰমে ক্ৰমে এই পৰিচিতি অসমৰ চুকে-কোণে বাস কৰা শিক্ষানুৰাগী অজস্ৰজনৰ মাজলৈ সম্প্ৰসাৰিত হয়।

এই সময়তে অসমৰ চহা সমাজখনৰ মাজত 'কন্যা কুমাৰী মহাবিদ্যালয়' নামটোৱেহে সমান্তৰালভাৱেএই মহাবিদ্যালয়খন আপোন হৈ পৰে। এই নামটো চহা সমাজত এতিয়াও পৰিচিত।

গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ মুখামুখিকৈ থকা সেই ভাৰাঘৰটোৰ অস্তিত্ব এতিয়াও বৰ্তি আছে। এনে লাগে যেন ১৯৭৭ চনৰ সেই দিনটোৰ পৰা নবৈ দশকৰ আৰম্ভলৈকে তাতে বৈ বৈ নিজৰ পৰিচয় দাঙি ধৰিছিল জ্ঞান মন্দিৰ কন্যা মহাবিদ্যালয়খনে। তেতিয়াৰ দিনবোৰত এনেকৈয়ে ৰোপণ কৰা অমৃত বৃক্ষৰ পুলিসদৃশ প্ৰতিচ্ছবিখনে সময়ৰ সোঁতত সজল-সমৃদ্ধ ৰূপ লাভ কৰিবলৈ ধৰে। ইতিমধ্যে ১৯৭৮ৰ পৰা B.A. শ্ৰেণীৰ পাঠদানো আৰম্ভ কৰা হৈছিল।

১৯৮১ চনত চৰকাৰী পক্ষৰ দ্বাৰা মহাবিদ্যালয়ৰ নথি-পত্ৰসমূহ নিৰীক্ষণ কৰি মাহে এহেজাৰ (১০০০) টকা আৰ্থিক সাহায্য হিচপে প্ৰদান কৰে। এই চনতে মাননীয় খৰ্গেশ্বৰ শৰ্মা আৰু চৈয়দ ছামচুল হুদাক পৰিচালনা সমিতিত অন্তৰ্ভুক্ত কৰে। এইদৰে নতুনৰ সংযোজন ঘটি থাকে— উদ্যোক্তা, শিক্ষক-কৰ্মচাৰী আদি সকলোৰে ক্ষেত্ৰত District Yazetter কাৰ্যালয়ৰ কেইখনমান ডেস্ক-বেঞ্চ কিছুদিনৰ বাবে ব্যৱহাৰ কৰিবলৈ অনুমতি পোৱা হৈছিল। ইয়াৰ পূৰ্বে উক্ত কাৰ্যালয়টো এইটো গৃহতে ভাৰাত আছিল।

১৯৯২ চনত নিজা ভূমিত স্থাপন কৰা ভৱনত থিতাপি লয় কন্যা মহাবিদ্যালয়খনে। এক নতুন আশাৰ ৰেঙনিৰে নতুন গতি লোৱাৰ কিছুদিনৰ পাছতে সলনি হয় অধ্যক্ষ আৰু সলনি হয় বহুগৰাকী শিক্ষক-কৰ্মচাৰী।

মহাবিদ্যালয়খনে ইতিমেধ্য চৰকাৰৰ তৰফৰ পৰা মাহে লাভ কৰা এহেজাৰ টকা আৰু প্ৰথমগৰাকী পৰিচালনা সমিতিৰ দাতা সদস্য মাননীয় নৱ কুমাৰ শৰ্মাদেৱে প্ৰদান কৰা ত্ৰিশ হেজাৰ (৩০,০০০) টকাৰ দৰে মহাবিদ্যালয়খনে লাভ কৰা আৰ্থিক সাহায্যই যথেষ্ট সকাহ দিছিল। কিন্তু ইয়াত নিযুক্ত হৈ থকা অধ্যক্ষকে ধৰি শিক্ষক-কৰ্মচাৰীসকলৰ বাবে নিয়মিত পাৰিতোষিক দিব পৰাকৈ টনকিয়াল ধনৰ পুঁজি নাছিল। তথাপি স্বেচ্ছাৰে নিয়মিত বেতন অবিহনে নিজ নিজ সেৱা আগবঢ়াই গৈছিল এইসকল লোকে।

১৯৮৭ চনত মহাবিদ্যালয় কৰ্তৃপক্ষৰ হৈ ভূমি সম্বন্ধীয় নথিত স্বাক্ষৰ কৰিছিল তদানীন্তন অধ্যক্ষ তথা সম্পাদক অনন্ত কুমাৰ শৰ্মাদেৱে। চৈধ্য বছৰ ছয়মাহ একেৰাহে মহাবিদ্যালয়খনৰ অগ্ৰগতিত বিশেষ অৰিহণা যোগোৱা এইগৰাকী প্ৰগাঢ় কৰ্মপটু ব্যক্তিৰ হাতত মহাবিদ্যালয়খনে লাভ কৰে শৃংখলাবদ্ধ আৰু কৰ্মোদীপ্ত এক প্ৰাঞ্জল ৰূপ। ভূমি আৰু গৃহ লাভ কৰাৰ পৰৱৰ্তী কালত এইগৰাকী অধ্যক্ষই কৰ্মৰ পৰা অব্যাহতি লয়। ইয়াৰ পাছত অৰ্থনীতি বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা মাননীয়া গীতা শৰ্মা বাইদেউ অধ্যক্ষ হিচাপে নিয়োজিত হয়। মাননীয় প্ৰফুল্ল মহন্তদেৱৰ প্ৰথমখন চৰকাৰৰ কাৰ্যকালত লাভ কৰা মহাবিদ্যালয়ৰ ভূমি খণ্ড গীতানগৰৰ পাহাৰৰ ওপৰত অৱস্থিত হোৱাহেতুকে তলৰ মূল ৰাজপথৰ সৈতে সংযোগ কৰিবলৈ বুলড'জাৰৰ সহায়ত মাটি কাটি পুৰণি আলিটো বহল কৰা হয় আৰু লগতে পিডব্লিউডিৰ অধীনলৈ অনা হয়। এই কাৰ্য সততে তদাৰক কৰাৰ দায়িত্বত আছিল ক্ৰমে ধনঞ্জয় গায়ন, অতুল ডেকা আৰু বৈদ্যনাথ তালুকদাৰ মহোদয়ত্ৰয়।

পৰৱৰ্তী হিতেশ্বৰ শইকীয়া দেৱৰ চৰকাৰৰ দিনত মহাবিদ্যালয়খনে এক লাখ টকাৰ অনুদান লাভ কৰে। শইকীয়াদেৱে এই সময়তে মহাবিদ্যালয় চৌহদত অনুষ্ঠিত এখন ৰাজহুৱা সভাতো যোগদান কৰিছিল। এই এক লাখ টকাৰে এটা অসম আৰ্হিৰ ঘৰ সজাৰ ব্যৱস্থা কৰা হয়। এই কাৰ্য চলি থকাৰ সময়ছোৱাত এজাক প্ৰচণ্ড ধুমুহা বৰষুণত আগৰ মহাবিদ্যালয় ভৱনটো ভাঙি যায়। তেতিয়া অৰ্ধনিৰ্মিত নতুন ভৱনটোতে তৰ্জাৰ বেৰ দি ছাত্ৰীসকলক পাঠদান কৰাৰ ব্যৱস্থা কৰা হয়। কিন্তু পাহাৰৰ শীৰ্ষত অৱস্থিত এই গৃহত ছাত্ৰীসকলৰ উপস্থিতি ক্ৰমে ক্ৰমে হ্ৰাস পাই আহিবলৈ ধৰে। যাতায়াত কষ্টকৰ হোৱাটো আছিল এই অৱস্থাৰ অন্যতম মূল কাৰণ। পাহাৰীয়া ৰাস্তাটোৰ ওপৰৰ পৰা মাটি খহি পৰিছিল বহুবাৰ। নতুন শিক্ষাবৰ্ষত নামভৰ্তিৰ হাৰ একেবাৰে নিম্নগামী হয়। আনহাতে কিছুসংখ্যক শিক্ষক-শিক্ষয়িত্ৰীৰ ক্ষেত্ৰতো উপস্থিতিৰ হাৰ কমি আহিছিল। বিজুলী সংযোগ নথকা নিৰ্জনপ্ৰায় পৰিৱেশটোৱে আৰ্থিক অনাটনত ভোগা মহাবিদ্যালয়খনৰ প্ৰগতিত বাধাৰ হেঙাৰ হৈ থিয় দিছিল। তথাপি থমকি ৰোৱা নাছিল মহাবিদ্যালয়ৰ কাণ্ডাৰীসকল। তেতিয়াৰ পৰিচালনা সমিতিৰ সভাপতি মাননীয় ড° হৰেন দাস আৰু সম্পাদিকা তথা অধ্যক্ষা গীতা শৰ্মা মহোদয়াই লিখিতভাৱে শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ কৰ্তৃপক্ষৰ ওচৰত অস্থায়ীভাৱে দুই কঠা মাটি বিচাৰি আবেদন জনাইছিল। উদ্দেশ্য আছিল সেই মাটিত টিনৰ চালি সাজি, তাতে ছাত্ৰীসকলক পাঠদান কৰা। এয়া আছিল ১৯৯৬ চনৰ কথা। এই প্ৰচেষ্টা ফলৱতী নোহোৱাকৈয়ে প্ৰায় এটা বছৰ পাৰ হয়। ইতিমধ্যে পৰিচালনা সমিতিখনো সলনি হয়, অসমৰ চৰকাৰ সলনি হোৱাৰ লগে লগে। ১৯৯৭ চনৰ জুলাই মাহত পৰিচালনা সমিতিৰ সভাপতি তথা তদানীন্তন পৌৰ প্ৰশাসন মন্ত্ৰী বিৰাজ কুমাৰ শৰ্মাদেৱে পৰিচালনা সমিতিৰ এক প্ৰস্তাৱৰ ভিত্তিত গীতানগৰ হাইস্কুলৰ পৰিচালনা সমিতিৰ সভাপতি গৰাকীক মহাবিদ্যালয়খনৰ বাবে এটা কোঠা নামভৰ্তিকৰণ কাৰ্য চলাবৰ বাবে প্ৰদান কৰিববলৈ আহ্বান জনায়। এনেদৰেই মহাবিদ্যালয়খনে হাইস্কুলৰ প্ৰধান শিক্ষকৰ কাৰ্যালয়টোৰ আধা অংশত নিজৰ কাৰ্যালয় পতাৰ অনুমতি লাভ কৰে। ইয়াৰ পাছত হাইস্কুলৰ পুৰণা ভৱনটোত পাঠদান কাৰ্য চলাই নিয়াৰ ব্যৱস্থা কৰা হয়। ২০০১ চনত পুনৰ নতুন চৰকাৰ অহাৰ সময়ত উক্ত সুবিধা কৰ্তন কৰে হাইস্কুল কৰ্তৃপক্ষই। মহাবিদ্যালয়ৰ পাঠদান আৰু অন্যান্য কাৰ্য চলাই নিবৰ বাবে পাহাৰৰ ওপৰৰ নিজা গৃহলৈ যাব লগা হয়। পূৰ্বৰ সমস্যাবোৰ পুনৰ হেঁচা দি ধৰে মহাবিদ্যালয়খনক। উপায় হিচাপে গীতা নগৰৰ শংকৰ পথৰ এটি ভাৰাঘৰত মহাবিদ্যালয়ৰ কাৰ্যসমূহ চলাই নিয়া হয়।এবছৰ পাৰ হোৱাৰ পাছত ঘৰ ভাৰা দিবলৈকে অৰ্থৰ অভাৱ হয়।তেতিয়া পুনৰ পাহাৰৰ ওপৰৰ নিজৰ গৃহলৈ ঘূৰি যাব লগা হয়।এইবাৰৰ ওভতনি যাত্ৰাৰ পৰৱৰ্তী সময়ছোৱাত আৰু কিছুমান নতুন সমস্যাই গা কৰি উঠে। বহুকেইজন শিক্ষক-কৰ্মচাৰীয়ে মহাবিদ্যালয়লৈ আহিবলৈ প্ৰায় এৰি দিয়াৰ দৰে হয়। অধ্যক্ষ মহোদয়ায়ো ব্যক্তিগত কাৰণত ছুটীত থাকিবলগীয়া হয় মাজে-সময়ে। এনে পৰিস্থিতিত চিন্তিত হৈ পৰে সক্ৰিয় হৈ থকা শিক্ষক-কৰ্মচাৰী আৰু অল্পসংখ্যক হৈ পৰা হিতাকাংক্ষী-সমাজখন। এই অৱস্থাৰ পৰা পৰিত্ৰাণ বিচাৰি আলোচনাত বহে শিক্ষক-কৰ্মচাৰীসকল। প্ৰকৃত অৰ্থত এই আলোচনা-পৰ্যালোচনাই

মহাবিদ্যালয়খনক প্ৰদান কৰি যায়এক সুন্দৰ পথৰ সন্ধান। ইয়াৰ পাছত এখন দুখনকৈ চাৰি-পাঁচখন এনে বৈঠক বহে। একতাৰ দোলেৰে সংযুক্ত হয় এইশকল কৰ্মকৰ্তা। তেতিয়াৰ শিক্ষক সমাজৰ মাজৰ সন্মানীয় চন্দন শৰ্মা, জিণ্টু মণি লেখাৰু, মৰমী চৌধুৰী, দোপাতী চৌধুৰী, জ্যেষ্ঠ প্ৰবক্তা ক্ৰমে অঞ্জলী বৈশ্য, মঞ্জু শইকীয়া, ৰেখামণি কলিতা, ৰীণাৰাণী বৰদলৈ, নকুল চন্দ্ৰ দাসকে ধৰি কৰ্মচাৰীসকলৰ মাজৰ দীন বৰ্মন, উপেন মজুমদাৰ, পুণ্যদা দেৱী, দুৰ্গা শৰ্মা, হেমন্ত কুমাৰ বৰদলৈ, দিবাকৰ বৰ্মন ইত্যাদিসকল উক্ত প্ৰচেষ্টাত নিবিড়ভাৱে জড়িত হৈ পৰে। এইসকলৰ আহ্বানমৰ্মে তেতিয়াৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা সন্মানীয় ৰীণাৰাণী বৰদলৈয়ে এই প্ৰচেষ্টাৰ গুৰি বঠাপাত হাতত লয়।

ইতিপূৰ্বে অনুষ্ঠিত হৈ যোৱা বৈঠককেইখনৰ দ্বাৰা কৰ্মকৰ্তাসকলে বুজি উঠিছিল যে মহাবিদ্যালয়খনক বৰ্তাই ৰাখি আগুৱাই নিয়াৰ এটাই মাথোঁ পথ খোলা আছে, সেয়া হ'ল স্থানীয় ৰাইজৰ সহায়-সহযোগিতা। এই সময়ছোৱাত মহাবিদ্যালয়ৰ অভিভাৱকস্বৰূপ 'পৰিচালনা সমিতি'খনো নাছিল।

নেতৃত্বত থকা সন্মানীয় ৰীণাৰাণী বৰদলৈয়ে সহকৰ্মীসকলক লগত লৈ পোনতে স্থানীয় 'বিষ্ণুজ্যোতি কলাকেন্দ্ৰ' আৰু গীতানগৰ হাইস্কুলৰ কৰ্মকৰ্তাসকলৰ ওচৰ চাপে, পূৰ্বৰে পৰা এক সৌহাৰ্দ্যপূৰ্ণ পৰিচয় থকা কলাকেন্দ্ৰৰ বহুকেইগৰাকী নেতৃস্থানীয় ব্যক্তিয়ে মহাবিদ্যালয়খনৰ বাবে সম্পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি কথা দিয়ে, নেতৃগৰাকীক। মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলে অতদিনে মৰ্মে মৰ্মে উপলব্ধি কৰি অহা মাতৃ স্নেহস্বৰূপ স্থানীয় সমাজখনৰ স্নেহৰ শীতলী পৰশ লাভ কৰাৰ এই মুহূৰ্তটো আছিল অপূৰ্ব। ইয়াৰ প্ৰথম চিনস্বৰূপে মহাবিদ্যালয়ৰ 'শিক্ষক-কৰ্মচাৰী গোট'ৰ দ্বাৰা আয়োজিত প্ৰথমখন সাধাৰণ সভা অনুষ্ঠিত হয় বিষ্ণু-জ্যোতি কলাকেন্দ্ৰ'ৰ কুঞ্জলাল দাস' সভাগৃহত। তাৰিখ ৭/৯/২০০৩।

আনফালে গীতানগৰ হাইস্কুল কৰ্তৃপক্ষই ক্ষিপ্ৰগতিৰে কাৰ্যব্যৱস্থা হাতত লৈ প্ৰদান কৰে নিজৰ পুৰণি অসম আৰ্হিৰ ভৱনটো।অস্থায়ীভাৱে প্ৰদান কৰা এই ভৱন ব্যৱহাৰৰ উপযোগী কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ লগতে গীতানগৰৰ বহুকেইগৰাকী সমাজহিতৈষী লোকে আৰ্থিক তথা অন্যান্য ৰূপত সহায় আগবঢ়াইছিল। এই ভৱনটোতে ১৬/৯/২০০৩ তাৰিখে উদ্‌যাপন কৰা হয় মহাবিদ্যালয়ৰ ২৬ সংখ্যক প্ৰতিষ্ঠা দিৱস। ইয়াৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা হয় এখন সাধাৰণ সভা।

এনে দিনবোৰৰ মাজতে উচ্চ শিক্ষা সঞ্চালকালয়ৰ তৰফৰ পৰা সন্মানীয় উপ-সঞ্চালক গুণ হাজৰিকা মহোদয় উপস্থিত হয়হি আকস্মিক পৰিদৰ্শনৰ উদ্দেশ্যে। উচ্চপদস্থ শিক্ষা বিষয়াগৰাকীৰ এই আকস্মিক পৰিদৰ্শনে মাৰ্গ প্ৰদান কৰি থৈ যায় মহাবিদ্যালয়খনৰ ভৱিষ্যৎ জীৱন পৰিক্ৰমাৰ বাবে। ২৮/৯/২০০৩ তাৰিখে গীতানগৰ হাইস্কুল প্ৰাংগণত অনুষ্ঠিত ৰাজহুৱা সভাখন মহাবিদ্যালয়খনৰ জীৱনচক্ৰৰ এক দিক্‌নিৰ্ণায়ক উদ্বেলিকা শক্তি।

এই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ মাধ্যমেৰে জ্যেষ্ঠ প্ৰবক্তা সন্মানীয় ৰীণাৰাণী বৰদলৈয়ে ছাব্বিছ বছৰীয়া তেতিয়াৰ মহাবিদ্যালয়খনে ৰাইজৰ পৰা আঁতৰি থকাটোৱেই প্ৰগতিৰ মুখ নেদেখাৰ মূল কাৰণ বুলি ব্যক্ত কৰাৰ লগতে উপস্থিত ৰাইজক এটি সুব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। এই সভাৰ সভাপতি আছিল মাননীয় নগেন্দ্ৰ কুমাৰ চমুৱাদেৱ। কাৰ্যবিৱৰণী লেখক আছিল জ্যেষ্ঠ প্ৰবক্তা সন্মানীয় নকুল চন্দ্ৰ দাস। মহাবিদ্যালয়ৰ অতীত আৰু বৰ্তমান সামৰি প্ৰতিবেদন পাঠ কৰিছিল এইগৰাকী জ্যেষ্ঠ প্ৰবক্তাই। এই সভাতে গঠিত হৈছিল মহাবিদ্যালয়ৰ বাবে 'উপদেষ্টা আৰু উন্নয়ন সমিতি।' শিক্ষাবিষয়া গুণ হাজৰিকাদেৱে আগবঢ়োৱা পৰামৰ্শসমূহপালন কৰিবলৈ প্ৰস্তাৱ লোৱা হয় এই সভাতে। এই সভাত উপস্থিত থকা মুঠ ৩৩জন ব্যক্তিৰ মাজত হৃদয়চন্দ্ৰ ডেকা, অখিল ডেকা, নাৰায়ণ চন্দ্ৰ গোস্বামী, বৈদ্যনাথ তালুকদাৰ, দিলীপ কলিতা, ৰমণীকান্ত শৰ্মা, লাচিত ডেকা, লাচিত দাস আৰু দিগন্ত কলিতাদেৱে বক্তব্য আগবঢ়াইছিল। এই সভা আবেলি তিনি বজাৰ পৰা হৈছিল। বহু লোক সমৱেত হোৱা নাছিল যদিও ইয়াৰ আগৰ বিভিন্ন সভাত সমাজৰ ফালৰ পৰা এই বাক্য দিয়া হৈছিল যে সোঁশৰীৰে সভাসমূহত উপস্থিত থাকিব নোৱাৰিলেও এইখন সমাজৰ সম্পূৰ্ণ সমৰ্থন থাকিব মহাবিদ্যালয়খনৰ প্ৰতিটো শুভ কাৰ্যতে। গতিকে এনে এখন শুভাকাংক্ষী সমাজৰ দ্বাৰা সমাদৃত কন্যা মহাবিদ্যালয়খনে দৃঢ়তাৰে খোজ দিয়ে আগলৈ।

২০০৩ চনৰ পৰা ২০০৪ চনৰ আগভাগলৈ হোৱা বিভিন্ন সভাৰ ফলশ্ৰুতি মহাবিদ্যালয়খনে লাভ কৰে পৰিচালনা সমিতিখন। প্ৰায় পাঁচ বছৰৰ অন্তৰালত এই সমিতিখন গঠন হয়। সভাপতি হিচাপে ৰাইজে আহ্বান কৰি অনা মাননীয়া মৃদুলা চহৰীয়া। বাইদেউকে D.H.E.ৰ তৰফৰ পৰা নিযুক্ত কৰে।

ইয়াৰ পাছৰে পৰা নতুন অধ্যক্ষগৰাকীয়ে সহকৰ্মীসকলক লগত লৈ মহাবিদ্যালয়খনৰ উন্নয়নৰ বাবে প্ৰয়োজনীয় সকলো কাৰ্য নিয়াৰিকৈ পালন কৰি যায়। এইদৰে এক সন্মিলিত প্ৰচেষ্টাৰ ফলস্বৰূপে ২০১৩ চনৰ এক জানুৱাৰীত প্ৰাদেশীকৃত হ'বলৈ সমৰ্থ হয়— অজস্ৰজনৰ স্বপ্নৰ ফুলনিসদৃশ জ্ঞান মন্দিৰ কন্যা মহাবিদ্যালয়খন। যেন উজলি উঠে জক-মকৈ ফুলি উঠা মনোৰম ফুলেৰে।

যিসকল শুভাকাংক্ষী প্ৰতিষ্ঠাপক আৰু হিতাকাংক্ষীৰ অৰিহণাৰে এই পৱিত্ৰ জ্ঞান মন্দিৰটো জনমানসত নতুনকৈ উজলি উঠিবলৈ সক্ষম হয়— সেইসকলৰ অনেকেই ইতিপূৰ্বে এই মাটিৰ পৃথিৱী এৰি স্বৰ্গগামী হৈছিল। এক নতুন যুগৰ সন্ধিক্ষণত থৌকি-বাথৌ হোৱা মনটি এক বিষাদৰ ছায়াই স্পৰ্শ কৰিছিল— কৰ্মকৰ্তাসকলৰ। শ্ৰদ্ধা আৰু কৃতজ্ঞতাত মূৰ দোঁ খাইছিল সেইসকলৰ স্মৃতিত।

২০০৪ চনৰপৰা ২০১৩লৈ বিভিন্ন উল্লেখনীয় কাৰ্য সম্পন্ন হয়। তাৰে ভিতৰত শ্ৰীশ্ৰীদক্ষিণ পাট সত্ৰৰ পৰা লাভ কৰা হয় বৰ্তমানৰ বৈকুণ্ঠপুৰত অৱস্থিত ভূমিখণ্ড। ইয়াৰে তিনিমহলীয়া ভৱনটো চৰকাৰী ধনেৰে সেই সময়তে সজা হয়। পাহাৰৰ ওপৰৰ পুৰণা অসম আৰ্হিৰ ভৱনটো পূৰ্ণ ৰূপত সজাই তোলা হয়। লগতে তাৰে ভূমিখণ্ডত গাৰ্ডৱাল বন্ধা হয়। বছৰজুৰি অকৰ্তৃত্বশীলভাৱে কৰ্তব্যত অনুপস্থিত কেইবাগৰাকী শিক্ষক কৰ্মচাৰীক আইনী ব্যৱস্থাৰ মাজেৰে কৰ্মৰ পৰা অব্যাহতি দিয়া হয়। বিভিন্ন প্ৰচেষ্টাৰ মাজেৰে লাভ কৰা হয় B.A. Exam. Centre. বৌদ্ধিক বাতাবৰণ শক্তিশালী কৰাৰ উদ্দেশ্যে বিভিন্ন বিভাগত নিয়োগ কৰা হয় প্ৰতিভাৱান শিক্ষক-শিক্ষয়িত্ৰী। লগতে কৰ্মচাৰীও নিযুক্ত কৰা হয় এই সময়ত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ parmanent affiliation/ 2 (F)-12 (B)- NAAC-ৰ অনুশীলন। বিভিন্ন চৰকাৰী বিভাগৰ লগতে অন্য মহাবিদ্যালয়ৰ সমল ব্যক্তিসকল। কবি-সাহিত্যিক, সাংস্কৃতিক সাধকসকলক আমন্ত্ৰণ কৰি আনি তেওঁলোকৰ পৰা মাৰ্গদৰ্শন লাভৰ চেষ্টা কৰা হৈছিল। যাৰ দ্বাৰা উপকৃত হৈছিল ছাত্ৰীসকলকে ধৰি আটায়ে। K. K. Handique-ৰ centre ৰো লাভ কৰা হৈছিল। ড° অৰূপ কুমাৰ শৰ্মাদেৱৰ ৰচনা আৰু ড° অপৰ্ণা বুজৰবৰুৱাৰ দ্বাৰা সুৰ আৰোপিত ‘মহাবিদ্যালয় সংগীতো এই সময়তে লাভ কৰা হয়। দিলীপ কুমাৰ শৰ্মাদেৱৰ দ্বাৰা অংকিত ৰূপ লাভ কৰে মহাবিদ্যালয়ৰ প্ৰতীক চিহ্নই। অধ্যক্ষ মহোদয়ৰ পৰামৰ্শঅনুসৰি অধ্যাপক গুপ্তজিৎপাঠকদেৱে মহাবিদ্যালয়ৰ মুখপত্ৰ ‘প্ৰজ্ঞা’ৰ নামকৰণত মুখ্য ভূমিকা লয়। আনহাতে একে ধৰণে অধ্যক্ষ মহোদয়াৰ লগত আলোচনা কৰি মহাবিদ্যালয়ৰ প্ৰাচীৰপত্ৰিকা ‘পথিকৃৎ’খনৰ নামটো আগবঢ়াই অধ্যাপক বিনীতা গগৈ মহোদয়াই।

এইখিনি সময়তে Kanya Mahavidyalaya Students' Unionখন সক্ৰিয় ৰূপত গঢ়ি তোলা হয়। (১৯৮১ চনত এইখনৰ সাধাৰণ সম্পাদিকাৰূপে নীলিমা বৰাৰ নামটো তথ্যসম্বলিত হৈ আছে।)

২০২১ চনৰ ২৯ আগষ্টত অধ্যক্ষ ড° ৰীণাৰাণী বৰদলৈক মহোদয়াৰ অকাল বিয়োগ ঘটে। উপাধ্যক্ষা মঞ্জু শইকীয়া মহোদয়া চৰকাৰীভাৱে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ পদত নিয়োজিত হয়। ইয়াৰ পূৰ্বেও তেওঁ এইপদত কাৰ্যনিৰ্বাহ কৰিছিল অধ্যক্ষগৰাকী চিকিৎসাধীন হৈ থকাৰ সময়ছোৱাত।

ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয়া মঞ্জু শইকীয়াৰ দিনতে পুৰণি অসম আৰ্হিৰ ভৱনটোৰ পৰা তিনি মহলীয়া ভৱনটোলৈ স্থানান্তৰ কৰা হয় মহাবিদ্যালয়ৰ সমষ্ট আংগিকতাখিনি।

এইখিনি সময়তে ড° কন্দৰ্প কুমাৰ বৰ্মনদেৱৰ সভাপতিত্বত চলা পৰিচালনা সমিতিখনৰ কাৰ্যকালৰ অন্ত পৰে আৰু এগৰাকী নতুন সভাপতি নিযুক্ত হয় চৰকাৰীভাৱে।

মাননীয় ড° হোমেশ্বৰ কলিতাদেৱ অধিষ্ঠিত হয় মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতিৰূপে। ড° হোমেশ্বৰ কলিতাদেৱৰ আগমন মহাবিদ্যালয়খনৰ বাবে এক সুখদায়ক বাৰ্তাস্বৰূপ। বিভিন্ন বিষয়ৰ জ্ঞান তথা অভিজ্ঞতাৰে পুষ্ট এইগৰাকী সমাজসেৱী শিক্ষাবিদৰ সূক্ষ্মদৃষ্টিয়ে অনুধাৱন কৰি লয় মহাবিদ্যালয়খনৰ প্ৰগতিৰ বাবে অপৰিহাৰ্য কাৰ্যপন্থা। তেনেই কম সময়ৰ ভিতৰতে ক্ষিপ্ৰ কাৰ্য ব্যৱস্থা হাতত লয়, এগৰাকী স্থায়ী অধ্যক্ষ নিযুক্তি প্ৰক্ৰিয়াৰ ক্ষেত্ৰত, এই সভাপতিগৰাকীয়ে। ফলস্বৰূপে মহাবিদ্যালয়খনে লাভ কৰিবলৈ সক্ষম হয় ড° সত্যজিৎ কলিতা ছাৰৰ দৰে এগৰাকী বলিষ্ঠ নেতৃত্ব গুণ সম্পন্ন শিক্ষাসেৱী তথা প্ৰশাসকক। প্ৰতিষ্ঠা কালৰে পৰা পুঞ্জীভূত স্বপ্নসমূহ বাস্তৱায়িত কৰাৰ প্ৰচেষ্টাত অগ্ৰসৰ হয় মাননীয় অধ্যক্ষগৰাকী। কম সময়তে সলনি হয় মহাবিদ্যালয়খনৰ বাহ্যিক আৰু আভ্যন্তৰীণ ৰূপ। পৰিচালনা সমিতি, সতীৰ্থ সমাজ আৰু স্থানীয় ৰাইজৰ আৰ্থিক তথা অন্যান্য সহায়-সহযোগিতাত ৰূপহী হৈ উঠে সমগ্ৰ মহাবিদ্যালয়খন।

ড° নিৰ্মলপ্ৰভা বৰদলৈ সোঁৱৰণী মূল তোৰণখনৰ পৰা আৰম্ভ কৰি নগেন্দ্ৰ কুমাৰ চমুৱা মুকলি মঞ্চ, নগেন্দ্ৰ নাথ বুজৰবৰুৱা সোঁৱৰণী গ্ৰন্থাগাৰ, আগচোতাল, দেৱী সৰস্বতীৰ মূৰ্তি আদি বিভিন্ন আংগিকৰ সংযোজনত মহাবিদ্যালয়খনে লাভ কৰা লাৱণ্যময়ী ৰূপটোৱে সকলোৰে মন পুলকিত কৰি তোলে।

NAAC Peer Team-ৰ Visit আৰু B-Grade লাভ কৰা কাৰ্যই মহাবিদ্যালয়খনক এক নতুন মান প্ৰদান কৰে।

অধ্যক্ষ মহোদয়ৰ সবল নেতৃত্বত IQAC-ৰ coordinator সন্মানীয় গুপ্তজিৎ পাঠকৰ কৰ্মকুশলতা। Asst. Coordinator দ্বয়ৰ অনন্যা ৰয় আৰু শিখা শৰ্মাকে ধৰি প্ৰতিভাসম্পন্ন প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ লগত কৰ্মচাৰীসকলৰ একত্ৰিত প্ৰচেষ্টাত এই সাফল্য লাভ কৰা হয়।

পৰিচালনা সমিতিৰ সন্মনীয় উপদেষ্টা ড° হিতেশ ডেকা মহোদয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ সন্মানীয় প্ৰতিনিধিদ্বয় ক্ৰমে ড° পূৰ্ণ ভট্টাচাৰ্য আৰু সুশীল কুমাৰ শৰ্মাদেৱৰ দিক্‌দৰ্শন

আছিল এই কাৰ্যৰ মূল সম্বল যাৰ গুৰিতে আছিল সভাপতি ড° হোমেশ্বৰ কলিতা মহোদয়।

সাম্প্ৰতিক পৰ্যায়ত বিভিন্ন দায়িত্বত নিয়োজিত চেলসমূহ গঠন কৰি দৃঢ় পদক্ষেপেৰে মহাবিদ্যালয়খনৰ ভৱিষ্যৎ গঢ় দিয়া কাৰ্যত আত্মনিয়োগ কৰিছে মাননীয় অধ্যক্ষগৰাকীয়ে।

মহাবিদ্যালয়ৰ সাফল্যৰ মাপকাঠী হ'ল বিদ্যাৰ্থীৰ সাফল্য। মূল লক্ষ্য মানৱ সম্পদ গঢ় দিয়াটো। এই মহান কাৰ্যৰ উপলক্ষ্যৰে গঢ়ি উঠা মহাবিদ্যালয়খনৰ মূল বাণী হ'ল— 'তমোসা মা জ্যোতিৰ্গময়'। অজস্ৰগৰাকী ছাত্ৰীৰ অন্তহীন স্ৰোতে আনন্দ প্ৰদান কৰে সকলো শুভাকাংক্ষীকে।

কৰ্মজীৱনৰ লগতে সাহিত্য-কলা সাধনত অৱদান আগবঢ়োৱা প্ৰাক্তন ছাত্ৰী মাননীয়া ৰীতা চৌধুৰী প্ৰমুখ্যে এনে বহুতৰ নাম লৈ মহাবিদ্যালয়ৰ শুভাকাংক্ষীসকল আনন্দিত হয়। সুদীৰ্ঘ ছয়ত্ৰিশ (৩৬) বছৰৰ পৰিক্ৰমাৰ অন্তত মহাবিদ্যালয়খনে লাভ কৰিছিল প্ৰাদেশীকৃত পৰ্যায়। এই পৰ্যায়লাভ কৰিবলৈ সন্মুখীন হ'ব লগা হৈছিল বহুবোৰ পৰিদৰ্শন কাৰ্য। অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অসম উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদ প্ৰমুখ্যে বিভিন্ন সংস্থাৰ দ্বাৰা পৰিচালিত আছিল এই পৰিদৰ্শন কাৰ্যসমূহ। আৰ্থিক অভাৱ অনাটনৰ মাজেৰে দিন পাৰ কৰি থকা মহাবিদ্যালয়খনে এনেসমূহ পৰিদৰ্শন কাৰ্যৰ বাবে প্ৰদৰ্শন কৰিব লগা হৈছিল College Bank A/c-ত মোটা অংকৰ জমা ধনৰাশি। এই ধনৰাশি প্ৰদৰ্শনৰ বাবে একো একোগৰাকী হৃদয়ৱান ব্যক্তিয়ে বেছ কিছুদিনৰ বাবে মহাবিদ্যায়ৰ A/cত জমা দিছিল।

অন্যদিশে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ বহু বহু দায়িত্বশীল বিষয়া-কৰ্মচাৰীয়ে দিহা-পৰামৰ্শ,সহায়-সহযোগিতা আগবঢ়াই মহাবিদ্যালয়খনৰ শ্ৰীবৃদ্ধিত অৰিহণা যোগাইছিল। এনে বহু হৃদয়ৱান বিষয়া-কৰ্মচাৰী 'অসম সচিবালয়', 'উচ্চ শিক্ষা সঞ্চালকালয়', 'অসম উচ্চ মাধ্যমিক শিক্ষা পৰিষদ', 'স্কুল পৰিদৰ্শকৰ কাৰ্যালয় প্ৰভৃতি মুখ্য মুখ্য স্থানসমূহতো লাভ কৰাৰ সৌভাগ্য ঘটিছিল— মহাবিদ্যালয়খনৰ বাবে। উল্লেখযোগ্য যে নৱৈৰ দশকতে বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াও জড়িত হয় এই মহাবিদ্যালয়ৰ উন্নয়নৰ কাৰ্যত।

সাম্প্ৰতিক পৰ্যায়ত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ৰ নেতৃত্বত এচাম দায়িত্বপৰায়ণ, কৰ্মকুশলী অধ্যাপক-অধ্যাপিকা আৰু কৰ্মকৰ্তাৰ হাতত অৰ্পিত হৈছে বিভিন্ন উদ্দেশ্যত গঠিত বিভিন্ন কোষ (Cell) তথা সমিতিসমূহৰ দায়িত্ব। NSS, KMSU ছাত্ৰী একতা সভা), RUSA, Publicity cell women cell, purchase committee, construction committee,Admission/ Examination committee মুখপত্ৰ 'প্ৰজ্ঞা', প্ৰাচীৰ পত্ৰিকা, জনসংযোগ ইত্যাদি ইয়াৰে কেইটামান উদাহৰণ। শত-সহস্ৰজনৰ মৰম আৰু আকাংক্ষাৰ মহাবিদ্যালয় আগন্তুক ২০২৭ বৰ্ষত উপনীত হ'ব স্বৰ্ণজয়ন্তী বৰ্ষত।

পৰম কৰুণাময়ৰ ওচৰত এয়ে প্ৰাৰ্থনা—

স্বৰ্ণময়ী হওক,<br>
গৌৰৱোজ্জ্বল হওক<br>
মৰমৰ, আদৰৰ<br>
কন্যা মহাবিদ্যালয়খন।

**পুনশ্চ ঃ** ২০২৪ চন। বছৰৰ আৰম্ভণিৰে পৰা এক নতন প্ৰচেষ্টাই উজ্জীৱন লাভ কৰে মহাবিদ্যালয়ৰ কৰ্মকৰ্তা তথা হিতাকাংক্ষীসকলৰ মাজত। মহাবিদ্যালয়খন ধাবিত হয় অন্য এক দিক্‌পৰিৱৰ্তনৰ গতিত।

মহাবিদ্যালয়খনে কন্যা শিক্ষাৰ পৰিধিৰ সম্প্ৰসাৰণৰ লগতে সহশিক্ষাৰ ক্ষেত্ৰখনত পদাৰ্পণ কৰে।

পৰ্যায়ক্ৰমে মহাবিদ্যালয়খনৰ নামৰ ক্ষেত্ৰতো পৰিৱৰ্তনৰ প্ৰভাৱ পৰিছে। সম্প্ৰতি মহাবিদ্যালয়খনৰ প্ৰস্তাৱিত নামটো হ'ল— 'গীতা নগৰ মহাবিদ্যালয়'।

ঐতিহ্য ৰক্ষা কৰি বৰ্তমানত সাফল্য প্ৰগতিৰ পথেদি অগ্ৰসৰ হৈ লাভ কৰক সুন্দৰ আৰু জ্ঞানোপদীপ্ত ভৱিষ্যতৰ সপোন।

| | সভাপতিসকলৰ নাম | অধ্যক্ষসকলৰ নাম |
|---|---|---|
| ১। | খনীন্দ্ৰ চন্দ্ৰ বৰুৱা | ইন্দিৰা মিৰি |
| ২। | গোপাল চন্দ্ৰ শৰ্মা বৰুৱা | নৰেন্দ্ৰ নাথ শৰ্মা |
| ৩। | প্ৰভাত চন্দ্ৰ শৰ্মা | শুচিব্ৰতা ৰায়চৌধুৰী |
| ৪। | বিৰাজ কুমাৰ শৰ্মা | অনন্ত কুমাৰ শৰ্মা |
| ৫। | ড° হৰেন্দ্ৰ নাথ দাস | গীতা শৰ্মা |
| ৬। | বিৰাজ কুমাৰ শৰ্মা | ড° ৰীণা ৰাণী বৰদলৈ |
| ৭। | মৃদুলা চহৰীয়া | ড° সত্যজিৎ কলিতা |
| ৮। | ড° কন্দৰ্প কুমাৰ বৰ্মন | |
| ৯। | ড° হোমেশ্বৰ কলিতা | |

**অস্থায়ী সভাপতিসকলৰ নাম**

১। কালীনাথ শৰ্মা<br>
২। যশোদানন্দ ভৰালী<br>
৩। খগেশ্বৰ শৰ্মা<br>
৪। কুইজ ওজা

*(বিঃদ্ৰঃ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ কাৰ্য বিৱৰণীসমূহৰ (মূল) আধাৰত লিখিত।*






# সাম্প্ৰতিক পৰিস্থিতিৰ পটভূমিত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰাসঙ্গিকতা

**বিনীতা গগৈ**
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ
কন্যা মহাবিদ্যালয়, গীতানগৰ, গুৱাহাটী-৭৮১০২১

**অৱতৰণিকা ঃ**

বৈষ্ণৱ ধৰ্ম পৰম্পৰা ভাৰতবৰ্ষত বহুত প্ৰাচীন। আনুমানিক খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতিকা মানৰ পৰাই ভাৰতবৰ্ষৰ অংশ হিচাপে অসমতো বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰিলক্ষিত হৈছিল। কিন্তু চতুৰ্দশ পঞ্চদশ শতিকাত অসমত ধৰ্মত গ্লানিয়ে আগুৰি ধৰি এক অৰাজক পৰিস্থিতিৰ সৃষ্টি কৰিছিল। গীতাত উল্লেখ কৰাৰ দৰে...

‘যদা যদাহি ধৰ্ম্মস্য গ্লানি ভৱতি ভাৰত
অভূত্থানম ধৰ্ম্মস্য তদাত্মানং সৃজম্যহম।
পৰিত্ৰাণায় সাধুনাম বিনাশায়চ দুস্কৃতান
ধৰ্ম সংস্থাপনাত্থায় সম্ভৱামি যুগে যুগে।।’

অৰ্থাৎ, ‘যেতিয়া ধৰ্মত গ্লানিয়ে আৱৰি ধৰে, অধৰ্মৰ প্ৰাদুৰ্ভাৱ বাঢ়ে তেতিয়া সাধুসকলক পৰিত্ৰাণ আৰু দুস্কৃতিকাৰীসকলক অবিনাশেৰে, ধৰ্ম সংস্থাপন কৰাৰ নিমিত্তে মই যুগে যুগে অৱতাৰ গ্ৰহণ কৰো।’

ভগৱান শ্ৰীকৃষ্ণই গীতাত ব্যক্ত কৰা এই বাণী যুগে যুগে সত্য প্ৰমাণিত হৈ আহিছে। যেতিয়াই পৃথিৱীত অধৰ্ম হয়, তেতিয়াই একোজন মহাপুৰুষৰ আবিৰ্ভাৱ হোৱাটো ইতিহাসেও সাক্ষ্য দিয়ে। উদাহৰণ স্বৰূপে পৃথিৱীৰ ইতিহাসৰ পাতত যীশুখ্ৰীষ্ট, হজৰত মহম্মদ, গুৰুনানক, মহাপুৰুষ শংকৰদেৱৰ নাম সোণালী আখৰেৰে জিলিকি আছে। এওঁলোকে জনগণক অন্ধকাৰ ভেদি পোহৰৰ দিশে পথ প্ৰদৰ্শক হিচাপে ভূমিকা পালন কৰে।

**বিষয় বস্তু উপস্থাপন আৰু গুৰুত্ব ঃ**

'নৱ বৈষ্ণৱ যুগ'ৰ প্ৰৱৰ্তক শ্ৰীমন্ত শঙ্কৰদেৱৰ আবিৰ্ভাৱ হৈছিল এনে এক সন্ধি ক্ষণত, যেতিয়া সৰ্ব সাধাৰণ প্ৰজাৰ ভগৱানৰ নাম উচ্চাৰণ কৰাৰো অধিকাৰ নাছিল। চতুৰ্দশ-পঞ্চদশ শতিকাত সাধাৰণ লোকে ভগৱানৰ নাম উচ্চাৰণ কৰিলে 'জিভা কাটি' পেলোৱাৰ নিচিনা অৰাজক পৰিস্থিতিৰো উদ্ভৱ হৈছিল। আনকি শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ, কেঁচাই খাইতী থান, নেঘেৰিটিং শিৱ মন্দিৰত বলি বিধানে প্ৰাধান্য পোৱাৰ লগতে 'নৰবলি' প্ৰযন্ত হোৱাৰ কথা প্ৰবাদ আছে।

চতুৰ্দশ পঞ্চদশ শতিকাত এনে অস্তিত্বৰ ভয়াবহ সংকট ক্ষণত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে 'ভূমিৰভাৰ হৰণ'ৰ নিমিত্তে আৱিৰ্ভাৱ হয়। তেওঁৰ দ্বাৰা প্ৰচাৰিত 'নৱবৈষ্ণৱ ধৰ্ম' বা 'একশৰণ নাম ধৰ্ম' ই জীৱক পৰিত্ৰাণৰ মাৰ্গ দৰ্শন কৰালে।

'এক দেৱ এক সেৱ
এক বিনে নাই কেৱ'

মহামন্ত্ৰে, একেশ্বৰবাদী দৰ্শনেৰে 'বৰ অসম'ৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ জনাই 'বৈষ্ণৱ ধৰ্ম'ৰ 'চাৰি খুটি'- 'নাম, দেৱ, গুৰু, ভকত' এই চাৰি, মূৰ্তি স্বৰূপেৰে, যাগ-যজ্ঞ তপ-জপ, মূৰ্তি পূজাৰ অবিহনেও যে ভগৱানৰ পৰম পদ লাভ কৰাৰ দ্বাৰা 'মুক্তি'ৰ পথ প্ৰশস্ত হয়, সেই কথা স্পষ্ট কৰি গৈছে—

'হৰি ৰাম হৰি ৰামে মূল মন্ত্ৰ।
কলিত নাই তপ যজ্ঞ যন্ত্ৰ।।
(প্ৰহ্লাদ চৰিত)

সেইদৰে—

'ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।।'

নিম্ন উল্লেখিত শ্লোকটিৰ জৰিয়তে মহাপুৰুষ জনাই কেৱল একশৰণ নাম ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ মানসেৰে অথবা শ্ৰীকৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ অৰ্থেই ব্যক্ত কৰা নাই, বহু দেৱ দেৱীক পূজা অৰ্চনাৰ দ্বাৰা অৰ্থনৈতিকভাৱে দুৰ্বল হোৱা অসম আৰু অসমীয়াক অৰ্থনৈতিকভাৱে সবল কৰাৰ দিশতো অৱিহণা যোগাইছে। একবিংশ শতিকাৰ দুৱাৰ দলি অতিক্ৰম কৰা সাম্প্ৰতিক অসমীয়া সকলৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য হয়।

'অন্য দেৱী দেৱ নকৰিবা সেৱ
নাখাইবা প্ৰসাদ তাৰ।
মূৰ্ত্তিকো নাচাইবা গৃহে নপশিবা
ভক্তি হৈব ব্যভিচাৰ।।(১৩৪১)
(২য় স্কন্ধ ভাগৱত)

**নৱবৈষ্ণৱ ধৰ্মৰ প্ৰাসঙ্গিকতা ঃ**

সাম্যবাদৰ ভেটি নিৰ্মাতা শংকৰদেৱে পঞ্চদশ শতিকাৰ সমাজতে নিজৰ ভকতসকলৰ মাজত জাতি বৰ্ণ নিৰ্বিশেষে স্থান দি কৰ্মৰে প্ৰমাণ কৰি দেখুৱালে। যি আদৰ্শ সকলো সময়ৰ বাবেই প্ৰাসঙ্গিক। তেওঁ নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মিছিঙৰ পৰমানন্দ, বনিয়াৰ হৰিদাস কছাৰীৰ ৰাম, মুছলমানৰ চান্দসাইক নিজৰ ধৰ্মত দীক্ষিত কৰি সাম্য মৈত্ৰীৰ বাণী প্ৰচাৰ কৰি গৈছে। বৰ্তমান অসমত ভিন্ন জাতি জনজাতিৰ মাজত মাজে সময়ে হৈ থকা সংঘাত এনে সমন্বয়ৰ সেতু নিৰ্মাণৰ দৃষ্টান্ত অতিশয় প্ৰাসঙ্গিক।

সাম্যবাদৰ ধ্বনিৰ প্ৰতিফলন মহাপুৰুষ জনাৰ ভিন্ন প্ৰসঙ্গত বিদ্যমান। তেওঁ ভকতসকলক 'আতৈ' (সংস্কৃত আত্মন) সম্বোধন কৰিছিল। আজিৰ সাম্যবাদী ধাৰণাৰে পৰিপুষ্টসকলৰ 'কমৰেড' সম্বোধনো যেন ইয়াৰে প্ৰতিবিম্ব।

গীতাত উল্লেখ থকা 'চাতুৰ্বৰ্ণ ময়া সৃষ্ট গুণ, কৰ্ম বিভাগচঃ'— চিন্তাধাৰাত বিশ্বাসী মহামানৱ মহাত্মা গান্ধীৰ পাঁচশ বছৰৰ পূৰ্বে মহাপুৰুষ শংকৰদেৱে কৰ্মৰে কৰি দেখুওৱাটো বিশেষ ভাবে উল্লেখযোগ্য। তেওঁৰ মতে—

'নাহি ভকতিত জাতি অজাতি বিচাৰ।
কৃষ্ণত ভকতি সমস্তৰে অধিকাৰ।।'

হৰিনাম শ্ৰৱণ কীৰ্ত্তনত যে সকলোৰে সমান অধিকাৰ আছে, সেয়া মহাপুৰুষ জনাই সজোৰে প্ৰতিপন্ন কৰিছে—

'পূজা নমস্কাৰ ধ্যান সমস্তে দুষ্কৰ।
হৰি গুণ নাম ধৰ্ম মহা সুখকৰ।।
স্ত্ৰী বাল্য-বৃদ্ধ সমস্তৰে অধিকাৰ।
চণ্ডালকো কৰে নামে তেখনে উদ্ধাৰ।।'
(১২২৯ - ৩০, ২য় স্কন্ধ ভাগৱত)

বৰ্তমান যুগতো এনে উদাৰ মানৱতাবোধ যেন নগণ্য। আমাৰ সংকীৰ্ণ মনোভাৱৰ কাৰণে ভিন্ন জন জাতীয় লোকে অন্য ধৰ্মত দীক্ষিত হোৱা পৰিলক্ষিত হৈছে।

জীৱৰ হিংসাই মানৱ জীৱনক অৱনতিৰ ফালে গতি কৰায়। তেওঁৰ মতে ৰজোগুণৰ আশ্ৰয় লৈ অপকৰ্মত লিপ্ত হলে ধ্বংস অনিবাৰ্য—

'ৰজোগুণে কৰে কৰ্মত প্ৰীতি।
কৰ্মীৰ দম্ভ ভাৰ বাঢ়ে নিতি।।
কৰে হিংসা ধৰ্ম নোপজে বোধ।
নুগুচয় যেন সৰ্পৰ ক্ৰোধ।। (কীৰ্ত্তন)

অস্পৃশ্যতা মহাব্যাধিয়ে আমাৰ সমাজখনক গ্ৰাস কৰাৰ পৰা ৰক্ষা কৰাত শংকৰদেৱে অগ্ৰণী

ভূমিকা পালন কৰিছিল। তেওঁৰ মতে জাতিভেদ প্ৰথা বৰ্ণভেদ, আৰু উচ্চ নীচ ভেদাভেদ জ্ঞান ব্যক্তিৰ অজ্ঞানতা স্বৰূপ মোহৰ পৰাহে উৎপত্তি হয়। অজ্ঞান আন্ধাৰ ধীৰে ধীৰে আঁতৰি গলে জীৱই ভেদাভেদ পাহৰি পেলায় মহাপুৰুষ জনাই এনে জাতি ভেদ প্ৰথাক তুচ্ছ জ্ঞান কৰিছিল। উদাহৰণ স্বৰূপে তেওঁৰ 'মুছলমান শিষ্য' চান্দসাইৰ হাতেৰে মন্দিৰৰ 'লাই খুটা' স্থাপন কৰাটোৱে ইয়াৰ প্ৰকৃষ্ট উদাহৰণ। দুৰ্ভাগ্যবশত আমি একবিংশ শতিকাৰ দলিত উপনীত হৈয়ো বাস্তৱক্ষেত্ৰত কাৰ্যকৰী কৰিবলৈ যেন টান পাওঁ। কিন্তু এনে কাৰ্য সকলো যুগৰ কাৰণেই অনুকৰণীয়।

'ব্ৰাহ্মণ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি সমতুল।।
নীচত সাধুত যাৰ ভৈল একজ্ঞান।
তাহাকেহে পণ্ডিত বোলয় সৰ্বজন।।'

শঙ্কৰদেৱ অসমৰ সন্তান হোৱা সত্বেও তেওঁৰ চিন্তাধাৰাত সমগ্ৰ ভাৰতবৰ্ষই গুৰুত্ব লাভ কৰিছিল। সেইবাবে হয়তো তেওঁৰ ৰচনাত অসম (অহম) নামটো উল্লেখ কৰাৰ বিপৰীতে প্ৰায় ছয়ত্ৰিশ বাৰ ভাৰতবৰ্ষৰ নাম উল্লেখ আছে। তেওঁ ভাৰতৰ বন্দনা কৰাৰ উপৰি গুৰুজনাই বিশ্বমানৱতাবাদ বিশ্ব শান্তিৰ বাণীও প্ৰচাৰ কৰিছিল। মানুহৰ উপৰি পশুকো হিংসা নকৰিবলৈ তেওঁ উপদেশ বাণী প্ৰদান কৰিছিল। 'নিমি নৱ সিদ্ধ সংবাদ'ত শংকৰদেৱে এনেদৰে উল্লেখ কৰিছে—

'নামাৰিবে পশুক এড়িবে মাংস আশা।
দেৱকো উদ্দেশ্যি পশু নকৰিবে হিংসা।।'

আনকি ইতৰ প্ৰাণীকো ভগৱানৰ অংশ মানি হিংসা মুক্ত সমাজ গঢ়াৰ নমুনা হয়তো অন্য ধৰ্মত বিৰল। এনেহেন সোণসেৰীয়া বাণী যুগ নিৰপেক্ষ আৰু সকলো সময়তে প্ৰাসঙ্গিক।

'কুকুৰ শৃগাল গদৰ্ভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।'

নৱবৈষ্ণৱ ধৰ্ম অহিংসা আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ মতে, এই সুন্দৰ বিনন্দীয়া পৃথিৱীত সকলো প্ৰাণীৰে জীয়াই থকাৰ অধিকাৰ আছে। বলি বিধান বিৰোধী নৱবৈষ্ণৱ ধৰ্মত মাদক দ্ৰব্য সেৱন কৰাটোও পাপ তথা নিন্দনীয়। সেই সময়ত মদ্যপান কৰা লোকক সামাজিক ভাৱে বৰ্জন কৰিছিল। সাম্প্ৰতিক সময়তো ইয়াৰ প্ৰাসঙ্গিকতা নোহোৱা নহয়।

'বেদে বোলে সুৰাক কৰিবে মাত্ৰ ঘ্ৰাণ।
কদাচিতো নকৰিবে ই মদ্যকো পান।।'

শংকৰদেৱ নিজেই বাৰভূঁঞাৰ বংশোদ্ভৱ হৈয়ো পিতৃ প্ৰদত্ত জমিদাৰী ত্যাগ কৰি, সৰ্ব সাধাৰণৰ মঙ্গলৰ নিমিত্তে নিজক উৎসৰ্গা কৰা সাম্প্ৰতিক নেতা জন সাধাৰণৰ কাৰণে অতিশয় প্ৰাসঙ্গিক। এনে কাৰ্যই সমাজৰ দুৰ্নীতি নিৰ্মূল কৰাত বিশেষভাৱে ইন্ধন যোগাব।

তেওঁ বিশ্বপ্ৰেম আৰু বিশ্ব ভাতৃত্ববোধত আপ্লুত হৈয়ে যেন মহাপুৰুষ জনাই সৰ্ব সাধাৰণক আহ্বান জনালে—

'ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কূল।
দাতাত চোৰত যাৰ দৃষ্টি একতুল।।
বিশেষত মনুষ্য গণত যিটো নৰে।
সৰ্বদাই মান্য কৰে বিষ্ণু বুলি ভাবে।।'

দৰাচলতে, কেৱল পুথিগত বিদ্যাই মানুহক কাম, ক্ৰোধ, লোভ মোহৰ পৰা আঁতৰাই ৰাখিব নোৱাৰে। মন আৰু আত্মাক শুদ্ধ কৰিব নোৱাৰিলে ব্যক্তি কেতিয়াও ৰিপুসমূহৰ কবলৰ পৰা উদ্ধাৰ পোৱা সম্ভৱ নহয়। মনটোক পৰমাত্মা স্বৰূপ ঈশ্বৰৰ লগত সংস্থাপন কৰিব নোৱাৰাৰ বাবেই আজিৰ সমাজত অবাধে দুৰ্নীতি, হত্যা, লুণ্ঠন, ধৰ্ষণ আদি ঘটনা সংঘটিত হ'বলৈ ধৰিছে। আধ্যাত্মিকতাৰ পোহৰত এখন সংস্কাৰকামী, দুৰ্নীতিমুক্ত সমাজ গঢ়াৰ আদৰ্শ শংকৰদেৱে পাঁচশ বছৰৰো অধিক আগতেই দি থৈ গৈছে—

'যতেক অনৰ্থ আছে সংহাৰত
তাতে তিনিবিধ সাৰ।
কাম, ক্ৰোধ, লোভ আপোন নাশন
জানি কৰা পৰিহাৰ।।

মহাপুৰুষ জনাৰ লেখনিৰ মাজত সততে জীৱক দয়া কৰা, দুখীয়াক দান কৰা, নাৰীক মাতৃবৎ জ্ঞান কৰা, ৰাজহুৱা ধন আত্মসাৎ নকৰা, লোভ মোহ পৰিত্যাগ কৰা আদি সদ্‌জ্ঞান স্বৰূপ উপদেশবোৰ বিৰাজমান। সাম্প্ৰতিক সমাজখন লোভ, মোহ হত্যা লুণ্ঠন, ধৰ্ষণ, হিংসা দ্বেষ, অসূয়া অপ্ৰীতিৰে ভাৰাক্ৰান্ত হৈ পৰিছে। দেখা যায় যে আমাৰ সমাজখন সম্প্ৰতি আধ্যাত্মিক চিন্তাৰ অভাৱে কোঙা কৰি পেলাইছে। এনে ভয়াবহ পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ শঙ্কৰদেৱৰ 'কীৰ্ত্তন ঘোষা'ৰ এই শ্লোকটি যথেষ্ট প্ৰাসঙ্গিক।

'হেন জানি অসুৰ স্বভাৱ এৰি।
সমস্ত প্ৰাণীক পূজা বিষ্ণু বুদ্ধি কৰি।।' (কীৰ্ত্তন ঘোষা)

**সামৰণি ঃ**

শংকৰদেৱ কেৱল ধৰ্ম প্ৰচাৰকেই নাছিল, তেওঁ এজন সংস্কৃতি প্ৰিয়, সুৰুচি সম্পন্ন, সহৃদয় ব্যক্তিও আছিল। সংস্কৃতি অৱনমিত ৰূপে এখন সমাজক পংগুত্ব প্ৰদান কৰে। মহাপুৰুষ জনাই এই কথা অনুধাৱন কৰি, গীত, নাট, বাদ্যৰ অপূৰ্ব সংযোগেৰে, অভিনয়ৰ মাধ্যমেৰে সমাজৰ সকলো স্তৰৰ লোকৰ হৃদয় জয়

কৰি একতাৰ ডোলেৰে নিকপকপীয়াকৈ বান্ধিলে। তেওঁ জানিছিল, কেৱল উপদেশমূলক ভাবে ধৰ্মীয় বাণী প্ৰচাৰ কৰিলে ধৰ্ম প্ৰচাৰ কাৰ্য সম্ভৱ নহয়; সেয়েহে নাটক, গীত-মাত কথা সাহিত্যৰ মাধ্যমেৰে জনতাৰ হৃদয় জয় কৰাৰ পৰিকল্পনা বাস্তৱায়িত কৰিলে। সাম্প্ৰতিক সময়ত মাজেসময়ে দেখা পোৱা অগ্নিগৰ্ভা পৰিস্থিতি প্ৰশমিত কৰিবলৈ, জনতাৰ হৃদয় জয় কৰিবলৈ, সুকুমাৰ কলাৰ উৎকৰ্ষ সাধনত গুৰুত্ব দিয়াটো কিছু পৰিমাণে হ'লেও সময়োচিত হ'ব যেন লাগে।

মহাপুৰুষ জনাৰ প্ৰতিখন কাব্য তথা লেখনিৰ মাজত জীৱৰ প্ৰতি সহমৰ্মিতা প্ৰদৰ্শন কৰা, ঈশ্বৰৰ উপাসনাৰ দ্বাৰা মনৰ কলুষতা বিনাশ কৰা সততাৰ মনোভাৱেৰে কৰ্মত অগ্ৰহৰ হোৱা, বিপদত ধৈৰ্য সহকাৰে উত্তীৰ্ণ হোৱা, সকলোৰে প্ৰতি সহায়ৰ হাত আগবঢ়োৱা, স্বামী-স্ত্ৰীৰ পৰস্পৰৰ প্ৰতি সহযোগিতা প্ৰদৰ্শন তথা মধুৰ সম্পৰ্ক গঢ়ি তোলা, শাসক সকলৰ শাসিতসকলৰ প্ৰতি সহৃদয়তা প্ৰদৰ্শন কৰা আদি পৰিলক্ষিত হয়। এই ক্ষেত্ৰত তেওঁৰ জীৱনৰ প্ৰথম কাব্য 'হৰিচন্দ্ৰ উপাখ্যান' উৎকৃষ্ট উদাহৰণ। এনে উদাহৰণ সাম্প্ৰতিক সমাজৰ বাবে প্ৰকৃষ্ট ধ্বজা বাহক তথা সম্পূৰ্ণ প্ৰাসঙ্গিক।

বহুমুখী প্ৰতিভাৰ আকৰ স্বৰূপ মহাপুৰুষ শংকৰদেৱ আছিল সকলো যুগৰ সৰ্বশ্ৰেষ্ঠ সাহিত্যিক, সু-গায়ক, অভিনেতা, ধৰ্ম প্ৰচাৰক সমাজ সংগঠক, সমাজ সংস্কাৰক, সাম্যবাদৰ প্ৰতিষ্ঠাতা গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ আৰু বাদ্যবাদক। সেয়েহে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা দেৱে কৈছিল— 'পৃথিৱীৰ সংস্কৃতিবীদসকলৰ ভিতৰত শ্ৰীকৃষ্ণ, শংকৰদেৱ আৰু লিওনাৰ্ড দ্য ভিন্সি সৰ্বশ্ৰেষ্ঠ।' আজিৰ সমাজত এনে সু-সংস্কৃতিৱান ব্যক্তিৰ প্ৰাসঙ্গিকতা সৰ্বাধিক।

**মন্তব্য ঃ**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে মধ্য যুগৰ ঘূণে ধৰা সমাজখনক একত্ৰিত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল।

'চণ্ডালো হৰিনাম লৱে মাত্ৰ।
কৰিবে উচিত যজ্ঞৰ পাত্ৰ।'

বাণীৰে সমাজৰ অসূয়া অপ্ৰীতি আঁতৰাই মানৱীয় প্ৰমূল্যবোধৰ আধাৰত এখন শক্তিশালী অসম গঢ়াৰ সোপান তৈয়াৰ কৰিলে। চাওলুং চুকাফাই 'সাত ৰাজ মাৰি' এক ৰাজ কৰি গঢ়ি তোলা 'বৰ অসম'ৰ ভেটিত ধৰ্মীয় বন্ধনৰ 'বৰ অসম' গঢ়াৰ সুদৃ ভেটি নিৰ্মাণৰ সূত্ৰপাত হ'ল। তেওঁৰ ৰচনাৰাজিৰ মাজত তাৰে নিদৰ্শন পোৱা যায়।

'কীৰাট কছাৰী, খাচী, গাৰো
যৱনো কথা গোৱাল।
অসম মুলুক, ৰজত তোৰক
কুবাচ, ম্লেছ, চাণ্ডাল।।
আলো য'ত নৰ কৃষ্ণ ভকতৰ
সংগত পবিত্ৰ হয়।
ভকতি কৰিয়া, সংসাৰ তৰিয়া
বৈকুণ্ঠ সুখে চলয়।।'

নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ নাম ধৰ্মৰ ভক্তি মাৰ্গৰ লগত পালনীয় প্ৰতিটো সদাচাৰ, ৰীতি নীতি আচাৰ ব্যৱহাৰ আদি সম্পূৰ্ণ সুৰুচি সম্পন্ন তথা বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ অন্তৰ্গত। সেয়েহে তেওঁ ধৰ্ম প্ৰচাৰৰ অৰ্থে প্ৰয়োগ কৰা সকলো কৌশল তথা জনহিতকৰ কাৰ্যই সাম্প্ৰতিক সমাজতো সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য। আমাৰ সমাজত দেখা পোৱা 'যুৱ উশৃংখলতা'ৰ ক্ষেত্ৰত এনে আধ্যাত্মিক চিন্তাই কিছু পৰিমাণে হলেও সহায় কৰিব।

শ্ৰীমন্ত শংকৰদেৱ যুগনায়ক, সচেতন আৰু সুচিন্তিত বাৰ্তাবাহী চিন্তা নায়ক। তেওঁৰ দৰে সাম্যবাদী ধাৰা প্ৰৱৰ্তনকৰ্তা, সমাজ সংস্কাৰক, সমাজ সংগঠক, সু সংস্কৃতিৱান মহান পুৰুষ সকলো যুগৰ বাবেই প্ৰাসঙ্গিক। সেয়েহে আমাৰ বাবে, উত্তৰ পুৰুষৰ বাবে তথা অনাগত ভৱিষ্যতৰ উত্তৰাধিকাৰীসকলৰ বাবে তেওঁ হওক 'অক্ষয় দীপ্তি শিখা।'

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। শৰ্মা দলৈ ড° হৰিনাথ ঃ শংকৰদেৱৰ সাহিত্য প্ৰতিভা (দ্বিতীয় খণ্ড)
২। গগৈ ড° ৰশ্মি ৰেখা আৰু শৰ্মা প্ৰবীণ (সংকলন) শংকৰদেৱৰ সৃষ্টিৰ আলোকৰেখা 'কল্পতৰু'।
৩। মহন্ত মিত্ৰদেৱ আৰু ডেকা কনকচন্দ্ৰ সম্পাদিত - জগত গুৰু শ্ৰীমন্ত শংকৰদেৱ।
৪। শৰ্মা তীৰ্থনাথ ঃ ভক্তিবাদ।
৫। বেজবৰুৱা লক্ষ্মীনাথ ঃ তত্ব কথা।
৬। ভূঞা ভুৱনচন্দ্ৰ ঃ সঙ্গত তত্ব দৰ্শন বা বৈষ্ণৱ দৰ্শন।

*ৰামায়ণ-মহাভাৰতৰ বিষয়বস্তুক আলম হিচাপে লৈ যি বিলাক কবিতা ৰচনা কৰিছিল তাতে সমসাময়িক সমাজৰ চিত্ৰ প্ৰতিফলিত হৈছিল। নিৰক্ষৰ চহা মানুহ বিলাকে তত্ত্বগধূৰ কথা বিলাক যাতে সহজ-সৰলভাৱে বুজি পায় তাৰ প্ৰতি লক্ষ্য ৰাখি এই ৰচনাৰ সৃষ্টি কৰা হৈছিল। লোকসাহিত্য, লোকজীৱন, লোকপৰিৱেশ্য কলা আদিৰ আলম লৈ অথবা লোকসংস্কৃতি এই উপাদান বিলাকক প্ৰতীকাত্মক ৰূপত প্ৰয়োগ কৰি ৰচনা কৰা কবিতাসমূহে লোকমানসত বিশেষ স্থান অধিকাৰ কৰা চকুত পৰে। যিহেতু লোকসংস্কৃতি আৰু লোকজীৱন লোক সমাজৰ নিভাঁজ আৰু অকৃত্ৰিম প্ৰতিফলন সেয়ে লোকসংস্কৃতিৰ উপাদানৰ পৰশে কবিতাসমূহক পাঠকৰ হৃদয়ৰ অধিক কাম চপাই নিবলৈ সমৰ্থ হয়। অসমীয়া লোক সংস্কৃতিৰ পটভূমি বৈচিত্ৰতাৰে ভৰপূৰ, বিশাল সাগৰৰ দৰে ইয়াৰ পৰিসৰ।*

# অসমীয়া কবিতাত লোকসংস্কৃতিৰ প্ৰভাৱ

## (কেইজনমান নিৰ্দিষ্ট কবিৰ কবিতাৰ উল্লেখেৰে)

**মৰমী চৌধুৰী**
জ্যেষ্ঠ অধ্যাপিকা, অসমীয়া বিভাগ

সকলো জাতিৰে সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে মুখে মুখে প্ৰচলিত গীত-মাত প্ৰবচন, ফকৰা, সাধুকথাৰ প্ৰচলন থকাৰ উমান পোৱা যায়। অসমীয়া ভাষাতো ঠিক তেনেদৰে মুখে মুখে প্ৰচলিত গীত-মাত, প্ৰবচন সাধুকথা আদিৰ পয়োভৰ ঘটিছিল।

লোকসংস্কৃতি মানৱ জীৱন আৰু সভ্যতাৰ এক অপৰিহাৰ্য অংগ। মানুহৰ জীৱনৰ ভিন ভিন দিশৰ নিভাঁজ প্ৰতিফলনস্বৰূপ লোকসংস্কৃতিৰ পৰিসৰো ব্যাপক। লোকসংস্কৃতি হ'ল— স্বকীয় বৈশিষ্ট্য আৰু জীৱন প্ৰণালীৰ বিভিন্ন দিশ পৰম্পৰাগতভাৱে সংৰক্ষণ কৰি কোনো এক অঞ্চলত বসবাস কৰা জনসমষ্টিয়ে পুৰুষানুক্ৰমে আহৰণ কৰা জ্ঞান আৰু অভিজ্ঞতাৰ সমষ্টি। এই লোকসংস্কৃতিৰ উদ্ভৱ আৰু বিকাশৰ পটভূমি লোকসমাজ। লোকসমাজে সৃষ্টি কৰা লোকসংস্কৃতিত সেই সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, জীৱন প্ৰণালীৰ বিভিন্ন উপাদানেৰে সমৃদ্ধ।

**অসমীয়া কবিতাত লোকসংস্কৃতিৰ প্ৰভাৱ ঃ**

অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন হৈছে চৰ্যাগীত বা চৰ্যাপদসমূহ। তাৰ আগতে এই চৰ্যাপদবোৰৰ বিষয়বস্তু সাঁথৰৰ দৰে আছিল। চৰ্যাপদত সমসাময়িক অসমীয়া সমাজখনৰ জীৱন প্ৰণালী প্ৰতিফলিত হোৱা দেখা যায়। তাৰ পিছৰ পৰা অসমীয়া প্ৰাচীন কবিসকলৰ লিখনিতো লোকসংস্কৃতিক প্ৰভাৱ পৰা দেখা যায়। ৰামায়ণ-মহাভাৰতৰ বিষয়বস্তুক আলম হিচাপে লৈ যি বিলাক কবিতা ৰচনা কৰিছিল তাতে সমসাময়িক সমাজৰ চিত্ৰ প্ৰতিফলিত হৈছিল। নিৰক্ষৰ চহা মানুহ বিলাকে তত্ত্বগধূৰ কথা বিলাক যাতে সহজ-সৰলভাৱে বুজি পায় তাৰ প্ৰতি লক্ষ্য ৰাখি এই ৰচনাৰ

সৃষ্টি কৰা হৈছিল।

লোকসাহিত্য, লোকজীৱন, লোকপৰিৱেশ্য কলা আদিৰ আলম লৈ অথবা লোকসংস্কৃতি এই উপাদান বিলাকক প্ৰতীকাত্মক ৰূপত প্ৰয়োগ কৰি ৰচনা কৰা কবিতাসমূহে লোকমানসত বিশেষ স্থান অধিকাৰ কৰা চকুত পৰে। যিহেতু লোকসংস্কৃতি আৰু লোকজীৱন লোক সমাজৰ নিভাঁজ আৰু অকৃত্রিম প্রতিফলন সেয়ে লোকসংস্কৃতিৰ উপাদানৰ পৰশে কবিতাসমূহক পাঠকৰ হৃদয়ৰ অধিক কাম চপাই নিবলৈ সমর্থ হয়। অসমীয়া লোক সংস্কৃতিৰ পটভূমি বৈচিত্রতাৰে ভৰপূৰ, বিশাল সাগৰৰ দৰে ইয়াৰ পৰিসৰ। সীমিত পৰিসৰৰ ভিতৰত আটাইবোৰ কবিৰ কবিতা পর্যালোচনা কৰাটো ধৃষ্টতা মাথোন সেয়েহে পুৰণি আৰু আধুনিক ভাগৰ কিছু বিশিষ্ট কবি কিছু কবিতাক চিনাক্ত কৰি সেইবোৰত লোক- সংস্কৃতিৰ প্ৰভাৱ কেনেদৰে পৰিছে তাৰে সম্যক ধাৰণা লোৱাৰ প্ৰয়াস কৰা হৈছে।

সেই কবিতা সমূহক দুটা ভাগত ভাগ কৰি দেখুওৱা হ'ল—

১) পুৰণি ভাগ ঃ

২) আধুনিক ভাগ ঃ আধুনিক ভাগক আকৌ দুটা ভাগত ভাগ কৰা হৈছে— ক) ৰোমাণ্টিক ভাবধাৰা কবিতা, খ) যুদ্ধোত্তৰ যুগৰ সাম্প্রতিক কবিতা।

সেই কবিসকলৰ কবিতাসমূহ হ'ল—

**পুৰণি ভাগ ঃ**

| | |
|---|---|
| ৰাম সৰস্বতীৰ | ঃ 'শিৱৰ কৃষি কৰ্ম' |
| শ্ৰীধৰ কন্দলীৰ | ঃ 'কাণখোৱা' |
| শংকৰদেৱৰ | ঃ 'নন্দোৎসৱ' |

**আধুনিক ভাগ ঃ**

| | |
|---|---|
| চন্দ্ৰকুমাৰ আগৰৱালাৰ | ঃ 'তেজীমলা' |
| ৰোমাণ্টিক ভাবধাৰাৰ | |
| লক্ষ্মীনাথ বেজবৰুৱাৰ | ঃ 'ধনবৰ ৰতনী', 'ৰতনীৰ বেজাৰ', তিলকা আৰু নিমাতী কইনা। |

**কবিৰ কবিতা ঃ**

| | |
|---|---|
| হিতেশ্বৰ বৰবৰুৱাৰ | ঃ 'কাণৰ থুৰীয়া' |
| থানেশ্বৰ হাজৰিকাৰ | ঃ 'বিহুৱান'। |

**সাম্প্রতিক কবিৰ কবিতা ঃ**

| | |
|---|---|
| হেম বৰুৱাৰ | ঃ 'মমতাৰ চিঠি', 'জাৰৰ জিনব সপোন'। |
| কেশৱ মহন্তৰ | ঃ 'আঘোণৰ কুঁৱলী, 'সোণজিৰা মাহীৰ নাড়ী'। |
| নির্মলপ্রভা বৰদলৈ | ঃ 'মর্মান্তিক', 'কৰুণতম'। |
| নৱকান্ত বৰুৱাৰ | ঃ 'ক্রমশ'। |
| জ্যোতিৰেখা হাজৰিকাৰ | ঃ 'আত্ম কথা'। |
| পৰাগজ্যোতি মহন্তৰ | ঃ 'টঙিঘৰ'। |

**পুৰণি অসমীয়া কবিতাত লোকসংস্কৃতিৰ প্ৰভাৱ ঃ**

পুৰণি অসমীয়া সাহিত্য লোকসংস্কৃতিৰ সমলেৰে পৰিপূৰ্ণ। বিশেষকৈ কবিসকলৰ ৰচনাত লোকসংস্কৃতিৰ প্ৰভাৱ বাৰুকৈয়ে মন কৰিবলগীয়া। লোক সাহিত্যৰ বিভিন্ন উপাদান, যেনে— লোকগীত, মালিতা, লোকসাধু আদিৰ বিষয়বস্তুক প্ৰতীক হিচাপে লৈ অসমীয়া সাহিত্যত পুৰণি তথা নতুন বহু ৰসোত্তীর্ণ কবিতা ৰচিত হৈ আহিছে। সাহিত্যৰ সৈতে সংস্কৃতি, সভ্যতা আদি শব্দবোৰ জড়িত হৈ আহিছে,আজিকালি 'লোকসংস্কৃতি' শব্দটোও সাহিত্যৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। সংস্কৃতি হৈছে সভ্যতাৰ জ্ঞানময় দিশ আৰু লোকসংস্কৃতি এই সংস্কৃতিৰেই অবিচ্ছিন্ন অংশ।

প্ৰাচীন কবিসকলৰ ৰচনাত লোকসংস্কৃতিৰ সমলে সৰ্বাধিক গুৰুত্ব লাভ কৰিছে। প্ৰথমে আমি ৰাম সৰস্বতীৰ ভীমচৰিত পুথিৰ 'শিৱৰ কৃষি কৰ্ম' কাব্যাংশত লোকসংস্কৃতিৰ প্ৰভাৱ কেনেদৰে পৰিছে তাকে চাও।

মহাভাৰতীয় কবি ৰাম সৰস্বতীক অসমীয়া 'ব্যাস' আখ্যা দিয়া হৈছে। ৰাম সৰস্বতীৰ উদ্ভৱ কাল ষোড়শ শতিকাৰ চতুৰ্থ দশকৰ পৰা সপ্তদশ শতিকাৰ চতুৰ্থ দশকৰ ভিতৰত বুলি অনুমান কৰা হৈছে। ৰাম সৰস্বতীৰ 'ভীম চৰিতত' 'শিৱৰ কৃষি কৰ্ম' কবিতাত লোকসংস্কৃতিৰ সমল সুন্দৰভাৱে ফুটি উঠিছে। গাঁৱৰ সাধাৰণ ল'ৰাৰ দৰে ভীমে শিৱৰ ঘৰত গৰখীয়াৰূপে আছে, গৰু চাৰি খৰি লুৰি পেট প্ৰৰৰ্তোৱা সাধাৰণ গঞা জীৱনৰ ছবিখন সুন্দৰকৈ অংকন কৰিছে।

শিৱৰ ঘৰত গৰখীয়া হিচাপে থকা ভীমে পেট ভৰাই ভাত খাবলৈ নাপায় শিৱৰ ঘৰ এৰি গুচি যাবলৈ ওলায় কৈছে—

'ধান নাই ভাঙ্গৰ পাতিয়া আছা ডুলি।

ভাঙ্গক ধৰিছা তোৱা পঞ্চামৃত বুলি।'

'পঞ্চামৃত' হৈছে অসমীয়া সমাজৰ গৰ্ভৱতী মহিলাক পঞ্চম মাহত কৰা এটা নিয়ম। গৰ্ভস্থ সন্তানৰ মঙ্গল কামনাৰে এই নিয়ম পালন কৰা হয়। পঞ্চামৃত গাখীৰ, দৈ, ঘিউ, মৌ আৰু চেনিৰ সমাহাৰ ।

ভীমৰ কথা সহ্য কৰিব নোৱাৰি পাৰ্বতীৰ উপদেশ মতে শিৱই খেতি কৰিলে। লোকবিশ্বাস অনুসৰি তিৰোতাই ধানৰ ঠোক-মেলাৰ পিছত চাব নাপায়। সেয়ে শিৱই পাৰ্বতীক পথাৰলৈ যাবলৈ মানা কৰিছিল। কিন্তু পাৰ্বতীয়ে মন সামৰিব নোৱাৰি ধান চাবলৈ গৈ ধান দেখি উশ্ আশ্ কৰিলত সকলো ধান পুৰি ছাই হ'ল।

'শিৱৰ কাৰ্যক দেখি আচৰিত মানি।
ঊশ্ আশ্ এই দুই উচ্ছবিল বাণী।।
তাতহন্তে খোবা খোবি হুয়া উৎপন্ন।
ধান খান পুৰি সৱে কৰিলেক ছন্ন।।'

কৃষি সমাজৰ আন এক পৰ্ব হ'ল ধানৰ আগ আনি ভবালত থোৱা। 'ভীম চৰিততো' তাৰ উল্লেখ পোৱা যায়। শিৱই পুনৰ খেতি কৰি পাৰ্বতীক এনেদৰে কৈছে।

শংকৰে বোলয় দেৱী পকিলেক ধান।
গৰখীয়া পাঞ্চিয়া ধানব আগ আন।।

কৃষিজীৱী সমাজত প্ৰচলিত আহু আৰু শালি ধানৰ উৎপত্তিৰ আদি কথাও নিহিত হৈ আছে এই ভীম চৰিততে।

লোকসাহিত্যৰ বিভিন্ন উপাদান যেনে সাধুকথা, লোকগীতসমূহক প্ৰতীক হিচাপে লৈ অসমীয়া সাহিত্যত বহু ৰসোত্তীন কবিতা ৰচিত হৈ আহিছে।

শ্ৰীধৰ কন্দলীৰ 'কাণখোৱা' কবিতাটো লোকসংস্কৃতিৰ 'নিচুকনি গীত'ৰ আধাৰত ৰচিত। আমাৰ সমাজত মাকে সৰু ল'ৰা-ছোৱালীক টোপনি নিয়াবলৈ কিছুমান অদ্ভুত কথা কৈ শুৱাবলৈ চেষ্টা কৰে। ঠিক তেনেদৰে মাতৃ যশোদাই শ্ৰীকৃষ্ণক শুৱাবলৈ 'কাণখোৱা'ৰ কথা কৈ ভয় খুৱাইছে—

'ঘুমটি যায়োৰে, অৰে কানাই, হুৰে কাণখোৱা আসে।
সকল শিশুৰ, কাণ খাই খাই আসয় তোমাৰ পাসে।।'

মাকৰ মুখত কাণখোৱাৰ কথা শুনি শ্ৰীকৃষ্ণই মাকক ভয় খোৱা যেন দেখুৱাইছে।

'তাৰ নাম শুনি ঘুমটি নাস
ভয়ে কম্পে মোৰ বুকু।'

শংকৰদেৱৰ দশমৰ অন্তৰ্গত 'নন্দোৎসৱ' কবিতাতো বহুতো লোকসংস্কৃতিৰ সমল বিচাৰি পোৱা যায়। অসমীয়া সমাজত ল'ৰা জন্মিলে ইষ্ট-কুটুম সকলোৱে অপাৰ আনন্দ কৰে আৰু ইটোৱে সিটোক ৰং হালধি সানে। মাক-বাপেকে দৈৱজ্ঞ মতাই আনি ল'ৰাটিৰ ভূত ভৱিষ্যত গণনা কৰোৱা আমাৰ পুৰণি লোক পৰম্পৰা।

'উপজিলা পুত্ৰ পাছে দেখি গোপ নন্দে।
কৰিলা সপটে স্নান পৰম আনন্দে ।।
দৈৱজ্ঞ ব্ৰাহ্মণ গণ অনাইলা অনেক।
জাত কৰ্ম্ম কৰাইলন্ত পুত্ৰৰ যতেক।।'

আকৌ ল'ৰা জন্ম হোৱাৰ আনন্দতে শংখ আদি বজায়।

'গাৱৈ গীত গীতালে হাতত তাল ধৰি
আনন্দে দুন্দুভি বাৰে ফুঙ্কে শখ ভেৰি।।

মহিলাসকলে কেঁচুৱাক চাই আশীৰ্ব্বাদ দিয়াৰ লগতে উৰুলি দি মাকৰ গাত হালধি, পানী আদি ঢালে—

'পাৰিল উকলি সৱে নন্দ ঘৰে পশি।
যশোদাক বেঢ়ি ৰঙ্গে হুয়া গৈয়া থিৰ।।
সেই আশীৰ্বাদ শিশু হৌক চিৰঞ্জীৱ।
হালধিৰ গুণ্ডি তৈল পানী মিসলাই ।।
অন্যো অন্যে সিঞ্চে গোবিন্দৰ গুণ গাই।।'

**অধুনিক কবিতাত লোকসংস্কৃতিৰ প্ৰভাৱ ঃ**

**ৰোমাণ্টিক ভাবধাৰাৰ কবিতা ঃ (সাধুকথা বা মালিতাৰ প্ৰভাৱ)**

অসমীয়া সাহিত্যত ৰমন্যাসবাদৰ আগমন ঘটে 'জোনাকী' নামৰ আলোচনীখনৰ মাধ্যমেৰে। কলিকতাত থকা অসমীয়া ছাত্ৰসকলৰ চকুত পৰা পাশ্চাত্য জগতৰ পোহৰৰ ৰেঙনি এই 'জোনাকী'ৰ মাজেদি বিৰিঙি ওলাইছিল।

'জোনাকী' প্ৰকাশৰ মূলতে আছিল চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী। চন্দ্ৰকুমাৰ আগৰৱালা দেৱ আছিল ইয়াৰ প্ৰথম সম্পাদক। এইসকল সাহিত্যপ্ৰেমী যুৱকে পুৰণি সাহিত্যিৰ পৰম্পৰাক নেওচি নতুন ৰীতি, নতুন আদৰ্শ আৰু নতুন ভাৰধাৰা আদৰি লৈছিল। তেওঁলোকৰ মনত আছিল পৰাধীন দেশৰ গ্লানি আৰু অসমৰ লুপ্তপ্ৰায় গৌৰৱৰ পুনৰুদ্ধাৰৰ হাবিয়াস। ইংৰাজী ৰমন্যাসিক কবিতাৰ নতুনত্বই এই কবিসকলক যিদৰে আকৃষ্ট কৰিছিল তাৰ লগে লগে নিজা সাহিত্য অথবা চিন্তা জগতৰ কিছুমান বৈশিষ্টকো তেওঁলোকে নতুন নতুন ৰূপত সজাই তুলিছিল। ফঁহিয়াই চালে দেখা যায় যে অসমীয়া ৰোমাণ্টিক যুগৰ পৰাহে অসমীয়া কবিতাই সকলো দিশৰ পৰা উৎকৰ্ষ লাভ কৰিছে।

এইখিনিতে উল্লেখ কৰি থোৱা ভাল হ'ব যে আমাৰ বিষয়বস্তুত চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা কেইটি আৰু লক্ষ্মীনাথ বেজবৰুৱা কবিতা কেইটি কিন্তু ৰোমাণ্টিক কবিতা নহয় মালিতাহে।

'বনকুঁৱৰী' চন্দ্ৰকুমাৰ আগৰৱালা দেৱৰ প্ৰথম ৰোমাণ্টিক কবিতা। 'বনকুঁৱৰী', জলকুঁৱৰী আৰু 'তেজীমলা' কবিৰ তিনিটা কাহিনী গীত বা মালিতা। 'বনকুঁৱৰী', 'জলকুঁৱৰী'ত একোটি কাহিনী আছে। দুয়োটা কবিতাৰ আখ্যান ভাগত আধি দৈৱিক জগতখনৰ সন্ধান পোৱা যায়। 'তেজীমলা' মানুহৰ মুখে মুখে প্ৰচলিত সাধুকথা এটিৰ সাৰ্থক চিত্ৰ ৰূপ।

'তেজীমলা' কবিৰ সাৰ্থক মালিতা। মানুহৰ মুখত চলি অহা সাধুটিক কবিয়ে যথা-যথ ৰূপ দিয়া নাই। কবিতাটো আৰম্ভ হৈছে প্ৰকৃতিৰ মধুৰ পৰিৱেশৰ মাজত। পৰম্পৰাগত সাধুকথাৰ চৰিত্ৰ কবিয়ে স্বকীয় কল্পনাৰ পৰশেৰে জীৱন্ত কৰি তুলিছে। এনে ধৰণৰ

প্ৰয়োগে কবিতাৰ সুষমা বৃদ্ধি কৰি আহিছে, লগতে কবিতাটো অৰ্থৱহ কৰিও তুলিছে। 'তেজীমলা' কবিতাটিত তেজীমলাৰ মাধ্যমেৰে মানুহৰ বিশ্বাসঘাতকতা আৰু স্বাৰ্থপৰতাৰ কথা প্ৰকাশ কৰিছে।

'মানুহৰ চোতালত মাধুৰী ফুটিলে
মানুহে নিচিনি হায়,
সাৰি তুলি ছিঙি মোহাৰি পেলালে
মানুহৰ মৰমো নাই
মৰমৰ পানী নোহোৱা ঠাইত
কেনেকৈ বিশ্বাস থয়
সেয়ে তেজীমলা দূৰতে শিপাই
পাৰিজাত হই ৰয়।'

লক্ষ্মীনাথ বেজবৰুৱাৰ 'ধনবৰ ৰতনী', 'ৰতনীৰ বেজাৰ', 'নিমাতী কইনা', আৰু তিলকা চাৰিটা মালিতা বা কাহিনী গীত। এই কেইটি কবিতাৰ প্ৰকাশভংগী লোকগীত সুৰীয়া। 'ধনবৰ ৰতনী' কবিতাটিত বিহুগীতৰ সুৰৰ প্ৰভাৱ পৰিলক্ষিত হোৱা দেখা যায় এনেদৰে—

'পৰ্ব্বতে পৰ্ব্বতে বগাব পাৰোঁ মই
লতা বগাবলৈ টান
ৰতনী সোণাইকে বৰাব পাৰো মই
মাকক বুজাবলৈ টান।

ৰতনীৰ বেজাৰত বিলাপ কৰা ধনবৰৰ ছবি সহজ সৰলভাৱে ফুটি উঠিছে-

'লুইতৰ পাৰতে কাৰে এৰাবাৰী
চপৰা চপৰে খহে
লুইতৰ পাৰতে কাৰে ধনবৰ
ৰতনীৰ বেজাৰত জহে।'

ৰতনীৰ বেজাৰ সহিব নোৱাৰি ধনবৰে লুইতৰ বুকুত আশ্ৰয় ললে। আনফালে এই খবৰ পোৱাৰ পিছত ৰতনীৰ বিলাপ ফুটি উঠিছে 'ৰতনীৰ বেজাৰ' নামৰ কবিতাটোত—

'মৰি গৈ সোণ সৌ
তৰা এটি হ'ল
হে তৰা এটি হ'ল
টুপি টুপি চকুৰ লোৰে
মোলৈ চাই ৰ'ল
হে মোলৈ চাই ৰ'ল।'

'তিলকাত বাৰী ঘাট মাউৰী তিলকাৰ জীৱনৰ বিননি ফুটি উঠিছে। 'নিমাতী কইনা'ত সাধুকথাৰ প্ৰকৃতি আৰু মালিতাৰ সুৰৰ সমাৱেশ দেখিবলৈ পোৱা যায়।

হিতেশ্বৰ বৰবৰুৱাৰ 'কাণৰ থুৰীয়া' আৰু থানেশ্বৰ হাজৰিকাৰ 'বিহুৱান' কবিতাত লোকসংস্কৃতিৰ অলংকাৰ থুৰীয়া আৰু আমাৰ অতিকৈ মৰমৰ বিহুৱানেও কবিতাত স্থান দখল কৰি আহিছে। থুৰীয়া কবিতাত কবিয়ে কৈছে—

'পূৰ্ব্ব জনমত, জানো, কত পুণ্যবলে
থুৰীয়া জনম পালি তই জগতত ।
শোওঁতে, খাওঁতে কিম্বা উঠোতে বহোঁতে
চুমা দিয় প্ৰেয়সীৰ কোমল গালত।'

বিহুৱান কবিতাত কবিয়ে লিখিছে—

'মৰমৰ দীঘ দি চেনেহৰ বাণি লই
হেঁপাহৰ আঁচুৰে বোৱা
সপোনৰ ফুলেৰে ফুলাম মোৰ বিহুৱান
মনেদি এবেলি লোৱা।।

অসমীয়া সংস্কৃতিৰ খাদ্য সম্ভাৰৰো কিছু প্ৰভাৱ দেখা যায় 'বিহুৱান' কবিতাত—

কেতেকীৰে তিল, নাহৰৰে ঘিলা
সাজিছো বিহুৰে পিঠা!
তগৰৰে চিৰা চেনেহৰে দই
কু উ কু মাতেৰে মিঠা

**সাম্প্ৰতিক কবিতাত লোকসংস্কৃতিৰ প্ৰভাৱ ঃ (লোকজীৱনৰ চিত্ৰ)**

দ্বিতীয় মহাযুদ্ধৰ পিছৰ পৰা অসমীয়া সাহিত্যৰ অন্যান্য শাখাৰ দৰে কবিতাতো বিৰাট পৰিবৰ্তন সাধন হয়। কবিতাৰ বিষয়বস্তু ভাবাদৰ্শ আৰু প্ৰকাশভংগীৰ ক্ষেত্ৰত এই পৰিবৰ্তন সাধিত হয় যুদ্ধৰ আগৰ কবিতা ৰোমাণ্টিক ভাবাদৰ্শ লৈ ৰচিত হৈছিল। কিন্তু যুদ্ধোত্তৰ যুগৰ এই শ্ৰেণীৰ কবিতাৰ নাম ৰখা হৈছে সাম্প্ৰতিক কবিতা। ৰোমান্টিক কবিতাৰ দৰে গতানুগতিক নিয়ম শৃংখলাৰপৰা আঁতৰি মুক্তিৰ প্ৰয়াসেই সাম্প্ৰতিক কবিতাৰ প্ৰধান ধৰ্ম। সাম্প্ৰতিক অসমীয়া কবিতাৰ জন্ম হয় 'জয়ন্তী যুগত'। অৰ্থাৎ দ্বিতীয় মহাযুদ্ধৰ সময়ত। দ্বিতীয় মহাযুদ্ধই মানুহৰ মানৱীয় মূল্যৰ পৰিৱৰ্তন ঘটায় আৰু নতুন চাম কবিৰ হাতত এই ভাবধাৰাই ৰূপ পাবলৈ ধৰে।

অসমীয়া আধুনিক কবিতাসমূহত লোকজীৱনৰ দৈনন্দিন চিত্ৰ বিভিন্ন লোকাচাৰ দেখিবলৈ পোৱা যায়। কবিতাত ব্যৱহৃত লোকজীৱনৰ ছবিয়ে কবিতাসমূহক এক সুকীয়া মাধুৰ্য প্ৰদান কৰাৰ লগতে ক্ৰমান্বয়ে আধুনিকতাৰ কবলত হেৰাই যাবলৈ ধৰা গ্ৰাম্য জীৱনৰ অনুপম মাধুৰ্যক জীয়াই ৰাখিবলৈ যত্ন কৰা যেন অনুমান হয়।

আধুনিক অসমীয়া কাব্য আন্দোলনৰ গুৰি ধৰি

হেম বৰুৱাই পিছৰ কবিসকলৰ বাবে মহৎ প্ৰেৰণাৰ কাম কৰিছিল। সমাজ সচেতনতা তেওঁৰ কবিতাৰ লক্ষণীয় বৈশিষ্ট্য, কবিৰ 'মমতাৰ চিঠি' এক উল্লেখযোগ্য কবিতা। ইয়াতে এগৰাকী কম বয়সীয়া বিধৱাৰ জীৱনৰ কৰুণতম চিত্ৰখনি সুন্দৰভাৱে ফুটি উঠিছে তাৰ মাজতে প্ৰকাশ পাইছে কিছু পৰম্পৰা কিছু লোকাচাৰ মমতাৰ কথাত এনেদৰে-

মই লোৱা কঁকালৰ ৰঙা ৰিহাখনলৈ তুমি বাৰু তেনেকৈ
কিয় একেথৰে চাইছিলা?

সি বাৰু মোৰ বগা সাজযোৰলৈ এনেদৰে তধা লাগি চাই থাকে কিয়?

........

........

এইবাৰ বুজিছা, মাঘ বিহুৰ মেজিৰ জুইকুৰা বৰ ৰঙাকৈ জ্বলিছিল।

হেম বৰুৱাৰ 'জাৰৰ দিনৰ সপোন'ত ব'হাগ বিহুৰ ৰঙালী ৰূপটি এইদৰে ফুটি উঠিছে

'শীতৰ অন্তত আকৌ আহিব নিলাজী ফাগুন/
ব'হাগী বিহু/ৰাঙলী দিন/কপৌফুল/
কুলি কেতেকীৰ গানৰ শৰাই।'

বহু কবিৰ কবিতাত লোক জীৱনৰ দৈনন্দিন কাম কাজৰ খণ্ডচিত্ৰ প্ৰতিফলিত হোৱা দেখা যায়। উদাহৰণ স্বৰূপে কেশৱ মহন্তৰ 'আঘোণৰ কুঁৱলী' কবিতাত আঘোণৰ পথাৰৰ কৰ্মব্যস্ততাৰ ছবি এখন সুন্দৰকৈ জিলিকি উঠিছে—

'আঘোণৰ পথাৰত দাৱনীৰ কাম আছে
মুঠি মুঠি, কাচি কাচি, ডাঙৰি ডাঙৰি
কাম আছে,
আঘোণৰ পথাৰত কাম আৰু কাম ।

আকৌ কবিজনাৰে 'সোণজিৰা মাহীৰ নাড়ী' কবিতাত গাঁৱৰ এগৰাকী কৰ্মঠ, সদাব্যস্ত গৃহিণীৰ চিত্ৰ অংকিত হোৱাৰ লগতে সামাজিক উৎসৱ অনুষ্ঠানত গাঁওবাসীৰ, আত্মীয়-স্বজনৰ উলহ-মালহৰ ছবি এখনো ফুটি উঠিছে ঃ

'কাৰোবাৰ জীয়েকৰ চাদৰ ববলে তৰা যি তাঁতখনি
সোণজিৰা লাহীজনী তাৰেই শিপিনী
তামোলৰ পিক মাৰি পৰৰ মাটিত
...
সোণজিৰা মাহীজনী তাৰেই ৰোৱনী।
মাহী
এইবাৰ হ'লে তই আহিব লাগিব ।
বিয়াত নাহিলি নাই—
এইবাৰ বিহুতেই লগে ভাগে এসাঁজ খাবলে
সকলোৰে আশা পালি আছে।'

অসমীয়া কবিতা জগতখনত নিৰ্মলপ্ৰভা বৰদলৈয়ে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। তেওঁৰ কবিতা সমূহত লোকজীৱন তথা লোকমনৰ লোকসংস্কৃতিৰ সমাহাৰ দেখিবলৈ পাওঁ। কেঁচা মাটিৰ গোন্ধ আছে তেওঁৰ কবিতাত। পথাৰ, খেতিয়ক, জাপি, কান্ধত মেটমৰা ডাঙৰি, খেৰ-বাঁহৰ এখন আটোম-টোকাৰি ঘৰ, পথাৰৰ মাজৰ কেঁচা আলি, চৰাই চিৰিকটিৰ কিচিৰ মিছিৰ্ শব্দ প্ৰতিজন অসমীয়া লোকৰে চিনাকি ছবি। কবিৰ 'মৰ্মান্তিক' কবিতাটোত এই সকলো বিলাক চিত্ৰই পৰিস্ফুট হৈছে—

'তেওঁক মই যোৱাগৈ দেখিছিলো
বেলি লহিওৱাৰ পৰত
পথাৰৰ বকিয়াইদি।
মূৰত জাপি
কান্ধত মেটমৰা দুটা ডাঙৰিৰ
জিৰিক জিৰিক মাত
.....
খেৰৰ চুবুৰিটো, বাঁহ বননিৰ
কেঁচা আলিটো
আৰু গান গোৱা চৰাই জাক।'

কবি নিৰ্মলপ্ৰভা বৰদলৈৰ 'কৰুণতম' শীৰ্ষক কবিতাত অতীতৰ স্মৃতি আৰু ভৱিষ্যতৰ প্ৰশ্ন লোকজীৱনৰ চিত্ৰ এনেদৰে প্ৰকাশ পাই উঠিছে—

আহিনৰ পথাৰৰ গোন্ধ
কেনেবাকে নাকত আহি লাগিলে
মই হেৰা পাওঁ মোৰ দেউতাক।
দোকানৰ জাপ ভঙা
গামোচাৰ সুবাসত
মই হেৰা পাওঁ মোৰ আইক
মই মোক
মোৰ সন্তানৰ কাৰণে
ক'ত থৈ যাম
ক'ত!!

নৰকান্ত বৰুৱাৰ 'ক্ৰমশ' কবিতাত অসমৰ লোকসমাজৰ জনপ্ৰিয় সাধু 'চিলনীৰ জীয়েকৰ সাধু' আৰু 'তেজীমলাৰ বিভিন্ন চৰিত্ৰৰ প্ৰতীকাত্মক উপস্থাপন পোৱা যায়।

'ইয়াৰে ৰজাৰে, বাৰীকোঁৱৰৰ সাধুকথা
আমি যুগ যুগ ধৰি নতুন গঢ়েৰে গঢ়িছোঁ

*লোকসমাজৰ অভিন্ন অংগস্বৰূপ লোকসংস্কৃতিৰ লোকাচাৰ বা উৎসৱ অনুষ্ঠানৰ জনমানসত এক বিশিষ্ট স্থান আছে। এই অনুষ্ঠান বা পৰম্পৰা বিলাকে এজনে আনজনৰ কাষ চাপিবলৈ সুবিধা পোৱাৰ লগতে নতুন কৰ্ম প্ৰেৰণা আহৰণ কৰাত সহায় কৰে। আনহাতে লোকাচাৰবিলাক অৱসৰ বিনোদনৰ মাধ্যমো। লগতে লোকসমাজৰ ঐক্যৰ বান্ধোন কটকটীয়া কৰি তোলাতো সহায় কৰে। সাহিত্যৰ সৈতে সংস্কৃতি, সভ্যতা আদি শব্দবোৰ নিবিড় ভাৱে জড়িত, আজিকালি 'লোকসংস্কৃতি' শব্দটোও সাহিত্যৰ এক বিশিষ্ট অংগ হৈ পৰিছে আৰু বিদ্বৎজনৰ বিভিন্ন আলোচনা প্ৰসংগতো এই শব্দটো সঘনাই ব্যৱহাৰ হোৱা শুনা যায়। সংস্কৃতি হৈছে সভ্যতাৰ জ্ঞানময় দিশ আৰু লোকসংস্কৃতি এই সংস্কৃতিৰেই অবিচ্ছিন্ন অংগ। সংস্কৃতিয়ে পূৰ্ণতা লাভ কৰিবলৈ আৰু সমাজ এখন বৰ্তি থাকিবলৈ লোকসংস্কৃতিৰ অধ্যয়ন অপৰিহাৰ্য ।*

তেজীমলা মৰি ফুল কলি হয়
ৰাজকোঁৱৰৰ সোণৰ কাঠিত
পাতালপুৰীৰ ৰাজকুঁৱৰীৰ টোপনি ভাঙে
ওপৰত কাৰ পাখিৰ শব্দ-কলৰ ড্ৰেগন
তাঁতৰ শালত চিলনীৰ জী চকখাই উঠে।

ফুল কোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত, কমলা কুঁৱৰীৰ গীত আদিৰ কাহিনী চৰিত্ৰ আদিক প্ৰতীক হিচাপে ব্যৱহাৰ কৰি বহু কবিয়ে বহুতো কবিতা ৰচনা কৰিছে। কবি নৱকান্ত বৰুৱাই 'ক্ৰমশ' কবিতাৰ মাজেদিয়েই আধুনিক জীৱন যাত্ৰাৰ যান্ত্ৰিকতাই সবল লোক জীৱনৰ গ্ৰাস কৰাৰ ব্যাথা মালিতাৰ জনপ্ৰিয় চৰিত্ৰ, কমলা কুঁৱৰী, ফুলকোঁৱৰ মণিকোঁৱৰৰ উল্লেখেৰে এনেদৰে প্ৰকাশ কৰিছে—

'কমলা কুঁৱৰী, কমলা কুঁৱৰী
জলকোঁৱৰৰ সপোন মিছানে?
পানী ক'ত
পানী কিমান হ'ল
......
কমলা কুঁৱৰী বুলি গ'ল।'

আকৌ কৈছে—

'সাউদে কেৱল পালে
হেজাৰ হেজাৰ ফুলকোঁৱৰৰ
মণিকোঁৱৰৰ
লাওখোলা আৰু জকা।'

বিয়া নাম, আই নাম আদি লোকগীতবিলাকৰ প্ৰভাৱ বহু আধুনিক কবিতাত দেখিবলৈ পোৱা যায়। লোকসাহিত্যৰ উপাদানৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰয়োগে অসমীয়া কবিতাক বৰ্ণাঢ্য ৰূপ প্ৰদান কৰা পৰিলক্ষিত হৈছে।

লোক জীৱনৰ লোকাচাৰ সমূহক জীৱন্ত ৰূপত প্ৰকাশ কৰা জ্যোতিৰেখা হাজৰিকাৰ কবিতা 'আত্ম কথা'ত অসমীয়া সমাজৰ নাৰীৰ জীৱনকেন্দ্ৰিক লোকাচাৰ তোলনী বিয়া, বৰ বিয়াৰ তাৎপৰ্য সমূহ বৰ হৃদয়স্পৰ্শী ৰূপত সুন্দৰভাৱে ফুটাই তুলিছে এনেদৰে—

'কলপুলি এটাক দৰা সাজি আয়তীয়ে খেলিলে
এদিন কইনা দৰা
মন চোতালত আঁকি লক্ষ্মণৰেখা, আয়ে সকীয়নি দিলে ঃ
আগ পিছ চাই খোজ দিবি বাচা
.....
এদিন বোৱতী নদীৰ বোৱতী সোঁতত ঘট ভৰাই
আয়ে তুলিলে পানী
আয়তীয়ে জুৰিলে নাম ঃ
জল ভৰাই যশোদা পিছলৈ নাচাবা গংগা মাও আহিব ভাগি
....
লগুণ গাঁঠিৰ অমোঘ বন্ধনেৰে বান্ধ খালোঁ তেওঁৰ স'তে
আঁখে আহুতি দি সাতখিলা গচকি পাণ
এৰিলো মোৰ জিৰণি ঘৰ
উৰুঙা ৰঙাতলীত বিদায় বাঁহীৰ সুৰ
বৰঘৰ শুৱনি জীয়ৰী ছোৱালী উলিয়াই দিবলৈ টান।'

আজিৰ প্ৰজন্মৰ কবি পৰাগজ্যোতি মহন্তৰ 'টঙিঘৰ' কবিতাত অসমৰ কৃষিজীৱী সমাজে পথাৰত প্ৰথম ধান ৰোওঁতে পালন কৰা 'গোছ লোৱা' লোকাচাৰৰ পালন কৰা ৰীতি নীতি আৰু কৃষকে ইয়াৰ জৰিয়তে প্ৰকাশ কৰা সমৃদ্ধিৰ কামনা প্ৰতিফলিত হোৱা দেখা গৈছে—

'গুৰুক দিম ভতকত দিম
পাছে পচা শৰীৰক দিম
হাত এৰা বাট এৰা
সাতখন পথাৰৰ লখিমী ইয়াতে বাস কৰা।'

তেওঁৰ 'লখিমী' নামৰ কবিতাটোত অসমীয়া সমাজৰ লোকাচাৰৰ সৈতে জড়িত লোকবিশ্বাস। খেতি পথাৰৰ পৰা ঘৰৰ ভঁৰাললৈ প্ৰথম ধানৰ আগ অনা

মাংগলিক কার্য লখিমী আদৰাৰ প্ৰথাৰ ছবি এখনি অংকিত হৈছে। ধানৰ আগ আনোতে এজন মানুহে গা মূৰ ধুই ভক্তি সহকাৰে ধানৰ আগ কলপাতেৰে মেৰিয়াই মূৰত তুলি লৈ অনা হয়। ধানৰ আগ আনোতে উভতি চাব নাপায়। সেয়ে কবিয়ে লিখিছে—

'লখিমী আনোতে উভতি নাচাবি
কথা নাপাতিবি লখিমী উভতি যায়।'

লোকসমাজৰ অভিন্ন অংগস্বৰূপ লোকসংস্কৃতিৰ লোকাচাৰ বা উৎসৱ অনুষ্ঠানৰ জনমানসত এক বিশিষ্ট স্থান আছে। এই অনুষ্ঠান বা পৰম্পৰা বিলাকে এজনে আনজনৰ কাষ চাপিবলৈ সুবিধা পোৱাৰ লগতে নতুন কৰ্ম প্ৰেৰণা আহৰণ কৰাত সহায় কৰে। আনহাতে লোকাচাৰবিলাক অৱসৰ বিনোদনৰ মাধ্যমো। লগতে লোকসমাজৰ ঐক্যৰ বান্ধোন কটকটীয়া কৰি তোলাতো সহায় কৰে।

সাহিত্যৰ সৈতে সংস্কৃতি, সভ্যতা আদি শব্দবোৰ নিবিড় ভাৱে জড়িত, আজিকালি 'লোকসংস্কৃতি' শব্দটোও সাহিত্যৰ এক বিশিষ্ট অংগ হৈ পৰিছে আৰু বিদ্বৎজনৰ বিভিন্ন আলোচনা প্ৰসংগতো এই শব্দটো সঘনাই ব্যৱহাৰ হোৱা শুনা যায়। সংস্কৃতি হৈছে সভ্যতাৰ জ্ঞানময় দিশ আৰু লোকসংস্কৃতি এই সংস্কৃতিৰেই অবিচ্ছিন্ন অংগ। সংস্কৃতিয়ে পূর্ণতা লাভ কৰিবলৈ আৰু সমাজ এখন বৰ্তি থাকিবলৈ লোকসংস্কৃতিৰ অধ্যয়ন অপৰিহাৰ্য।

**সামৰণি ঃ**

কোনো এটি ভাষাৰ সাহিত্য বিকাশ তথা পৰিসৰ নিৰ্ভৰ কৰে বিভিন্ন লোকসাহিত্যৰ উপযুক্ত গৱেষণা আৰু ইয়াৰ প্ৰচাৰৰ ওপৰত। মূল গা-গছসদৃশ অসমীয়া ভাষাটো সজীৱ তথা বিকাশ কৰিবলৈ হ'লে চাৰুলীয়া শিপা সদৃশ বিভিন্ন লোকসাহিত্যৰ উপযুক্ত প্ৰতিপালন তথা প্ৰকাশৰ আৱশ্যক।

অসমৰ লোকসংস্কৃতি আৰু লোক জীৱনৰ অভিন্ন অংগ লোকসাহিত্য, লোকাচাৰ, লোকবিশ্বাস লোকঅভিজ্ঞতা— এই বিভিন্ন দিশ বিলাক অসমীয়া কবিতাৰ সৈতে সাৱলীলভাৱে যুক্ত হৈ থকা দেখা যায়। লোকজীৱন লোকসমাজ আৰু লোকসংস্কৃতিৰ নিভাঁজ ৰূপ আৰু মাধুৰ্যই পুৰণি কালৰ পৰা সাম্প্ৰতিক যুগলৈকে অসমীয়া কবিতাক সমৃদ্ধ কৰি কবিতাৰ সৌন্দৰ্য বঢ়োৱাৰ লগতে অসমীয়া কবিতাক যুগে যুগে পাঠকৰ হৃদয়ৰ আপোন কৰি তুলিছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


অসমীয়া কবিতা ঃ হাজৰিকা, ড° কৰবী ডেকা, প্ৰথম প্ৰকাশ ১৯৯৮
কবি আৰু কবিতা ঃ তালুকদাৰ, নন্দ প্ৰথম প্ৰকাশ ১৯৬১
লিডু ঃ সম্পাদনা মোহন মৰান, লক্ষ্যধৰ সোণোৱাল
সঞ্চয়ন ঃ সম্পাদক নেওগ মহেশ্বৰ, সাহিত্য অকাডেমী ১৯৫৯
অসমীয়া সাহিত্যত দৃষ্টিপাত ঃ ড° শৰ্মা হেমন্ত কুমাৰ।


# সাঁথৰ


**মীনাক্ষী দাস**
দৰ্শন বিভাগ, তৃতীয় ষাণ্মাসিক


অ

১। অ'ত গুম-গুম, ত'ত গুম-গুম, হাতী গুম-গুম কৰে, ব্ৰহ্মপুত্ৰত জুই লাগিছে আনে কোৱাকুই কৰে।

— মেঘৰ গাজনি

২। অগা-পিছা সাতোটা ফুটা অপইতা বাঁহৰ চুঙা, সুললিত সুৰেৰে বিনাই শুনি হও বেঙা।

— বাঁহী।

আ

১। আমাৰ ভাই অজলা, গাৰ বৰণ কজলা, খেদিলে নাযায়, নেখেদিলে যায়, ভাই বৰ জধলা।

— শামুক।

২। আলিয়ে আলিয়ে যায়, মূৰ দাঙি দাঙি চায়।

— বেজী।

# অসমীয়া লোকগীত ঃ এক চমু অধ্যয়ন

**লতিফা বেগম**
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

সাহিত্য বুলিলে পোনেই কবিতা, নাটক, গল্প, উপন্যাস আদি লিখিত গ্ৰন্থৰ বিষয়ে মনলৈ আহে যদিও এনে গ্ৰন্থ সৃষ্টি হোৱাৰ বহু কালৰ পূৰ্বে অৰ্থাৎ লিপিৰ উদ্ভৱ হোৱাৰ বহু আগৰে পৰা জনসাধাৰণৰ মাজত প্ৰচলিত এক প্ৰকাৰ সাহিত্য চলিছিল সেয়া হ'ল লোকসাহিত্য।

কেতিয়াৰ পৰা অসমত লোকসাহিত্যৰ প্ৰচলন আৰম্ভ হৈছিল, কোনেও ক'ব নোৱাৰে। লোকসাহিত্য আদিম যুগৰে পৰা নিৰক্ষৰ লোকৰ দ্বাৰা মুখে মুখে ৰচিত আৰু প্ৰচলিত হৈ আহিছে।

'লোকগীত' অসমীয়া লোকসাহিত্যৰ এটা প্ৰধান অংগ। এই লোকগীতসমূহ অসমৰ অমূল্য সম্পদ। কোনো এটা জাতিৰ সহিত্যৰ অভ্যুদয় ঘটে জাতিটোৰ চহা জনসাধাৰণৰ মুখে মুখে চলি অহা মৌখিক সাহিত্য, জন-সাহিত্য বা লোকসাহিত্যৰে সেন্দূৰীয়া আলিৰে। লোকসাহিত্যৰ ক্ৰমবিকাশৰ প্ৰাথমিক তথা আটাইতকৈ গুৰুত্বপূৰ্ণ স্তৰটোৱেই হ'ল লোকগীত। বিশ্ব সাহিত্যৰ বুৰঞ্জীত দৃষ্টিপাত কৰিলে আমি দেখা পাও যে পদ্যৰ উদ্ভৱ গদ্যতকৈ আগয়ে হোৱা— সেয়েহে প্ৰাথমিক স্তৰত মানুহে তেওঁলোকৰ ব্যস্ততাপূৰ্ণ কৰ্মশীল দিনবোৰৰ ফাঁকে ফাঁকে, উৎসৱ-আনন্দ উৎসাহত তথা বিষাদ গধুৰ হুমুনিয়াহ পেলোৱা সময়বোৰত অন্তৰৰ নিভৃততম কোণৰ পৰা ওলোৱা গীত পদবোৰে মুখে মুখে ৰচনা কৰি গাইছিল। গীতবোৰত থকা তেওঁলোকৰ আপোন মন যুক্ত প্ৰকাশ, তাৰ ছন্দ আৰু লয়ে গীতবোৰৰ স্মৃতিৰ স্থায়িত্ব বজাই ৰখাত সহায় কৰিছিল। চহা জনসমাজৰ মানসিক পৰিমণ্ডলৰ নিভাঁজ প্ৰকাশ এই গীতবোৰ 'ফক চং', 'লোকগীত' আদি আখ্যা দিয়া হয়।

লোকগীতত পৰম্পৰা বুলিলে আমি লোকগীতৰ ভাষা, ছন্দৰ ব্যৱহাৰ, বাদ্যযন্ত্ৰৰ ব্যৱহাৰ, গীত পৰিৱেশনৰ প্ৰণালী আদি সকলো দিশতে দৃষ্টি

“পৰম্পৰা অনুযায়ী এই গীতসমূহত পদ, পয়াৰ, ছবি, দুলৰী আদি ছন্দৰ ব্যৱহাৰ হোৱা দেখা যায়। এই গীতসমূবহ অসমত অতি প্ৰাচীন কালৰে পৰা এক পৰম্পৰা ৰূপে প্ৰচলিত হৈ আহিছে। অসমত প্ৰচলিত বিভিন্ন অনুষ্ঠান, উৎসৱ-পাৰ্বণ, কৰ্মক্ষেত্ৰ, ৰীতি-নীতি আদি সকলো দিশতে এই লোকগীতসমূহে নিজৰ এক সুকীয়া বৈশিষ্ট্যৰে অসমীয়া জনসমাজত পৰম্পৰাগত ভাৱে সোমাই পৰিছে। পৰম্পৰা অনুসৰি এই গীতসমূহৰ সুকীয়া সুকীয়া স্থান আছে। যেনে বিবাহৰ গীতত আমি দেখো যে বিবাহৰ গীতৰ আৰম্ভণি আৰু শেষত মংগল উৰুলি দি গীতৰ আৰম্ভণি আৰু ইয়াৰ পৰিসমাপ্তি কৰা দেখা যায়। কিন্তু কৰ্মক্ষেত্ৰত গোৱা বা আনন্দদায়ক ধেমেলীয়া গীতত উৰুলি দিয়া দেখা পোৱা নাযায়। পৰম্পৰাগতভাৱে এই লোকগীতসমূহত শৃংগাৰ ৰস, হাস্যৰস আৰু করুণ ৰসৰ প্ৰভাৱ সৰুকৈ দেখিবলৈ পোৱা যায়।”

দিব লাগিব। লোকগীতৰ পৰম্পৰা অনুসৰি এই গীতসমূহত চহা গাঁৱলীয়া সমাজৰ ৰীতি-নীতি, গাঁৱলীয়া জীৱনৰ লগত সংশ্লিষ্ট খেতিপথাৰৰ দৃশ্য, চৰাই-চিৰিকটি, গছ-লতিকাৰ সৌন্দৰ্য আদি প্ৰকৃতিৰ এই উপাদানবোৰৰ দ্বাৰা অসমীয়া লোকগীতৰ ইয়াৰ স্থান অপূৰ্ব। লোকগীতসমূহৰ মূল স্ৰষ্টা যিয়েই নহওক লাগে, সমাজৰ ৰুচি আৰু অনুকূল ভাবধাৰাৰ ওপৰত নিৰ্ভৰ কৰিহে এই গীতবোৰ ৰচিত হৈছিল। লোকগীতৰ গঠন ৰীতিৰ ক্ষেত্ৰত আমি ক'ব পাৰো যে চহা জনজীৱনৰ সমূহ ভাবানুভূতিৰ সূক্ষ্ম তথা সাৱলীল প্ৰকাশ এই গীতবোৰৰ গঠন ৰীতি একেবাৰেই সহজ-সৰল। সৰহসংখ্যক গীত চাৰিশাৰী বা একোটি স্তৱকৰ মাজত সম্পূৰ্ণ হয়। ভাবৰ সামঞ্জস্য থাকিলেও আখ্যানমূলক গীতৰ বাহিৰে বাকীবোৰ গীতৰ প্ৰতিটো স্তৱকতে স্বতন্ত্ৰতা লক্ষ্য কৰা যায়।

পৰম্পৰা অনুযায়ী এই গীতসমূহত পদ, পয়াৰ, ছবি, দুলৰী আদি ছন্দৰ ব্যৱহাৰ হোৱা দেখা যায়। এই গীতসমূবহ অসমত অতি প্ৰাচীন কালৰে পৰা এক পৰম্পৰা ৰূপে প্ৰচলিত হৈ আহিছে। অসমত প্ৰচলিত বিভিন্ন অনুষ্ঠান, উৎসৱ-পাৰ্বণ, কৰ্মক্ষেত্ৰ, ৰীতি-নীতি আদি সকলো দিশতে এই লোকগীতসমূহে নিজৰ এক সুকীয়া বৈশিষ্ট্যৰে অসমীয়া জনসমাজত পৰম্পৰাগত ভাৱে সোমাই পৰিছে। পৰম্পৰা অনুসৰি এই গীতসমূহৰ সুকীয়া সুকীয়া স্থান আছে। যেনে বিবাহৰ গীতত আমি দেখো যে বিবাহৰ গীতৰ আৰম্ভণি আৰু শেষত মংগল উৰুলি দি গীতৰ আৰম্ভণি আৰু ইয়াৰ পৰিসমাপ্তি কৰা দেখা যায়। কিন্তু কৰ্মক্ষেত্ৰত গোৱা বা আনন্দদায়ক ধেমেলীয়া গীতত উৰুলি দিয়া দেখা পোৱা নাযায়। পৰম্পৰাগতভাৱে এই লোকগীতসমূহত শৃংগাৰ ৰস, হাস্যৰস আৰু করুণ ৰসৰ প্ৰভাৱ সৰুকৈ দেখিবলৈ পোৱা যায়।

লোকগীতসমূহ পৰিৱেশন কৰোঁতে পৰম্পৰাগতভাৱে চলি অহা কিছুমান বাদ্যযন্ত্ৰৰ ব্যৱহাৰ উল্লেখনীয়। এই গীতসমূহত ব্যৱহাৰ হোৱা কিছুমান পৰম্পৰাগতভাৱে ব্যৱহাৰ হৈ অহা বাদ্যযন্ত্ৰৰ নাম হ'ল— দোতোৰা, টোকাৰী, বাঁহী, টকা, তাল, শংখ, মৃদংগ, নাগৰা, তাল, একতাৰা, দগৰ, ডবা, পেঁপা, সুতলি আদি।

**অসমীয়া লোকগীতত পৰিৱৰ্তন**

অসমৰ লোকগীতসমূহ লোক সাহিত্যৰ এক অনুপম সৃষ্টি। অসমীয়া সমাজৰ ই এক প্ৰধান অংগ। কৃষিজীৱী অসমীয়া সমাজ অতীত কালৰ পৰাই লোকগীতৰ ক্ষেত্ৰত অতি চহকী। দৈনন্দিন জীৱনৰ প্ৰতিটো কৰ্ম, মাংগলিক কৰ্ম, ধৰ্মীয় উৎসৱ, খেল-ধেমালি আদিৰ সৈতে লোকগীত জড়িত হৈ আছে।

সাহিত্যিক দৃষ্টিভংগীৰ ফালৰ পৰা অসমৰ লোকগীতসমূহ অসমীয়া লোকসাহিত্যৰ ধাৰাটোক এক চালিকাশক্তিস্বৰূপ বিহুগীত, আইনাম, বিয়ানাম, ধাইনামকে ধৰি নানান অনুষ্ঠানমূলক গীতসমূহে মৌখিক সাহিত্যৰ দিনৰে পৰা ধাৰাবাহিকতা ৰক্ষাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। বিশেষকৈ যৌৱনৰ উদ্দামত মনা প্ৰাণোচ্ছল বিহুগীত হওক বা সমাজৰ কল্যাণৰ ভাব সমৃদ্ধ হুঁচৰি গীতেই হওক, বৰ্তমান যুগত আধুনিকতাৰ ৰহনেৰে ৰঞ্জিত হৈছে যদিও পুৰণিকলীয়া বিহুগীত বা হুঁচৰি নাইবা আধুনিক বিহুগীত বা হুঁচৰি দুয়ো বিধকে আজিৰ প্ৰজন্মই আঁকোৱালি লৈছে।

বৰ্তমান অসমীয়া লোকগীতৰ বিভিন্ন দিশত ইয়াৰ পৰিৱৰ্তন হোৱা দেখিবলৈ পোৱা যায়। বৰ্তমানৰ যুগ হৈছে পৰিৱৰ্তনৰ যুগ। গতিকে আমি লোকগীততো ইয়াৰ প্ৰভাৱ দেখিবলৈ পাওঁ। যেনে, লোকগীতত পৰিৱেশনৰ দিশত, ইয়াৰ সুৰ, লোকগীতত ব্যৱহাৰ হোৱা বাদ্যযন্ত্ৰৰ ব্যৱহাৰ আদি বিভিন্ন দিশত আমি পৰিৱৰ্তন দেখিবলৈ পাও। পুৰণি কালত অসমীয়া লোকগীত ব্যৱহাৰ হোৱা বাদ্যযন্ত্ৰবোৰৰ বেছিভাগে হাতেৰে তৈয়াৰ কৰা হৈছিল আৰু এই বাদ্যযন্ত্ৰবোৰ পৰিৱেশন কৰোতেও হাত বা মুখৰ ব্যৱহাৰ কৰি এই বাদ্যযন্ত্ৰবোৰ বজোৱা হৈছিল। পুৰণি কালত ব্যৱহাৰ হোৱা বাদ্যযন্ত্ৰবোৰ যেনে দোতোৰা, বাঁহী আদিবোৰ প্ৰকৃতিৰ বুকুত পোৱা সমলেৰে অৰ্থাৎ বাঁহ, বেত, মাটি, কাঠ আদিৰে এই বাদ্যযন্ত্ৰবোৰ প্ৰস্তুত কৰা হৈছিল। কিন্তু বৰ্তমানৰ বাদ্যযন্ত্ৰবোৰ লো,

এমুমিনিয়াম আদিৰে প্ৰস্তুত কৰা আৰু ইয়াৰ পৰা শব্দও সুন্দৰভাৱে ওলাই। বৰ্তমানৰ আধুনিকতাৰ চিনস্বৰূপে এই লোকগীতসমূহত বিভিন্ন ধৰণৰ বাদ্যযন্ত্ৰ বিশেষকৈ ইলেক্ট্ৰনিক বাদ্যযন্ত্ৰৰ ব্যৱহাৰ হোৱাও দেখিবলৈ পোৱা যায়। পুৰণি বাদ্যযন্ত্ৰৰ ঠাইত নতুন নতুন বাদ্যযন্ত্ৰৰ ব্যৱহাৰ হোৱা দেখিবলৈ পাওঁ। যেনে— বিভিন্ন প্ৰকাৰৰ ড্ৰামৰ ব্যৱহাৰ, গীটাৰ, বাইলেণ্ট, হাৰম'নিয়াম, পিয়ানো আদি বিভিন্ন প্ৰকাৰৰ নতুন বাদ্যযন্ত্ৰৰ ব্যৱহাৰ উল্লেখযোগ্য।

লোকগীতসমূহ পৰিৱেশনৰ দিশতো পৰিৱৰ্তন হোৱা দেখা পোৱা যায়। পুৰণি কালত এইবোৰ কেৱল মানুহৰ ঘৰত, খেতিপথাৰত, ধৰ্মীয় অনুষ্ঠানত, মুকলি পথাৰ আদিতহে পৰিৱেশন কৰা হৈছিল। কিন্তু বৰ্তমানৰ সময়ত ইয়াৰ পৰিৱৰ্তন ঘটি ডাঙৰ ডাঙৰ মঞ্চত এই গীতবোৰ পৰিৱেশন হোৱা দেখা যায়। এই লোকগীতত আমি নানা প্ৰকাশৰ পৰা পৰিৱৰ্তন দেখিবলৈ পাও যদিও কিন্তু এই গীতবোৰ নিজৰ মূলৰ পৰা আঁতৰি অহা নাই।

"গোৱালপৰীয়া লোকগীত কোনো ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত নহয়। সাধাৰণতে প্ৰেম গোৱালপৰীয়া লোকগীতৰ মূল বিষয়বস্তু। তাৰ লগত জনজীৱনৰ দৃশ্য, কৃষি, ঈশ্বৰ বন্দনা, দৰ্শন, হাতী বিষয়ক অনেক লোকগীত পোৱা যায়। বিষয় আৰু সাংগীতিক বৈশিষ্ট্য অনুসৰি ইয়াক কেইবাটাও উপ-ভাগত বিভক্ত কৰা হৈছে। তাৰ ভিতৰত প্ৰধান ভাগ দুটা হ'ল— ভাৱাইয়া আৰু চাটকা আৰু। আৰু দুটা ভাগ হ'ল মৈশালী আৰু মাউত। গোৱালপৰীয়া লোকগীত সাধাৰণতে সমৱেত হৈ গোৱা হয় যদিও এককভাৱেও গোৱা দেখা যায়। গোৱালপৰীয়া লোকগীতৰ প্ৰধান বাদ্য হ'ল দোতোৰা। ইয়াৰ লগতে তাল, বাঁহী, একতাৰা, বিশেষ প্ৰকাৰৰ নাগেৰা ইত্যাদি বিভিন্ন প্ৰকাৰৰ লোকবাদ্য ব্যৱহাৰ কৰা হয়।"

### অসমীয়া লোকগীতৰ বৈশিষ্ট্য

১। লোকগীতত জনসাধাৰণৰ বাস্তৱ অভিজ্ঞতা, প্ৰকৃতিৰ আৰু ব্যৱহাৰিক জীৱনৰ পৰা পোৱা বিভিন্ন অভিজ্ঞতাৰ আলম লৈ চহা কবিসকলে লোকগীতসমূহ ৰচনা কৰে। ফলস্বৰূপে লোকগীতসমূহত লোকসমাজৰ এখন স্পষ্ট ছবি প্ৰতিফলিত হয়।

২। প্ৰায়ভাগ লোকগীতৰ ৰচনা কাল সম্পৰ্কে স্পষ্ট আভাস পোৱা নাযায়। অৱশ্যে বুৰঞ্জী আৰু বৈষ্ণৱ ভাব সম্পন্ন গীতৰ ৰচনা কাল অনুমান কৰি ল'ব পৰা যায়।

৩। লোকগীতসমূহ সমৃদ্ধিশালী আৰু বৈচিত্ৰ্যপূৰ্ণ। লোকমনৰ বিভিন্ন অনুভূতিবোৰক চহা কবিয়ে ছন্দোবদ্ধভাৱে ৰচনা কৰিছে। সময়ৰ সোঁতত বিভিন্ন পৰিৱেশত মুখ বাগৰি বাগৰি ই পৰিমাৰ্জিত ৰূপ ধাৰণ কৰিছে।

৪। লোকসমাজৰ আশা-আকাংক্ষা, আৱেগ, অনুভূতি, হাঁহি-কান্দোন, বিৰহ-বেদনা, আনন্দ, জীৱন চেতনা এই লোকগীতসমূহত প্ৰতিফলিত হয়।

৫। অধিকাংশ লোকগীতেই শৃংগাৰ, হাস্য আৰু কৰুণ ৰসৰে ভৰপূৰ। অৱশ্যে কিছুমান লোকগীতত ৰৌদ্ৰ, বীৰ আদি ৰসৰ প্ৰাধান্য লক্ষ্য কৰা যায়।

৬। অধিকাংশ লোকগীতেই পদ, পয়াৰ, ছবি, দুলড়ী আদি ছন্দত পোৱা যায়।

### গোৱালপৰীয়া লোকগীত

গোপালপৰীয়া লোকগীত অসমীয়া লোক-সাহিত্যৰ এক প্ৰধান অংগ। ইয়াৰ পথাৰখন বিচিত্ৰ আৰু বিশাল। গোৱালপৰীয়া লোকসমাজৰ সৌন্দৰ্য চেতনা আৰু আনন্দ বিলাসৰ ধাৰক আৰু বাহকস্বৰূপ লোকগীতসমূহৰ ভূমিকা অবিস্মৰণীয়। যেনে— মদন-কামদেৱৰ গীত, কাতি পূজাৰ গীত, থকা গীত, প্ৰেমমূলক গীত, যেনে— মাহুত বন্ধুৰ গীত, মুই ছালৰ গীত, ঠাইছাল গীত, ইয়াৰ উপৰি ভাৱৰইয়া গীত, কুশান গান, কালাৰ গান আদিয়ে গোৱালপৰীয়া লোকগীত তথা অসমীয়া লোকগীতৰ ভঁৰাল সমৃদ্ধিশালী কৰি তোলাত সহায় কৰিছে।

গোৱালপৰীয়া লোকগীত কোনো ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত নহয়। সাধাৰণতে প্ৰেম গোৱালপৰীয়া লোকগীতৰ মূল বিষয়বস্তু। তাৰ লগত জনজীৱনৰ দৃশ্য, কৃষি, ঈশ্বৰ বন্দনা, দৰ্শন, হাতী বিষয়ক অনেক লোকগীত পোৱা যায়। বিষয় আৰু সাংগীতিক বৈশিষ্ট্য অনুসৰি ইয়াক কেইবাটাও উপ-ভাগত বিভক্ত কৰা হৈছে। তাৰ ভিতৰত প্ৰধান ভাগ দুটা হ'ল— ভাৱাইয়া আৰু চাটকা আৰু। আৰু দুটা ভাগ হ'ল মৈশালী আৰু মাউত। গোৱালপৰীয়া লোকগীত সাধাৰণতে সমৱেত হৈ গোৱা হয় যদিও এককভাৱেও গোৱা দেখা যায়। গোৱালপৰীয়া লোকগীতৰ প্ৰধান বাদ্য হ'ল দোতোৰা। ইয়াৰ লগতে তাল, বাঁহী, একতাৰা, বিশেষ প্ৰকাৰৰ নাগেৰা ইত্যাদি বিভিন্ন প্ৰকাৰৰ লোকবাদ্য ব্যৱহাৰ কৰা হয়।

গোৱালপৰীয়া লোকগীতটোৰ লগত পৰিৱেশনৰ কথা জড়িত হৈ আছে। গোৱালপৰীয়া লোকগীত পৰিৱেশন নিজস্ব গায়ন পদ্ধতি আছে। লোকগীতৰ

সমালোচকসকলে গোৱালপৰীয়া গীতৰ গায়ন পদ্ধতিক বিভিন্ন ধৰণে শ্ৰেণী বিভাজন কৰিব পাৰি। ধীৰেন দাসে গোৱালপৰীয়া লোকগীতৰ সুৰক চাৰিটা ভাগত ভাগ কৰি এনেদৰে দেখুৱাইছে—

ক) ভাওৱাইয়া, ভাসান বা চিতাল,

খ) চট্‌কা

গ) মইষালী

ঘ) চাৰুৱা।

উদাহৰণস্বৰূপে তলত এটি মইষালী গীতৰ উল্লেখ কৰা হ'ল—

'অ' চেংৰা মৈছেৰা দাফাদাৰ ভাই,
দালা (দোলা) সাজাও দালা মাজাও
চল মৈছাল বাতানেতে মাই।
আমাৰ বাৰীত সাইস মুইছাল
মুইছাল বইসতে দিবৰ পীৰা
থাইতে দিব পাণ চুপাৰি
বাটা ভৰা গুৱা, মুইছাল ৰে
আমাৰ বাৰীত মহিস মুইছালৰে
মুইছাল সহিতে দিবৰে চিকন চিৰা
গোৱালপৰীয়া টেঙা দৈ
গৌৰীপুৰৰ মালভোগ কলাৰে।'

গোৱালপৰীয়া লোকগীতসমূহৰ মাজেৰে ব্যক্তিৰ ৰুচিবোধ, দৈহিক সৌন্দৰ্য আৰু সামাজিক জীৱনধাৰাৰ ইংগিত প্ৰকাশ পায়।

**কামৰূপী লোকগীত**

অসমীয়া লোকগীতৰ ভিতৰত কামৰূপী লোকগীত উল্লেখযোগ্য। লোকগীতৰ বিষয়বস্তু উপস্থাপন, কৌশল, পৰিৱেশন শৈলী আৰু ভাষিক পাৰ্থক্য আদি দিশৰ পৰা কামৰূপী লোকগীত বৈচিত্ৰ্যময়। কামৰূপী লোকগীতত অসমৰ পূব আৰু পশ্চিম অঞ্চলৰ লোকগীতৰ সুৰ-লয়ৰ বৈশিষ্ট্য মিহলি হৈ আছে আৰু ইয়াৰ লগত সত্ৰীয়া সংগীত আৰু থলুৱা ওজাপালি সংগীতৰ সুৰ তথা কিছু উপাদান সংপৃক্ত হৈ পৰিছে।

কামৰূপী লোকগীত ভক্তিমূলক, ধৰ্মনিৰপেক্ষ, কিংবদন্তিমূলক, বুৰঞ্জীমূলক আদি নানা ধৰণৰ গীতৰ সমাহাৰেৰে যুক্ত। কিন্তু অধিকাংশ কামৰূপী লোকগীতৰে বিষয়বস্তু অসমৰ বৈষ্ণৱ ধৰ্মৰ গীত-মাতৰ ওচৰ চপা যদিও সামগ্ৰিক দিশত গীতৰ কিছু বিষয়-বৈচিত্ৰ্য তাৎপৰ্যপূৰ্ণ আৰু মন কৰিবলগীয়া। গীতবোৰ সুধৰ্মী আৰু লৌকিক ৰস সম্পৃক্ত হৈ গীতসমূহক আকৰ্ষণীয় কৰি তুলিছে। এই লোকগীতবোৰ লোকজীৱনৰ চিত্ৰ, নৈসৰ্গিক চিত্ৰ আৰু আলংকৰিক প্ৰয়োগেৰে সু-ব্যৱস্থা। কামৰূপী লোকগীতক বিভিন্ন শাখা-উপশাখাত বিভাজন কৰি আলোচনা কৰিব পাৰি। ঋতু সম্বন্ধীয় প্ৰণয়গীত, কৃষি সম্বন্ধীয় গীত, আইনাম, বিয়ানাম, নাও খেলোৱাৰ গীত, ফাঁকুৱা উৎসৱৰ গীত, মহখেদা গীত আদিৰ জৰিয়তে বৃহত্তৰ কামৰূপৰ সাতামপুৰুষীয়া পৰম্পৰা আৰু লোকবিশ্বাস ফুটি উঠিছে। আয়তীসকলে পৰিৱেশন কৰা গীতবোৰত আকৌ এক প্ৰকাৰৰ স্তুতি পৰিলক্ষিত হয়। জ্বৰ-বসন্ত আদি ৰোগ হ'লে আয়তীসকলে সামূহিকভাৱে প্ৰাৰ্থনাসূচক লোকগীত পৰিৱেশন কৰে। শীতলা দেৱী, মনসা দেৱী, লক্ষ্মী দেৱী আদি দেৱীক স্তুতি কৰি গৃহস্থৰ তথা ৰাইজৰ মংগল কামনা কৰা হয়। যেনে—

"হালি আছে বৰগছ এ
এ আই ধৰি আছে কৰি
আইৰ নামত ফুল দেও
হাতযোৰ কৰি এ
হালি আছে বৰগাছ এ।"

সেইদৰে বিবাহ আদি পৰ্ব হ'লে সুকীয়া ধৰণৰ গীত পৰিৱেশন কৰা হয়।

কামৰূপী লোকগীতৰ বিশাল ভাণ্ডাৰক সঠিকৰূপত সংৰক্ষণ কৰাটো অত্যন্ত প্ৰয়োজনীয়। বিশেষকৈ নতুন প্ৰজন্মৰ মাজত এই বিষয় লৈ আলোচনা, পৰিৱেশন আৰু গৱেষণা কাৰ্য হোৱা যুগুত। সেয়া সম্ভৱ হ'লেহে কামৰূপী লোকগীত সময়ৰ কঠিন প্ৰবাহৰ মাজতো নজহা-নপমা অমৰ কৃতি হৈ উজ্বলি থাকিব। এই দিশত সংস্কৃতিপ্ৰেমী আৰু অনুসন্ধিৎসু লোকে বিশেষ ভূমিকা পালন কৰাটো বাঞ্ছনীয়। কামৰূপী লোকগীতৰ উচিত সংৰক্ষণ আৰু চৰ্চাৰ জৰিয়তে উত্তৰ পুৰুষলৈ সুন্দৰ নজিৰ ৰাখি যোৱাকৈ আজিৰ সময়ৰ দাবী। আশা কৰো এই দিশত সঠিকৰূপত খোজ পেলাবলৈ সকলো আগুৱাই আহিব আৰু কামৰূপী লোকগীতৰ সমুজ্জ্বল আৰু অম্লান বৈভৱক চিৰকাল জিলিকাই ৰাখিব।











# 'অসমীয়া সাজ-পাৰ আৰু আ-অলংকাৰ ঃ এক চমু অধ্যয়ন

**শিখা শৰ্মা**
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

অসম এখন বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিৰ মিলনভূমি। এই মনোমোহা ৰাজ্যখনৰ মানুহবোৰ বিশেষকৈ আৰ্য, মংগোলীয়, অষ্ট্ৰিক আৰু ব্ৰহ্মদেশীয় মূলৰ লোক। সকলো জাতি-উপজাতি সন্মিলিত হৈ গঢ় দিছে বৃহত্তৰ অসমীয়া সংস্কৃতিৰ। অসমত বসবাস কৰা জাতি-জনগোষ্ঠীসমূহ আৰু তেওঁলোক প্ৰত্যেকৰে সংস্কৃতি, কলা-কৃষ্টি, সাজ-পাৰ তথা সমাজ ব্যৱস্থাৰ এক সুকীয়া পৰিচয় আছে। বড়ো, কছাৰী, কাৰ্বি, মিৰি, ৰাভা আদি বিভিন্ন জাতিৰ মানুহে অসমত বসবাস কৰে। বেছিভাগ জনজাতিৰ নিজস্ব ভাষা আছে যদিও অসমীয়াই হৈছে অসমত প্ৰচলিত মুখ্য ভাষা। অধিকাংশ অসমীয়া মানুহেই বৈষ্ণৱ পন্থাত বিশ্বাসী। বৈষ্ণৱসকলে বিভিন্ন ধৰণৰ মূৰ্তি পূজা নকৰি নাম-কীৰ্তন কৰে, য'ত ভগৱান বিষ্ণুৰ গুণ-গৰিমা বৰ্ণনা কৰা হয়। অসমৰ সাংস্কৃতিক বিন্যাস গঠনত প্ৰভাৱ বিস্তাৰ কৰা, দুই সাংস্কৃতিক আৰু ধৰ্মীয় পন্থাৰ প্ৰথমটো হৈছে ধৰ্মীয় মহিমাৰে মহিমামণ্ডিত তথা সাংস্কৃতিক চৰ্চাৰ কেন্দ্ৰস্থল ৪০০ বছৰ পুৰণি 'সত্ৰ'সমূহ আৰু দ্বিতীয়তে হ'ল নামঘৰ। ঈশ্বৰক স্মৰণ-কীৰ্তন আৰু উপাসনা কৰা ধৰ্মীয় প্ৰতিষ্ঠান। গাঁৱৰ লোকসকল সাধাৰণতে স্থায়ী ভক্তপ্ৰাণ ৰাইজে ঈশ্বৰৰ গুণ-গৰিমা গাবলৈ নামঘৰৰ সদস্য হিচাপে জড়িত হৈ থাকে। গাঁওসমূহ প্ৰায়ে বিভিন্ন জাতিৰ পৰিয়ালৰে গঠিত।



অসমত জাতিভেদ প্ৰথা যদিওবা আছে, ই ভাৰতৰ আন ঠাইৰ দৰে চকুত লগা ধৰণৰ বা প্ৰমুখ নহয়। আন ধৰ্ম যেনে বৌদ্ধ, খ্ৰীষ্টিয়ান, হিন্দু, ইছলাম ইত্যাদি ধৰ্ম অসমত প্ৰচলিত। বছৰত তিনিবাৰকৈ বহু আনন্দ-উৎসাহেৰে জাতি-ধৰ্ম, বৰ্ণ নিৰ্বিশেষে পালন কৰা বিহু হ'ল অসমৰ জাতীয় বা ৰাজ্যিক উৎসৱ। যুগ যুগ ধৰি বিভিন্ন জাতি-জনগোষ্ঠী মিলি

সন্মিলিতভাৱে বৃহত্তৰ অসমীয়া সংস্কৃতি গঢ়ি উঠিছে।

পুৰণি কালৰ পৰা অসমীয়া সংস্কৃতি আৰু ইয়াৰ সাজ-পাৰ আৰু আ-অলংকাৰৰ কথা প্ৰচলিত আছে। অসমীয়া সমাজত পুৰুষ-নাৰী উভয়ে আ-অলংকাৰ তথা সাজ-পাৰৰ কথা বুৰঞ্জীত পোৱা যায়। নাৰীসকলৰ মেখেলা, ৰিহা, চেলেং আদি আৰু পুৰুষসকলৰ ধুতি, পাগ ইত্যাদিৰ কথাও উল্লেখ আছে। আ-অলংকাৰৰো নাৰী-পুৰুষৰ মাজত অভিন্নতা দেখা যায়। মহিলাসকলে কেৰু, গামখাৰু, জোনবিৰি আৰু বেনা, চিতি, পাতি, নাকফুলি। আনহাতে পুৰুষসকলে মতামণি, মগৰদানা আদি ব্যৱহাৰ কৰা দেখা যায়। অসমীয়াৰ বিশ্বাস অনুভৱ, গৌৰৱৰ পৰিচয় ইত্যাদিৰ বাবে ব্যৱহৃত অসমীয়া সংস্কৃতিৰ বহুতো গুৰুত্বপূৰ্ণ প্ৰতীকাত্মক উপাদান আছে। এই সৰ্বস্বীকৃত প্ৰতীকসমূহ হ'ল অসমীয়া 'গামোচা', 'জাপি', তামোল-পাণ', 'শৰাই' আদি। অসমৰ মহিলাসকলে পৰিধান কৰা পাৰস্পৰিক সাজ-পোছাক হ'ল 'মেখেলা-চাদৰ' আৰু অসমীয়া সংস্কৃতিৰ এক অভিন্ন অংগ হ'ল— 'অসমীয়া গহনা'।

**গামোচা ঃ** প্ৰতিজন অসমীয়াৰ বাবে গামোচা হৈছে অতি সমাদৃত সহজে পৰিচিত আৰু বহু গুৰুত্বপূৰ্ণ সাংস্কৃতিক প্ৰতীকস্বৰূপ। সকলো ধৰ্মীয়, সামাজিক, ৰাজনৈতিক আয়োজনত সম্বৰ্ধনা জনাবৰ বাবেও গামোচা ব্যৱহাৰ কৰা হয়। অসমত বসবাস কৰা জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৱে গামোচা ব্যৱহাৰ কৰে। নামঘৰৰ গুৰুআসন আৰু লাইখুঁটিত গামোচাৰ এক বিশেষ স্থান আছে।

**জাপি ঃ** 'জাপি' হৈছে পৰম্পৰাগত শংকু আকৃতিৰ এটা অসমীয়া টুপী, যিটো বাঁহ বা বেত অন্যথা 'টকৌ পাত'ৰ সংমিশ্ৰণেৰে নিৰ্মাণ কৰা হয়। 'জাপি' শব্দটোৰ উৎপত্তি 'জাপ' শব্দৰ পৰা হৈছে। যাৰ অৰ্থ টকৌ পাতৰে ভৰ্তি হৈ থাকে দ'ম। 'জাপি' ব্যৱহাৰ বহুক্ষেত্ৰত দেখিবলৈ পোৱা যায়। খেতিয়কসকলে পৰিধান কৰে কৃষি কাৰ্যত বৰ্তি থকা সময়ত ৰ'দ-বৰষুণৰ পৰা ৰক্ষা পাবলৈ। বিহু নচাৰ সময়ত ইয়াৰ শোভা বঢ়াবৰ কাৰণে কৰে। অতিথিক আদৰণী জনোৱাৰ চিহ্ন স্বৰূপে তথা সজোৱা বস্তু হিচাপে ইয়াক চ'ৰা ঘৰত ৰখা হয়। অলংকৃত 'জাপি' অসমীয়া ৰাজ পৰিয়ালৰ লোকসকলে নিজৰ আভিজাত্যৰ প্ৰতীক চিহ্ন হিচাপে প্ৰয়োগ কৰিছিল।

**তামোল-পাণ ঃ** 'তামোল-পাণ' খোৱা পাণ অসমীয়া সমাজত ভক্তি, শ্ৰদ্ধা, মান-সন্মান, আদৰ আৰু বন্ধুত্ব ইত্যাদিৰ চিহ্ন হিচাপে প্ৰদান কৰা হয়। অতিথি আপ্যায়নৰ ক্ষেত্ৰত সন্মানৰ চিনস্বৰূপে কাঁহৰ বঁটাত 'তামোল-পাণ' যঁচা হয়। তামোল-পাণ হৈছে অসমীয়া সংস্কৃতিৰ এক অভিন্ন অংগ।

**শৰাই ঃ** পিতলেৰে নিৰ্মিত 'শৰাই' হৈছে অসমৰ অন্য এটা সংস্কৃতিৰ পৰম্পৰাগত চিহ্নস্বৰূপ। শৰাইক মান আৰু সন্মানৰ উচ্চ প্ৰতীক বুলি অসমীয়া মানুহে গণ্য কৰে। কাঁহ আৰু পিতলৰ শিল্পৰ বাবে সুপ্ৰসিদ্ধ হাজো আৰু সৰ্থেবাৰীয়ে অতীতৰে পৰা সমাদৰ লাভ কৰি আহিছে। উপহাৰ হিচাপে প্ৰদান কৰাৰ লগতে সম্বৰ্ধনা জনাবৰ বাবেও শৰাই ব্যৱহাৰ কৰা হয়।

চাদৰ-মেখেলা ঃ অসমত বিভিন্ন ধৰণৰ চিল্ক বা ৰেচম পোৱা যায়। ইয়াতে আটাইতকৈ প্ৰসিদ্ধ আৰু গৌৰৱপূৰ্ণ ৰেচম হ'ল মুগা, অসমৰ অন্যান্য প্ৰকৃতিৰ সোণালী ৰেচম। 'মুগা'ৰ উপৰি আন দুই প্ৰকাৰৰ ৰেচম হ'ল 'পাত'। এক ধৰণৰ ক্ৰীম সদৃশ উজ্জ্বল ৰূপালী ৰঙৰ ৰেচম আৰু 'এৰী', যি জাৰকালি গৰম কাপোৰ তৈয়াৰ কৰিবলৈ ব্যৱহৃত হয়। অসমৰ পাৰস্পৰিক ৰেচম উদ্যোগৰ কেন্দ্ৰ শুৱালকুছিৰ উপৰি, ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো অংশত, গাঁৱৰ ঘৰবোৰত ৰেচম আৰু উৎকৃষ্ট মানৰ বোৱা ৰেচম বস্ত্ৰ উৎপাদন কৰা হয়। তদুপৰি অসমৰ বিভিন্ন জাতীয় সাংস্কৃতিক সম্প্ৰদায়সমূহে অদ্বিতীয় ৰূপাক্ষণ আৰু অদ্ভুত ৰঙৰ মিশ্ৰণেৰে বোৱা বিভিন্ন ধৰণৰ সূতাৰ বস্ত্ৰ বনায়।

পৰম্পৰাগত মেখেলা-চাদৰ সূতা, মুগা, পাট, ৰেচম বা এৰী ৰেচমেৰে তৈয়াৰ কৰা হয়। যদিও আজি-কালি কটন আৰু মুগা বা পাট ৰেচমৰ সৈতে কিছুমান কৃত্ৰিম সামগ্ৰীৰ মিশ্ৰণেৰে সুলভ মূল্যত মেখেলা-চাদৰ তৈয়াৰ কৰা দেখা যায়।

মেখেলা চাদৰ হ'ল অসমীয়া মহিলাসকলে পৰিধান কৰা এক পৰম্পৰাগত স্বদেশী বস্ত্ৰ। এই পোছাক মুখ্যতঃ দুখন কাপোৰৰ সমাহাৰ, যাক শৰীৰত সকলো ফালে পকাই পিন্ধা হয়। তলৰ অংশক, কঁকালৰ তলৰ পৰা পকাই পিন্ধা অংশক মেখেলা বোলে। চাদৰ হ'ল এখন দীঘল কাপোৰৰ টুকুৰা, যাৰ এটা অংশ মেখেলাৰ ওপৰৰ অংশত সুমুৱাই লোৱা হয় আৰু বাকীখিনি শৰীৰৰ অংশত পকাই লৈ ব্লাউজত পিন কৰা হয়। অসমীয়া বিয়াৰ কইনা বা আন পৰম্পৰাগত উৎসৱ যেনে বিহু আদিত আজিও ৰিহা পৰিধান কৰা হয়।

**অসমীয়া গহনা ঃ** অসমীয়া সংস্কৃতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সম্পদসমূহৰ ভিতৰত এটা উল্লেখযোগ্য সম্পদ হ'ল অসমীয়া গহনা। ই সাধাৰণতে কেঁচা সোণ নামৰ সামগ্ৰীৰে তৈয়াৰ কৰা হয়। এই গহণাসমূহ দেখিবলৈ বৰ ধুনীয়া আৰু অসমীয়া সংস্কৃতিৰ এটা অতি গৌৰৱৰ অংশ। অসমীয়া গহনাৰ অন্তৰ্ভুক্ত জনপ্ৰিয় কেইবিধমানৰ ভিতৰত আছে অতি সুন্দৰ কাণফুলি, লাকাপাৰ, কেৰু, থুৰীয়া, জাংফাই, দীঘল কেৰু, নো বা মাকৰী, বিভিন্ন ধৰণৰ হাৰসমূহৰ ভিতৰত আছে গলপতা, সাতসৰী, জোনবিৰি,



বেনা, গেজেৰা, ধোলবিৰি, ডুগডুগী, বিৰিমণি, মুকুতামণি, পোৱালমণি, শিলিখা মণি, মগৰ দানা আৰু বিভিন্ন ধৰণৰ আঙঠিৰ ভিতৰত আছে সোণপতা, হৰিণ চকুৰা, জেঠী নেজীয়া, বাখাৰ পতা আৰু অন্যান্য।

### অসমীয়া লোকসংস্কৃতি

কোনো এটা জাতিৰ বৈশিষ্ট্যসূচক শিল্প-সাহিত্য, বিশ্বাস, সমাজনীতি, ধৰ্মীয় ৰীতি-নীতি, কৃষি, কৰ্ম, শিক্ষা, চৰ্চা, কলা, ৰুচি আদিৰ সমাৱেশক একেলগে সংস্কৃতি বা কৃষ্টি বুলিব পাৰি। বিভিন্ন ভাষা-ভাষী, জাতি-জনজাতিৰে গঠিত অসমীয়া সংস্কৃতিৰ পৰিসৰ অতি বিশাল। অসমীয়া সংস্কৃতি অনৈক্যৰ মাজত ঐক্যৰ নিদৰ্শনস্বৰূপ বিভিন্ন ভাষা-ভাষীৰ লোক যথা অসমীয়া, বাংলা, বড়ো, আবৰ, মিৰি, নেপালী আৰু বিভিন্ন ধৰ্ম সম্প্ৰদায়ৰ লোক যথা হিন্দু, বৌদ্ধ, মুছলমান, খ্ৰীষ্টান আদিৰ সংমিশ্ৰণত গঢ়ি উঠিছে। তলত অসমীয়া লোকসংস্কৃতিৰ দিশবোৰ চমুকৈ আলোচনা কৰা হৈছে।

### অসমীয়া সাজ-পাৰ আৰু আ-অলংকাৰ

কোনো ব্যক্তিৰ সাজ-পাৰ যিদৰে ব্যক্তিজনৰ স্বভাৱ-চৰিত্ৰ অথবা ব্যক্তিত্বৰ পৰিচায়ক সেইদৰে জাতীয় সাজ-পাৰ জাতিৰ সংস্কৃতিৰ পৰিচায়ক। অসমীয়া জাতিৰ সাজ-পাৰৰ প্ৰচলন প্ৰাচীন কালৰে পৰা চলি অহাৰ আভাস অসমৰ মূৰ্তিবোৰৰ পৰা পাব পাৰি। শ্ৰীহৰ্ষ চৰিত্ৰ আৰু কালিকা পুৰাণৰ পৰাও প্ৰাচীন অসমৰ সচিত্ৰ পুথিবোৰে পুৰণি অসমৰ সাজ-পাৰ সম্পৰ্কে জানিবলৈ দিয়ে। অসমৰ সাজপাৰৰ সম্পৰ্কে বিচাৰ কৰিলে পুৰুষ আৰু নাৰী উভয়ৰে বিভিন্ন তথ্য পোৱা যায়।

ক) **অসমীয়া সাজ-পাৰ ঃ** সভ্যতাৰ আৰম্ভণিৰ পৰাই মানুহে লজ্জানিবাৰণৰ বাবে গছৰ ডাল-পাত বা বাকলি পৰিধান কৰি আহিছে।

লাহে লাহে গছৰ ডালৰ পাত বাকলিৰ পৰা নানা কৌশল অৱলম্বন কৰি তাৰ প্ৰস্তুতৰ জৰিয়তে সাজ-পাৰ তৈয়াৰ কৰি পৰিধান কৰিবলৈ শিকিলে।

অসমতো অতি প্ৰাচীন কালতেই বস্ত্ৰ শিল্পৰ বিকাশ সাধন হোৱা পৰিলক্ষিত হয়। বহু পুৰণি শাস্ত্ৰত অসমৰ বস্ত্ৰ শিল্পৰ উল্লেখ পোৱা যায়।

ৰজা ভাস্কৰ বৰ্মনে উপঢৌকনত উৎকৃষ্ট ৰেচমী মিহি কাপোৰ ব্যৱহাৰ কৰাৰ কথা ড° লীলা গগৈৰ অসমীয়া সংস্কৃতি নামৰ গ্ৰন্থত উল্লেখ আছে।

### অসমীয়া মানুহৰ সাজ-পাৰ

**ৰিহা ঃ** অসমীয়া নাৰীয়ে পৰিধান কৰা ৰিহা সাধাৰণতে আঠ হাত দীঘল আৰু ডেৰ হাত বহল তথা দুতৰপীয়া আছিল। সাধাৰণতে ৰাজ পৰিয়াল বা সম্ভ্ৰান্ত পৰিয়ালৰ মহিলাই পাট বা মুগা আৰু পৰিয়ালৰ নাৰীসকলে এৰী, ৰিহাৰে আৱৰি ৰাখে। বুকুৰ পৰা কঁকাল, তপিনা পৰ্যন্ত ৰিহা মেৰাই লোৱা হয়। ৰিহাই কাষলতিৰ পৰা পিঠিখনলৈ সম্পূৰ্ণৰূপে আৱৰি ৰাখে। ৰিহা কেইবা বিধৰো আছে। যেনে দহি অলিয়া, গৰিয়লী, ওপাকটা, কেছ বছা, আছুতালীয়া, বৰৈ লগা, আঁচলে পাৰিয়ে গুণা কটা ইত্যাদি। তাতীতত ৰিহা কেৱল বিবাহিত মহিলাইহে পৰিধান কৰাৰ নিয়ম আছিল।

**মেখেলা ঃ** অসমীয়া নাৰীয়ে ভৰিৰ পৰা গাঁঠিলৈকে পেলাই সন্মুখৰ ফালে দুটামান ভাঁজ দি কঁকালৰ তলৰ অংশত মেখেলা পৰিধান কৰে। মেখেলাক বহু ভাগত পোৱা গৈছিল। যেনে ঃ গোমচেঙৰ মেখেলা, বুটা বছা মেখেলা, চাটনৰ মেখেলা, কাঁচিসৰ বন কৰা মেখেলা, গুণা কটা মেখেলা, মুগাৰ মেখেলা, কিং খাপৰ মেখেলা, গাঁড়ী দিয়া মেখেলা, নৰা মেখেলা, তিতাকৰীয়া মেখেলা ইত্যাদি।

**ধুতি ঃ** ধুতি বা চুৰিয়া হ'ল অসমীয়া পুৰুষসকলে পৰিধান কৰা বস্ত্ৰ। ইয়াক কঁকালৰ পৰা তলত আৰু আঁঠুৰ তললৈ প্ৰায় খাৰ গাঁঠিলৈকে পৰিধান কৰে। ধুতি সাধাৰণতে আঁঠুৰ পৰা বাৰ হাত দীঘল আৰু বহলে দুইৰ পৰা আঢ়ৈ হাত হয়।

চেলেং ঃ চেলেং হ'ল পৰম্পৰাগত অসমীয়া সাজ-পাৰ। ইয়াক শৰীৰৰ ওপৰ অংশত পৰিধান কৰা হয়। ইয়াৰ দীঘল ছয় হাত আৰু বহলে তিনি হাত হয়।

চেলেঙৰ দুয়োটা মূৰত যিকোনো ৰঙৰ নাই বা মুগা সূতাৰে পাৰি দিয়া থাকে। কোনো ধৰণৰ ফুল দিয়া নাথাকে। চেলেং সাধাৰণতে উত্তৰীয়া হিচাপে পুৰুষ-মহিলা সকলোৱে ব্যৱহাৰ কৰে।

**খনীয়া ঃ** অসমীয়া সমাজত খনীয়া কাপোৰৰ গুৰুত্ব মৰ্যাদাসম্পন্ন আছিল। এই বস্তুখিনি দীঘলে বাৰ হাত আৰু বহলে তিনি হাত হয়। চেলেং কাপোৰৰ দৰেই খনীয়া কাপোৰখনিও শৰীৰৰ ওপৰত অংশতেই পৰিধান কৰা হয়। শীতকালত এইবিধ বস্ত্ৰ গাত মেৰাই লোৱা দেখা যায়। খনীয়া কাপোৰ পূৰ্বতে যৌতুকত দিয়া হৈছিল।

চোলা ঃ পুৰণি দিনত অসমত বহু প্ৰকাৰৰ চোলাৰ প্ৰচলন আছিল, যেনে- নৰা চোলা, এঙা চোলা, হলৌ চোলা, মিৰ্জাই, ফুটৰৈ, মোগলাই, ঘাগৰা, গোমচেং, চাটন, বুটাদাৰ, জালিচোলা আদি। স্বৰ্গদেউ তথা উচ্চস্তৰীয়া বিষয়াসকলে পিন্ধা চোলাক চাপকণ বোলা হয়। চোলাত বুটামৰ সলনি গাঁঠি ব্যৱহাৰ কৰা হৈছিল, গাঁঠিবোৰত হাড় বা কপাহী সূতাৰ বটিকা ব্যৱহাৰ কৰিছিল।

পাগ ঃ অসমীয়া সমাজত পাগুৰিক পাগ বুলিও জনা যায়। ই গাম্ভীৰ্যতাৰ প্ৰতীক হিচাপেও চিহ্নিত। পাগ বা পাগুৰি তৈয়াৰ কৰিবলৈ বিছ হাত দীঘল আৰু এহাত বহল কাপোৰ ব্যৱহাৰ কৰা হয়। বিয়াত দৰা, ভাওনা-সবাহত সূত্ৰধাৰ আৰু গায়ন-বায়নসকলে পাগৰ আৰ্হিৰ জামা পৰিধান কৰা দেখা যায়।

গামোচা ঃ অসমীয়া শিপিনীয়ে মৰমৰ দীঘ দি চেনেহৰ বাণিৰে যিখন ভামকাফুলীয়া বস্ত্ৰ আকৃতিৰ চেনেহ ধালি বৈ উলিয়াইছিল সেইখনেই হৈছে প্ৰতিজন অসমীয়াৰ অতি আদাৰৰ গামোচা। অসমীয়া সমাজৰ সকাম, অনুষ্ঠানত গামোচাৰ স্থান সবাতোকৈ আগত।

### অসমীয়া আ-অলংকাৰ

**আ-অলংকাৰ ঃ** অসমীয়া পুৰুষ আৰু মহিলা উভয়ে অলংকাৰ পৰিধান কৰিছিল। পুৰুষে পিন্ধা অলংকাৰৰ ভিতৰত লোকাপাৰ, মতামণি, কেৰু, আঙঠি, বিৰি, মগৰ দানা আৰু গামখাৰু উল্লেখযোগ্য।

**লোকাপাৰ ঃ** এই বিধ অলংকাৰ পুৰুষে কাপত পিন্ধিছিল। ইয়াৰ মূল চানেকি হ'ল চাৰিটা পাৰ চৰাই আৰু ইহঁত সাৰনাথৰ সিংহ দৰে চাৰিওফালে মুখ কৰা।

**মতামণি ঃ** পুৰুষে ডিঙিত মতামণি পিন্ধিছিল। মতামণিবোৰ সোণৰ বাখৰ-পতোৱা মণি, ভিতৰি ফোপোলা। ভিতৰত লো বা মাটি ভৰোৱা থাকে।

**কেৰু ঃ** পুৰুষে পিন্ধা কেৰু সৰু আৰু পাতল আছিল। এই কেৰুক কেৰু বুলিছিল। ইয়াৰ চানেকি ফুলি থকা পদুম বা বুকুল ফুল।

**বিৰি ঃ** ডিঙিত পুৰুষে বিৰিও পিন্ধিছিল। বিৰিবোৰ কেতিয়াবা মতামণিত ওলোমাই পিন্ধিছিল।

**গামখাৰু ঃ** পুৰুষসকলে হাতত সাধাৰণতে ৰূপৰ আৰু বিশেষ ক্ষেত্ৰত সোণৰ গামখাৰু পিন্ধিছিল। গামখাৰুত লতা, ফুল আদিও খোদিত থাকে। সোণৰ গামখাৰুত বাখৰ পতোৱাও আছিল।

মহিলাসকলে মূৰৰ পৰা ভৰিলৈকে নানা ধৰণৰ অলংকাৰ পৰিধান কৰিছিল। মূৰৰ খোপাত অসমীয়া মহিলাসকলে ৰূপৰ ফুল আৰু বনকৰা কাকৈ পিন্ধিছিল।

**ডিঙিৰ অলংকাৰ ঃ** অসমীয়া মহিলাই ডিঙিত গলপতা পিন্ধিছিল। গলপতা ডিঙিত কপকপীয়াকৈ লাগি থাকে। গলপতা ডাঙৰ দুয়োকাষে দুডাল মণি বা শিকলি থাকে। ডিঙিত ওলোমাই পিন্ধ তানবোৰ অলংকাৰ হৈছে— হাৰ, ডুগডুগি, মণি, চিপামণি, মটৰমণি, সাতসৰী ইত্যাদি।

**গেজেৰা ঃ** ই হৈছে খাৰুৰ মাজৰ উঠঙা অংশ অলপ চেপেটা আৰু জোনবিৰিৰ দৰে উভয় মূৰে মোৰ থোৱা আৰু গাত বাখৰ পতা অসমীয়া মহিলাৰ ডিঙিৰ অলংকাৰ।

**ডুগডুগি ঃ** ডিঙিৰ পৰা বুকুলৈ পিন্ধা এবিধ সোণৰ অলংকাৰ। ই দেখিবলৈ পাণ এখিলাৰ দৰে। সোণত খচিত ডালিমগুটীয়া বাখৰেৰে ইয়াৰ লটকণটো তৈয়াৰ কৰা হয়।

**কাণৰ অলংকাৰ ঃ** অসমীয়া মহিলাসকলে কাণত কাণফুলি, কেৰু, সোণ বা মাকৰি পিন্ধিছিল। কাণফুলি সৰু ছোৱালী কাৰণেহে পিন্ধোৱা হৈছিল।

**জংফাই কেৰু ঃ** অসমীয়া মহিলাসকলে লো-জাতীয় জাংফাই কেৰুও পিন্ধিছিল। জাংফাই কেৰুৰ দুয়োমূৰে সোণ খটোৱা আৰু বাখৰ-পতোৱা থাকে। অলপ সৰু কেৰুবোৰক থুৰীয়া জাংফাই বুলিছিল।

**চিতি-পাৰি ঃ** চিতি-পাতি চুলিৰ তলত কপালত পিন্ধা অলংকাৰ। পোনকৈ সেওঁতা ফলা মূৰত। সেওতাৰে এধাৰ আৰু দুয়োকাষে দুধাৰ হাৰৰ সমষ্টিয়েই তিতি পাতি।

**হাত আৰু আঙুলিৰ অলংকাৰ ঃ** অসমীয়া তিৰোতাই হাতত মুঠি খাৰু আৰু খুচুৰীয়া খাৰু পিন্ধিছিল। মুঠিখাৰুৰ নিচিনা দীঘলীয়া অনেক প্ৰকাৰৰ হাতৰ অলংকাৰ পুৰণি ভাস্কৰ্যত পোৱা যায়।



# অসমীয়া সংস্কৃতিত 'তামোল-পাণ

**বিউটী কাঠাৰ**
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

তামোল-পাণ অসমীয়া সমাজৰ এক অপৰিহাৰ্য উপাদান। তামোল এবিধ গছত লগা ফল আনহাতে পাণ হ'ল এবিধ লতাজাতীয় উদ্ভিদ। তামোল-পাণে অসমীয়া জাতীয় জীৱনক কিমান যে অৰিহণা যোগাইছে তাৰ সীমা নাই। ঔষধ, সামাজিক, ধৰ্মীয় কাৰ্যত তামোল-পাণৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। ক'বলৈ গ'লে তামোল-পাণৰ অবিহনেই যেন সকলো মাংগলিক কাম আধৰুৱা হৈ পৰে। সাধাৰণতে অসমৰ গাঁওবোৰত ইয়াৰ অধিকতম ব্যৱহাৰ দেখা পোৱা যায় যদিও চহৰ অঞ্চলতো ইয়াৰ ব্যৱহাৰ কম নহয়। বৰ্তমান বহুলোকে তামোল-পাণ বিক্ৰী কৰিয়েই জীৱন নিৰ্বাহ কৰি আছে।

তামোলৰ আন এক নাম হ'ল গুৱা। ইংৰাজীত ইয়াক Arecanut বা Betel nut বোলা হয়। বৈজ্ঞানিক নাম হ'ল Areca Catechu। ভাৰতৰ বিভিন্ন প্ৰদেশত ভিন ভিন ৰূপত ইয়াৰ ব্যৱহাৰ দেখা যায়। কেঁচা তামোলৰ লগত পাণ খোৱাটো অসমীয়া সমাজৰ এক বিশেষত্ব।

কোনো কোনোৰ মতে তামোল খোৱা প্ৰথাটো দ্ৰাবিড়ীয় প্ৰথা। কাৰণ তামোল শব্দটোৱেই মালায়ালম ভাষাৰ 'বেটিল্লা' শব্দৰ পৰা অহা। পশ্চিম উপভূমিলৈ অহা পৰ্টুগীজ ব্যৱসায়ীসকলে এই দ্ৰাবিড়ীয় শব্দটো সৰ্বত্ৰ প্ৰচাৰ কৰে। Areca শব্দটোৱো উৎপত্তি দাক্ষিণাত্যতে। কানাড়ী 'অড়িকে' শব্দৰ পৰা এই শব্দটো আহিছে। মহামহোপাধ্যায় কাণ্েৰ মতে দক্ষিণ ভাৰতত তামোলৰ প্ৰৱৰ্তন সম্ভৱতঃ খ্ৰীষ্টীয় শতিকাত আৰম্ভ হোৱাৰ কিছুদিনৰ পূৰ্বে। ইয়াৰ পাছতহে এই প্ৰথা উত্তৰ ভাৰতলৈ বিয়পে।

অসমীয়া সমাজত তামোল খোৱা অভ্যাসটো সকলো স্তৰৰ লোকৰে আছে। সাধাৰণতে ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৰে সকলো সময়তে তামোল খায়। বিশেষকৈ ভাত খোৱাৰ পাছত মুখশুদ্ধি

হিচাপে তামোল খোৱাটো অসমীয়া সমাজৰ বৈশিষ্ট্য। কিছুমান লোকৰ অনবৰতে তামোল খোৱা অভ্যাস, আনকি ৰাতি সাৰ পাই উঠি তামোল খোৱা অভ্যাস বহুতো বয়সীয়াল অসমীয়া মানুহৰ আছে। বুঢ়ালোকসকলে খুন্দনা ব্যৱহাৰ কৰি মিহিকৈ খুন্দি লৈ তামোল খায়। কেনো কোনোৱে তামোল খোৱা ৰীতিটো দ্ৰাবিড় সংস্কৃতিৰ পৰা অহা বুলি কয়।

সংস্কৃত সাহিত্যত বিশেষকৈ ঋকবেদৰ পৰা আৰম্ভ কৰি ব্ৰাহ্মণ উপনিষদৰ সময়লৈ আৰু ৰামায়ণ-মহাভাৰত আদি মহাকাব্যৰ যুগলৈকে তামোলৰ ব্যৱহাৰ উল্লেখ ক'তো পোৱা নাযায়। সম্ভৱতঃ ভাত খোৱাৰ পাছত তামোল খোৱাৰ প্ৰথাটো পালি সাহিত্যতহে পোৱা যায়। স্মৃতিশাস্ত্ৰত ভাত খোৱাৰ পাছত তামোল খোৱা ৰীতিৰ উল্লেখ আছে।

**তামোল-পাণৰ উৎপত্তি ঃ** তামোল গছৰ পৰা তামোলৰ উৎপত্তি হয় আৰু পাণ গছৰ থাবিৰ পৰা পাণ। তামোল-পাণ এটা আনটোৰ পৰিপূৰক। তামোল গছডাল প্ৰাপ্তবয়স্ক অৱস্থালৈ দীঘলে প্ৰায় ৫০ ফুটমান ওখ আৰু ৬-৭ ইঞ্চিমান বহল হয়। পাণ এবিধ লতাজাতীয় গছ। অসমত সাধাৰণতে তামোল, মদাৰ, নাৰিকল আদি গছৰ গুৰিত ইয়াক ৰোপণ কৰা হয়। কোনো কোনো ঠাইত বাঁহৰ চাং পাতিও ইয়াৰ খেতি কৰা হয়।

তামোল গছ এবিধ শাখা-প্ৰশাখাবিহীন তালজাতীয় উদ্ভিদ। তামোল হিচাপে খোৱা ফলবোৰ এই গছত ঠোকে-ঠোকে লাগে। পূৰঠ তামোল জেঠ-আহাৰ মাহত ভাল সঁচৰ নিৰোগী গছৰ পৰা বাছি লৈ প্ৰথমে গজালি ওলাবলৈ পচাই লোৱা হয়। এনেদৰে তামোলৰ পালেং প্ৰস্তুত কৰি পোল্কৰ ছেঃ মিঃ মান দূৰে দূৰে লগোৱা হয়।

তামোল পুলি ৰোৱা ঠাইডোখৰত পানী জমা হ'ব নালাগে। তামোল পুলি ৰোৱাৰ ৫-৬ বছৰ পাছত ফল লাগিবলৈ আৰম্ভ কৰে। তামোল থোক হিচাপে লাগে। একে জোপা গছত এবাৰতে কেইবাটাও তামোলৰ থোক ধৰে। একেবাৰে ওপৰৰ থোকৰ তামোলতকৈ তলৰ থোকৰ তামোল খাবলৈ বেছি ভাল হয়। জেঠৰ পৰা শাওণ মাহৰ ভিতৰত তামোলবিলাক পৈণত হৈ পকি উঠে। তামোলৰ ফুল বিলাকক ডাবি বুলি কয়। আৰু ডাবি মেলা পদ্ধতিক ডবিওৱা বুলি কয়। গছৰ পকা তামোল বিলাক যথা সময়ত সংগ্ৰহ কৰি আনি ভাল-বেয়া, ডাঙৰ-সৰু ভাগ কৰি বাছি পেলোৱা হয়। অসমীয়া মানুহে অভিনৱ পদ্ধতিৰে তামোল সংৰক্ষণ কৰে। তামোল বিলাক শুকুৱাই নষ্ট নহ'বৰ কাৰণে মাটিত গাঁত খান্দি পুতি থয়। ডেৰ-দুই ফুট ব্যাসাৰ্ধৰ ৩-৪ ফুট দ' গাত খান্দি গাঁতৰ তলত আৰু চাৰিওফালে তামোলৰ ঢকুৱা পাৰি দি হিচাপ কৰি (৪ টাই ১ অঁৰা, ২০ অঁৰাই ১ পোণ) তামোলেৰে গাঁতটো পুৰাই দিয়া হয়। গাঁতটো পূৰ হ'লে পুনৰ ঢকোৱাৰে তামোলখিনি ঢাকি দি তাৰ ওপৰত বতাহ সোমাব নোৱাৰাকৈ টানকৈ মাটি চপাই দিয়া হয়। ইয়াকে তামোল গেৰোৱা বুলি কয়। ইয়াৰ ফলত বাহিৰৰ বাকলিখন গেলি গৈ ভিতৰৰ খোৱা তামোল ফলটো বহুদিনলৈকে ভালে থাকে। গেৰোৱা তামোলৰ আদৰ সুকীয়া। অস্থায়ীভাৱে ঘৰত ব্যৱহাৰ কৰিবলৈ বহুতে মাটিৰ কলহ বা টেকেলিত পানী ভৰাই ডুবাই থয়। তেতিয়াও বাকলি গেলি যায়। বাকলি গেলিলে অৱশ্যে বেয়া গোন্ধ ওলায়। তথাপি তামোল খোৱা অসমীয়া মানুহে লেভ এৰিব নোৱাৰে।

পাণ এবিধ লতা জাতীয় উদ্ভিদ। অসমীয়া মানুহে সাধাৰণতে তামোল গছতে পাণ গছ বগাবলৈ সুবিধা কৰি দিয়ে। কোনো কোনোৱে অৱশ্যে অন্য গছ আৰু চাঙো পাণ বগাবলৈ ব্যৱহাৰ কৰে। কেইবাটাও প্ৰজাতিৰ পাণ আছে। যেনে— গোন্ধ পাণ, সাঁচী পাণ, মিঠা পাণ, আউলী পাণ ইত্যাদি। তদুপৰি উৎপাদন হোৱা স্থানৰ নাম অনুসৰিও পাণৰ নাম কৰণ হোৱা দেখা যায়। যেনে— অসমীয়া পাণ, নগা পাণ, খাচী পাণ, গাৰো পাণ, বাংলা পাণ ইত্যাদি। প্ৰকাৰভেদে পাণৰ সোৱাদৰ তাৰতম্য হোৱা দেখা যায়।

অংগজ প্ৰজননৰ দ্বাৰা পাণৰ বংশ বৃদ্ধি কৰা হয়। তিনি-চাৰিটা গাঁঠি থকা পূৰঠ ঠেঙুলি আনি প্ৰথমে চপাই লোৱা হয়। পানী জমা নোহোৱা সাৰুৱা মাটি পাণৰ কাৰণে উপযোগী। পচাই থোৱা ঠেঙুলি বিলাকৰ পৰা গজালি আৰু শিপা ওলালে বাৰিষা বতৰত সেইবোৰ তুলি আনি তামোল গছৰগুৰিৰ পৰা দুফুটমান আঁতৰত এটা আহল-বহল দ' গাত কৰি তাত পচন জাতীয় সাৰ দি ৰোৱা হয়। চাং বা খুঁটিত বগোৱাৰ ব্যৱস্থা কৰিব খুজিলে পাণৰ পুলিবোৰ তিনিফুটমান আঁতৰে-আঁতৰে ৰুব লাগে। ৰোৱাৰ পাছত বাঢ়ি অহা আগবিলাক সাৱধানেৰে বান্ধি দি বগাবলৈ সুবিধা কৰি দিয়া হয়। দুবছৰমান পিছৰ পৰা পাণ গছ ক্ৰমে উপাদানক্ষম হৈ উঠে। পৰিকল্পিতভাৱে তামোল-পাণৰ খেতি কৰি ব্যৱসায়িক সফলতা আৰু অৰ্থনৈতিকভাৱে স্বাৱলম্বী হৈ বহু পৰিয়াল চলি আছে।

**ধৰ্মীয় ৰীতি-নীতি আৰু অনুষ্ঠানত তামোল-পাণ ঃ** ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানসমূহত গুৱা-পাণ বা তামোল-পাণৰ ব্যৱহাৰ অসমীয়া সমাজত অপৰিহাৰ্য। তামোল-পাণ আগবঢ়াইহে যিকোনো ধৰ্মীয় বা সামাজিক অনুষ্ঠান আৰম্ভ কৰা হয়। আনকি আলহী অতিথিকো প্ৰথমে গুৱা-পাণেৰেহে অভ্যৰ্থনা কৰা হয়। তামোল-পাণৰ শৰাই আগবঢ়োৱাটো অতি সন্মানৰ চিন। উৎসৱ পাৰ্বণৰ বাবে গায়ন-বায়নৰ দল নিমন্ত্ৰণ কৰি আনোতে আৰু

সেইদৰে গায়ন-বায়ন বা নাম-কীৰ্তন আৰম্ভ কৰোতে তামোলৰ শৰাই আগবঢ়োৱা নিয়ম আছে। বিহুৰ দিনা মান্যলোকক সেয়া সংস্কাৰ কৰোতে, শিক্ষাগুৰুক সেৱা কৰোঁতে তামোল-পাণৰ ব্যৱহাৰে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। ব'হাগ বিহুৰ সময়ত গৃহস্থই বিহুৱা দল বা হুঁচৰি দলক ফুলাম গামোচাৰে সৈতে তামোল-পাণ এথোক দি সেৱা কৰে আৰু বিহুৱা দল বা হুঁচৰি দলে মঙ্গলাশীৰ্বাদ দিয়াৰ প্ৰথা অতীতৰ পৰা প্ৰচলিত হৈ আহিছে।

ধৰ্মীয় কাৰ্যৰ পূজা-পাৰ্বণ, নাম-প্ৰসংগ আদিৰ বাবে যি নৈবেদ্য আগবঢ়োৱা হয় সেই নৈবেদ্যৰ লগতো তামোল-পাণ অপৰিহাৰ্য। পূজাৰ পুৰোহিত আৰু নামৰ পাঠকক তেখেতসকলৰ দায়িত্ব অৰ্পণ কৰাৰ সময়ত তামোল-পাণ আগবঢ়োৱা হয়। দীক্ষা লোৱাৰ সময়ত গুৰুৰ ঘৰলৈ গৈ তামোল-পাণৰ শৰাই আগবঢ়োৱাৰ উপৰি পৰৱৰ্তী সময়ত গুৰুক সাক্ষাৎ কৰোতেও তামোল-পাণ আগবঢ়াই মান ধৰাৰ নিয়ম। বেজ, ওজা, জ্যোতিষী আদিৰ ওচৰটো তামোল-পাণ আগবঢ়াব লাগে। অসমীয়া লোকে দৈৱ, ভাগ্য আদি বিশ্বাস কৰে। ভাগ্যচক্ৰত পৰি কোনো বিপদ-আপদ, অপায়-অমংগলৰ সন্মুখীন হ'লে সেইবিলাকৰ পৰা পৰিত্ৰাণ পাবলৈ কোনো দেৱ-দেৱীৰ পূজা-অৰ্চনা বা নাম-প্ৰসংগ আদিৰ বাবে মানস কৰে। মানস কৰাৰ সময়ত তামোল-পাণ এযোৰ কলপাতেৰে মেৰিয়াই থৈ দিয়ে আৰু যথা সময়ত মানস কৰা শুভ কাৰ্য ফেৰা সম্পন্ন কৰে।

তামোলে অসমীয়া সংস্কৃতিত ইমানেই প্ৰভাৱ পেলাইছে যে তাৰ লগত উপমা দি বিহুগীত ৰচিত হৈছে এনেদৰে—

'দেখিবলৈ শুৱনি তোমাৰ বুকুখনি
কুমলীয়া তামোলৰ থোক।
মিচিকিয়া হাঁহিটি লাহৰী ওঁঠতে
কোন স'তে এৰি যাওঁ তোক।'

'বাৰীৰ ডেওনা মুকলি জপনা
মদাৰৰ আলি পাণ।
বাটৰ মগনীয়া সুধিব পাৰোঁ মই
দেহাৰে সোধাটো টান।'

'তোমাৰ কটা তামোল নেখাও ঐ লাহৰী
আমাৰে মৰিব কুল।।'

'থুৰিয়াই কাটিলা তামোল তিনিখনি
নুৰিয়াই বান্ধিলা পাণ।
তামোল তিনিখনি খাবৰে পৰা
পাহৰি থকাটো টান।'

কাতি বিহুৰ দিনা পথাৰত আকাশ বাতি (আকাশবন্তি) দিওতে প্ৰথমে কেঁচা তামোল ব্যৱহাৰ কৰা হয়। আৰু সেইদিনাৰ পৰাই কেঁচা তামোল খোৱাৰ নিয়ম। পকা তামোল মাটিত পুতি থৈ সাঁচি থোৱাৰো নিয়ম আছে।

লখিমী সবাহৰ নামতো তামোল-পাণৰ বিষয়ে উল্লেখ আছে—

'ঠায়ে মচি দিয়া পাতে পাৰি দিয়া
লখিমী আই আহিলে বুলি
ৰাঙলী ৰঙা পাপ গুৱা মাটি দিয়া
গুৱা ভালে কৰি তুলি।'

**প্ৰেম নিবেদনৰ ক্ষেত্ৰত তামোল-পাণ ঃ** প্ৰেমৰ ক্ষেত্ৰতো তামোল-পাণে বিশেষ তাৎপৰ্য বহন কৰি আহিছে। তামোল-পাণে ডেকা-গাভৰুৰ হিয়াৰ আদান-প্ৰদানৰ মাধ্যম হিচাপে কাম কৰে। তামোলে আনকি ডেকাৰ অন্তৰৰ বেদনাও প্ৰকাশ কৰে। লোকলৈ চুপতি কৰা নাই লাহৰী মনত কথাষাৰ আহে, তামোল হোৱা হ'লে ফালি যেন দেখুৱাম ভিতৰত কি কথা আছে।' অসমীয়া সংস্কৃতিৰ অন্যতম লোকগীতসমূহত বহুল অংশত তামোলক প্ৰেম-ভালপোৱাৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰি অহা হৈছে।

লোহাৰ শিকলিৰে বান্ধি ৰাখিব নোৱাৰা ডেকা-গাভৰুৰ অফুৰন্ত যৌৱনৰ মনটো মাত্ৰ তামোলখনেই বান্ধিব পাৰিছিল। এই তামোলখনেই প্ৰেমত বলিয়া ডেকা-গাভৰুৰ যৌৱনৰ অফুৰন্ত ভাব প্ৰকাশ কৰিব পাৰিছে। অতীতত ডেকাই গাভৰুক তামোল এখন খোজাৰ কৌশলৰে প্ৰেম যাচিছিল আৰু গাভৰুৱেও কটা তামোলখনি দি হিয়া উবুৰিয়াই যচা প্ৰেমৰ আশা দিছিল। কোনো কালেই ডেকাক নিৰাশ নকৰিছিল। থুৰিয়াই থুৰিয়াই তামোল কাটি দিছিল আৰু তাৰ মাজতে দিছিল লং আদি বিহুগীতৰ মাজতে ডেকা-গাভৰুক পৰস্পৰে-পৰস্পৰক নিচেই কাষলৈ চপাই আনে। ডেকাই গাভৰুৰ পৰা নিজে কটা তামোল পালে মনৰ আনন্দত আত্মহাৰা হয় আৰু জীৱনত সাৰ্থকতা পাইছোঁ বুলি বিশ্বাস কৰে।

থুৰিয়া তামোলখনিত নিহিত যাদু আছে, পীৰিতি আছে, অকৃত্ৰিম ভালপোৱাৰ চেনেহ আছে, যুৱীয়া জীৱনৰ সুৱীয়া মাত আছে, যৌৱনৰ বিজয় জংকা আছে, নিষ্কলংক প্ৰেমৰ অমোঘ অস্ত্ৰ আছে। তেনে মন্ত্ৰাবৃত্ত তামোলখনি ডেকাই নাখাই থাকিব নোৱাৰে আৰু খালেও হেঁপাহ নোপলায়—

'নেখায়ো নোৱাৰো খালেও নাখুৱায়।
চেনাইৰে তামোলখনি।।
থুৰিয়া তামোলেৰে আহুদি কৰিছিল।
মোৰ গাত লাগিছে শনি।।"

অতীজত তামোলৰ লগত আহুদি দি মানুহৰ

মন ভোলাই দিছিল যাৰ ফলত মৰমৰ গাভৰুজনীৰ বাবেই অলিয়া-বলিয়া হৈ পৰিছিল, যাৰ ৰাগি কিমান নিৰ্মম, কিমান অসত্য বেনদাসিক্ত। কিমান কৰ্কশ, কিমান কঠোৰ সেয়া বিহুগীতত সুন্দৰকৈ প্ৰতিফলিত হৈছে—

'কি কথা কৰিলা কি বুধি কৰিলা
থুৰিয়া তামোলৰ লগত।
খাওতে শোওতে উঠোতে বহোতে
সদায় পৰি থাকে মনত।।'

বিয়া-বাৰুৰ ক্ষেত্ৰত তামোল-পাণ ঃ বিয়া-বাৰুৰ ক্ষেত্ৰতো তামোল-পাণৰ ব্যৱহাৰ অসমীয়া সমাজত এৰাব নোৱাৰা। আগৰ দিনত ল'ৰাৰ ঘৰৰ ফালৰ পৰা ছোৱালী ঘৰত বিয়াৰ প্ৰস্তাৱ দিয়া অৰ্থাৎ ছোৱালী খুজিবলৈ যাওঁতে দৰাঘৰৰ মানুহে লগত তামোলৰ থোক নিয়াৰ নিয়ম। তাৰ পাছতহে দুয়োপক্ষৰ মাজত মত বিনিময়ৰ অন্ততঃ ল'ৰা-ছোৱালীৰ মাজত বিয়াৰ বন্দৰস্ত হয়। গৃহস্থজনৰ কাৰণে অকলে ৰভা-পৰলা দি, নিমন্ত্ৰিতক আদৰ-আপ্যায়ন কৰি বিবাহৰ সকলো কাৰ্য এককভাৱে সমাধা কৰাটো সম্ভৱ নহয়। তেনে ক্ষেত্ৰত তামোল-পাণৰ শৰাইৰে সৈতে সমাজৰ লোকসকলৰ আগত আঁঠু লৈ সহায় বিচাৰিলে, বিবাহ অনুষ্ঠান সুকলমে সমাধা কৰাত সকলোৱে লগ লাগি সহায় কৰি দিয়ে।

বিবাহ, উপনয়ন আদি অনুষ্ঠানলৈ অভ্যাগতক নিমন্ত্ৰণ কৰোঁতে আগ-গুৰি কটা তামোল-পাণ শৰাইত সজাই শৰাই ঢকাৰে ঢাকি সম্ভ্ৰমেৰে নিমন্ত্ৰণ কৰাৰ নিয়ম। বৰ্তমান যুগত ছপা চিঠিৰ প্ৰচলন যদিও বিশেষ বিশেষ ব্যক্তিক নিমন্ত্ৰণৰ ক্ষেত্ৰত তামোল-পাণৰ ব্যৱহাৰ এতিয়াও প্ৰচলিত। নিমন্ত্ৰিত অতিথিক আহি ৰভা তলৰ বিবাহস্থলীলৈ উলিয়াই দিবলৈ দৰা ঘৰৰ ফালৰ পৰা কইনা ঘৰক অনুৰোধ জনাব লগা হয়। তেতিয়াও তামোল-পাণৰ শৰাইৰ প্ৰয়োজন হয়। দৰাৰ সম্বন্ধীয়া জ্যেষ্ঠজনক কইনা ফালৰ পৰা আৰু কইনাৰ সম্বন্ধীয় জ্যেষ্ঠজনক দৰাৰ ফালৰ পৰা সন্মান জনোৱাটো এটা পৰম্পৰা। ইয়াক 'মানধৰা' বুলি কোৱা হয়। এই মান ধৰা পৰ্ব পালন কৰোঁতে মান্যানুসাৰে চাদৰ, গামোচা আদি বস্ত্ৰৰ লগতে গোটা তামোল-পাণ আগবঢ়াই সন্মান জনোৱা হয়। বিবাহ কাৰ্য সম্পন্ন হোৱাৰ পাছত দৰা ঘৰলৈ উলিয়াই পঠাওতে লগত থোক তামোল আৰু পাণ দি পঠোৱা হয়। বিয়াৰ দিনা পুৱতি নিশা দৰাৰ ঘৰত দৰাক আৰু কইনাৰ ঘৰত কইনাক ঘৰৰ দুৱাৰমুখত ভিতৰমুৱাকৈ বহুৱাই আয়তীসকলে দুখন পাণত দৈ লগাই লৈ দুয়োখন পাণ দুহাতত লৈ দৰা-কইনা উভয়ৰে গাল-মুখ, হাত-ভৰি আদি বিভিন্ন অংশত সানি দিয়ে। ইয়াক 'দৈয়ন দিয়া 'বুলি কয়। বিবাহ কাৰ্যৰ অন্যান্য পৰ্বতো তামোল-পাণৰ ব্যৱহাৰ হয়। বিবাহ কাৃৰ্য আৰম্ভ হোৱাৰ পৰা শেষ হোৱালৈকে দৰা-কইনা উভয়েই এযোৰ তামোল কটাৰী ৰখাৰ বিধি আছে। আনকি বিবাহ কাৰ্যত কইনাক পাণ গছ কাইট পিতৃৰ গোত্ৰ ত্যাগ কৰি স্বামীৰ গোত্ৰ গ্ৰহণ কৰোৱা হয়। অসমৰ কিছুমান ঠাইত গ্ৰহণ কৰোৱা হয়। অসমৰ কিছুমান ঠাইত পাণ ছিঙি দৰা-কইনাৰ বিবাহ বিচ্ছেদ ঘটোৱা প্ৰথা প্ৰচলিত।

আহোমৰ চক্‌লং বিবাহ পদ্ধতিটো তামোল-পাণৰ প্ৰয়োজনৰ বিষয়ে বুৰঞ্জীত আছে। কাঁহৰ বাটি ভৰাই দৈ, এৰা গাখীৰ, মৌ, চেনি, ঘিউ মিহলোৱা পঞ্চামৃত একটি আনি ৰজাৰ ওচৰত দিয়ে। তাৰে পৰা আঙুলি লগাই আনি মুখলৈ টোঁৱাই সুঙি পেলাই খৰিকা লৈ মুখে পানী লৈ তামোল চোবাব। এইদৰে পুনঃ পুনঃ একৈশ বেলি পঞ্চামৃত সুঙি ২১ডাল খৰিকা, ২১ চলুপানী, ২১খন থুৰীয়া তামোল চোবাই পেলাব পায়।

বাৰীত তামোল-পাণ ৰোৱা অসমীয়া গাঁৱলীয়া মানুহৰ ধৰা-বন্ধা ৰীতি। অসমীয়া মানুহৰ প্ৰিয় কথা এফাঁকি মন কৰিবলগীয়া। ছোৱালীজনী বিয়া দিওঁতে সকলোৰে দুখ লাগে। সেয়ে বিয়া নামত গোৱা হয়, 'আগফাল শুৱনি কাকিনী তামোলে পাছফাল শুৱনি পাণ বৰঘৰ শুৱনি জীয়ৰী ছোৱালী উলিয়াই দিবলৈ টান।'

**দৰৱ আৰু মন্ত্ৰ হিচাপে তামোল-পাণৰ ব্যৱহাৰ ঃ** অসমৰ বহুতো বন দৰৱত তামোল-পাণ আৱশ্যকীয় উপাদান। অসমৰ বেজ, কবিৰাজসকলে পেটৰ বিষ, দাঁতৰ বিষ আদিত তামোল উপকাৰী বুলি গণ্য কৰিছিল। তামোলৰ পিক গৰুৰ ছাল আৰু চকুৰ বেমাৰৰ দৰৱ হিচাপে ব্যৱহাৰ কৰা হৈছিল। তামোল-পাণে হজম শক্তি বঢ়াই বাবে মুখশুদ্ধি হিচাপে ব্যৱহাৰ কৰা হয়। তামোল-পাণে মুখৰ দুৰ্গন্ধ আঁতৰোৱাতো সহায় কৰে। তামোল-পাণৰ অলৌকিক গুণ থকা বুলি ধৰা হৈছে। তামোলৰ মন্ত্ৰ কৰাকে 'আহুদি' কৰা বুলি কোৱা হৈছিল। গিৰীয়েকে ঘৈণীয়েকক আৰু ঘৈণীয়েকে গিৰীয়েকক বশ কৰিবলৈ তামোল-পাণত মন্ত্ৰ কৰা হৈছিল। এইটোও বিশ্বাস কৰা হৈছিল যে চূণেৰে সৈতে তামোল-পাণ কোনো জলচৰ প্ৰাণীৰ মুখত লগাই সেই তামোল-পাণ গিৰীয়েকক বা ঘৈণীয়েকক খুৱালে ইজনে আনজনৰ বশ হয়। কালিকা মন্ত্ৰ মাতি চোবোৱা তামোলখন কাৰোবাৰ ঘৰৰ চাৰিসীমাৰ ভিতৰত পেলোৱা হয়। তেনেহ'লে গৃহস্থৰ টোপনি নহা বেমাৰ হয়।



# অসমীয়া জাতীয় উৎসৱ 'বিহু'ৰ লোকাচাৰ

**জেউতি দাস**
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

ভূমিকা ঃ সংস্কৃতি হৈছে বোৱঁতী নদীসদৃশ। সময়ৰ বিৱৰ্তনৰ লগত সংগতি ৰাখি সংস্কৃতিয়ে ৰীতি-নীতি, আচাৰ-অনুষ্ঠানক বুকুত সাবটি নতুনত্বৰ দিশেৰে ধাৰমান হয়। পুৰণিক পাহৰি নতুনক সাবটি লোৱাই প্ৰকৃতিৰ নিয়ম। সংস্কৃতিৰ ক্ষেত্ৰখনেও সময়ৰ আহ্বানক প্ৰত্যাহ্বান নজনাই একে দিশে গতি কৰি নতুনত্বৰ ধাৰা অক্ষুণ্ণ ৰাখে। ফলত নতুন ৰীতি-নীতি আদিৰ সংবৰ্ধন হয়। এয়ে হৈছে আৱহমান পৰম্পৰা।

অসমৰ লগত অসমৰ কোনো দাঁতিকাষৰীয়া ৰাজ্যতো কোনো জাতি-জনজাতিৰ লোকে বিহু বা ইয়াৰ সমান্তৰাল উৎসৱ পালন কৰা দেখা যায়। ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা এই ভূখণ্ডত বিভিন্ন গোষ্ঠীয় লোকে তেওঁলোকৰ উৎসৱ অনুষ্ঠান পালন কৰি আহিলেও আন্নপ্ৰতীক সময়ত গঠিত ধৰ্ম-বৰ্ণ নিৰ্বিশেষে অসমৰ মানুহে জাতি-উৎসৱ বুলি আদৰি লোৱাৰ উৎসৱটিয়েই হ'ল বিহু। তদুপৰি প্ৰবাসী অসমীয়াসকলৰ জৰিয়তে বিহুৱে আজি সাত সাগৰ তেৰ নদী সিপাৰৰ বিদেশৰ মঞ্চ কঁপাবলৈ সক্ষম হৈছে।

বিহুৰ এক বৈশিষ্ট্য হ'ল জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো লোকে একেলগে উদ্‌যাপন কৰিব পৰা উৎসৱ, যিখন অসমৰ সকলো জনগোষ্ঠীৰ সমন্বয়ৰ প্ৰতীক। বিহুৰ আৱেগিক সম্পৰ্কক অসমীয়া জীয়াই থাকে মানে কেতিয়াও পাহৰিব নোৱাৰিব।

## অসমীয়া সংস্কৃতি

সংস্কৃতি যদি জাতীয় জীৱনৰ ধাৰ হয়, বিহুৰ লগতে অসমীয়াৰ জাতীয় জীৱনৰ ওতপ্ৰোত সম্পৰ্ক হৈ আছে। সংস্কৃতি মানুহৰ সৌন্দৰ্যবোধ, সৃষ্টি প্ৰতিভা আৰু মানসিক উৎকৰ্ষ বা মানৱতাবোধৰ গইনা লৈ সৃষ্টি হয়।

অসমীয়া সংস্কৃতিৰ আটাইকেইপদ বহুমূলীয়া অনদ বিহুৰ লগত জড়িত হৈ আছে। আৰু সংস্কৃতি যদি বোৱঁতী নৈ, সংস্কৃতি যদি সমন্বয়ৰ সৃষ্টি তেনেহ'লে এই বিহু উৎসৱেই ইয়াৰ সাক্ষী। বিহু উৎসৱৰ লগত আৰ্য, অষ্ট্ৰিক বা নিষাদ, মন্দোনীয় বা কিৰাত বা আলপাইন সংস্কৃতি একেভাৱে সংমিশ্ৰিত হৈছে যে তাক আজি বিশ্লেষণী বিচাৰত আঁতৰাই দেখুওৱা টান। সংস্কৃতিৰ সমন্বয় আৰু ক্ৰমবিকাশৰ বুৰঞ্জী বিহু উৎসৱৰ বুকুত সোমাই আছে। মানুহে বিহুৰ এসাঁজ খাবলৈ, এখন ভালকৈ পিন্ধিবলৈ আৰু খেৰ বাঁহেৰে সজা সৰু ঘৰটো মচি-কাচি নিকা কৰি থাকিবলৈ প্ৰয়াস কৰে, এয়া সৌন্দৰ্যবোধৰ পৰিচায়ক। বিহুত মাননি দিবলৈ বা চেনেহ যাঁচিবলৈ দিয়া বিহুৱানখনত বাবৰিমূলীয়া বা ভমকাফুলীয়া ফুল বাছে, কল্পনাৰ চিত্ৰখনি মাকোৰ পৰশত সজীৱ কৰি তোলে, বিবিধ জলপান, পিঠা-পনা, জুতি-বুধি লগাই তৈয়াৰ কৰে, সেৱা এটি জনায়, ডাঙৰে সৰুক মূৰত ধৰি আশীৰ্বাদ কৰে সমনীয়াই সমনীয়াক প্ৰীতি জনায়, এয়া মানৱতা-বোধৰ চানেকি, বিহুত মানুহে সুৰ তালা লয় সমন্বয়ত অনাবিল আনন্দ লাভৰ প্ৰেৰণা লাভ কৰে। মানসিক উৎকৰ্ষৰ পৰিণতি বিহু প্ৰকৃততে অসমীয়া সংস্কৃতিৰ প্ৰতিভা। বিহু সমন্বয়ৰ উৎসৱ অসমীয়া জাতিটো যেনেকৈ আৰ্য-অনাৰ্য অষ্ট্ৰিক, মংগোলীয় জাতিৰ সংমিশ্ৰণ, ঠিক তেনেকে অসমীয়া সংস্কৃতিও আছে। বিহুৰ বুকুত এই আটাইবোৰ সংস্কৃতিৰে সম্পদ সোমাই আছে। বিহু উৎসৱ ঘাইকৈ কৃষিজীৱী মানুহৰ উৎসৱ। আৰ্যসকললৈ ভাৰতত বাস কৰা দ্ৰাবিড় আৰু অষ্ট্ৰিকসকল অধিক পুৰণি কৃষক মংগল শব্দটো দ্ৰাবিড়ৰ পৰাহে অহা বুলি ভাষা অষ্ট্ৰিক সকলো ক'ব খোজে। মাঘৰ বিহুতো বিহু বুলি নামকৰণ কৰা বৰ বেছি দিন হোৱা নাই যদিও খেতি চপাই ভোগৰ সমল ঘটনাই উৎসৱটো পাতে বুলি ভাবিবলৈ একো ভুল নহয়। কিন্তু জনজাতীয় জীৱনত শালি খেতিতকৈ আহু খেতিৰ প্ৰাধান্য অধিক। তেওঁলোকে এতিয়াও খেতি এটা চপাই আনন্দ কৰাতকৈ, খেতিত নামিবৰ বেলিকহে আশা আৰু উছাহত অধিক আনন্দ প্ৰকাশ কৰে, জাকজমকীয়া উৎসৱ পাতে। সেইবাবে এই অসমৰে ভালেমানকেইটা জনজাতীয় ঠিক পুহৰ সংক্ৰান্তিৰ দিনা বিহু নাপাতি দুদিনমান পিছত পাতে। ডিমাছা সকলে আকৌ তাতোকৈ পিছত পাতে সি যি কি নহওক, এই সময়তো আহু-শালিৰ সমন্বয়ৰ বতৰ, গতিকে উৎসৱটোও সমন্বয়ৰ উৎসৱ। অনাৰ্য মানুহে সেই উৎসৱটো পাতিবলগীয়া হৈছিল জাৰৰ বতৰত। উৎসবটো পাগত তুলিবলৈ তেওঁলোকক তাপ আৰু পোহৰৰ বাবে একুৰা ডাঙৰ জুইৰ প্ৰয়োজন হৈছিল। সেই জুইকুৰাই আজিৰ মেজি পোৰা জুই সংস্কৃত জুই নিষাদ কিৰাতসকলৰ এই প্ৰাকৃত জুইকুৰা আৰ্য সংস্কৃতিৰ সংস্পৰ্শলৈ আহি সংস্কৃত জুইত পৰিণত হৈছিল। শীত আৰু বসন্তৰ মূৰামূৰিত উদ্‌যাপিত হোৱা বৈদিক আৰ্যসকলৰ 'মহাব্ৰত' অনুষ্ঠানো অগ্নিৰ উৎসৱ। উদ্দেশ্য আৰু সময়ে এদিন নতুনকৈ লুইতৰ পাৰলৈ অহা আৰ্যসকলৰ এই উৎসৱটি নিষাদ টিৰতসকলৰ প্ৰাকৃত জুইকুৰা লগ লাগি সংস্কৃত হ'ল আৰু গাবলৈ ধৰিলে— অগ্নি প্ৰজ্বলিতংবন্দে। অগ্নিৰ দেৱতা বুলি ভবা আদৰ্শটো আটাইবোৰ মানুহৰে, গতিকে এদিন অগ্নি পূজাই মাঘ বিহুৰ প্ৰধান অনুষ্ঠান হৈ উঠিল। এইকুৰা জুই সমন্বয়ৰ জুই।

বিহু কেৱল অসমীয়া ভাষা সম্প্ৰদায়ৰে নহয়, সমগ্ৰ অসমবাসী তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভূমিপুত্ৰস্বৰূপ আদিম জনগোষ্ঠী মাত্ৰৰে উমৈহতীয়া জাতীয় উৎসৱ। অষ্ট্ৰ-মগোলয়ড সংস্কৃতিৰ উৰ্বৰ বিশ্বাসৰ উপাদানেৰে সম্পৃক্ত কেউটা বিহু (তিনিটা)ৰ সৈতে সম্পকাযিত বিভিন্ন বিশ্বাস পৰম্পৰা আৰু লোকাচাৰে ইয়াৰ সমন্বিত ৰূপৰ কথাকে সূচায়। ভাৰতৰ অন্য প্ৰান্তত প্ৰচলিত বৈশখী (পঞ্জাব), বিষু (কেৰালা), পৈংগল (দক্ষিণ ভাৰত) আদিৰ দৰে প্ৰাচীন আৰ্যভাষী হিন্দুসকলৰ পৌৰ-মকৰ চৈত সংক্ৰান্তি। কিছুমান ইন্দ্ৰধ্বজ, অতিৰাত্ৰ ইত্যাদি পৰ্বৰ সৈতে সাদৃশ্য থকা চাকমাস সকলৰ যিঝু, টাই আহোমৰ পয়হু/ পয়চাংখেন, চাহ জনগোষ্ঠীৰ টুচু পূজা/ পুষ পৰব, কাৰ্বিসকলৰ বলকেতৰ/ চজুন ৰিয়াংসকলৰ মপিন ৰেংমসকলৰ চিচু,/গাৰোসকলৰ বানগানা/ ৰংচুগালা ৰাভাসকলৰ বায়খো।

**লোক উৎসৱ ঃ** অসমৰ লোকসংস্কৃতিও চহকী। জনজীৱনৰ বাস্তৱ দিশত থলুৱা, বিষয়াৰ, প্ৰাচীন ঐতিহ্য পৰম্পৰা আৰু লোকবিশ্বাস জড়িত। খেতি পথাৰ, বিয়াঘৰ, জন্ম-মৃত্যু, চিকিৎসা ক্ষেত্ৰত মানুহে বৈজ্ঞানিক ধ্যান ধাৰণাৰ উদ্ধৃত কেতবোৰ আচাৰ অনুষ্ঠান পালন কৰে। তেন্তে কিছুমান লোকাচাৰৰ হয়তো ব্যাখ্যা আছে, কিন্তু বহুতৰে ব্যাখ্যা নাই। কিন্তু অগাধ বিশ্বাস। অসমৰ বহুতো উৎসৱ আছে। তাৰ কিছুমান অতি প্ৰাচীন কেতবোৰ আপেক্ষিকভাৱে অৰ্বাচীত কামাখ্যাৰ অম্বুবাচী মেলা, উমানন্দ শিঙৰি, দেৰগাঁৱৰ শিৱৰাত্ৰি মেলা, মান্নোৱা, পৰশুৰাম কুণ্ড ভ্ৰমৰূ কুন্দৰ মাঘীস্নান আদি অতি পুৰণি। সেইদৰে তুলনামূলকভাৱে নতুন কিছুমান মেলা আৰম্ভ হৈছে। শংকৰদেৱৰ মৃত্যুতিথি পালন কৰি জন্মোৎসৱে প্ৰাধান্য লাভ কৰিছে। পূৰ্বতে অসমতে নোহোৱা সৰ্বভাৰতীয় উৎসৱেও জনপ্ৰিয়তা লাভ কৰিছে। অসমত গাঁৱে-ভূঞে, পৰ্বতে-কন্দৰে বহু ঠাইত বিভিন্ন উপলক্ষত উৎসৱ পাৰ্বণ আৰু মেলা অনুষ্ঠিত হয়। এইবোৰ সংস্কৃতিক উপাদান। কাৰণ এইবিলাকৰ গাত গইনা লৈ সাংস্কৃতিক সম্পদ বৃদ্ধি হয়। এনে উৎসবিলাক ঘাইকৈ দুটা ভাগত ভগাব পাৰি— ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ বা জনজীৱনৰ ঐতিহ্য পৰম্পৰাভিত্তিক।

**অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ** অসমৰ ৰহণীয়া সংস্কৃতিৰ ৰহঘৰা আচ্ছাদন কৰাৰ বাবে লোকসংস্কৃতিৰ মাণিক মুকুতাবোৰ সংৰক্ষণ কৰাৰ বিশেষ প্ৰয়োজনীয়তা আছে। শামুক পেটত মাণিক থকাৰ দৰে অসমীয়া জাতিৰ অস্তিত্ব সংস্কৃতি-চিন্তাধাৰা আদি সকলো বিলাকৰ অধ্যয়নৰ ক্ষেত্ৰত এই মহামূল্যৱান লোকসংস্কৃতিয়ে বিশেষ অৰিহণা যোগাই আহিছে। লোগজীৱনৰ অবিচ্ছেদ্য অংগ অসমীয়া সংস্কৃতিৰ অনবদ্য এটি অংশ লোকউৎসৱ 'বিহু'য়ে তেওঁলোকৰ জনজীৱন উদ্ভাসিক কৰাৰ বাবে অযাচিতে সহযোগিতা আগবঢ়াইছে। কালৰ গৰ্ভত ক্ৰমান্বয়ে হেৰাই যাবলৈ উপক্ৰম কৰা লোকসাহিত্য, লোকসংস্কৃতি, লোক উৎসৱ আদিক সংৰক্ষণ কৰাটো বৰ্তমান প্ৰাসংগিক হৈ পৰিছে। নহ'লে উত্তৰ পুৰুষৰ সন্মুখত আমি নিজেই ভবা।

গতিকে আমাৰ লোকসংস্কৃতিক সভ্য সমাজৰ অভিজাত সংস্কৃতিৰ আঁতৰৰ পৰা ৰক্ষা কৰাতো প্ৰতিজন সংস্কৃতিৰ বুকুত প্ৰাণ পাই উঠিছে আমাৰ সভ্যতাৰ প্ৰথম সপোন। সেয়ে লোকসংস্কৃতি অধ্যয়নৰ বিশেষ তাৎপৰ্যপূৰ্ণ আৰু অতিশয় প্ৰয়োজনীয়।

**অধ্যয়নৰ উদ্দেশ্য ঃ** সাম্প্ৰতিক সময়ত আধুনিক মানৱে অভিজাত সংস্কৃতিৰ কবলত পৰি লোকসাহিত্য আৰু লোকসংস্কৃতিৰ অধ্যয়নৰ প্ৰতি বিমুখ মনোভাব পোষণ কৰিছে। কিন্তু আমাৰ সভ্যতা-সংস্কৃতিৰ উত্তৰণ ক্ষেত্ৰত লোকসংস্কৃতিয়ে পথ প্ৰদৰ্শন কৰি আহিছে। আমাৰ অনাজীৱনৰ আকাংক্ষা, হাঁহি-কান্দোন, আশা-নিৰাশা সকলো বুকুত সবাটি লোকসংস্কৃতিয়ে কোটি কালৰ পৰা প্ৰৱাহমান হৈ অহা পৰিলক্ষিত হয়। সেয়েহে জনজীৱনৰ জীৱন গাঁথাৰ বিষয়ে অধ্যয়ন কৰিবলৈ লোক-সংস্কৃতিৰ বিষয়ে খুটি-নাটি মাৰি জনাটো আমাৰ কাৰণে অতিশয় প্ৰয়োজন। অসমীয়া জাতীয় লোক উৎসৱ 'বিহু'ৰ অধ্যয়নৰ জৰিয়তে অসমীয়াসকলৰ লোক উৎসৱটিৰ বিষয়ে বিশ্বৰ দৰবাৰত পৰিচয় কৰি দিয়াটোহে আমাৰ অধ্যয়নৰ প্ৰধান উদ্দেশ্য। মোৰ গৱেষণা পত্ৰখনিৰ যোগেদি অধ্যয়নৰ প্ৰধান পঢ়ুৱৈ সমাজৰ কিঞ্চিৎ হ'লেও উপকাৰ হ'লে মোৰ কষ্ট সাৰ্থক হোৱা বুলি ভাবিম।

**অধ্যয়ন তাৎপৰ্য ঃ** কোনো এটা সংস্কৃতিৰ অধ্যয়নৰ জৰিয়তে জাতিটোৰ সংস্কৃতিৱান, মানসিকতা, চিন্তা-চৰ্চা, সভ্যতা, আচাৰ-ব্যৱহাৰ, সাজ-পাৰ, চিন্তাধাৰা আদিৰ বিষয়ে স্পষ্টকে জানিব পাৰি। লোকসংস্কৃতিৰ অধ্যয়নৰ জৰিয়তে জাতিটোৰ লোকজীৱনৰ স্বপ্ন হৈ পৰিলে। আমাৰ সভ্যতা-সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰাটো বিশেষভাৱে প্ৰয়োজন কাৰণ লোকজীৱনৰ বুকুতেই থাকে ভৱিষ্যতৰ সভ্য সমাজৰ খতিয়ান। অসমীয়া সংস্কৃতি হৈছে সমন্বয়ৰ সংস্কৃতি। আমাৰ বুকুত বিভিন্ন জাতি-উপজাতিয়ে বসবাস কৰি ৰম্যভূমি গঢ়ি তোলাৰ লগতে বাৰেৰহণীয়া সংস্কৃতিৰ ঘাই উপজীব্যৰূপে পৰিগণিত হৈ আহিছে। বিভিন্ন জাতি-জনজাতিৰ মিলন ভূমিৰূপে অসম বিভিন্ন সংস্কৃতিৰ সমন্বয় যেন এখন ফুলাম দলিচাৰূপেহে জিলিকি উঠিছে। অসমৰ সমন্বয়ৰ সংস্কৃতিত কোনো জাতি-উপজাতিৰ প্ৰমূল্য কিমান তাক বিচাৰ কৰি উলিয়াটো সম্ভৱ নহয়। যদিও ভিন্ন জাতি, জনজাতিৰ সাংস্কৃতিক ৰহঘৰ পান কৰাত নিশ্চয় কোনো আপত্তি থাকিব নোৱাৰে। অসমৰ জনজাতিসকলৰ ৰহণীয়া কৃষ্টি-সংস্কৃতিৰ বিষয়ে জ্ঞান অৰ্জন কৰাই আমাৰ অধ্যয়নৰ মুখ্য উদ্দেশ্য।

**অধ্যয়নৰ পৰিসৰ**

অসমীয়া জাতীয় উৎসৱ লোকাচাৰ সম্পৰ্কে গৱেষণা কৰিবলৈ লওঁতে আমি অধ্যয়নৰ পৰিসৰ সীমিত কৰি লৈছিলো। কাৰণ অসমীয়া সংস্কৃতিৰ অনবদ্য লোকউৎসৱ 'বিহু'ৰ বিষয়বস্তু ইয়াৰে পৰিসৰ যথেষ্ট বিস্তৃত। আনহে নালাগে ইয়াৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আদিও ঠাই বিশেষ কিছু পৃথক। সেয়েহে আমি সীমিত পৰিসৰ আৰু সু-নিৰ্দিষ্ট বিষয়ৰ ওপৰতহে আলোকপাত কৰি অধ্যয়নৰ গতি আগবঢ়াইছিলো। অসমীয়া জাতীয় উৎসৱৰ লোকাচাৰৰ বৈশিষ্ট্য, পৰিৱেশত খাদ্য যথেষ্ট বিস্তৃত, বস্তু, আচাৰ-অনুষ্ঠান ৰীতি-নীতি আদি। আমাৰ ক্ষুদ্ৰ গৱেষণা পত্ৰখনিত অসমীয়া জাতীয় উৎসৱ লোকাচাৰৰ সামগ্ৰিক ৰূপৰ গহীন সম্পূৰ্ণ গৱেষণা গ্ৰন্থ এখন তৈয়াৰ কৰাহে যুগুত। সেয়েহে মই মোৰ ক্ষুদ্ৰ গৱেষণা পত্ৰখনিৰ অধ্যয়নৰ সেতু ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা বিভিন্ন আলোচনী, বাতৰি কাকত পুথি-প্ৰবন্ধ গ্ৰন্থসমূহক মোৰ অধ্যয়নৰ পৰিসৰ হিচাপে সীমাবদ্ধ কৰিলো।

**অধ্যয়নৰ পদ্ধতি**

উক্ত অধ্যয়নৰ বিশেষকৈ বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। বিষয়বস্তুৰ গুৰুত্বৰ ওপৰত দৃষ্টিনিৰপেক্ষ কৰি এইটো উল্লেখ কৰাটো উচিত হ'ব যে দৰাচলতে ই এক ক্ষেত্ৰভিত্তিক অধ্যয়ন (Fild Study) গৱেষণাৰ সমলবোৰ সংগ্ৰহ আৰু বাছনিৰ বাবে প্ৰস্তাৱিত প্ৰসংগ পুথি, আলোচনী, বিভিন্ন প্ৰবন্ধ আৰু আন আন তথ্যৰ মাধ্যমেদি সংগ্ৰহ কৰা হৈছে।

**বিষয়বস্তুৰ সমল**

জাতীয় উৎসৱটিৰ অধ্যয়নৰ হকে আগবাঢ়ি যাওঁতে আমি বিভিন্নজন ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত যোগাযোগ কৰিছিলো। সেই তথ্য প্ৰাথমিক সমল হিচাপে গৱেষণা পত্ৰখনিত ব্যৱহাৰ গ্ৰন্থ, আলোচনী, পুথি, বাতৰি কাকত ৰেডিঅ' আৰু অন্যান্য লিখিত তথ্য অধ্যয়নৰ জৰিয়তে পৰোক্ষভাৱে যিখিনি সমল সংগ্ৰহ কৰিছো সেইখিনিয়ে গৌন উৎস হিচাপে ব্যৱহাৰ কৰিছো।

### সংস্কৃতিৰ স্বৰূপ

সংস্কৃতি এটা জাতিৰ জাতীয় জীৱনৰ বোৱঁতী সোঁত। নৈৰ গতিয়েই সংস্কৃতিৰ গতি। নৈয়ে যেনেকৈ নিৰৱচ্ছিন্ন গতিকে চিৰদিন বৈ থাকে, সংস্কৃতিও তেনেকৈয়ে ধাৰাবাহিক গতিৰে চলি থাকে। নৈয়ে গৰা খহায়, বলুকা পাতে। সেইদৰে সময়ৰ সোঁতত লাগি সাংস্কৃতিক সম্পদ পৰে নতুনৰ যোগ হয়। কেতিয়াবা কিবা কাৰণত নতুন আৰু পুৰণি সংস্কৃতিৰ দোমোজাত পৰে সংস্কৃতিৰ গতি বৈ থাকে নিৰৱচ্ছিন্নভাৱে।

পশ্চিমীয়া কালচাৰ অৰ্থাৎ সংস্কৃতি শব্দৰ ব্যৱহাৰ তেনেই নতুন। অসমীয়া ভাষালৈ সংস্কৃতি শব্দটো বঙলা ভাষাৰ দুৱাৰডলি গৰকিহে ন-বোৱাৰী হৈ আহিছে। সংস্কৃতি শব্দই ব্যাপক জনপ্ৰিয়তা লাভ কৰাৰ আগতে কৃতি শব্দৰহে ব্যৱহাৰ আছিল। ধাতুগতভাৱে কৃষ্টি শব্দ কালচাৰ শব্দৰ সমপৰ্যায়ৰ। আধুনিক ভাৰতীয় ভাষাসমূহৰ ভিতৰত বোধকৰো মাৰাঠী ভাষাতহে সংস্কৃতি শব্দটো ব্যৱহাৰ আছিল।

### অসমীয়া সংস্কৃতিৰ লোকাচাৰ

বিহু অসমীয়া জাতীয় জীৱনৰ উচ্ছাস মিহলি জাতীয় উৎসৱ। বিহুৰ বুকুত বহুত যুগৰ বাতৰি সঞ্চিত হৈ আছে। এসময়ত অসমত যেতিয়া বিভিন্ন জনগোষ্ঠীৰ মানুহে সুকীয়া সুকীয়াকৈ বাস কৰিছিল, সেই সময়ত একে বতৰতে হ'লেও বিভিন্ন দিনতহে বিহু উৎসৱ পালন কৰিছিল তাৰ চিনস্বৰূপে আজিও দুই এটা জনজাতিয়ে নিজা গণনা অনুসৰি বিহু উৎসৱ পালন কৰে আৰু তাকে কৰোতে আমাৰ বিহুতকৈ দুদিনমান অগা-পিছা হয়।

**কাতি বিহু ঃ** কাতি বিহুত এসময়ত অনেক লোকাচাৰ প্ৰচলিত আছিল বুলি ভাবিবৰ থল আছে। এতিয়া কিন্তু সিয়ো চমু হৈ আহিছে। কোনো কোনো ঠাইত এতিয়াও বিহুৰ দিনা ঘৰ-দুৱাৰ মচে, ঢাৰি-ঢকুৰা, কাপোৰ-কানি তিয়ায়, চৰু হাড়ী ধোৱা। দ্বিতীয়তে অনুষ্টুপীয়াকৈ জা-জলপান খায়। আবেলি পথাৰত ধান চাবলৈ যায়। নতুনকৈ তুলসী পুলি ৰোৱে বা পুকনি তুলসী গছৰ তলত গুৰিৰ ভেটি মচি ঢাকি দিয়ে।

**মাঘ বিহু ঃ** মাঘ বিহু মূলতে কৃষি উৎসৱ। আদিম জনসমাজৰ সমূহীয়া জীৱনযাত্ৰাৰ চানেকি এই বিহুত পোৱা যায়। উৰুকাৰ দিনা সমূহীয়া ভোজৰ আয়োজন কৰাটো এটা পুৰণি পৰম্পৰাত পৰিণত হৈছে। উৰুকাৰ দিনা লাগনি গছবোৰ খেৰ বা নৰাৰ জৰীৰে 'মাৰৰ ঘৰলৈ নাযাবি, থোপা থোপে লাগিবি' বুলি চিঞৰি চিঞৰি বান্ধে। কোনো ঠাইত এইদৰে চিঞৰি চিঞৰি সৰু ল'ৰাবোৰ গছলৈ দলিয়ায়। মেজি জ্বলোৱাটো মাঘ বিহুৰ অপৰিহাৰ্য অনুষ্ঠান. কলপুলি, তামোল পুলি, বাঁহৰ খুঁটা চাৰিটা পুটি ফলাখৰিৰে মেজি সাজে বিহুৰ দিনা।

**ব'হাগ বিহু ঃ** ব'হাগ বিহু সবাতোকৈ ডাঙৰ উৎসৱ। ব'হাগ বিহুৰ অনুৰাগিক লোকাচাৰ চ'ত মাহৰ পৰাই আৰম্ভ হয়। চ'ত মাহ সোমালেই গৰখীয়াই গৰুৰ পঘালৈ তৰা ছিৰি আনে। ডেকা ল'ৰাই ৰাতি কাড়ি খেলে। ঠায়ে ঠায়ে বিহুৰ আখৰা পাতে। বিহুৰ বিহুৱান দিবলৈ শিপিনীয়ে তাত লগায়। বিহুৰ আগতে তাত বৈ শেষ হ'ব লাগিব। বিহু ছেৰা তাঁতৰ শিপিনীয়ে (গঞ্জনা) খাই। বিহুলৈ দহ-বাৰ দিন থকাৰ পৰা ঢেঁকীত জলপান খুন্দাৰ চুবুৰ চুবুৰ মাত ওলায়। বিহুৰ ওচৰ চাপি বিহুৰ আখৰাৰ ধুন উঠে।

### অসমীয়া সমন্বয়ৰ সংস্কৃতি

অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি, ই কোনো নিৰ্দিষ্ট জনগোষ্ঠীৰ সংস্কৃতি নহয়। আৰ্য, কিৰাত, নিষাদ দ্ৰাবিড় সকলো সংস্কৃতিৰে উপাদান সংমিশ্ৰিত হৈ বহু যুগৰ ক্ৰমবিৱৰ্তনৰ ফলস্বৰূপে অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে।

ভাষা-সাহিত্য আৰু লিপিৰ বিষয়েই প্ৰথমতে আলোচনা কৰা হওক। অসমৰ শতকৰা নব্বৈজন মানুহ অনাৰ্য জনগোষ্ঠীৰ অন্তৰ্ভুক্ত আৰু তেওঁবিলাকৰ নিজাকৈ ভাষা বা উপভাষা আছিল, কিন্তু আজি সকলোৰে মুখৰ ভাষা অসমীয়া আৰ্যমূলীয় ভাষা। ইন্দো-ইউৰোপীয় মূলৰ সংস্কৃত ভাষা হ'ল অসমীয়া ভাষাৰ মূল ভেটি। সেয়ে হ'লেও আৰু শতকৰা সএৰ ভাগ বা তাতোকৈ অধিক সংস্কৃত তৎসম প্ৰত্যয় থাকিলেও ইয়াৰ সম্পূৰ্ণ থলুৱা আৰু আনকি জনজাতীয় উপ-ভাষাৰ পৰা অহা প্ৰত্যয়ো আছে। জাক, মখা, বোৰ, বিলাক, আদি বহু বচনবোৰক প্ৰত্যয়ৰ মূলো থলুৱা ভাষাৰ পৰাই অহা।

### অসমীয়া আধুনিক সংস্কৃতি

সংস্কৃতি বোৱঁতী নৈ। নৈৰ ধৰ্মই সংস্কৃতিৰ ধৰ্ম। সৰু-বৰ, জান-জুৰি গোট খাই নৈ বৈ যায়। নৈত খহনীয়া হয়, পাৰতে চাপৰি পৰে গৰা খহে, বলুকা পাতে কিন্তু নৈ বৈ গঢ় লৈ উঠে। সময়ৰ গতি আৰু সমন্বয়ৰ ধৰ্ম লৈ সংস্কৃতিও এই নিয়মৰ ব্যতিক্ৰম নহয়। ঐতিহাসিক যুগত বিদ্ৰোহী। আহোম যুগত এই সংস্কৃতিয়ে অসমীয়া সংস্কৃতি নাম লয়। অসম আৰু অসমীয়া এই দুটা শব্দৰ বুৎপত্তিগত যিয়েই যিহকে নিদিয়ক, এইটোৱেই সত্য যে এই দুটা গুৰিতে এই দুটা জাতিৰ ভিতৰত আহোম আৰু বাহিৰত মুছলমান আক্ৰমণকাৰী। চুহুংমু দিহিঙীয়া ৰজাই যেতিয়া কৰতোৱা গংগাত খন্দো পখনি আহোম ৰাজ্যৰ সীমা পাতিলে, তেতিয়াই মোগল, পাঠান বজ শক্তিৰ চকু গজিল। পুৱাৰ জোন গজা ৰাজ্যখন গ্ৰাস কৰিবলৈ লোলুপ দৃষ্টি কৰাত আহোম ব্যস্ত। এবাৰকৈ নহয় সোতৰবাৰ আক্ৰমণ কৰি লুইতৰ দুয়োপাৰ গ্ৰাস কৰাৰ আতংকত আহোমৰ নেতৃত্বত সকলো লুইতপৰীয়া একগোট হ'বলৈ বাধ্য

হ'ল।

**ব'হাগ বিহুৰ বিশ্বাস আৰু পৰম্পৰা, ঐতিহ্য**

ব'হাগ বিহু ৰঙালী বিহু। বিহু শব্দটোৱে এসময়ত কেৱল ব'হাগ বিহুকহে বুজাইছিল। নামনি অসমত আজিকালিও মাঘ বিহুক দোমাহী বোলে। কোনো কোনোৱে সংক্ৰান্তি বোলে। ব'হাগ বিহু দোমাহী বা সংক্ৰান্তিৰ দিনা অনুষ্ঠিত হ'লেও বিহুৱে বোলে। বিহু শব্দটোৰ ভাষাতাত্ত্বিক অৰ্থ যিয়েই নহওক লাগিলে হয় আনন্দবাচক। কৃষ্ণ শব্দটো যেনেকৈ সংস্কৃত ভাষাত আনন্দবাছক, তেনেকৈ অনাৰ্যমূলীয় বিহু শব্দটো আনন্দবাছক। বিহু শব্দটো পিছত বিষু বা বিষুবলৈ চেষ্টা কৰা যেন লাগে। সৰু ল'ৰা-ছোৱালীয়ে অপৰিসীম আনন্দত চিঞৰ-বাঘৰ কৰি থাকিলে, কি বিহু মাৰিছ বুলি ডাঙৰে ছাবি দিয়ে। এই অপৰিসীম আনন্দই বিহু। ব'হাগৰ দুদিনলৈকে এই বিহু হয় বাবে সাতবিধ নাম দিছে— গৰু বিহু, মানুহ বিহু, ফাট বিহু, চেনেহী বিহু ইত্যাদি। ব'হাগ বিহুত গৰুৰ গা-ধুৱাই, হুঁচৰি গায়, বিহুৱান দিয়ে, জলপান খুৱায়।

**নাহৰ ফুলৰ বতৰ ঃ** চ'তমহীয়া বগা হৈ ফুলি থকা বগী জামুকৰ পুলিটো দেখি আদিম ডেকাটোৰ উদগ্ৰ কামনা জাগি উঠে। বগী জামুকৰ পুলিটো খোৱাৰো যোগ্য নহয়, পিন্ধাৰো লায়কৰ নহয়। হয়তো গাঁৱৰ বগী তৰা যেন গভাৰজনী ঘৰো বগী জামুকৰ পুলিটোৰ কাষতে সেয়েহে ডেকাটোৱে আহু মৰাৰ চলেৰেই বাও মাৰি মানুহজনীক মনৰ কথাটো বুজিবলৈ বগী জামুকৰ পুলিটোৰ গইনা লৈছে।

**বিহুনাম বতৰৰ গীত ঃ** কৈনো কৈ থাকিলে ওৰকে নপৰে ব'হাগৰ বিহুৰ কথা। এই ব'হাগৰ বিহু হ'ল চ'তৰ সংক্ৰান্তিৰ দিনাৰ পৰা ব'হাগৰ দুদিনলৈকে, ইয়াকে সাত বিহুও বোলে। বিহুৰ আগদিনাকে উৰুকা বোলে। চ'তৰ সংক্ৰান্তিৰ দিনা গৰু বিহু তাৰ পাছত মানুহ বিহু, ফাট বিহু, চেনেহী বিহু, মাইকী বিহু, ৰঙালী বিহু ছেৰা বিহুক, এনেকৈ সাতবিহুৰ সাটোতা নাম আছে। ব'হাগৰ বিহুৰ জা-জলপান খোৱা মান সৎকাৰ কৰা বিহুৱান আখ্যা দিয়া নীতি-নিয়ম আৰু সংস্কাৰৰ উপৰি আটাইতকৈ উল্লেখযোগ্য আকৰ্ষণীয় অনুষ্ঠান হ'ল হুঁচৰি গোৱা।

**গছৰ তলৰ মুকলি বিহু ঃ** এশ বছৰৰ আগৰ কথা। চ'ত মাহৰ পৰা ৰঙালী বিহুৰ স্মৃতি জাগে। তেতিয়া পথাৰৰ মাজত নতুবা বৰগছৰ তলত ডেকা-গাভৰুৱে ৰঙালী বিহুৰ ৰঙতে আপোন পাহৰা হৈ বিহুগীত গায়, গীতৰ উছাহত নিজকে এৰি দি নাচে। হিয়াতলি উবুৰিয়াই বনগীত গায় অন্তৰত খুন্দা খাই থকা কথাবোৰ সঁহাৰি দিবলৈ প্ৰয়োগ কৰে। চটাই পৰেবত আৰু চিৰি লুইতেই ইয়াৰ সাক্ষী। অতীতৰ বিহুক আমি দুভাগে ভাগ কৰিব পাৰো— ১। মুকলি বিহু, ২। সমজুৱা বিহু। মানুহৰ চোতাল গৰকি ৯ বছৰৰ নতুন আশীৰ্বাদ দি হুঁচৰি গায়। আমি ইয়াকে সমাজ বিহু বুলিছো। আনহাতে ডেকা-গাভৰুৱে মুকলি ঠাইত বৰগীত, বিহুগীত গাই যি বিহু কৰে তাক মুকলি বিহু বুলিছো। আমি ইয়াত মুকলি বিহুৰে এটি চিত্ৰ অংকন কৰিবলৈ প্ৰয়োগ কৰিছো।

**বিহুতলীত নাচনী ঃ** বিহু নাচ বিহুতলী বিহু নামৰ আনুষষ্টীক বস্তু। ঢোলৰ ছেৱে, তালৰ তালে, পেঁপাৰ সুৰে সুৰে নাচনীয়ে কঁকাল ভাঙি, হাতেৰে মুদ্ৰা দি এপাক নেমাৰিলে বিহু পকিবই নোৱাৰে। খামুচীয়া কঁকালৰ গীত চপাকলীয়া আঙুলি, পদুমৰ ঠাৰি যেন বাহু ককিলাসজীয়া গা, বিহুনামৰ ছন্দে ছন্দে হালে জালে। ৰঙালী বিহুৰ ৰঙৰ সুকুৰাত দেহ-মন প্ৰাণ উটি বুৰি যায়। প্ৰকৃতিৰ বহল বুকুত যৌৱনৰ ঢল বাগৰে। বতাহৰ বাত নাচে গছ-লতা পাত। প্ৰকৃতিৰ লগত মানুহৰ যাউতিযুগীয়া সম্বন্ধ। সেয়ে প্ৰকৃতিত বসন্তৰ উন্মেষ জাগিলেই ডেকা-গাভৰুৰ প্ৰাণতো অন্তৰ উপচা প্ৰণয়নৰ ঢল আহে। তাহানি পুৰণি অসমৰ মুকলি মূৰীয়া ডেকা-গাভৰুৱে বতাহতে জীৱনৰ সুখ-দুখ ব্যাথ্যা-বেদনা, অভাৱ-অভিযোগ কাটি-কৰি থৈ ক্ষন্তেকলৈ হ'লেও অন্তৰ উদঙাই গাইছিল।

**বিহুৱান ঃ** ৰঙালী বিহু বুলিলে নযৰ ওঠলৈ বিহুগীত ফাঁকি আহে। তাৰ বুকুতে অসমীয়া জনজীৱনৰ জীৱন নিপাহৰ ধাৰটো নষ্ট হৈ জিলিকি উঠে, মানুহৰ আদিম সনাতন, সেই প্ৰণয়ৰ দোকোল টকা বানৰ অৱতাৰণা কৰে।

ৰঙালী বিহুৰ আটাইতকৈ চেনেহৰ সেই বিহুৱানখন লৈ বাৰু কোনে ভাল নেপায়। তাথনি কোনে চেনেহীয়ে চেনাইক মৰমৰ দীঘ দি, চেনেহৰ বাণি বৈ ফুলাম বিহুৱান দিলে, তাকলৈয়ো এখন নতুন সংসাৰৰ সৃষ্টি হয়। ফাগুন গ'ল চ'তৰ দিনত ভৰি দিলে শিপিনীৰ গা সাতখন আঠখন হ'ল। কোনটো ফুলৰ কেইটা কাঠিৰ, ফুলপাহ ফুলে গুৱাৰ ভাবি ভাবিয়েই তৰণি নাই। শেষত মনে বছা ফুল পাহৰে বাছিব বুলি থিৰাং কৰে, কাঠিহে বহুত তেনেকৈনো বাছিব। যেনে তেনে এপাহ বাছি চকুত লেগকৈ ফুলাম গামোচা এখন চেনাইক দিবলৈ লাগিব সৰু সূতাৰ তাঁতখন লগায়।

**কাতি বিহুৰ বিশ্বাস আৰু পৰম্পৰা, ঐতিহ্য ঃ** অসমৰ বিভিন্ন লোকাচাৰ আৰু লোক-সংস্কৃতিৰ দিশত প্ৰভাৱ পেলাব পৰা জনগোষ্ঠী হিচাপে বিহু অনুষ্ঠানৰ জন্ম আৰু উত্তৰণত অসমৰ থলুৱা জনগোষ্ঠীসকলৰ ভূমিকা মন কৰিবলগীয়া।

পণ্ডিতসকলে ধাৰণা কৰে যে বৈদিক যুগত ঐ—ৰেয় ব্ৰাহ্মণ নামৰ বৈদিক মন্ত্ৰ মতে ধন-সম্পত্তি আৰু প্ৰজনন বৃদ্ধিৰ বাবে আহিন-কাতিৰ দোমাহীৰ অশ্বিন দেৱতাৰ পূজাৰ লগতে অতি ৰূদ্ৰ যজ্ঞ সম্পনন কৰি নিশা জুইৰ চাৰিওফালে ঘূৰি ঘূৰি সোমৰস পাণ কৰা

পৰম্পৰাৰ আধাৰতে অসমত প্ৰচলিত কাতি বিহু বা কাতি গাছাৰ দিনাখন শইচৰ পথাৰত চাকি শলিতা দিয়াৰ লোক চাৰতি ঠন ধৰি উঠিছে। সেইদৰে তুলসী তলত চাকি শলিতা দি মাহ-প্ৰসাদেৰে নৈৱেদ্য আগবঢ়োৱা আৰু কাতিৰ গোটাই মাহটো ব্ৰাহ্মণ্য হিন্দুধৰ্মীয় ৰীতিৰে এক জ্বলন্ত স্বাক্ষৰ।

**লক্ষ্মী আদৰা আৰু খেতি চপোৱা পৰ্বৰ পৰম্পৰা ঃ** খেতি চপোৱা কাম আৰু ইয়াৰ লগত জড়িত পৰ্বৰ সূচনা হয় ধানৰ আগ অনা (লখিমী আদৰা) পৰ্বৰে হিয়াৰ পৰ্যায়ক্ৰমে এটাৰ পাছত এটাকৈ বা উপৰ্যুপৰি আগবাঢ়ি যায়। প্ৰথমে ধান দোৱা, ডাঙৰি কঢ়িওৱা, গছী ভঁৰালত জাপি থোৱা মৰণা মৰা, ধান বিচাৰ, তোম বন্ধা বা গুটি ধান ভৰালত থোৱা আৰু খেৰৰ পুঁজি বন্ধা আদি কামবোৰ। সময় লাগে প্ৰায় দুমাহ কাল অৰ্থাৎ কাতি মাহৰ শেষৰ ফালে পকিবলৈ ধৰা কাতি শালি ধানৰ আগ চপোৱাৰ ইটোৱে পৰম্পৰাগত বতৰ। আজিকালি অৱশ্যে জয়া, আইজং, ফৰ্মা বা চাইনিবৰো খেতিৰ প্ৰচলন হ'বলৈ ধৰাত পূবৰ অকল শালি খেতিৰ ওপৰত নিৰ্ভৰ কৰা সময়ৰ খেতি চপোৱা ব্যস্ততা আৰু মাদকতা বহুখিনি ম্লান পৰিছে।

**কৃষিকেন্দ্ৰিক ন খোৱা পৰ্বৰ পৰম্পৰা ঃ** সকলো অঞ্চলতে আৰু সকলো সম্প্ৰদায়ৰ লোকে নিজ নিজ বিধি অনুসাৰে ইষ্ট দেৱতাক আগ কৰি (গুৰুত লগাই ভকতত লগাই) আত্মীয়-কুটুম্বৰ উপস্থিতিত ন খোৱা নয়া (নোৱান খোৱা নবান্ন) বা ন-ভাত খোৱা অনুষ্ঠানটি পাতে। সাধাৰণতে আঘোণ মাহত সোণালী ধান ভঁৰালত সুমুওৱাৰ পিছত ন-খোৱা অনুষ্ঠানটি পাতে মন কৰিবলগীয়া যে পুহ মাহত ন-খোৱা পাতিব নাপায়। কেতিয়াবা সমূহীয়াকৈ নামঘৰত নতুবা গাইগুটীয়াকৈ নিজ ঘৰতে মাছ-মাংসৰে ন-চাউলৰ ভাত ৰান্ধি খোৱা হয়। উজনি অসমৰ ন-খোৱা অনুষ্ঠানটিৰ বিষয়ে লোকসংস্কৃতিবিদ হেম বুঢ়াগোহাঞিয়ে বৰ্ণনা দিছে এইবুলি 'সৰহভাগ খেতিয়কে আঘোণত ন-ভাত চাউল বা ভোজভাত দি ন-খোৱা আৰম্ভ কৰে। ৰাতি সেৰকীসকলে ন-খোৱা সাজ-ভাতেৰে আৰম্ভ কৰে বহুতে ন-খোৱা উৎসৱসমূহীয়াভাৱে নামঘৰত সমৰ্পণ কৰে।

**লোকমান্য লক্ষ্মী-অলক্ষ্মীৰ ধাৰণা ঃ** হিন্দু ধৰ্মৰ লক্ষ্মী আৰু নাৰায়ণ অকল ইষ্ট দেৱ-দেৱীয়ে নহয় ই সু-গৃহিণী (সুতিৰী) আৰু সু-পুৰুষৰো আকৰ্শ প্ৰতীক (Idal aman/ waman)। স্বভাৱে চৰিত্ৰই বচনে ভূষণে প্ৰত্যেক গৰাকী মাতৃ-পিতৃয়ে নিজৰ ছোৱালীজনী বা বোৱাৰীজনীৰ চৰিত্ৰ অনুকৰণ কৰাটো কামনা কৰে শৈশৱৰ পৰা তেনে স্বভাৱ-চৰিত্ৰতে গঢ় ল'বলৈ দিয়া বা সমাজে বিচৰ ধৰণে শিকাই-বুজাই লোৱা। ব্যতিব্যস্ত কৰি ৰাখে। মাক-বাপেকে শিকাই বুজাই পঠাব নোৱাৰা গুৰু-গোসাঁই নমনা ডাংকাটী এজনীক ভাল ঘৰত পৰিলে বা চোকা শাহুয়েকৰ হাতত পৰিলে ভিজা মেকুৰীৰ দৰে ঘৰ ধৰা বোৱাৰী এজনী হৈ পৰে। কথাতে আছে—

'মাছে গৰকা পাচলি খাবা...।
শাহুৱে গৰকা বোৱাৰী পাবা।।

ইয়াতে কিছু সুন্দৰ আৰু বাস্তৱ চিত্ৰ পোৱা যায়।

**মাঘ বিহুৰ বিশ্বাস আৰু পৰম্পৰা, ঐতিহ্য ঃ** মাঘ বিহুৰ সৈতে কিছুমান ধৰ্মীয়কৃত্য সম্পৃক্ত হৈ আছে। মাঘ বিহুৰ মুখ্য পৰ্বই হ'ল বিশ্বাসৰ বশৱৰ্তী হৈ অনুষ্ঠিত কৰা মেজি পোৱা কাৰ্য। ভিন ভিন সংখ্যা। (ডিমাছাসকলে সাতটা পৰ্যন্ত হাৰলি ঘৰ সাজে) আৰু ভিন ভিন আকৃতিৰে (এচলীয়া দৌলগঢ়ীয়া, খলপা-খলপিকৈ সাতখনলৈকে সজোৱা চিতা আকৃতিৰ বেদী) প্ৰস্তুত আৰু ভিন ভিন নামেৰে (ডিমাছা-হাৰলি, বড়ো-বেলাকুৰ, ৰাভা ভেলানোক, মিছিং মাগপাঃ নাম ইত্যাদি। পৰিচিত, ভেলাঘৰ পোৱা বা মেজি দহন কৰা পৰম্পৰাটো মূলতঃ আৰ্যসকলৰ অগ্নিপূজাৰ (মধ্য দাহন অৰ্থাৎ যজ্ঞৎকৃত) পৰা অহা বুলি পণ্ডিতসকলে মত পোষণ কৰিছে। আনহাতে অসমৰ সৰভাগ আৰ্মীভূত (হিন্দু) জনগোষ্ঠীয়ে এই কাৰ্যটো মহাভাৰতখ্যাত পিতামহ ভীষ্মৰ শৰৰ অন্তিম ক্ষণ অৰ্থাৎ দক্ষিণাৰায়ণৰ শেষ।

**উপসংহাৰ ঃ** ওপৰৰ পৰ্যালোচনাৰ পৰা নিম্নলিখিত সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে অসমীয়া সমাজৰ লোকাচাৰৰ স্থান অতি উচ্চ আৰু মৰ্যদাপূৰ্ণ। অসমীয়া জাতীয় উৎসৱ অসমীয়া সমাজৰ ধ্বজাবাহক ধৰ্মীয় উৎসৱ। অতীতৰ পৰা চলি অহা বিহুক অসমীয়া সমাজত উল্লেখযোগ্য উৎসৱ হিচাপে আখ্যা দিয়া হয়। সাম্প্ৰতিক কালত অসমীয়া সমাজৰ তাৎপৰ্য আৰু সেউজ বিপ্লৱৰ যি সৃষ্টিমূলক গুৰুত্বৰ উত্তৰমুখী ইয়াক বিহু বাপতি সাহোন কৰি তুলিলে।



# বড়ো কছাৰীসকলৰ চমুৰ পৰিচয় উৎসৱ

**জুৰি বৰ্মন**
ষষ্ঠ যাণ্মাসিক, অসমীয়া বিভাগ

বড়ো জনগোষ্ঠী হৈছে অসমৰ ভৈয়ামৰ জনগোষ্ঠী। অসৰৰ তথা পূৰ্ব ভাৰতত থকা বড়ো বা বড়ো কছাৰীসকল কচীনো-তিব্ৰেতীয় মঙ্গোলীয় গোষ্ঠীৰ মানুহ বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। পণ্ডিতসকলৰ মতে খ্ৰীষ্টপূৰ্ব দুহেজৰ বছৰৰ পূৰ্বে চীন-দেশৰ উত্তৰ-পশ্চিম অঞ্চলত এওঁ লোকৰ বাসস্থান আছিল। কালক্ৰমত তেওঁলোকেই তাৰ পৰা দক্ষিণ-পূব এছিয়াত সিঁচৰিত হৈ পৰে। তাত থকা কালতেই তেওঁলোকে তিবোদ বা তিব্ৰত বা ডোট বা বোদ নাম পায়। সংস্কৃত ভাষাত 'কক্ষৱাট বা কক্ষাত' (কচ্ছত) শব্দৰ অৰ্থ পিয়ুভূমি কচ্ছত শব্দৰ পৰা কাছাৰ হোৱা বুলি ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে কয়। কাছাৰত বাস কৰাৰ কাৰণে কাছাৰী নাইবা কাছাৰী নাম পাব পাৰে বুলিও কু কিছুমানে ধাৰণা কৰে। কাছাৰী বা কাছাৰী শব্দটো পৰৱৰ্তী কালত ওচৰ চুবুৰীয়া অৰ্থাৎ হিন্দুসকলে দিয়া নাম। বড়োসকলৰ মাতৃভাষা বড়ো ভাষা। বড়োসকলে বৃহৎ মংগোলীয় গোষ্ঠীৰ অন্তৰ্ভুক্ত। প্ৰাচীনকালৰ হিমালয় উত্তৰে আৰু চীনৰ পশ্মিে অৱস্থিত "বড়" দেশৰ বাসিন্দাসকলৰ এই জনগোষ্ঠীৰ খ্ৰীঃপূ ভাৰতত বিয়পি পৰে। মহাভাৰতত বড়োসকল প্ৰাচীন কাত এ মূল "বড়" দেশৰ বাসিন্দাসকলক "বড়ো-ফিচা বা বড়োচা" (বড়ো মানে ভূমি আৰু "ফিচা বা চা" মানে সন্তান অৰ্থাৎ বড় দেশৰ সন্তান) বুলি জনা গৈছিল। আৰু সময়ৰ সোতত বড় বা বড়ো হিচাপে জনজাত হয়।

অসমৰ কোকৰাঝাৰ চিৰাং বাক্সা আৰু ওদালগুৰি জিলাত বড়োসকলৰ মূল বসতি। তদুপৰি কাৰ্বি আংলং, গোৱালপাৰা, কামৰূপ, নলবাৰী, শোণিতপুৰ, ঢেকীয়াজুলি, মংগলদৈ, বিযনাথ চাৰিআলি আদি প্ৰায়সমূহ জিলতে বড়ো লোক দেখা পোৱা যায়।

**বড়ো কছাৰীসকলৰ লোক উৎসৱৰ পৰিচয় ঃ**

অসমৰ অন্যান্য জনগোষ্ঠীয়ে তিনিটা প্ৰধান উৎসৱ বিহু উৎসৱ পালন কৰাৰ দৰে বড়োসকলেও ইয়াক পালন কৰে। ব'হাগ বা ৰঙালী বিহুক বৈশাগু ঃ মাঘ বিহু বা ভোগালী বিহু 'দোমাহী আৰু কাতি বা কঙালী বিহুক 'কাতিগাছা' বুলি নাম দি উদ্‌যাপন কৰে। এই তিনিওটা বিহু উৎসৱৰ ভিতৰত আটাইতকৈ আনন্দ সুখৰ পৰিৱেশৰ ভিতৰত উদ্‌যাপিত হয়। বৈশাগু বিহুটো।

ব'হাগ বিহু বা বৈশাগু বিহুক নতুন বছৰৰ শুভাৰম্ভণি আৰু বসন্তকালৰ আগমনৰ বাবে প্ৰাকৃতিৰ সৈতে নিজকে বিলাই দি আনন্দ উপভোগ কৰাৰ বাবে আয়োজন কৰা হয় 'চ'ত মাহৰ শেষৰ দিনটোক সৰু পূজাৰ দিনা গৰু বিহু হিচাপে গণ্য কৰি গৰুক কৃষক জৰীনৰ আটাইতকৈ লাগতিয়াল পোহনীয়া জন্তু বুলি সন্মান প্ৰদৰ্শন তথা সুস্বাস্থ্য লৈ বংশ বৃদ্ধিৰ অং কামনা কৰা হয়। এই উপলক্ষে সেইদিনা যথা ৰিহিতভাৱে পৈ ৰিয়ে আদিত ঘৰচীয়া সৰুবোৰৰ গা সামূহিকভাৱে ইৱাই গালৈ লাও, জিকা, থেকেৰা, কেৰেলা, বেঙনা, হালধি তিয়ঁহ আদি পাচলিবোৰ চকলিয়াই আৰু সিহতৰ দীৰ্ঘায়ুৰ লগতে বংশ বৃদ্ধি কামনা কৰা হয়। পাচলিৰ চলকবোৰ বাঁহৰ শলাৰে সজা চাটত ভৰাই লোৱা হয়। সেইবোৰ থাকিলে গোহালিত গুজি থোৱা নিয়ম। আনহাতে দীঘলতি মাখিয়তি গছৰ ঠাৰিৰে গৰুবোৰক সেইদিনা কোৱাব লাগে। এইবোৰৰ উপৰিও বেত পাতো গোহালিত গুজি থোৱা হয়। পুৱা সকলোৱে ঘৰ-দুৱাৰ চফা কৰিব লাগে তদুপৰি চালত, পাদৰ বেৰত, নঙলামুখ আদিত কেতুৰি বেদ পাত আদি ওলোমাই যোৱা প্ৰথাও আছে। গধূলি গোহালিত তুলসী পাতেৰে পানী ছটিয়াই পৱিত্ৰ কৰি গৰুবোৰক নতুন ৰছীৰে বান্ধিব লাগে। সকলো ঘৰৰ মূখত গধূলি 'গোহালি মাদায় পূজা কৰা দেখা যায়। প্ৰথম ব'হাগৰ দিনা মানুহবিহু। সেইদিনা আচাৰ নীতি অনুসৰি সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰে সৰুক আৰ্শীবাদ জনাই মহানুভৱতাৰ পৰিচয় দাঙি ধৰে। লগতে উপহাৰো আগবঢ়ায়। এইটো মন কৰিবলগীয়া যে সেইদিনা তেওঁলোকৰ সাংস্কৃতিৰ অতিশয় আপোন আৰু আদৰৰ বাদ্য থাম, চিফুং, আদিক মালা পিন্ধায় আদৰ কৰে।

পুৱাৰ ভাগতে সকলোৱে পূজাৰ থালী থাপলৈ গৈ আনুষ্ঠানিকতাৰে বিবিধ বাদ্য যেনে খাম, চিফুং জবা, থাববাং গগনা আদি বজাই পূজনীয় দেৱতা 'লাংগা' আদিক সেৱা কৰে। সকলো অপৰাধ মৰিষণ কৰি আগন্তুক বৰ্ষত সকলোৱেকে কুশলে ৰখাৰ বাবে সেৱা জনোৱা হয়। সকলোৱে ঘৰে ঘৰে বিহুৰ চিৰা, পিঠা, দৈ আদি খাই আনন্দ কৰে। বিহু উপলক্ষে আলহী ফুৰাৰ প্ৰথা বড়োসকলৰ মাজত প্ৰচলিত। সমাজৰ ধনী, দুখীয়া আদি ভেদ ভেদ পহৰি সকলোৱেই আনন্দৰ সমাভাগী হয়। ঘৰে ঘৰে ব'হাগ বিহুৰ হুচৰি গোৱাৰ দৰে বড়োসকলেও দলবান্ধি নৃত্য, গীত পৰিৱেশন কৰি 'মাগন কৰা প্ৰথা প্ৰচলিত কৰি ৰাখিছে। গৃহস্থয়ে যথাসাধ্য শুশ্ৰষা কৰে আৰু দান আগবঢ়ায়। এই দামৰ পুঁজিৰে তেওঁলোকে বিহু শেষৰ দিনা ভোজ ভাত খায় আৰু বিহুক বিদায় দিয়ে।

বড়োসকলে ব'হাগ বিহুক কাতি বিহুক 'কাত্ৰিগা' হিচাপে পালন কৰে।

তেওঁলোকে মাঘ বিহুক দোমাহী বা মাং বুলি কয়। নৈ পাৰ বা মুকলি পথাৰত গাঁৱৰ চেঙেলীয়া ল'ৰাই বাঁহ পুতি খেৰেৰে মেজি তৈয়াৰ কৰে। এনে মেজিৰ মূল মেজিক বুঢ়া আৰু তাতকৈ সৰুটেক বুঢ়ী বোলে। আৰু তেনেদৰে সৰু সৰু অন্যান্য মেজিও সজা হয়। তেওঁলোকে মেজিক ভেলা কৰ বুলি অভিহিত কৰে। সেই মেজিৰ ওচৰতে বাঁহৰ খুঁটা দি খেৰ নৰাৰে একোটা ৰঙা ঘৰ বা ভেলা ঘৰ সাজি তাত মাঘ বিহুৰ সংক্ৰান্তিৰ দিনা মেজি ভোজ খায়। বিহুৰ দিনা পুৱতি নিশাতে কোৱাই কিলিয়ে বগ কৰাৰ আগতে গা পা ধুই মেজিত জুই সংযোগ কৰি মেজিৰ জুই সেক লোৱা হয়। সেইদিনা লাগনি গছ-গছনি আৰু ঘৰৰ খুটা আদিত খেৰ মেৰিয়াই বন্ধাৰ নিয়ম থাকে। তদুপৰি গৰুক ঘেঁহুৰ ফোঁট আৰু শিঙত মিঠাতেল দিয় হয়। গধূলি ঘৰলৈ গৰুবোৰ ঘূৰি আহিলে ভক্তিৰে 'গোহালি মাদায়' পূজা গোহালিৰ সন্মুখত কৰা হয়। কোনো কোনোৱে মাঘৰ বিহুৰ পিছত চিকাৰলৈ গৈ মাম চিফুং চেৰজা আদি বাদ্য বাই নৃত্য- গীত পৰিৱেশন কৰি আনন্দ উপভোগ কৰে।

**বড়ো কছাৰীসকলৰ লোক ঃ উৎসৱৰ বৈশিষ্ট্য ঃ**

বড়োসকল মংগোলীয় নৃগোষ্ঠীৰ তিব্বত বৰ্মীয় ভাষা-ভাষী লোক। বড়োসকল ঘাইকৈ শৈৱ পন্থাৰ লগত জড়িত বাথৌ পন্থীয় লোক। তেওঁলোকৰ মাজত কিছুসংখ্য বা সনাতন। বৈষ্ণৱ আদি হিন্দুধৰ্মৰ ধাৰৰ আৰু খ্ৰীষ্টধৰ্মীয় লোক নথকা নহয়। নিজ ভাষা সংস্কৃতি সংৰক্ষণ কৰা দলৰ ভিতৰত হাজোৱৰি (পাহাৰৰ), হায়েনাৰী (ভৈয়ামৰ) ছানাকমী (পশ্চিমৰ) ছামমাৰী (পূবৰ) দৈখলাং খোলৰি (ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ) আদি প্ৰধান এইবিলাক বড়ো কছাৰী নিজৰ ভিতৰতে দি লোৱা নাম। বিয়াৰ পিছত কইনা-দৰাৰ ঘৰত গৃহবাস কৰে আৰু অৱশ্যে অন্য সতি-সন্ততিয়ে দেউতাকৰ উপাধি গ্ৰহণ কৰে। অৱশ্যে অন্য জনজাতীয় সমাজত প্ৰচলিত নথকা সগোত্ৰীয় বিবাহ বড়োৰ মাজত প্ৰচলন আছে। বড়োসকলে পৰম্পৰাগতভাৱে পাচোঁটি সমাজ বান্ধোনেৰে পৰিচালনা কৰে। গাওঁখনৰ মন্ত্ৰপাঠ (স্বৰ্গীয়ৰী) প্ৰায়চিও বিধান

(নার্জীয়াৰী) খেতি-বাতি (বসুমতাৰী) মাছমৰা (দৈমাৰী) চিকাৰ কৰা (মুছাহাৰী) আদি ভিন ভিন কাৰ্যৰ বাবে ভিন ভিন ফৈদৰ লোকৰ হাতত দায়িত্ব থাকে যদিও এই শ্ৰম-বিভাজনৰ সিমান ধৰা বন্ধা নিয়ম নাই। বাঁহৰ ব্যৱহাৰ বড়োসকলৰ এক অন্যতম বৈশিষ্ট্য। প্ৰয়োজনীয় বহু সামগ্ৰী তেওঁলোকৰ বাহেৰে নিৰ্মিত। বড়ো তিৰোতাসকলে প্ৰত্যেকে একোগৰাকী পাকৈত দাৱনী, ৰোৱনী, মাদুৰৈ আৰু ৰান্ধনী। এৰী পালন আৰ এৰী সূতা কটাত বড়ো তিৰোতা অতিশয় সুদক্ষ। কাপোৰ বব নজনা 'আলুৰি' ছোৱালীৰ বিয়াৰ বজাৰত মূল্যহীন 'বড়োসকল ভাল শিপিনী আৰু পাচনীও। উৎসৱ পৰ্বণত পুৰুষৰ লগতে বড়ো ছিখলা (গাভৰু) অয়থা (আয়তী) বৈৰাথী(পনামতি) আৰু বয়োবৃদ্ধ লোকৰ বিশেষ ভূমিকা আছে। বড়ো তিৰোতাই বুকুত দখনা (মেথনি) মাৰি গাত ফাছ্ৰা লৈ খিলা খোপা বান্ধি খোপাত একোটা কাকৈ গুজিল ধুনপেচ মাৰি ভাল পায়। কাণত মেৰা (কেৰু) তালিংলৰা (দুল) পাকত বালি (পাকফুলি) ডিঙিত চন্দ্ৰহাৰ, হাতত আছান মুটা (বালা) আঙুলিত আখতাম (আঙুঠি) আৰু গাত দখনা থাউছি (তেল গামোচা) ৰে অলংকৃত হৈ কইনাজনী হৈ বহিলে বড়ো নাৰীৰ অপূৰ্ব ৰূপ ফুটি উঠে। বড়োসকল প্ৰধানত কৃষিজীৱী।

বড়োসকলে বছৰেকত সমজুৰাকৈ অতি কমতে এবাৰ গাৰজা, এবাৰ মেৰাই (বাথৌ বুল্লিব্ৰী (কামাখ্যা মাৰাই (মনসা), লাওঁখাৰ গছাই (শ্ৰীকৃষ্ণ) মেৰাই উৎসৱ অতি জাকজমকতাৰে উদযাপন কৰে। আমনিদুৰা (অম্বুবাচী) কাতিগাছা (কাতি বিহু), ফুদুলি হাযা (পুতলা বিয়া) বৈছাগু (ব'হাগ বিহু) আদি বড়ো সমাজত প্‌চলন আছে। অসমীয়াৰ দৰে বড়ো ভাষাত সংবিধানৰ অষ্টম অনুসূচিত অন্তৰ্ভুক্ত হৈছে।

**বড়ো কছাৰীসকলৰ লোক বিশ্বাস আৰু সমাজ ব্যৱস্থা ঃ**

বড়োসকলৰ মাজত তন্ত্ৰ-মন্ত্ৰ ভেল্কীবাজি জাকিলী যোগৈনী (ডায়নী) বীৰা, ভূত-প্ৰেতৰ বিশ্বাস অতি পবল আনকি মন্ত্ৰৰ দ্বাৰা ভালুকৰ সৈতে সখী পতা, বীৰা পোহা আৰু মেলি দিয়া আদি কাৰ্যও কৰিব পাৰে এওঁলোকৰ মাজত বিশ্বাস প্ৰচলিত। কিন্তু আজিকালি এনে অন্ধবিশ্বাস নাইয়ে বুলিব পাৰি। বড়োসকলৰ মাজত প্ৰচলিত ছথি দায়নায় (নিজৰ কাটা) মুগা দায়নায় (মুখ ভাগুা) সময় (শপত খোৱা) শপত মোচন বধ শপত দিয়া বৰ লোৱা প্ৰথাত কিছু স্বকীয়তা থাকিলেও অন্যান্য সমাজৰ সৈতে প্ৰায় একেই।

বড়োসকল মংগোলীয় নৃগোষ্ঠীৰ তিব্বত বৰ্মীয় ভাষা-ভাষী লোক। এওঁলোক ঘাইকৈ শৈৱ পন্থাৰ লগত জড়িত বাথৌ পন্থীয় লোক যদিও তেওঁলোকৰ মাজত কিছু সংখ্যাক সনাত বা বৈষ্ণৱ আদি বিভিন্ন ধাৰা আৰু খ্ৰীষ্ট ধৰ্মীয় লোকো নথকা নহয়। তেওঁলোকৰ সমাজ ব্যৱস্থা পিতৃতান্ত্ৰিক যদিও মাতৃতান্ত্ৰিক (মাহাৰী) সমাজ ব্যৱস্থাও কিছুমান সামাজিক অনুষ্ঠানত পৰিলক্ষিত হয়। বিয়াৰ পিছত কইনাই দৰাৰ ঘৰত বাস কৰে। আৰু সতি-সন্ততিয়ে দেউতাকৰ উপাধি গ্ৰহণ কৰে। অৱশ্যে অন্য জনজাতীয় সমাজত প্ৰচলিত নথকা সগোত্ৰীয় বিবাহ বড়োৰ মাজত প্ৰচলন আছে।

বড়োসকলে সমাজ পাতি বাস কৰে। তেওঁলোকে পৰম্পৰাগতভাৱে পাচোঁটা সমাজ বন্ধোনেৰে, অৰ্থাৎ আগৰবাদ, ফংছথবাদ দাওখিবাদ, খাওঁথালিবাদ আৰু মৌলৌবৌদবাদ এই আচাৰ বা ৰে সমাজ পৰিচালনা কৰে।

**বড়ো কছাৰীসকলৰ খেতি-বাতি ঃ**

বিভিন্ন ধৰ্মাৱলম্বী বড়ো কছৰীৰ মাজত ধানখেতিয়েই প্ৰধান ব্যৱসায়। তাৰ বা তেওঁলোকে ধান খেতিৰ উপযোগী পথাৰ, খেতিত সহাস কৰা পোহনীয়া জন্তু গৰু ম'হ চৰিবৰ কাৰণে ঘাঁহনি পথাৰ উপ আহাৰৰ মাছ পুঠি পাবৰ বাবে ওচৰত কাৰণিৰ সুবিধা থকা ঠাইত গাঁও পাতি বাস কৰিবলৈ ভায় পায়। ধান খেতি কৰিবলৈ নিয়মিত পানী যোগান ধৰিবৰ কাৰণে তেওঁলোকক ডোঙৰ আৱশ্যক। আজিকালি খেতিত পোক, পৰুৱা, বানপানী অনিয়মিত বৰষুণৰ ফলত খৰ আদি প্ৰাকৃতিক বিপৰ্যয় হোৱাত ধান খেতিত লোকচান হৈ আহিব ধৰিছে। তেওঁলোকৰ ভিতৰত তিৰোতাবোৰে এৰীৰ পৰা টাকুৰীৰে সূতা কাটি কাপোৰ বৈ বজাৰত বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰে।

তেওঁলোকে পাচী, ডলা, চালনি, চেপা, চহৰা, পলো, জুলুকী, জাকৈ খালৈ, আদি বাঁহ আৰু বেতেৰে নিজে তৈয়াৰ কৰি লয়। নাঙল, যুঁৱলি মৈ আদি খেতিৰ সঁজুলিও নিজে বনাই লয়। তিৰোতাবোৰেও বজাৰৰ পৰা সূতা কিনি নিজৰ পিন্ধা ৰোৱা কাপোৰবোৰ বৈ লয়। তেওঁলোকে বোৱা বিছনাৰ চাদৰ, গাত লোৱা চাদৰ আৰু মেজত পৰা কাপোৰবোৰৰ ফুল বছা নিপুলতা চালে চকুৰোৱা, এইবোৰ কিন্তু বজাৰত বেচিবলৈ নবয়। জাকৈ পলো, জাল, বৰশী, চেপা আদি সঁজুলিৰে তেওঁলোকে গাইগুটীয়াভাৱে মাছ মাৰে। পশু চিকাৰৰ বাবে বড়ো কছাৰীৰ বহু ব্যৱস্থা আছে। তাৰ ভিতৰত অৰণ্য চিকাৰবোৰ উমৈহতীয়া। বড়ো কছাৰীসকলে নাঙল, যুঁৱলি পীৰা আদি সৰু-সুৰা কাঠৰ কামবোৰ নিজে তৈয়াৰ কৰি লয়। আৱশ্যকীয় বাকী আহিলা মিস্ত্ৰীৰ দ্বাৰা সজাই লয়।






# ধৰ্মীয় অনুষ্ঠান ‘কামাখ্যা মন্দিৰ’

**দিপিকা গগৈ**
অসমীয়া বিভাগ

**অসমৰ ধৰ্মীয় অনুষ্ঠানসমূহৰ এক চমু পৰিচয় ঃ**

**উমানন্দ মন্দিৰ ঃ** কামাখ্যা মন্দিৰৰ পূব দিশে ব্ৰহ্মপুত্ৰৰ মাজত ভস্মাচল পাহাৰত উমানন্দ মন্দিৰ প্ৰতিষ্ঠিত। উমানন্দ মন্দিৰৰ ভিতৰত বৃষভ পঞ্চমুখ আৰু দহখন হাত বিশিষ্ট উমানন্দৰ প্ৰতিমূৰ্তি আছে। শিৱৰাত্ৰিত ইয়াত ডাঙৰ মেলা পতা হয়।

হিন্দু ধৰ্মৰ মতে শিৱৰ কপালৰ ছাইৰে এই দ্বীপ সৃষ্টি হৈছিল। ১৬৯৪ চনত আহোম নৃপতি গদাধৰ সিংহই উমানন্দৰ শিৱ মন্দিৰটো নতুনকৈ নিৰ্মাণ কৰে। কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰত উমানন্দৰ উল্লেখ আছে। উমানন্দৰ দক্ষিণে এটা শিলাময় দ্বীপ আছে আৰু ইয়াত মিনাৰসদৃশ পকাৰ দীঘলীয়া বস্তু এটা আছে। ইতিহাসৰ মতে ৰাৱণে শিৱক কামাখ্যা মন্দিৰলৈ লৈ গৈ থাকোতে ৰাৱণৰ পেচাব কৰা লাগে। শিৱক উমানন্দত থৈ ৰাৱণে এই কৰ্মনাশাত পেচাব কৰিবলৈ বৈছিল। কিন্তু শিৱ উমানন্দতে স্থায়ী হ’ল আৰু ৰাৱণৰ উদ্দেশ্য পূৰণ নহ’ল। এই কৰ্মনাশা ৰাৱণৰ বিফলতাৰ প্ৰতীক। তেতিয়াৰে পৰা কৰ্মনাশক অমঙ্গলীয়া জ্ঞান কৰা হয়।

**উগ্ৰতাৰা মন্দিৰ ঃ** গুৱাহাটীৰ লতাশিল অঞ্চলত অৱস্থিত দশ মহাবিদ্যাৰ দ্বিতীয় দেৱী তাৰাৰ উগ্ৰস্বৰূপ উগ্ৰতাৰাৰ নামত উৎসৰ্গিত মন্দিৰ। এই মন্দিৰৰ পিছফালে যোৰপুখুৰী নামৰ এটা পুখুৰী আছে। যোৰপুখুৰীটো শিৱ সিংহৰ দিনত ১৭২৫ চনত খন্দোৱা হৈছিল। যোৰপুখুৰী মন্দিৰৰ পূব দিশত অৱস্থিত আৰু আৰম্ভণিতে ইয়াক উগ্ৰতাৰা পুখুৰী বোলা হৈছিল। এটা যুগত পুখুৰীটোৰ ব্ৰহ্মপুত্ৰ সৈতে সংযোগ আছিল। ব্ৰিটিছৰ সময়ত নতুন ৰাস্তা পদূলিৰ নিৰ্মাণ হয় আৰু উগ্ৰতাৰা পুখুৰীক দ্বিখণ্ডিত কৰা হয় হেম চন্দ্ৰ বৰুৱা পথ নিৰ্মাণৰ বাবে। ফলত উগ্ৰতাৰা পুখুৰী দুটা পুখুৰী হয় আৰু

তেতিয়াৰে পৰা ইয়াক যোৰপুখুৰী নাম দিয়া হয়। লোকবিশ্বাস মতে ইয়াত ভগৱান শিৱৰ পত্নী দেৱী সতীৰ নাভি পৰিছিল।

উগ্ৰতাৰা দেৱালয়ৰ গৰ্ভগৃহত দেৱী উগ্ৰতাৰাৰ কোনো মূৰ্তি বা আকৃতি নাই। পানীৰে পূৰ্ণ কুণ্ড এটা দেৱী হিচাপে গণ্য কৰা হয়। ইয়াৰ লগতে ইয়াত পাল বংশৰ সময়ৰ অষ্টধাতুৰ উগ্ৰতাৰাৰ মূৰ্তি আছে। মন্দিৰৰ কাষতে শিৱৰ মন্দিৰ শিৱালয় অৱস্থিত।


> পূজাৰ মন্ত্ৰ, স্তৱ, শ্লোক আদি অৱশ্যে যোগীনী তন্ত্ৰৰ লেখিয়া প্ৰাচীন ধৰ্মশাস্ত্ৰৰ পৰা লোৱা। তথাপি মন্দিৰৰ সামগ্ৰিক পূজাবিধিক ঠিক বৈদিক বুলিব নোৱাৰি। স্থানীয় জাতি-জনজাতিৰ বিশ্বাস পৰম্পৰাও মন্দিৰৰ পূজা পাতলত আৰম্ভণিৰ পৰহি অন্তৰ্ভুক্ত হৈছিল। বিশেষকৈ মন্দিৰৰ পূজাত আমিষ খাদ্য সম্ভাৰৰ পয়োভৰ ভাৰতৰ মূল ভূ খণ্ডৰ হিন্দু সকলৰ বাবে সাৰ্থৰ সদৃশ। ভাৰতবৰ্ষৰ উত্তৰ-পূব সীমান্ত অতীজৰে পৰা ভালেমান জনজাতিৰ বাসভূমি। প্ৰত্যেকটো জনগোষ্ঠীৰ নিজা নিজা ৰীতি-নীতি, পৰম্পৰা আৰু জনবিশ্বাস আছে। হিন্দু সমাজত ভালেমান জনজাতিৰ অন্তৰ্ভুক্তিয়ে ইয়াত হিন্দু ৰীতি-নীতিৰো সাল সলনি ঘটাইছে। দেৱীৰ পূজাৰ সাধাৰণতে পুষ্প অৰ্পণ কৰা হয়। কিছুমান মন্দিৰত জীৱ-জন্তুৰ বলি বিধানো আছে। সাধাৰণতে মাহিকী জন্তুৰ বলি নহয়। কিন্তু বৃহৎ হাৰত হোৱা বলিত মতা-মাইকী দুয়োবিধ জন্তু থাকিব পাৰে। প্ৰাচীন কামৰূপৰ তন্ত্ৰ সাধনাৰ বাবে প্ৰসিদ্ধ আছে। তন্ত্ৰ সাধনা কামৰূপতে উদ্ভৱ হৈছিল। শক্তি সাধকসকলে পূজা পালৈত তন্ত্ৰ সাধনাৰ আশ্ৰয় লয়। তন্ত্ৰসমূহ প্ৰাচীন ধৰ্মবিধি আৰু এইবিধিত দেৱীৰ পূজা- অৰ্চনাসমূহ শিৱ-পাৰ্বতীৰ কথোপকথনৰ মাজেৰে সম্পন্ন হয়।


**হয়গ্ৰীৱ মাধৱ মন্দিৰ ঃ** হয়গ্ৰীৱ মাধৱ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে গুৱাহাটীৰ পৰা প্ৰায় ত্ৰিশ কিলোমিটাৰ দূৰত্বত মণিকূট পৰ্বতত অৱস্থিত। হাজোৰ মণিপৰ্বত নামৰ এটা টিলাৰ ওপৰত এই দেৱালয় অৱস্থিত। বিষ্ণুৰ এক অৱতাৰ 'হয়গ্ৰীৱ'ক ইয়াত পূজা অৰ্চনা কৰা হয়। হয়গ্ৰীৱ মাধৱ মন্দিৰৰ দক্ষিণ পূৱ দিশে সামান্য দূৰত্বত মদনাচল পৰ্বতত এটা শিৱ মন্দিৰ আছে। এই শিৱক কেদাৰ বোলা হয়। সংস্কৃত ভাষাত 'হয়' মানে 'ঘোঁৰা' আৰু 'গ্ৰীৱ'ৰ অৰ্থ 'ডিঙি'। সেয়েহে এই মন্দিৰটোক 'হয়গ্ৰীৱ মন্দিৰ' বুলি কোৱা হয়। এই পৰ্বততে গোকৰ্ণ আৰু বিকৰ্ণ নামৰ দুজন যোগী অৱস্থিত। কুণ্ডৰ জলত স্নান কৰি গোকৰ্ণ আৰু বিকৰ্ণ, কেদাৰ কমলেশ্বৰ আৰু হয়গ্ৰীৱ দৰ্শন কৰিলে মানুহে মুক্তি লাভ কৰে। জগন্নাথ দেৱৰ মূৰ্ত্তি যি বস্তুৰে তৈয়াৰ কৰা হৈছিল হয়গ্ৰীৱ মাধৱৰ মূৰ্ত্তিও সেই একে বস্তুৰে নিৰ্মাণ কৰা হৈছিল। মণিকূট পাহাৰৰ মূৰ্ত্তিয়ে হয়গ্ৰীৱ মাধৱ বা হাজো নামেৰে প্ৰসিদ্ধ তীৰ্থ স্থান হ'ল। হয়গ্ৰীৱ মাধৱৰ সৈতে সোঁহাতে দ্বিতীয় মাধৱ আৰু গৰুড় আৰু দক্ষিণ দিশত গোবিন্দ মাধৱ আৰু বাসুদেৱৰ মূৰ্ত্তি আছে। হয়গ্ৰীৱ মাধৱৰ চাৰিওফালৰ দেৱালয়ত দশাৱতাৰ মূৰ্ত্তি খোদিত। মধ্যযুগত কোচ ৰাজবংশ আৰু আহোম ৰাজবংশই হয়গ্ৰীৱ মাধৱ মন্দিৰৰ বহুত সংস্কাৰ কৰে। হয়গ্ৰীৱ মন্দিৰত কোচ ৰজা আৰু দোলন মন্দিৰত আহোম ৰজাৰ দিনৰ শিলালিপি আছে।

**কামাখ্যা মন্দিৰ ঃ** অসমৰ গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত হিন্দু ধৰ্মৰ এক প্ৰাচীন মন্দিৰ। কামাখ্যা মন্দিৰটো সমতলৰ পৰা প্ৰায় ১৮০ মিটাৰ উচ্চতাত অৱস্থিত। প্ৰতিদিনে হেজাৰ হেজাৰ ধৰ্মপ্ৰাণ মানুহে আহি কামাখ্যা মন্দিৰত শাৰী পাতি ঠিয় হয় এই তীৰ্থস্থানত মূৰ দোৱায়। এই পৰম্পৰা অতীজৰে পৰা চলি আহিছে। কামাখ্যা মন্দিৰৰ অম্বুবাচী মেলাত দেশ-বিদেশৰ ধৰ্মীয় পৰ্যটক গুৱাহাটী পায়হি। কালিকা পুৰাণৰ মতে কামদেৱৰ অনুৰোধক্ৰমে বিশ্বকৰ্মাই কামাখ্যা মন্দিৰ নিৰ্মাণ কৰিছিল। যজ্ঞস্থলীত দক্ষৰাজে স্বামী শিৱক কৰা অপমান সহ্য কৰিব নোৱাৰি সতীয়ে যজ্ঞভূমিতে প্ৰাণ ত্যাগ কৰে। পত্নীৰ এই মৃত্যুত শিৱ অগ্নিশৰ্মা হৈ হিতাহিত জ্ঞান হেৰুৱায়। শিৱই সতীৰ মৃতদেহ কান্ধত লৈ চাৰিওফালে পৰিভ্ৰমণ কৰা আৰম্ভ কৰে। উন্মাদনাৰ সমাপ্তি ঘটোৱাৰ দায়িত্ব ভগবান বিষ্ণুৰ ওপৰত আহি পৰে। বিষ্ণুৱে শিৱক অনুসৰণ কৰে আৰু চক্ৰৰে শিৱৰ কান্ধত থকা সতীৰ মৃতদেহটো খণ্ড খণ্ড কৰি যায়। সতীৰ মৃতদেহ মুঠ একাৱন্ন খণ্ডত সিঁচৰিত হৈ চৌদিশে পৰে। সতীৰ দেহৰ অংগ ভূমিষ্ঠ হোৱা প্ৰতিটো স্থানেই একোখন পৱিত্ৰ তীৰ্থস্থানত পৰিণত হয়। সতীৰ গুপ্তাঙ্গ নীলাচল পাহাৰত পতিত হয় আৰু সেই ঠাইতে শ্ৰদ্ধাস্থল কামাখ্যা মন্দিৰ গঢ়ি উঠে।

**ধৰ্মীয় অনুষ্ঠানৰ ৰীতি-নীতি ঃ**

পূজাৰ মন্ত্ৰ, স্তৱ, শ্লোক আদি অৱশ্যে যোগীনী তন্ত্ৰৰ লেখিয়া প্ৰাচীন ধৰ্মশাস্ত্ৰৰ পৰা লোৱা। তথাপি মন্দিৰৰ সামগ্ৰিক পূজাবিধিক ঠিক বৈদিক বুলিব নোৱাৰি। স্থানীয় জাতি-জনজাতিৰ বিশ্বাস পৰম্পৰাও মন্দিৰৰ পূজা পাতলত আৰম্ভণিৰ পৰহি অন্তৰ্ভুক্ত হৈছিল। বিশেষকৈ মন্দিৰৰ পূজাত আমিষ খাদ্য সম্ভাৰৰ পয়োভৰ ভাৰতৰ মূল ভূ খণ্ডৰ হিন্দু সকলৰ বাবে সাৰ্থৰ সদৃশ। ভাৰতবৰ্ষৰ উত্তৰ-পূব সীমান্ত অতীজৰে পৰা ভালেমান জনজাতিৰ

> কামাখ্যা মন্দিৰ হৈছে অসমৰ গুৱাহাটীত অৱস্থিত হিন্দু ধৰ্মৰ এক প্ৰাচীন মন্দিৰ। গোটেই ভাৰততে ব্যাপ্ত হৈ থকা মুঠ ৫১ খন দেৱীপীঠৰ মাজৰ অন্যতম গুৰুত্বপূৰ্ণ পীঠ এই কামাখ্যা মন্দিৰ। নীলাচল পাহাৰত অৱস্থিত কামাখ্যা দেৱীৰ এই মন্দিৰকেই অসমৰ সবাতোকৈ প্ৰসিদ্ধ আৰু প্ৰভাৱশালী মন্দিৰ বুলি ভবা হয়। অতি প্ৰাচীন কালৰে পৰাই অসমৰ ইতিহাসৰ ৰাজনৈতিক আৰু ধৰ্মিক দুয়ো দিশতে শক্তি উপাসনাৰ কেন্দ্ৰস্থল কামাখ্যাই অতিশয় গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। কামাখ্যা মন্দিৰৰ নিৰ্মাণকৰ্তা হিচাপে প্ৰবাহ অনুসৰি নৰকাসুৰ আৰু ইতিহাস অনুসৰি কোচ নৃপতি মহাৰাজ বিশ্বসিংহ, তেওঁৰ পুত্ৰ নৰনাৰায়ণ আৰু চিলাৰায়ৰ কথা জনা যায়। মন্দিৰৰ শেষৰ অংশ আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত সংযোজন কৰা হয়। ইয়াত আহোম ড্ৰেগন ঙি ঙাওসামৰ ভাস্কৰ্যও দেখা যায়।

বাসভূমি। প্ৰত্যেকটো জনগোষ্ঠীৰ নিজা নিজা ৰীতি-নীতি, পৰম্পৰা আৰু জনবিশ্বাস আছে। হিন্দু সমাজত ভালেমান জনজাতিৰ অন্তৰ্ভুক্তিয়ে ইয়াত হিন্দু ৰীতি-নীতিৰো সাল সলনি ঘটাইছে। দেৱীৰ পূজাৰ সাধাৰণতে পুষ্প অৰ্পণ কৰা হয়। কিছুমান মন্দিৰত জীৱ-জন্তুৰ বলি বিধানো আছে। সাধাৰণতে মাহিকী জন্তুৰ বলি নহয়। কিন্তু বৃহৎ হাৰত হোৱা বলিত মতা-মাইকী দুয়োবিধ জন্তু থাকিব পাৰে। প্ৰাচীন কামৰূপৰ তন্ত্ৰ সাধনাৰ বাবে প্ৰসিদ্ধ আছে। তন্ত্ৰ সাধনা কামৰূপতে উদ্ভৱ হৈছিল। শক্তি সাধকসকলে পূজা পালৈত তন্ত্ৰ সাধনাৰ আশ্ৰয় লয়। তন্ত্ৰসমূহ প্ৰাচীন ধৰ্মবিধি আৰু এইবিধিত দেৱীৰ পূজা- অৰ্চনাসমূহ শিৱ-পাৰ্বতীৰ কথোপকথনৰ মাজেৰে সম্পন্ন হয়।

**ধৰ্মীয় অনুষ্ঠান হিচাপে কামাখ্যা মন্দিৰ ঃ**

**কামাখ্যা মন্দিৰ ঃ** অসমৰ গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত হিন্দুধৰ্মৰ এক প্ৰাচীন মন্দিৰ। কামাখ্যা মন্দিৰটো সমতলৰ পৰা প্ৰায় ১৮০ মিটাৰ উচ্চতাত অৱস্থিত। প্ৰতিদিনে হেজাৰ হেজাৰ ধৰ্মপ্ৰাণ মানুহে আহিম কামাখ্যা মন্দিৰত শাৰী পাতি ঠিয় হৈ এই তীৰ্থস্থানত দোৱায় মূৰ হৈ। এই পৰম্পৰা অতীজৰে পৰা চলি আহিছে। কামাখ্যা মন্দিৰৰ অম্বুবাচী মেলাত দেশ-বিদেশৰ ধৰ্মীয় পৰ্যটক গুৱাহাটী পায়হি। কালিকা পুৰাণৰ মতে কামদেৱৰ অনুৰোধক্ৰমে বিশ্বকৰ্মাই কামাখ্যা মন্দিৰ নিৰ্মাণ কৰিছিল। যজ্ঞস্থলীত দক্ষৰাজ স্বামী শিৱক কৰা অপমান সহ্য কৰিব নোৱাৰি সতীয়ে যজ্ঞভূমিতে প্ৰাণ ত্যাগ কৰে। পত্নীৰ এই মৃত্যুত শিৱই সতীৰ মৃতদেহ কান্ধত লৈ চাৰিওফালে পৰিভ্ৰমণ কৰা আৰম্ভ কৰে। উন্মাদনাৰ সমাপ্তি ঘটোৱাৰ দায়িত্ব ভগবান বিষ্ণুৰ ওপৰত আহি পৰে। বিষ্ণুৱে শিৱক অনুসৰণ কৰে আৰু চক্ৰৰে শিৱৰ কান্ধত থকা সতীৰ মৃতদেহটো খণ্ড খণ্ড কৰি যায়। সতীৰ মৃতদেহ মুঠ একান্ন খণ্ডত সিঁচৰিত হৈ চৌদিশে পৰে। সতীৰ দেহৰ অঙ্গ ভূমিষ্ঠ হোৱা প্ৰতিটো স্থানেই একোখন পৱিত্ৰ তীৰ্থস্থানত পৰিণত হয়। আৰু সেই ঠাইতে শ্ৰদ্ধাস্থল কামাখ্যা মন্দিৰ গঢ়ি উঠে। ১৪৯৮ চনত হুচেইন শ্বাহৰ কমতা ৰাজ্য আক্ৰমণৰ সময়ত কামাখ্যা মন্দিৰৰ ধ্বংশ হৈছিল। ধ্বংশ হোৱা কামাখ্যা মন্দিৰেই কোচ ৰজা বিশ্বসিংহই পুনৰ নিৰ্মাণ কৰি উলিওৱা হয়। কামাখ্যা মন্দিৰত মনসা দেৱীৰ পূজা কৰা হয়। অম্বুবাচী মেলা আহাৰ মাহৰ মৃগশিৰা নক্ষত্ৰৰ তিনি পদ পাৰ হোৱাৰ পিছত চতুৰ্থ পদত আদ্ৰা নক্ষত্ৰৰ প্ৰথম পদৰ ভিতৰত ধৰিত্ৰী দেৱী ঋতুমতী হয়। এই সময়ছোৱাক অম্বুবাচী বোলা হয়। অম্বুবাচী মেলাত কামাখ্যা মন্দিৰ তিনিদিন বন্ধ থাকে। প্ৰতিবছৰে জুন মাহত ইয়াক উদযাপন কৰা হয়। সেইখিনি সময়ত দেৱীৰ পূজা, দৰ্শন একোৱেই নহয়। তিনি দিনৰ পিছত চতুৰ্থদিন মন্দিৰ খোলে আৰু মন্দিৰ চৌহদত সেইদিনাই এক বিশাল মেলাৰ আয়োজন কৰা হয়। বছৰৰ আহাৰ মাহৰ ছয় বা সাত তাৰিখৰ পৰা আহাৰ মাহৰ দহ বা এঘাৰ তাৰিখৰ ভিতৰত অম্বুবাচী যোগ পৰে। এই উপলক্ষ্যে সমগ্ৰ দেশৰ পৰা হেজাৰ হেজাৰ তীৰ্থযাত্ৰী কামাখ্যা দেৱীৰ মন্দিৰত উপস্থিত হয়।

পৰম্পৰা আৰু পৰিৱৰ্তিত ৰূপত কামাখ্যা মন্দিৰ ঃ কামাখ্যা মন্দিৰৰ পূজাবিধ সুকীয়া আৰু ঠিক বেদিক পৰম্পৰা অনুযায়ী নহয়। স্তৱ, শ্লোক, পূজাৰ মন্ত্ৰ, আদি অৱশ্যে যোগিনী তন্ত্ৰৰ লেখিয়া প্ৰাচীন ধৰ্মশাস্ত্ৰৰ পৰা লোৱা হয়। কামাখ্যা মন্দিৰৰ সামগ্ৰিক পূজাবিধিক ঠিক বৈদিক বুলিব নোৱাৰি। স্থানীয় জাতি-জনজাতিৰ বিশ্বাস পৰম্পৰাও কামাখ্যা মন্দিৰৰ পূজা পাতলত আৰম্ভণিৰ পৰাই অন্তৰ্ভুক্ত হৈছিল। বিশেষকৈ কামাখ্যা মন্দিৰৰ পূজাত আমিষ খাদ্য সম্ভাৰৰ পয়োভৰ ভাৰতৰ মূল ভূ-খণ্ডৰ হিন্দুসকলৰ বাবে সাথৰ সদৃশ। প্ৰত্যেকটো জনগোষ্ঠীৰে নিজা নিজা ৰীতি-নীতি, পৰম্পৰা আৰু জনবিশ্বাস। এই অঞ্চলৰ হিন্দু সমাজত ভালেমান জনজাতিৰ অন্তৰ্ভুক্তিয়ে ইয়াত হিন্দু ৰীতি-নীতিৰো কম বেচি পৰিমাণে সালসলনি ঘটাইছে। কামাখ্যা

মন্দিৰৰ পূজা বিধি সম্পূৰ্ণ বৈদিক নহয়। যুগে যুগে স্থানীয় জনবিশ্বাসৰ দ্বাৰা প্ৰভাৱান্বিত আৰু ৰূপান্তৰিত হোৱা কামাখ্যা মন্দিৰৰ পূজাত বামাচাৰ আৰু দক্ষিণচাৰ দুয়োবিধ পূজা ৰীতি প্ৰচলিত। দেৱীৰ পূজাৰ সাধাৰণতে পুষ্প অৰ্পণ কৰা হয়। কিন্তু জীৱ-জন্তুৰ বলি বিধানো আছে। সাধাৰণতে মাইকী জন্তুৰ বলি নহয়। কামাখ্যা মন্দিৰত মনসা দেৱীৰ পূজা হয়। মনসাক নাগ দেৱীৰ ৰূপত পূজিতা হয়। জনজাতিসমূহৰ মাজত উৰ্বৰতাৰ বাবে মাতৃ পূজাৰ পৰম্পৰা আছিল। কিছুমান ঠাইত মাতৃ পূজা এতিয়াও সক্ৰিয় য'ত পৰম্পৰাগতভাৱে মাতৃ পূজা অনুষ্ঠিত হয়। এই পূজাত সচৰাচৰ বলি-বিধান পৰিলক্ষিত হয়। ত্ৰিপুৰবালা, তাম্ৰেশ্বৰী আদি মন্দিৰ মাতৃ পূজাৰ বাবে অতীজৰে পৰা প্ৰসিদ্ধ। এচাম ঐতিহাসিৰ সতে কামাখ্যা মন্দিৰ কোনোবা যুগত খাচিসকলৰ বলি পূজাৰ স্থান আছিল। শক্তি সাধকসকলে পূজা পাতলত তন্ত্ৰ সাধনাৰ আশ্ৰয় লয়। শক্তি পূজা আৰু তন্ত্ৰ সাধনাৰ বাবে কামাখ্যা মন্দিৰৰ বিশ্বব্যাপি খ্যাতি আছে। কামাখ্যা মন্দিৰত অম্বুবাচী মেলা উদযাপন কৰা হয়। অম্বুবাচী মেলা আহাৰ মাহৰ মৃগশিৰা নক্ষত্ৰৰ তিনি পদ পাৰ হোৱাৰ পিছত চতুৰ্থ পদত আদ্ৰা নক্ষত্ৰৰ প্ৰথম পদৰ ভিতৰত ধৰিত্ৰী দেৱী ঋতুমতী হয়। দেওধ্বনি উৎসৱ কামাখ্যা মন্দিৰত উদ্‌যাপন কৰা হয়। দেৱ-দেৱীৰ উদ্দেশ্যে ঢাক, ঢোল, মৃদঙ্গ, কৰতালে ইত্যাদি বাদ্য যন্ত্ৰৰ সহযোগত উচ্চ ধ্বনি কৰা হয় দেওধ্বনি উৎসৱত। জগত জননী কামাখ্যা দেৱী আৰু দুৰ্গা অভিন্ন শাৰদীয় দুৰ্গা পূজা কামাখ্যা মন্দিৰত মহাসমাৰোহেৰে পালন কৰা হয়। কামাখ্যা মন্দিৰত উদ্‌যাপিত দুৰ্গা পূজাৰ সমগ্ৰ দেশতে শ্ৰেষ্ঠতম বুলি মান্যতা আছে। এই শুক্লা প্ৰতিপদৰ পৰা শুক্লা দশমীলৈ পৰা সময়ছোৱাক নৱৰাত্ৰি বোলে আৰু এই দিনকেইটা হিন্দু সকলৰ বাবে অতি পৱিত্ৰ সময়। শাৰদীয় বিজয়া দশমীৰ পিছৰ পূৰ্ণিমাৰ দিনা কামাখ্যা মন্দিৰত ৰাতি লক্ষ্মী পূজা উপলক্ষ্যে লক্ষ্মী মাতাৰ পীঠস্থানত লক্ষ্মী পূজা হয়। কোজাগৰী লক্ষ্মী পূজাৰ পিছৰ অমাৱস্যাৰ দিনা ৰাতি কালী পূজা বা শ্যামা পূজা অনুষ্ঠিত হয়। এই পূজা কামাখ্যাৰ কালী মন্দিৰত হয়। আঘোণ মাহত কামাখ্যা মাৰ মন্দিৰত নবান্ন উৎসৱ অনুষ্ঠিত হয়। নতুন চাউল, নতুন শস্য দেৱীৰ আগত নিবেদন কৰা হয়। পূজা, স্তৱাদি, পাঠ, হোমা আদি অনুষ্ঠিত হোৱাৰ দিনাৰ পৰাহে ইয়াৰ অধিবাসীসকলে নতুন চাউলৰ ভাত খায়। নবান্ন নোহোৱালৈ নতুন চাউলৰ ভাত খোৱা নহয়। পুহ মাহৰ কৃষপক্ষৰ দ্বিতীয়া অথবা তৃতীয়া তিথিত পুষ্যা নক্ষত্ৰ যোগত পুষ্যাভিষেক উৎসৱ অনুষ্ঠিত হয়। দুৰ্গাদৌল উৎসৱ চ'ত মাহত হয়। এই দুৰ্গাদৌল উপলক্ষে শুক্লপক্ষৰ দ্বিতীয়া তিথিত চলন্তা কামেশ্বৰ মূৰ্ত্তিক সন্ধ্যাৰ সময়ত মন্দিৰৰ বাহিৰলৈ আলি দোলাত ৰাখি অধিবাস কৰা হয়। পৰৱৰ্তিত ৰূপত কামাখ্যা মন্দিৰত দেশ-বিদেশৰ পৰা বিভিন্ন পৰ্যটক কামাখ্যা মন্দিৰ দৰ্শন কৰিবলৈ আহে। কামাখ্যা মন্দিৰৰ চৌহদত বহুতো হোটেল নিৰ্মাণ কৰা হৈছে পৰ্যটকসকলৰ বাবে। সম্প্ৰতি এই বাটৰ মুখতে এক বিশাল তোৰণ নিৰ্মিত হৈছে। অকোৱা পকোৱা পাহাৰীয়া পথটো অতি সুন্দৰ। কামাখ্যা মন্দিৰৰ মৰ্যাদা আৰু সুনামলৈ চাই কৰ্তৃপক্ষই পথটো। যথাযথভাৱে চোৱাচিতা কৰে। কামাখ্যা দৰ্শনৰ বাবে অহা তীৰ্থ যাত্ৰীসকলৰ সুবিধাৰ বাবে ভাৰতীয় ৰেল কৰ্তৃপক্ষই নীলাচল পাহাৰৰ নামনিতে কামাখ্যা নামৰ ডাঙৰ ষ্টেচন কাৰ্যকৰীৰ কৰিছে।

কামাখ্যা মন্দিৰ হৈছে অসমৰ গুৱাহাটীত অৱস্থিত হিন্দু ধৰ্মৰ এক প্ৰাচীন মন্দিৰ। গোটেই ভাৰততে ব্যাপ্ত হৈ থকা মুঠ ৫১ খন দেৱীপীঠৰ মাজৰ অন্যতম গুৰুত্বপূৰ্ণ পীঠ এই কামাখ্যা মন্দিৰ। নীলাচল পাহাৰত অৱস্থিত কামাখ্যা দেৱীৰ এই মন্দিৰকেই অসমৰ সবাতোকৈ প্ৰসিদ্ধ আৰু প্ৰভাৱশালী মন্দিৰ বুলি ভৱা হয়। অতি প্ৰাচীন কালৰে পৰাই অসমৰ ইতিহাসৰ ৰাজনৈতিক আৰু ধৰ্মিক দুয়ো দিশতে শক্তি উপাসনাৰ কেন্দ্ৰস্থল কামাখ্যাই অতিশয় গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। কামাখ্যা মন্দিৰৰ নিৰ্মাণকৰ্তা হিচাপে প্ৰবাহ অনুসৰি নৰকাসুৰ আৰু ইতিহাস অনুসৰি কোচ নৃপতি মহাৰাজ বিশ্বসিংহ, তেওঁৰ পুত্ৰ নৰনাৰায়ণ আৰু চিলাৰায়ৰ কথা জনা যায়। মন্দিৰৰ শেষৰ অংশ আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত সংযোজন কৰা হয়। ইয়াত আহোম ড্ৰেগন ঙি ঙাওসামৰ ভাস্কৰ্যও দেখা যায়।



# হাজো পঞ্চতীৰ্থ

**মধুস্মিতা চক্ৰৱৰ্তী**
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

**হাজোৰ ইতিহাস ঃ**

হাজো এখন ঐতিহাসিক ঠাই, ইয়াৰ তীৰ্থস্থানসমূহ অসম তথা ভাৰতবৰ্ষত অতীত গৌৰৱ ঘোষণা কৰি আহিছে। হাজো পুণ্যভূমি। হাজো পঞ্চতীৰ্থৰূপে জনাজাত। ইয়াৰ সমগ্ৰ অঞ্চলটোৱে মঠ-মন্দিৰ, সত্ৰ, মছজিদ আৰু অতীত বুৰঞ্জীৰে ভৰা। ইয়াৰ প্ৰতিটো শিলে বুৰঞ্জী কয় আৰু প্ৰতি ডোখৰ মাটিয়ে কাহিনী কয়। মুছলমানসকলৰ পৱিত্ৰ তীৰ্থস্থান পোৱামক্কা ইয়াতে আছে। বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলেও হাজোক পৱিত্ৰ জ্ঞান কৰিছে আৰু হাজো চক্ৰৰ প্ৰায়বোৰ মঠ-মন্দিৰে তেওঁলোকে দৰ্শন কৰে। অতীজৰে পৰা আজিলৈ হাজো হিন্দু, মুছলমান আৰু বৌদ্ধৰ মিলন ভূমিৰূপে পৰিচিত আৰু সেয়ে এই ঠাওা খণ্ডক ধৰ্মৰ ত্ৰিবেণী সংগমৰূপে অভিহিত কৰা হৈছে।

বিভিন্ন পদ-পুথি আৰু শাসকৰ দিনত হাজোক বিভিন্ন নামে জনা যায়। মহাকাব্য আৰু পুৰাণে হাজোক নামকৰণ কৰিছে পঞ্চতীৰ্থৰূপে। কালিকা পুৰাণে হাজোৰ নাম 'অনুনভৱ' আৰু 'মণিকূট বুলিও কৈছে। 'যোগিনী তন্ত্ৰৰ মতে হাজোৰ নাম 'বিষ্ণু পুষ্কৰ' আৰু অপুনভৱ। সূৰ্যখড়ি দৈৱজ্ঞ ৰচিত 'দৰঙ্গ ৰাজবংশাৱলী' পুথিৰ মতে হাজো 'মণিকূট গ্ৰাম' আহোম ৰজাসকলৰ দিনত ৰচিত বুৰঞ্জী'ত ইয়াৰ নাম হাজো পোৱা হৈছে। চৰিত পুথি আৰু বৈষ্ণৱ কবিসকলৰ ৰচনাত 'হাজো' নাম উল্লেখ আছে। মোগলসকলৰ দিনত হাজো 'চুজাবাদ' বা 'চুজানসৰ' নামেৰে জনাজাত হৈছিল।

**পঞ্চতীৰ্থৰ বৰ্ণনা**

হাজো অঞ্চলৰ প্ৰতিটো শিলে, বিশেষকৈ নিজ হাজোৰ পাহাৰে-ভৈয়ামে সিঁচৰিত হৈ পৰি থকা প্ৰতিটো শিলে অতীত বুৰঞ্জীৰ সাক্ষী দিব খোজে।

নিজ হাজোত হয়গ্ৰীৱ মাধৱ, কেদাৰ, কামেশ্বৰ, কমলেশ্বৰ আৰু গণেশ মন্দিৰ বিদ্যমান যাক পঞ্চতীৰ্থৰূপে জনা যায়। এই কেইখন তীৰ্থস্থানৰ ঐতিহ্যৰ এটি বিৱৰণ তলত দাঙি ধৰা হ'ল—

**শ্ৰী শ্ৰী হয়গ্ৰীৱ মাধৱ ঃ**

হাজোৰ হয়গ্ৰীৱ মাধৱ অকল অসমৰ ভিতৰত নহয়, ভাৰতৰ পৱিত্ৰ মন্দিৰৰ বিলাকৰ ভিতৰতে অন্যতম। এই মন্দিৰ দৰ্শন কৰিবলৈ ভাৰতৰ বহুতো ঠাইৰ পৰা তীৰ্থযাত্ৰী আহে। হয়গ্ৰীৱ মাধৱৰ ওপৰত হাজোবাসীৰ প্ৰগাঢ় বিশ্বাস। মন্দিৰৰ শিল্প-ভাস্কৰ্যও চালে চকুৰ ৰয়। এই ভাস্কৰ্যৰ কোনো কোনোৱে ইলোৰাৰ কৈলাশ গুহা মন্দিৰৰ লগত ৰিজনি দিছে আৰু ইয়াৰ ভাস্কৰ্যবোৰক উত্তৰ ভাৰতীয় ভাস্কৰ্যৰ শিল্পধাৰাৰ শাৰীত পেলাব খোজে। আকৌ, কোনোৱে মাধৱৰ মূল মুঠটোৰ তলৰ অংশৰ হস্তীযুক্ত ভাস্কৰ্য শাৰীক বৌদ্ধ ভাস্কৰ্য নিদৰ্শনৰূপেও অভিহিত কৰিছে।

হয়গ্ৰীৱ মাধৱ মন্দিৰ সম্পৰ্কত নানা প্ৰবাদ শুনা যায়। কালিকা পুৰাণ প্ৰবাদ মতে, এই তীৰ্থ উৰ্ব নামৰ এখন ঋষিয়ে প্ৰতিষ্ঠা কৰে। সেই সময় কলি আৰু দ্বাপৰৰ সন্ধিক্ষণ। তেতিয়াৰ হাজো অসুৰেৰে ভৰা। বিশেষকৈ জ্বৰাসুৰ, হয়াসুৰ আদি কৰি পাঁচজন অসুৰে মণিকূট পৰ্বতত বাস কৰিছিল। অসুৰৰ অত্যাচাৰত সাধু-সন্ন্যাসী ভয়ত এস্তমান হৈছিল। হাজো আশ্ৰমত থকা উৰ্ব ঋষিও অসুৰৰ অত্যাচাৰত জ্বলা-কালা হ'ল। ঋষিয়ে অসুৰৰ অত্যাচাৰৰ পৰা তেওঁক ৰক্ষা কৰিবলৈ তপ কৰিবলৈ ধৰিলে। তেওঁৰ তপত সন্তুষ্ট হৈ বিষ্ণুৱে হয়গ্ৰীৱ ৰূপ ধৰি জ্বৰাসুৰ, হয়াসুৰক বধ কৰে। প্ৰবাদ আছে যে যেতিয়া হয়াসুৰক মহাপ্ৰভু বিষ্ণুৱে বধ কৰে তেতিয়া হয়াসুৰে বিষ্ণুক কাকুতি-মিনতি কৰি কৈছিল— "হে প্ৰভু, আজন্ম পাপৰ ফল আজি আপোনাৰ লগতে যেন মোৰ নামটোও মুক্তি পায়। মোৰ নামটো যাতে আপোনাৰ আগত হয়।" তেতিয়া বিষ্ণুৱে সন্মতি প্ৰদান কৰে। সেয়েহে তেতিয়াৰ পৰা "হয়গ্ৰীৱ মাধৱ কি জয়" বুলি কয়। তেতিয়াৰ পৰা মানৱৰ হিতৰ বাবে মণিকূট পাহাৰতে হয়গ্ৰীৱ মাধৱৰূপে বিষ্ণুৱে অৱস্থান কৰে।

জ্বৰাসুৰক বধ কৰাৰ পিছত জ্বৰৰ দ্বাৰা পীড়িত হোৱাত বিষ্ণুৱে আৰোগ্য স্নান কৰিছিল। যি ঠাইত তেওঁ এই আৰোগ্য স্নান কৰিছিল, সেই ঠাই অপূৰ্ণভৱ কুণ্ডৰূপে জনাজাত হয়। মানুহৰ বিশ্বাসত যে এই কুণ্ডত স্নান কৰিলে পূৰ্ণজন্ম নহয়। যোগিনী তন্ত্ৰত এই কুণ্ডৰ কথা উল্লেখ আছে। বৰ্তমান এই ঠাইত সংৰক্ষণৰ কোনো ব্যৱস্থা নোহোৱাটো পৰিতৰ কথা। যোগিনীতন্ত্ৰৰ মতে, উৰিষ্যাৰ ৰজা ইন্দ্ৰদ্যুম্নই এজোপা মহাবৃক্ষৰ সম্ভেদ পাই তাক সাত ডোখৰকৈ কাটি বিভিন্ন স্থানত মূৰ্তি স্থাপন কৰে। তাৰ দুডোখৰ হাজোলৈ আনি হয়গ্ৰীৱ মাধৱত প্ৰতিষ্ঠা কৰে। মানুহে কয়। মাধৱৰ পশ্চিমৰ দ্বাৰৰ পৰা হেনো জগন্নাথ মন্দিৰ দেখা যায়।

মহাভাৰতৰ মতে, এসময়ত বিষ্ণু টোপনিত থাকোতে ব্ৰহ্মা বিষ্ণুৰ নাভিকমলত আছিল। এনে বিষ্ণুৰ নাভিৰ পৰা মধু আৰু কৈটভ নামে দুটা দৈত্য ওলাই আছিল। দৈত্য দুটাই ব্ৰহ্মাৰ হাতৰ পৰা বেদশাস্ত্ৰ কাঢ়ি ল'লে। দৈত্যৰ কাণ্ড দেখি ব্ৰহ্মাই বিষ্ণুক টোপনিৰ পৰা জগালে আৰু দৈত্যৰ অপকৰ্মৰ কথা বিৱৰি ক'লে। তেতিয়া বিষ্ণুৱে হয়গ্ৰীৱ ৰূপ ধৰি, সেই দৈত্যৰ হাতৰ পৰা বেদশাস্ত্ৰ উদ্ধাৰ কৰি পুনৰ ব্ৰহ্মাৰ হাতত দি হাজোৰ মণিকূট পাহাৰতে শয়ন কৰে বুলি কোৱা হয়। তেতিয়াৰ পৰা এই স্থান হয়গ্ৰীৱ মাধৱ নামে জনাজাত হয়।

তিব্বতীসকলে এই কথাও কয় যে লাঘা পন্থাৰ প্ৰৱৰ্তক সিদ্ধ পদ্মনাভৰ হাজোত দেহাৱসান ঘটিছিল। সিদ্ধ পদ্মনাবৰ নামত বৌদ্ধ চৈত্যটো নিৰ্মাণ হৈছিল। আৰু তাত বুদ্ধ মূৰ্তি প্ৰতিষ্ঠা কৰা হৈছিল। তেনে বিশ্বাসৰ পৰা ভূটীয়াসকলে হাজোক স্বৰ্গভূমি বুলি জ্ঞান কৰি আহিছে আৰু ভূটান, নেপাল, তিব্বত আৰু চীন দেশৰ পৰা যাত্ৰী আহি ইয়াৰ তীৰ্থস্থান দৰ্শন কৰে। তেওঁলোকে কয় তেওঁলোকৰ মহামুনি হাজোত আছে। তেওঁলোকে মাধৱৰ মূৰ্তিটোক দোৰ্জী দোলা শকৎথুৱা, চেনচা মুনি বুলি কয়। ভূটিয়া লামাসকলে হয়গ্ৰীৱ মাধৱ মূৰ্তিক নমোগুৰু অৰ্থাৎ পদ্মসম্ভৱ বুলি কয়। বাকী কেইটা বিগ্ৰহক 'উগায়গুৰু দউৰজ দোলা বুয়া মাধৱক 'চোকা থুৱা' চেনচা মুনি বুলি কয়। কামেশ্বৰ মন্দিৰক 'টোমা কাটা' গণেশ মন্দিৰক 'যামবালা', গোকৰ্ণৰ টোকা, ভীমৰ চৰিয়াক 'আয়া' বামুন্দীৰ ধাৰেশ্বৰ মন্দিৰক 'চুমনা ৰাজা' বংশৰৰ ভৃঙ্গেশ্বৰক "ওৰাং নাচা" বুলি কয়। তিব্বতীসকলেই নহয়, ভাৰতৰ বাহিৰৰ দুই-এজন পণ্ডিতেও হাজোৰ হয়গ্ৰীৱ মাধৱ মূৰ্তিটো বুদ্ধ মূৰ্তি আৰু মাধৱ মন্দিৰটো পূৰ্বতে এটা বৌদ্ধ চৈত্য থকাৰ মত পোষকতা কৰিছে। তিব্বতীসকলে চৈত্যটোৰ বুদ্ধদেৱৰ অস্থিভষ্ম থকাৰ কথা বিশ্বাস কৰে বুলি জনা যায়। অনেকে ক'ব খোজে যে হাজোত হিন্দু ধৰ্মই গা কৰি উঠাৰ ল'গে লগে বৌদ্ধ চৈত্যটোক হিন্দু মন্দিৰলৈ ৰূপান্তৰিত কৰে। তেওঁলোকে বছৰৰ এটা সময়ত বিশেষকৈ শীতকালত হাজো অঞ্চলত মঠ-মন্দিৰসমূহ দৰ্শন কৰিবলৈ আহে।

হয়গ্ৰীৱ মাধৱ মন্দিৰৰ স্থাপন কাল সম্পৰ্কে বিচাৰ কৰিলে জনা যায় যে, এই তীৰ্থ কলি আৰু দ্বাপৰৰ সন্ধিক্ষণত উৰ্ব ঋষিয়ে প্ৰতিষ্ঠা কৰে। কোনো কোনো পণ্ডিতে কয় যে, এই মন্দিৰৰ স্থানত বৌদ্ধ স্তূপ আছিল। কালক্ৰমত এই তীৰ্থ বা বৌদ্ধ স্তূপ ধ্বংসপ্ৰাপ্ত আছিল। পিছত উক্ত মঠস্তূ মন্দিৰ নৰনাৰায়ণ ৰজাই চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱক শাসনভাৰ দিয়াত ১৫৮ ত চনত ৰঘুদেৱক নিৰ্মাণ কৰি উলিয়াব দিয়ে। মাধৱ মন্দিৰ নিৰ্মাণ কৰ্তা ৰঘুদেৱে বুলিয়ে জনা যায়।

মন্দিৰৰ গাত থকা এখন ফলিত এই প্ৰমাণ দিয়ে। কথিত আছে যে, ৰঘুদেৱে চিকাৰ কৰি ফুৰোতে মণিকূট পাহাৰত ভগ্ন মন্দিৰ এটা দেখি তাক শ্ৰী ধৰকাৰিকৰ সহযোগত মন্দিৰটো পুনৰ নিৰ্মাণ কৰে। কণ্ঠ ভূষণকে এই মন্দিৰৰ লগতে প্ৰথম পূজাৰী হিচাবে জনা যায়। তদুপৰি মন্দিৰৰ সেৱা পূজা যাতে ঠিক মতে হয় তাৰ বাবে মন্দিৰৰ লগতে তেওঁৰ নামত মাটিও দান কৰে। শিলৰ ফলিত দান কৰে। আহোম স্বৰ্গদেউ ৰুদ্ৰ সিংহ, প্ৰমত্ত সিংহ, গৌৰী নাথ সিংহ, কমলেশ্বৰ সিংহ, চন্দ্ৰকান্ত সিংহ উপৰাগী পৰ্বতীয়া কুঁৱৰীলেও মাধৱ মন্দিৰৰ পৃষ্ঠপোষকতা কৰি মন্দিৰৰ নামত মাটিবাৰী দান কৰিছিল।

হয়গ্ৰীৱ মাধৱ হৈছে বিষ্ণুৰ মূৰ্তি। হয়গ্ৰীৱ মাধৱ শব্দৰ ব্যাখ্যা এনেধৰণৰ হয় মানে ঘোঁৰা, গ্ৰীৱ মানে গ'ল, মা মানে লক্ষ্মী, ধৱ মানে স্বামী। যি লক্ষ্মী স্বামীৰ গ'ল ঘোঁৰাৰ দৰে তেৱে হয়গ্ৰীৱ মাধৱ। হয়গ্ৰীৱ মাধৱ ভগৱান বিষ্ণুৰে এটা অৱতাৰ। হাজোৰ মণিকূট পাহাৰৰ প্ৰায় তিনিশ ফুট ওপৰত এই ভুৱ নবিখ্যাত মন্দিৰ অৱস্থিত। মন্দিৰৰ বেদীত পাঁচটা বিগ্ৰহ আছে। তেওঁলোকেক এনেধৰণে চিনাক্ত কৰা যায়- বুঢ়া মাধৱ, হয়গ্ৰীৱ বা দ্বিতীয় মাধৱ, চন্তা মাধৱ বা কানায়, বাসুদেৱ আৰু গৰুড়পক্ষী তেওঁলোকৰ অৱস্থান এনেধৰণৰ- সোমাজত বুঢ়া মাধৱ (বিষ্ণু ৰূপত) তেওঁৰ বাওঁফালে হয়গ্ৰীৱ বা দ্বিতীয় মাধৱ (উৰিষ্যাৰ জগন্নাথৰ দ্বিতীয় অংশ হয়গ্ৰীৱ ৰূপত এওঁ আছে), দ্বিতীয় মাধৱৰ বাওঁফালে গৰুড়পক্ষী। বুঢ়া মাধৱ বগা কাপোৰ আৰু তুলসীৰ জাল মালাৰে আবৃত কৰি ৰখা হয়। মূৰ্তিটোক ঘেৰাই ৰখা এই কাপোৰৰ দৈৰ্ঘ্য প্ৰায় বাৰ হাত। নিজৰ কামনা সিদ্ধিৰ বাবে মাধৱলৈ এই কাপোৰ আৰু মালা ভক্তসকলে দান কৰে। মূৰ্তি কেইটাৰ আগত এই তিনি গছ অখণ্ড প্ৰদীপ জ্বলি থাকে। তাত দিনে নিশা একো গছ চাকিত পাঁচ পোৱা তেল পোৰা হয়। এই অক্ষয় বন্তি তিনিগছ দ্বাপৰ শেষ আৰু কলিৰ অদ্যত উৰ্ব মুনিয়ে প্ৰজ্বলন কৰিছিল আৰু তেতিয়া পৰা আজিও জ্বলি আছে। বুঢ়া মাধৱৰ ৰূৰ্তি কিহেৰে নিৰ্মিত জনা নাযায়। দ্বিতীয় মাধৱ দাৰু ব্ৰহ্মাৰে নিৰ্মাণ কৰা আৰু তেওঁকো কাপোৰেৰে আবৃত্ত কৰি ৰখা হয়। গৰুড়পক্ষী ৰূপৰ, চলন্তা মাধৱ অষ্ট ধাতুৰ, বাসুদেৱ শিলসদৃশ বুলি জনা যায়। চলন্তা অৰ্থাৎ বংশীবাদন কৃষ্ণৰ মূৰ্তি উৎসৱ আদিত মন্দিৰৰ বাহিৰ ওলায়।

হয়গ্ৰীৱ মাধৱ মন্দিৰৰ বাহিৰৰ ফালে উত্তৰ দিশে গাত লাগি আছে নৰসিংহ মূৰ্তি। ইয়াত নিয়মীয়া পূজা পাতল চলে। নৰসিংহ মূৰ্তিটো শিলৰ। মূল মন্দিৰৰ ভিতৰ দ্বাৰত আছে, দ্বাৰ পাল হনুমান। প্ৰথমে, হনুমানক সেৱা জনাব লাগে। মন্দিৰৰ আন আন অংশৰ নাম যেনে— জগমোহন আৰু নাটমন্দিৰ। জগমোহনতা পূজা-সেৱা চলে। জগমোহনৰ পশ্চিমত নাট মন্দিৰ। নাট মন্দিৰৰ ভিতৰত এটা তাপ আছে। চলন্তা মাধৱ বা গোবিন্দ মাধৱ তাতেই বহি দেৱদাসীৰ নৃত্য উপভোগ কৰিছিল। ইয়াক ভুটীয়া তাপো বোলে। ভুটীয়াসকলে ইয়াতেই তেওঁলোকৰ চাকি-বন্তি জ্বলায়।

মাধৱ মন্দিৰৰ মঠৰ বাহিৰত দশাৱতাৰৰ চিহ্নবোৰ অংকিত হৈছে। সেই মূৰ্তিসমূহক এনেধৰণে চিনাক্ত কৰা যায়— বৰাহ, কুজী, কৰ্ণ, খটোৎকচ, মহাদেৱ, দুৰ্বাসা, ধ্ৰুৱ, প্ৰহ্লাদ, হৰিণবাহন বায়ুৰজা, পদ্মাসনত বুদ্ধদেৱ, শৰ্মিষ্ঠা, সূৰ্য, ভীম, হিৰম্বা, ৰাম, লক্ষ্মণ, যযাতি ৰজা, সুগ্ৰীৱ, ৰাৱণ, সীতা, অগস্তি মুনি, সাগৰ মুনি, অগ্নিদেৱতা, মাকেণ্ডেয় মুনি, পৰশুৰাম, বতু ব্ৰাহ্মণ, বলি, কুণ্ডলিকা, বাসুদেৱ, ইন্দ্ৰ, জাম্বোৱান, ধন কুবেৰ, বিশ্বকৰ্মা, যমদূত, কালী, কলি, লক্ষ্মণ সীতা, বিষ্ণু, লক্ষ্মী, সৰস্বতী আদিয়ে প্ৰধান। পশ্চিমফালে বাগৰি আছে এটা অশোক স্তম্ভৰ চিহ্ন আৰু তাৰ কাষৰ শিলত আংকিত কাশ্যপ আৰু উমানন্দৰ মূৰ্তিৰ চিহ্ন। মন্দিৰৰ বাওঁ দিশত ভোগ ঘৰ। ইবুলনি ঘৰেৰে সংযোগ। পশ্চিমৰ গভৰ লগত আছে বাট চ'ৰা। উত্তৰ ফালে বাট চ'ৰাই মন্দিৰৰ মুখ্যদ্বাৰ। উত্তৰ সিংহদ্বাৰত লাগি আছে সন্ন্যাসী ঘৰ। তাতে সন্ন্যাসীসকলে আহিলে আশ্ৰয় লয়।

উত্তৰত মাধৱ পুখুৰী আছে। যোগিনী তন্ত্ৰত ইয়াক বিষ্ণু পুষ্কৰ নামে জনাজাত। পুখুৰীটোত প্ৰায় চৈধ্য বিঘা মাটি আছে। পুখুৰীটোত থকা প্ৰকাণ্ড প্ৰকাণ্ড ৰৌ মাছ, কাছ মাছ তীৰ্থযাত্ৰীৰ আকৰ্ষণৰ বস্তু। মন্দিৰৰ পশ্চিমৰ খটখটিৰ নামনিৰ দক্ষিণ ফালে আছে বৰাহকুণ্ড তাৰ পাৰত আছে চৈতন্য ঘোপা। চৈতন্য ঘোপা দুটা শিলৰ গুহা।

মন্দিৰৰ চৌহদত এটা ইটাৰ গড় আছে। গড়টো ঠায়ে ঠায়ে খহি পৰিছে বিশেষকৈ পশ্চিমৰ অংশৰ বিস্তৰ ক্ষতি হৈছে। উত্তৰ দিশত খটখটিত যাত্ৰীয়ে উঠা-নমা কৰে। খটখটিখনত এশ ঠাকমান শাৰী শাৰী পাৰি দিয়া শিল আছে। ইয়াৰ একো একো ঠাক শিল পাৰ হ'লে মানুহৰ লক্ষ লক্ষ পাপে টুটে বুলি কোৱা হয়। এই খটখটিৰ দুয়োকাষে দুটা ইটাৰ প্ৰাচীৰ আছে।

মাধৱ মন্দিৰৰ পূবত আছে ঐতিহ্যমণ্ডিত পৱিত্ৰ লক্ষ্মীদেৱী মন্দিৰ। তাৰ বাবে মহিলাসকলক স্পৰ্শ কৰিবলৈ দিয়া নহয়। লক্ষ্মী মন্দিৰত বগা ফুল, হালধীয়া ফুল আৰু চাউল-ধানৰ মালাৰ ব্যৱহাৰ কৰা হয়। দৈনিক হোম হোৱাও দেখা যায়। যাত্ৰীক ইয়াতে হোমৰ আৰু সেন্দূৰৰ ফোট দিয়ে। ঘৰটোত ভিতৰত থকা গোসাঁই উঠা চিলিংখন ভাঙি থকা দেখা যায়। এই ঘৰটোতে ভালেমান পুৰণিকলীয়া মূল্যৱান বস্তু আছে। কেইবাখনো সাঁচিপতীয়া পুথিৰ উপৰি তাত আছে এযোৰ হাতী দাঁতৰ পাদুকা আৰু কেইটামান হাতী দাঁতৰ ঘোঁৰাৰ মূৰ্তি। এই ঘোঁৰাৰ মূৰ্তিবোৰ সংৰক্ষণৰ অভাৱত

নষ্ট হোৱাৰ উপক্ৰম হোৱা দেখা যায় আৰু পাদুকাযোৰা বাহিৰত অযতনে পেলাই ৰখা হৈছে। তাতোকৈ পৰিতাপৰ কথা যে মাধৱ মন্দিৰৰ মূল মঠৰ অংকিত শিলৰ মূৰ্তিসমূহ মেৰামতিৰ অভাৱত অৱস্থা নোহোৱা হৈছে।

হয়গ্ৰীৱ মাধৱত প্ৰতিদিনে পূজা-পাতল কৰা হয়। পুৱাৰ ভাগত জাগৰণ, শংখ-ধ্বনিৰে পূজাৰম্ভ হয়। প্ৰতিদিনে বিগ্ৰহক স্নান কৰাই হোমঘৰত হোম কাৰ্য সমাপন কৰা হয়।

দুপৰীয়া ভাগত ভোগ লগোৱা হয়। ভোগ লগোৱাৰ সময়ত দবা, কাঁহ, শংখ, ঘণ্টাৰ ধ্বনি কৰা হয়। ভোগ নিৰামিষ হয়। ৰাতি পিঠা ভোগ লগোৱা হয়। সন্ধিয়া চাকি-বন্তি জ্বলাই দেৱতাৰ লাহ আৰু আৰতি কৰা হয়। এই সময়তে বিগ্ৰহৰ মালা-কাপোৰ আদি সলনি কৰা হয়। তাৰ পাছত বিষ্ণু সহস্ৰ নাম, মাধৱ বৰ্ণন পাঠ আৰু পুৰী ভোগ আগবঢ়োৱা হয়। এই নিয়মেই পুৰাকালৰ পৰা আজিলৈ মাধৱ মন্দিৰত পূজা-অৰ্চনা চলি আহিছে।

**গণেশ মন্দিৰ ঃ**

মাধৱ মন্দিৰৰ পৰা ৭০০ মিটাৰ পূবে গণেশ মন্দিৰ ১৭৪৪ খ্ৰীষ্টাব্দত আহোম ৰজা প্ৰমত্ত সিংহই ইয়াত এটা মন্দিৰ সজাই দিয়ে। ইয়াত সেন্দূৰ, তেল, বেলপাতৰ মালা আৰু মঙলবাৰে ৰঙা পাৰিজাত ফুল অৰ্পণ কৰিলে সকলো কামতে সিদ্ধি লাভ হয় বুলি প্ৰবাদ আছে।

গণেশ মন্দিৰ, পঞ্চতীৰ্থৰ আন এখন প্ৰধান দেৱালয়। এই দেৱালয় হাজো-শুৱালকুছি পথৰ গাত লগা। এই তীৰ্থৰ কাষেৰে কেদাৰ মন্দিৰ আৰু ৰামেশ্বৰ মন্দিৰলৈ যাব লাগে। বাগৰি থকা এই প্ৰকাণ্ড প্ৰকাণ্ড শিলত গণেশৰ মূৰ্তি খোদিত কৰা হৈছে। এইটো এটা বৃহৎ গণেশ মূৰ্তি। এই গণেশ কলং নৈৰ পাৰৰ বহা ৰজাৰ গণেশৰ মূৰ্তি ৰ নিচিনাই বুলিব পাৰি। শিলটোৰ দীঘলে প্ৰায় ত্ৰিশ ফুট, ওখই পোন্ধৰ ফুট আৰু বহলে প্ৰায় ওঠৰ ফুট বুলিব পাৰি। শিলটোলৈ চালে ধৰা পৰে যে শিলটো শুই থকা এটা হাতীৰ ছবি। উত্তৰ ফালে হাতীটোৰ শুঁৰডাল থকা দেখা যায়। এই শুঁৰডালতে খোদিত কৰা হৈছে গণেশ বিগ্ৰহ। বহু গণেশ মূৰ্তি আছে যদিও হাজোৰ গণেশ ৰূপ সঁচাকৈ বিমোহন, শিল্পীৰ কলা নিপুণতাৰ এক কীৰ্তিস্তম্ভ বুলিব পাৰি।

গণেশ মন্দিৰক 'দেৱভৱন' আখ্যা দিয়া হয়। বেউলাই কোকোৱা সাগৰেৰে (আগেয়ে ব্ৰহ্মপুত্ৰ হাজোৰ কাষেৰে আছিল বুলি জনা যায়।) ভেলত লখিন্দৰক লৈ দেৱভূমি হাজোত উপস্থিত হৈছিল। ইয়াতে নেতাই ধুবুনীৰ সময়ত বেউলাৰ মৃত লখিৰন্দৰক মহাদেৱৰ সহায়ত জীৱন লাভ কৰিবলৈ সক্ষম হয়। গণেশ মন্দিৰৰ চ'ৰাঘৰতে দেৱতাসকলে মিলিত হোৱা বুলি কোৱা হয় ইয়াতে হেনো লখিন্দৰে জীৱন দান পায়। লখিন্দৰৰ জীৱদানৰ সময়ত হয়গ্ৰীৱ মাধৱ, কেদাৰ আৰু কামেশ্বৰ (ব্ৰহ্মাৰূপে) যি আসনত বহি— এই বিচাৰ কৰিছিল, সেই আসন বৰ্তমান দেখা নাযায়। এই কাৰণতে গণেশক দেৱ-ভৱন বোলা হয়। তেতিয়াৰ পৰা মাসী সংক্ৰান্তিত (আগেয়ে প্ৰতিটো সংক্ৰান্তি বা যাত্ৰাত) হয়গ্ৰীৱ মাধৱ, কেদাৰ আৰু কামেশ্বৰ চলন্তা বিগ্ৰহৰ শোভাযাত্ৰা কৰি দেৱ ভৱনত বহুওৱা হয়।

ইয়াতে উল্লেখ কৰিব লাগিব যে লখিন্দৰে জীৱন লাভ কৰাৰ পাছত এটা ঐতিহাসিক কাহিনী আছে। সেইটো নেতাই ধুবুনীৰ কাহিনীৰ লগত জড়িত আছে— চন্দ্ৰধৰৰ সাতটা পুতেক আছিল। তেওঁ দেশে দেশে বেপাৰ বাণিজ্য কৰা এজন ব্যক্তি আছিল। সেই সাতটা পুতেকৰ লগত তেওঁ বাণিজ্যত যোৱা আছিল। এদিন বাণিজ্যত যাই থাকোতে তেওঁলোকৰ মাজত এটা বিবাধ হ'ল মনসাৰ লগত তেতিয়া চন্দ্ৰধৰৰ সাদিঙা (নাও) সাগৰত ডুবে। ইতিমধ্যে মনসাৰ লগত বিবাদ ঘটি চন্দ্ৰক মনসাই কয় ঃ তেওঁক পূজা দিব লাগে কিন্তু চন্দ্ৰধৰে পূজা নিদিয়ে যেতিয়া তেওঁ নিদিও বুলি ক'লে এই কথাটো ৰাখি চলি আছিল। ইয়াৰ পাছতে লখিন্দৰৰ কাৰণে এজনী কইনা বিচাৰি এখন গাঁৱত গৈ চন্দ্ৰধৰে এটা বাটৰ দাঁতিত বহি লাঠী এডাল বাটত পাৰি দিয়ে সেই পিনৌদ যোৱা এটা নদী আছিল। সেই নদীত বহুতবিলাক ছোৱালীয়ে পানী আনিবলৈ নদীৰ ঘাটলৈ যায়। চন্দ্ৰধৰ সাউদে যি ডাল লাঠী ৰাস্তাৰ ওপৰত থৈ দিছিল সকলো বিলাকে সেই লাঠীডাল চেৰাই যায় এজনী ছোৱালী টাকোনডাল লাহেকৈ কাষ কৰি সেৱা কৰি গুচি যায়। তেতিয়া চন্দ্ৰধৰ সাউদে সেই ছোৱালীজনীৰ ঘৰ ক'ত সকলো কথা অন্বেষণ কৰে আৰু ছোৱালীজনীক লখিন্দৰলৈ সাভিৰ কৰে আৰু বিয়া কৰি আনে। এনেদৰে তেওঁলোকৰ বিয়া হৈ যায়। লখিন্দৰ আৰু বেউলা (ছোৱালীজনীৰ নাম আছিল) বিয়াৰ পাছত ফুলশয্যা দিয়া হয় ইতিমধ্যে মনসাই এটা কালীসাপ (নাগ) পঠাই দিয়ে আৰু সাপডাল লখিন্দৰৰ ঠেং পিছত শুঁই পৰে তেতিয়া লখিন্দৰে টোপনিৰ ভাওটো এঙামূৰি কাঢ়োতে কালী নাগৰ ওপৰত স্তৰ পৰে তেতিয়া কালী নাগে দেৱতাসকলক সাক্ষী কৰে যে 'চান সূৰুয, বায়ু বৰুণ তোমালোকে সাক্ষী হ'বা। চন্দ্ৰধৰৰ পুতেক লখিন্দৰে মোক প্ৰথম গুৰু মাৰে। এনেদৰে দুই গুৰু পৰোতে কালী নাগে চিন্তা কৰে ইয়াক দংশন কৰিব লাগিবই তিনি গুৰুৰ পিছত লখিন্দৰক কালী নাগে দংশন কৰে। পাছত বিষৰ জালত কান্দি কান্দি বেউলাক কথাটো কয়। বেউলাই ধুৰৱা কটাৰিৰে সাপডালৰ নেজডাল কাটি ৰাখে। সেই কাৰণে কিছুমান সাপৰ নেজ কাটা থাকে।) ইয়াৰ পাছত লখিন্দৰৰ মৃতদেহটো ৰামকলৰ ভেল এখন বনাই লৈ সেই ভেলত লৈ যোৱা হৈছিল। নদীৰ

সোতত উজনিৰ ফালে ভেলখন উজাই যাই শিলত খুন্দা লাগিছিল। আৰু তেতিয়ালৈ তেওঁলোকে গোধাই বৰষি যোৱা ঠাইখিনি পাইছিল। তাৰ পৰা এৰি আহি নেতা আৰু ধুবুনী ঘাট পায়। তেতিয়া নেতাক বেউলাই কয় যে হে আই তুমি এইবোৰ কাৰ কাপোৰ ধুৱা বুলি কয়। বেইলায়ো ইয়াৰে কেইখন মান ধুম বুলি ক'লে তেতিয়া নেতাই ক'লে মহাদেৱৰ কাপোৰ ধুলে যদি বেয়া হয় তেওঁ মোৰ ওপৰত খং কৰিব তেতিয়া বেউলাই ক'লে— মই ভালদৰে ধুম বুলি কৈ কাপোৰ ধুব ধৰে। শেষত কাপোৰ লৈ নেতাই মহাদেৱৰ ওচৰত যোগান দিলে তেতিয়া নেতাক চাই মহাদেৱে ক'লে— নেতা আই আজি কাপোৰখিনি বৰ ধুনীয়া হৈছে কোনে ধুইছে কোৱাচোন। তেতিয়া নেতাই ছোৱালী এজনীয়ে ধুৱা বুলি বালে আৰু মহাদেৱৰ ওচৰত তাইক লৈ আনিবলৈ মহাদেৱে আদেশ দিলে। তেতিয়া নেতাই তাইক দেৱৰ ওচৰলৈ লৈ আহিলে। তেতিয়া দেৱক নমস্কাৰ কৰি তেওঁ এটা নাচোন নাচি দেৱক দেখাইছিল তেতিয়া দেৱে বেউলাৰ ওচৰত সন্তুষ্ট হৈ মহাদেৱে সুধিলে— 'তুমি কোন কিয় কাপোৰ ধুলা।' তেওঁ ক'লে— 'মোৰ নাম বেউলা। মোৰ স্বামীৰ মৃত্যু হোৱা হেতুকে আমি এইখিনি পালোঁ। আপুনি যদি দয়া কৰি স্বামী দান দিয়ে এই মোৰ নিবেদন বেউলাৰ কথাত সন্তুষ্ট হৈ বেউলাক ক'লে তুমি শৰটো লৈ অহা তেতিয়া মৰাশৰ অস্তিত্ব নাই মাত্ৰ হাৰবোৰ আছে। ধুই লওঁতে হঠাতে ভৰিৰ ঘিলা এটা নদীত পৰি গ'ল সেয়েহে মহাদেৱৰ শৰটো দিয়াত অংগ ঘাটি হ'ব বুলি মহাদেৱে ক'লে যে নদীত ঘিলাটো পৰোতে এটা মাছে ঘিলাটো খাইছে সেয়েহে যিটো মাছে ঘিলাটো খাইছে সেই মাছটো জালোৱাৰ হতুৱাই মাৰিলে আৰু পেট ফালি ঘিলাটো আনিলে কিন্তু তেতিয়া মাছটোকো জীৱন দিয়াৰ কাৰণে এটা চিলাই মাৰা হ'ল মাছটোৰ পেত তথাপি মাছটোৱে আপত্তি কৰিলে যে মোৰ চিলাই দেখি মোক আনে হাঁহিব। তেতিয়া দেৱে ক'লে যে তোমাৰ নিচিনা সকলো মাছৰে এনে ধৰণে চিলাই হ'ব তেতিয়া মাছো জীৱন পালে আৰু লখিন্দৰেও জীৱন পালে। এয়ে হ'ল নেতাই ধুবুনীৰ কাহিনী।

**কামেশ্বৰ মন্দিৰ ঃ** কামেশ্বৰ মন্দিৰ পঞ্চতীৰ্থৰ অন্যতম মন্দিৰ। হাজো-শুৱালকুছি পথৰ দাঁতিত, কামেশ্বৰ পাহাৰত এই দেৱালয় স্থাপিত। এসময়ত এই পীঠ মদন-কামদেৱৰ উপাসনা কেন্দ্ৰ থকা বুলি অনুমান কৰাৰ অৱকাশ আছে। কাৰণ, যোগিনীতন্ত্ৰ আৰু কালিকাপুৰাণে ইয়াত কামপীঠ থকাৰ কথা উল্লেখ কৰিছে। কোনো কোনোৱে আকৌ পাৰ্বতী আৰু কাৰ্তিকৰ এটা কাহিনীৰ দ্বাৰাও এই দেৱালয় অতীত ইতিহাসৰ লগত জড়িত কৰিব বিচাৰিছে। এই সময়ত এই কামপীঠ ধ্বংসপ্ৰাপ্ত হোৱাত উক্ত স্থানত ওঠৰশ শতিকাৰ মাজভাগত প্ৰমত্ত সিংহ ৰজাই পুনৰ নতুনকৈ মন্দিৰ প্ৰতিষ্ঠা কালতে ইয়াত শিৱলিংগ থাপনা কৰা বুলি কোনো কোনোৱে অনুমান কৰে। কিন্তু ১৮৯৭ চনত ভূমিকম্পই পুনৰ এই মন্দিৰৰ ক্ষতিসাধন কৰে। এই শতিকাৰ তৃতীয় দশকমানত পুনৰ এই মন্দিৰ নিৰ্মাণ কৰা হৈছে।

**কমলেশ্বৰ মন্দিৰ ঃ** কেদাৰ মন্দিৰৰ পৰা প্ৰায় এশ ফুট দূৰত্বৰ পূৰ্বত আৰু কেদাৰ পুখুৰীৰ উত্তৰ পাৰত কমলেশ্বৰ অৱস্থিত। তীৰ্থক্ষেত্ৰত হাজোৰ পঞ্চতীৰ্থৰ ভিতৰত কমলেশ্বৰ মন্দিৰো এখন। পঞ্চতীৰ্থৰ এই মন্দিৰ মানুহৰ একেবাৰে চকুত নপৰা বিধৰ হৈ আছে। দেৱালয়খন ইমান অৱহেলিত যে সৰহভাগ মানুহে এই তীৰ্থ ক'ত আছে নাজানে। যোগিনীতন্ত্ৰ আৰু কালিকা পুৰাণে এই তীৰ্থৰ পৰিচয় দাঙি ধৰিছে। ই মদনাচল পাহাৰতে অৱস্থিত, য'ত কমলেশ্বৰ মন্দিৰ আছে। ঠাইখণ্ড সমতল। পূৰ্বতে ওখ পৰ্বতমালা। উত্তৰফালে পাহাৰৰ থিয় গৰা।

**কেদাৰ মন্দিৰ ঃ** হয়গ্ৰীৱ-মাধৱৰ পূব-দক্ষিণ দিশত আৰু ইয়াৰ পৰা প্ৰায় দু ই কিলোমিটাৰ দূৰত্বত কেদাৰ মন্দিৰ অৱস্থিত। হাজো-শুৱালকুছি পথৰ পৰা এটি সৰু পথ গণেশ মন্দিৰ আৰু কামেশ্বৰ মন্দিৰৰ মাজেৰে পূব দিশলৈ গৈছে। এইটোৱে কেদাৰলৈ যোৱা প্ৰধান পথ. এই পথ চৌপাশে হাজোৰ দেৱালয়সমূহ অৱস্থিত। বৰ্তমান এই পথ পকীকৰণ হৈছে যদিও গোটেই পথছোৱা উন্নয়ন আৰু আহল-ব'ল কৰা দৰকাৰ বৰ্তমানো দেখা যায়।

কেদাৰ মন্দিৰ মদনাচল পাহাৰত অৱস্থিত। এই মন্দিৰ পাহাৰৰ একেবাৰে শিখৰত। শম্ভুৱে ইয়াত কেদাৰ নামেৰে অৱস্থান কৰিছে। এই স্থানত প্ৰাকৃতিক দৃশ্য অতি মনোমোহা। তাত বাস কৰা কিছুসংখ্যক লোকে সেই পাহাৰখনক গৰুড়াচলে বুলিও কয়। কাৰণ এই পাহাৰখন পোৱামক্কাৰ লগত জড়িত হৈ আছে।

**পোৱামক্কা ঃ** পৃথিৱীত এনে এখন তীৰ্থস্থান নাই, য'ত হিন্দু-মুছলমান উভয়ে মিলিত হয়। হিন্দু-মুছলমানৰ মহামিলনৰ সেই মহাপুণ্য তীৰ্থস্থানখনেই হ'ল পোৱামক্কা। এই পোৱামক্কা আৰু হয়গ্ৰীৱ মাধৱ এনে মহাশক্তি যে কোনো দিন হাজোত হিন্দু-মুছলমানৰ বিভেদ নাই, বৈৰিতা নাই। মক্কা দৰ্শন কৰিলে মুছলমানসকলে যিদৰে পুণ্য হয় বুলি কোৱা হয়, হাজোৰ পোৱামক্কা দৰ্শন কৰিলেও এনে পুণ্য লাভ হয় বুলি কোৱা হয়। সেয়েহে ভাৰতৰ মুছলমান সম্প্ৰদায়ৰ ই এখন পবিত্ৰ তীৰ্থস্থানৰূপে পৰিগণিত হৈ আহিছে।

“ বিহুনামৰ পিছতে আইনাম, সুবচনীৰ গীত, অপেশ্বৰী সবাহৰ গীত, লখিমী সবাহৰ গীত আদি প্ৰায় একে বিভিন্ন অনুষ্ঠানমূলক পৰ্যায়ৰ লোকগীত। এই গীতবোৰতো অসমীয়া লোকসমাজৰ সুন্দৰ অভিব্যক্তি প্ৰকাশিত হৈছে। অসমীয়া বিয়ানামবোৰো অন্য এক প্ৰকাৰৰ অনুষ্ঠানমূলক লোকগীত। অসমীয়া বিবাহ অনুষ্ঠানত বিভিন্ন সময়, যেনে- পানী তোলাতে, জোৰাণ অহা সময়ত, কইনা বিদায় দিওঁতে ইত্যাদিত মহিলাসকলে এই বিয়ানাম গাই তেওঁলোকৰ মনৰ আনন্দ প্ৰকাশ কৰাৰ লগতে অনুষ্ঠানটোও আকৰ্ষণীয় কৰি তোলে। বিয়ানামবোৰ সাধাৰণতে গহীন আৰু সৰুচিপূৰ্ণ হয় যদিও, তাৰ মাজতে কিছু হাস্য-ৰসযুক্ত কৰি জোৰানাম গোৱা হয়। এই নামবোৰ সাধাৰণতে দৰাপক্ষ বা কইনাপক্ষৰ কাৰোবাক জোৰা দি গোৱা হয় কাৰণে ইয়াক জোৰানাম বুলি কোৱা হয়। অসমৰ আন আন আনুষ্ঠানমূলক গীতসমূহৰ ভিতৰত ভেকুলী বিয়াৰ গীত, মহখেদা উপনয়ন-চূড়াকৰণ আদি শাস্ত্ৰীয় অনুষ্ঠানত গোৱা গীত, বাথৌ পূজাৰ গীত, মনসা পূজাৰ গীত আদি উল্লেখযোগ্য। অসমৰ আখ্যানমূলক গীতসমূহক সাধাৰণতে তিনিভাগত ভগোৱা হয়। ”

# অসমীয়া লোকগীতত তাঁতশালৰ স্থান

**বৰ্ষা ৰায়**
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

অসমীয়া লোকগীতবোৰ আমাৰ অসমীয়া লোক সাহিত্যৰ অতি মূল্যৱান সম্পদ বুলি ক'ব পাৰি, সমালোচকসকলৰ আলোচনা অনুসৰি এই গীতসমূহক তিনিটা ভাগত ভাগ কৰিব পাৰি— অনুষ্ঠানমূলক, আখ্যানমূলক আৰু বিবিধ বিষয়ক। যিবোৰ লোকগীত অসমীয়া সমাজৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত, সেই লোকগীতবোৰকেই অনুষ্ঠানমূলক লোকগীত বোলা হয়। আখ্যানমূলক লোকগীতসমূহৰ বিষয়বস্তু হৈছে কিছুমান কাল্পনিক আখ্যান। এই আখ্যানমূলক লোকগীতবোৰকেই ইংৰাজীত “বেলাড” বুলি কোৱা হয়। সেইদৰে অন্য কিছুমান গীত সমাজৰ বিভিন্ন বিষয়ৰ লগত জড়িত। অসমীয়া মানুহৰ মাজত প্ৰচলিত নিচুকনি গীত, লাওখেলোৱা গীত, গৰখীয়া গীত আদি। এইবোৰ অসমীয়া বিবিধ বিষয়ক লোকগীত। অসমীয়া অনুষ্ঠানমূলক আকৌ কেইবাপ্ৰকাৰৰো হ'ব পাৰে। যেনে- বিহুগীত, আইনাম, বিয়ানাম, সুবচনীৰ গীত, অপেস্বৰী সবাহৰ গীত, মহখেদা বা মহোহোগীত আৰু বিবিধ পূজা-পাতলৰ গীত। এইবোৰ লোকগীতৰ ভিতৰত বিহুনাম বিশেষভাৱে উল্লেখ্যযোগ্য। বিহুনামৰ ভিতৰত হুঁচৰি আৰু বনগীত দুয়োবিধ অন্তৰ্ভুক্ত। অসমীয়া সমাজত অতীজৰে পৰা ব'হাগ বিহু বা ৰঙালী বিহু পালন কৰি অহা হৈছে। এই সময়ত প্ৰকৃতিৰ পৰিৱৰ্তন হয় আৰু কৃষিজীৱী মানুহৰ মন ৰঙেৰে ভৰি পৰে, গতিকে বিহুৰ আনন্দ বা মনৰ ৰঙক সকলোৱে গীতেৰে প্ৰকাশ কৰে। গ্ৰাম্য জীৱনৰ কৃষকসকলৰ আশা আকাংক্ষা, আচাৰ-বিচাৰ আদিৰ প্ৰতিফলন ঘটায়। ইয়াৰ উপৰি অসমীয়া সামাজিক জীৱনৰ চিত্ৰ, অসমৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু অসমীয়া মানুহৰ ৰুচি-অভিৰুচি, ধৰ্ম-বিশ্বাস আদিও এই গীতবোৰে ফুটাই

*লোকগীতবোৰকেই ইংৰাজীত “বেলাড” বুলি কোৱা হয়। সেইদৰে অন্য কিছুমান গীত সমাজৰ বিভিন্ন বিষয়ৰ লগত জড়িত। অসমীয়া মানুহৰ মাজত প্ৰচলিত নিচুকনি গীত, লাওখেলোৱা গীত, গৰখীয়া গীত আদি। এইবোৰ অসমীয়া বিবিধ বিষয়ক লোকগীত। অসমীয়া অনুষ্ঠানমূলক আকৌ কেইবাপ্ৰকাৰৰো হ'ব পাৰে।*

তোলে। বিহুনামৰ পিছতে আইনাম, সুবচনীৰ গীত, অপেশ্বৰী সবাহৰ গীত, লখিমী সবাহৰ গীত আদি প্ৰায় একে বিভিন্ন অনুষ্ঠানমূলক পৰ্যায়ৰ লোকগীত। এই গীতবোৰতো অসমীয়া লোকসমাজৰ সুন্দৰ অভিব্যক্তি প্ৰকাশিত হৈছে। অসমীয়া বিয়ানামবোৰো অন্য এক প্ৰকাৰৰ অনুষ্ঠানমূলক লোকগীত। অসমীয়া বিবাহ অনুষ্ঠানত বিভিন্ন সময়, যেনে- পানী তোলাতে, জোৰাণ অহা সময়ত, কইনা বিদায় দিওঁতে ইত্যাদিত মহিলাসকলে এই বিয়ানাম গাই তেওঁলোকৰ মনৰ আনন্দ প্ৰকাশ কৰাৰ লগতে অনুষ্ঠানটোও আকৰ্ষণীয় কৰি তোলে। বিয়ানামবোৰ সাধাৰণতে গহীন আৰু সৰুচিপূৰ্ণ হয় যদিও, তাৰ মাজতে কিছু হাস্য-ৰসযুক্ত কৰি জোৰানাম গোৱা হয়। এই নামবোৰ সাধাৰণতে দৰাপক্ষ বা কইনাপক্ষৰ কাৰোবাক জোৰা দি গোৱা হয় কাৰণে ইয়াক জোৰানাম বুলি কোৱা হয়।

অসমৰ আন আন আনুষ্ঠানমূলক গীতসমূহৰ ভিতৰত ভেকুলী বিয়াৰ গীত, মহখেদা উপনয়ন-চূড়াকৰণ আদি শাস্ত্ৰীয় অনুষ্ঠানত গোৱা গীত, বাথৌ পূজাৰ গীত, মনসা পূজাৰ গীত আদি উল্লেখযোগ্য।

অসমৰ আখ্যানমূলক গীতসমূহক সাধাৰণতে তিনিভাগত ভগোৱা হয়। সেয়া হ'ল- বুৰঞ্জীমূলক কিংবদন্তিমূলক বা জনশ্ৰুতিমূলক আৰু কাল্পনিক। অসমৰ বুৰঞ্জীমূলক লোকগীতসমূহৰ ভিতৰত বৰফুকনৰ গীত, হৰদত্ত-বীৰদত্তৰ গীত, মণিৰাম দেৱানৰ গীত, নাহৰৰ গীত, জয়মতী কুঁৱৰীৰ গীত গৌৰীনাথ সিংহৰ গীত আদিয়েই উল্লেখযোগ্য। জনশ্ৰুতিমূলক গীতসমূহৰ ভিতৰত ফুলকোঁৱৰৰ গীত, জানাগাভৰুৰ গীত, কমলা কুঁৱৰীৰ গীত, ৰাধিকা শান্তিৰ গীত আদি উল্লেখযোগ্য। সেইদৰে কন্যা বাৰমাহীৰ গীত আৰু মধুমতীৰ গীত কাল্পনিক গীতৰ ভিতৰুৱা, সেইদৰে বিবিধ লোকগীতৰ ভিতৰত আলোচিত হোৱা আমাৰ সমাজত প্ৰচলিত ৰূপকাত্মক দেহবিচাৰ আৰু টোকাৰি গীতত ৰূপকৰ সহায়ত গীতবোৰৰ মাজেৰে আধ্যাত্মিক তত্ত্ব দাঙি ধৰা হয় আনহাতে অসমীয়া লোকগীতৰ ভিতৰতে সামৰি লোৱা আজান ফকীৰৰ জিকিৰ আৰু জাৰীসমূহ। জিকিৰ গীতসমূহ হৈছে মাহাত্ম্যসূচক গীত আৰু জাৰিবোৰ হৈছে মৰ্চিয়া বা মহৰমৰ গীত। এই জিকিৰ আৰু জাৰীবোৰৰ সুৰ আৰু সৌন্দৰ্যই অসমীয়া সকলো শ্ৰেণীৰ পাঠককে মুগ্ধ কৰে সেই কথা নিঃসন্দেহে ক'ব পাৰি।

**তাঁতশালৰ বিৱৰণ**

অসমীয়া শিপিনীয়ে তাঁত শালত সপোন ৰচে বুলি মহামানৱ মহাত্মা গান্ধীয়ে প্ৰশংসা কৰি গৈছে। নিজৰ সৃষ্টিশীল দক্ষতাৰে স্বকীয়তাৰ গোন্ধ থকা সাজপাৰ তাঁতশালত তৈয়াৰ কৰি অসমীয়াৰ স্বাভিমান ৰক্ষা কৰা অসমীয়া শিপিনী সিদ্ধহস্ত। অতি প্ৰাচীন কালৰে পৰা অসমত বস্ত্ৰ শিল্পৰ উত্থান হোৱা দেখা পোৱা যায়। বিভিন্ন থলুৱা সামগ্ৰীৰ জৰিয়তে বস্ত্ৰ নিৰ্মাণ কৰি তেওঁলোকে সভ্যতাৰ পৰিচয় দাঙি ধৰিছিল। কিন্তু এই বস্ত্ৰ তৈয়াৰ কৰিবলৈ তাঁতশালৰ প্ৰয়োগ কেতিয়াৰ পৰা হৈছিল তাৰ বিস্তৃত তথ্য পোৱা নাযায়। বুৰঞ্জীত উল্লেখিত অনুসৰি আহোম ৰাজত্বকালত তাঁতশালৰ প্ৰয়োগ হৈছিল বুলি জনা যায়। এই তাঁতশালৰ আৱিষ্কাৰক কোন বা কেতিয়া ইয়াৰ আৱিষ্কাৰ হৈছিল, সেই বিষয়েও কোনো সবিশেষ তথ্য নাই। পুৰাতত্ত্ববিদসকলৰ মতে প্ৰাচীন ইজিপ্তত তাঁতশালৰ ব্যৱহাৰ হৈছিল। পৃথিৱীৰ অন্য দেশসমূহতো বস্ত্ৰ শিল্পৰ বিকাশ সাধন হোৱাৰ লগে লগেই তাঁতশাল বা অন্য প্ৰয়োগশৈলীৰ ব্যৱহাৰ হৈছিল বুলি অনুমান কৰিব পাৰি।

তাঁতশাল বুলি ক'লেই চাৰিটা খুঁটাৰ ওপৰত প্ৰতিষ্ঠিত, সংলগ্ন অনেক বাঁহ বা কাঠৰ সঁজুলিৰে সৈতে এটা ৰূপ আমাৰ চকুত ভাঁহি উঠে। আনহাতে আৰু এবিধ তাঁতশাল পাহাৰত বসবাস কৰা মহিলাসকলে ব্যৱহাৰ কৰা দেখা যায়। এইখন শাল কোনো খুঁটাৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ইয়াৰ এটা মূৰ কঁকালত মেৰিয়াই বান্ধি লোৱা হয়।

তাঁতশালত অসমীয়া শিপিনীৰ কৰ্মদক্ষতা অতুলনীয়। অসমৰ প্ৰায় সকলো ব্যৱহাৰ কৰিবলগীয়া বস্ত্ৰ নিজ হাতে তাঁতশালত বৈ লয়।

অসমৰ গ্ৰাম্য জীৱনত তাঁতশালখনে এক সুকীয়া গুৰুত্ব লাভ কৰি আহিছে। অতীততে তাঁত ব'ব নজনা মহিলা অসমত প্ৰায় নাই বুলিয়েই ক'ব পাৰি। যিসকল মহিলা বা জীয়ৰী বোৱাৰীয়ে তাঁত ব'ব নাজানিছিল তেওঁলোকক থুপুৰী বুলি আখ্যা দিয়া হৈছিল। তাঁতৰ ব্যৱহাৰ নাজানিলে ছোৱালীক ল'ৰাই বিয়া কৰাবলৈও অস্বীকাৰ কৰা দেখা গৈছিল। বুৰঞ্জীত অসমীয়া শিপিনীৰ তাঁত শিল্পৰ কৰ্মদক্ষতাৰ বিষয়ে উদাহৰণ পোৱা যায়। পুৰণি দিনত একে ৰাতিৰ ভিতৰতে সূতা কাটি, তাঁত বাটি কৰি বৈ উলিয়াই সেই বস্ত্ৰ যুদ্ধলৈ যোৱা স্বামীক দি পঠিওৱাৰ কথা পোৱা যায়। গুৰুচৰিত পুথিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ দুকুৰিহাত দীঘল আৰু তিনিকুৰি হাত বহল বৃন্দাবনী বৈ উলিওৱাৰ কথা পোৱা যায়। অভিজ্ঞতা সম্পন্ন তাঁতীৰ সহায়ত বৈ উলিওৱা সেই কাৰুকাৰ্যখচিত বস্ত্ৰখনৰ সমপৰ্যায়ৰ কোনো বস্ত্ৰ কোনো শিপিনীয়ে তাঁতশালত বৈ উলিওৱাৰ কথা ভাবিব পৰা নাই।

**তাঁতশালৰ সঁজুলিসমূহৰ তালিকা**

এখন তাঁতশাল বুলি ক'লেই মনলৈ আহে ইয়াৰ লগত জড়িত

হৈ থকা অনেক সা-সঁজুলিৰ কথা। ইয়াৰ এবিধ সঁজুলিও নহ'লে শালখন অচল হৈ পৰে। সেয়ে তাঁতশালখনত বিভিন্ন সঁজুলি ব্যৱহাৰ হয় যেনে ঃ

বিশ্বকৰ্মা খুঁটি, কুমাৰ খুঁটি, কুৰমূলা খুঁটি চাৰিটা, আগফালৰ সূঁতাৰ টোলোঠা, পাছফালৰ কাপোৰৰ টোলোঠা, দ্ৰোপতী, ৰাচ, মাকো, মহুৰা, বৰ চিৰি, মাজু চিৰি, কণ চিৰি, দাঙি মাৰি, বৰ শলি, সৰু শলি, ব'শলি, বহুনা খুঁটা, নাচনী জৰী, বান্দৰী, দোৰা জৰী, তাল জৰী, ঘোঁৰা, পুতল, জখলা মাৰি, ককিলা মাৰি, নাকী শলি, গেৰেলী কাঁঠি, নেওঠনি, কাণ মাৰি, মাই কাঠী, নাকতি মাৰি, চালি মাৰি, মেঁৰ খুঁটি, ছাগলী খুটি, ঠেপেনা খুঁটি, কুকুৰ, ফুল বছা কাঠী, খাৰুৱা, বাঘ মোৰ, সূতা মাকো, খৰা কাঁকৈ, নিগনি খুঁটি, লেটাই, বৰ চেৰেকী, সৰু চেৰেকী, মাজু চেৰেকী, উঘা, যঁতৰ, কুচি চেৰেকী, মাজু চেৰেকী, উঘা, যঁতৰ, কুচি কাঁড়নি, হাঁকোটা, ব'তোলা চুঙা, ব' ইত্যাদি।

ওপৰত উল্লেখ কৰা তাঁতশাল সঁজুলিৰ নাম ঠাই ভেদে কিছু বেলেগ বেলেগ হয় যদিও কাম প্ৰায় একেই।

## অসমত প্ৰচলিত বিভিন্ন লোকগীতৰ তাঁতশাল

অসমীয়া লোকসাহিত্যৰ ৰাজহাঁড় স্বৰূপ অসমীয়া লোকগীতসমূহৰ মাধ্যমত তাঁতশালৰ ব্যৱহাৰ সম্পৰ্কে বিভিন্ন কথা আদিম চহা দিনৰে পৰা বৰ্তমান পৰ্যন্ত মুখ বাগৰি ফুৰিছে। তাঁত শালৰ ব্যৱহাৰ বুৰঞ্জীত উল্লেখিত অনুসৰি আহোম ৰাজত্বকালত তাঁতশালৰ প্ৰয়োগ হৈছিল বুলি জনা যায়। অসমত প্ৰচলিত বিভিন্ন লোকগীতত তাঁতশাল ব্যৱহাৰ হৈছে। তাৰে ভিতৰত বিহুগীত তাঁতশাল আটাইতকৈ গুৰুত্বপূৰ্ণ। একেদৰে আৰু বহুত গীতত তাঁতশালৰ উল্লেখ আছে।

**বিহুগীতত তাঁতশাল ঃ** অসমীয়া লোকগীতসমূহৰ অধিকাংশ ঠাই বিহুগীতসমূহে অধিকাৰ কৰি আছে। এই বিহুগীতসমূহত তাঁতশালৰ কথা নিখুঁতভাৱে বৰ্ণিত হৈছে। অসমীয়া জীয়ৰীয়ে তাঁতৰ পাঠত ভৱিষ্যতৰ সপোন ৰচে। এই তাঁতশালখন অসমীয়া নাৰীৰ অতি হেঁপাহৰ। বয়ন শিল্পক সজীৱ কৰি ৰখাৰ মানসিকতাৰে মৰমৰ দীঘেৰে, চেনেহৰ বাণিৰে মনৰ মানুহজনলৈ বছৰেকৰ বিহুৰ দিনা হাতে বোৱা বিহুৱানখন ডিঙিত পিন্ধাই দিবলৈ ৰচকী, পখিলীহঁতে যি আকুলতা দেখুৱায়, তাৰ নিদৰ্শন বিহুগীতত পোৱা যায় এইদৰে—

"মৰম দীঘে দি চেনেহৰ বাণিৰে
বিহুৱান এজুতি ব'লো,
চেগ চাই বাছিলো চকুত লগাখিনি
তোমালৈয়ে বুলি থ'লোঁ।"

ইফাল চেনেহৰ বিহুটিত ৰচকীৰ গাত তৎ নাইকিয়া হোৱা দেখি গৰখীয়া ডেকাসকলে পথাৰত বিহুগীত গায় এইবুলি—

"এইবেলি বিহুটি ৰমকে জমকে
নাহৰ ফুল ফুলিবৰ বতৰ,
নাহৰৰ গোন্ধে পাই চেনেহীৰ
ততে নাই গচকত ভাঙি যায় যঁতৰ।"

দূৰৰ পৰা ঢোল-পেঁপাৰ শব্দত ৰচকীৰ ঘৰত মন নবহা হোৱাত শালৰ কাপোৰ শালতে এৰি মাকৰ এসাজকে গাত মেৰিয়াই চপলিয়াই আহি এইদৰে গায়—

"ঢোলো বাজিছে, পেঁপাও বাজিছে
কপৌ ফুল ফুলিবৰ বতৰ,
ঢোলৰ মাতে শুনি ৰ'বকে নোৱাৰোঁ
গচকত ভাঙি যাওঁ যঁতৰ।"

দূৰত থকা প্ৰিয়জনক ব'হাগৰ বিহুৰ দিনা লগ পাবলৈকে কৰবী, শেৱালিহঁতে তাঁতৰ শালত বহি গুণা-গথাঁ কৰি কৰি এইদৰে বিহুনাম গায়—

"তাঁতৰ পাতত বহি
ভৰি গৰকাতে,
তই চেনাই আহিবি
এইবাৰ ব'হাগতে।"

এই বিহুৱান কেৱল প্ৰিয়জনৰ বাবেহে যে বয়, সেয়া নহয়। বছৰেকৰ বিহুৰ দিনা জ্যেষ্ঠজনক বিহুৱান এখন দিয়াটো অসমীয়া সমাজৰ এক পৰম্পৰা। বিহুৰ দিনা সন্ধ্যা গাঁৱৰ ৰাইজে হুঁচৰি গাবলৈ আহিলে শালে কটা বিহুৱান এখন দি আশীৰ্বাদ ল'লেহে ঘৰৰ শিপিনী-বোৱাৰী-জীয়ৰীৰ মান থাকে। হুঁচৰিত এইদৰে গায়া—

"হাতে মেলি মেলি ব'লা ঐ আইদেউ
ভৰি মেলি মেলি ব'লা;
বছৰকেৰৰ বিহুটিত ৰাইজক নিদিলা
কালৈ সামৰি থ'লা।"

কেৱল বিহুৱানেই নহয়, আগৰ দিনত প্ৰায়বোৰ গাঁৱৰ গৃহস্থী ঘৰত পৰিয়ালৰ কাপোৰসমূহ ঘৰৰ তাঁতশালত বোৱাৰ নিয়ম আছিল। প্ৰবাদ মতে, একালত অসমীয়া তিৰোতাই ৰাতিটোৰ ভিতৰতে ছাঁতে শুকুওৱা, মুঠিতে লুকুওৱা' কবচ কাপোৰ বৈ আপোনজনক পিন্ধাই ৰণলৈ পঠিয়াইছিল। ৰণলৈ যাবলৈ হ'লেই ঘৰৰ মানুহজনীক অসমীয়া ৰণুৱাই কাপোৰ এখন বৈ দিবলৈ কোৱাৰ কথা বিহুগীতত এইদৰে উল্লেখ আছে—

"সান্দহ খুন্দি দিয়া খাওঁ প্ৰাণেশ্বৰী
চিৰা খুন্দি দিয়া খাওঁ
ৰাতিৰ ভিতৰতে কাপোৰ বৈ দিয়া

বঙাল মাৰিবলৈ যাওঁ।"

আনহাতে তাঁতশাল পাতিব নজনা ডেকা ল'ৰাবোৰক তাহানি কালত সমাজে অতি কেলেহুৱা বুলি ভাবিছিল। কিছুমান গৃহস্থী ঘৰত আকৌ তাঁতশাল এখন পাতি দিয়াৰ অভাৱত ঘৰৰ শিপিনীগৰাকীৰ ভিতৰি প্ৰকাশ কৰিব নোৱাৰা যি দুখে দোলা দি থাকে, সেই বিষয়ে বিহুগীতত এইদৰে বৰ্ণিত হয়—

"দিখৌ নৈ ইপাৰে, দিখৌ নৈ
সিপাৰে
কোনে দিয়ে যাব মাকো,
কোন দিয়ে যাব ৰাঁচ দোৰেপতি
কোনে দিয়ে যাব সাঁকো।"

আনহাতে যি শিপিনীয়ে কাপোৰ ব'ব নাজানে, তেনে তিৰোতাক ঘৰৰ বাকী সদস্য বা গাঁৱৰ ৰাইজে 'থুপুৰী' বুলি ঠাট্টা কৰে। এই ঠাট্টাবোৰ বিহুগীতত এইদৰে পোৱা যায়—

"ব'বও নাজানে, কাটিবও নাজানে
লোকৰ শালে শালে ফুৰে,
ৰান্ধিব নাজানে, বাঢ়িব নাজানে
খৰি মুঠা মুঠাপোৰে।"

শ্ৰীমন্ত শংকৰদেৱৰ সময়ত তাঁতশাল ঃ

অসমৰ তাঁতিকুছি ঠাইখন শ্ৰীমন্ত শংকৰদেৱৰ দিনৰে পৰা বস্ত্ৰশিল্পৰ দ্বাৰা পৰিচিত বুলি বিভিন্ন চৰিত পুথি বা অন্য পুথিতো পোৱা যায়। শ্ৰীমন্ত শংকৰদেৱে এই তাঁতিকুছিত তাঁতীসকলৰ হতুৱাই ১২০ হাত দীঘল, ৬০ হাত বহল বৃন্দাবনী বস্ত্ৰ তৈয়াৰ কৰাইছিল। এই বিষয়ে ঝুনাগীতসমূহত কিছু ইংগিত পোৱা যায়।

শংকৰদেৱে তাঁতীসকলক বৃন্দাবনী বস্ত্ৰ ব'বলৈ দি এই বস্ত্ৰখন কেনেকৈ ব'ব লাগিব তাৰ যি ব্যাখ্যা আগবঢ়াইছিল, সেয়া তাঁতীঝুনাত এইদৰে পোৱা যায়—

"দীঘল সাৰংগ পুতলে বৰ।
তাৰ আগে দিবা গুণা বিস্তৰ।।
শিৰত লিখিবা দৈৱকী মাতা।।
আঁচুতে লিখিবা আকাশী তৰা।"

এয়া আছিল এগৰাকী তাঁতীক বস্ত্ৰখন কিদৰে বৈ উলিয়াব, সেই বিষয়ে দিয়া নিৰ্দেশ বা উপদেশ।

**বিয়ানামত তাঁতশাল ঃ** বিহুগীতৰ উপৰিও অসমীয়া সমাজত বহুলভাৱে প্ৰচলিত বিয়ানামবোৰতো তাঁতশালৰ বৰ্ণনা পোৱা যায়। নিদৰ্শন স্বৰূপ—

"বৰঘৰত কান্দিলে মাকে-বাপেকে
মাৰলত কান্দিলে ভনী,
বাৰীৰ পিছফালে কান্দে
তাঁতশালে আইদেউক বিয়া দিব শুনি।"

ছোৱালী পুষ্পিতা হ'লে সাত দিনৰ দিনা নিয়ম-নীতিৰে গা ধুৱাই সজাই-পৰাই গাঁৱৰ আয়তীসকলে যি নাম গায়, সেই নামবোৰতো তাঁতশালৰ বৰ্ণনা পোৱা যায়।

"গলতে আঁৰিলা চেলেং সাতোকাঠী
যঁতৰত এৰিলা পাজি,
এই সাতোদিন ক'তনো আছিলা
কপৌ বাহ এখনি সাজি।"

**মণিৰাম দেৱানৰ গীতত তাঁতশাল ঃ** বিয়ানামবোৰৰ দৰে অসমীয়া লোকগীতৰ অন্যতম উপাদান মণিৰাম দেৱানৰ গীততো তাঁতশালৰ বিৱৰণ পোৱা যায়।

"ৰূপৰ টোলোঠা সোণৰ দোপতি
বহি বৈ আহিলোঁ তাঁত
লাহে লাহে কৰি মণিৰাম দেৱানে
লগাই পটেশ্বৰীক মাত।"

**বনঘোষাত তাঁতশাল ঃ**

অসমীয়া গীতি-সাহিত্যত বনঘোষাৰো এক সুকীয়া মৰ্যাদা আছে। এই বনঘোষতো শিপিনী আৰু তাঁতশালৰ উল্লেখ পৰিলক্ষিত হয়।

"তাঁত-বাট কৰিব নেলাগে সাদৰী
ৰ'ব ঐ নালাগে তাঁত,
মোৰ বৰঘৰতে ওলাবি সোমাবি
মুখেৰে লগাবি মাত।"

**ফুলকোঁৱৰ গীতত তাঁতশাল ঃ** একেদৰে ফুলকোঁৱৰৰ গীততো তাঁতশালৰ বিভিন্ন আহিলাৰ কথা এইদৰে উল্লেখিত হৈছে—

"হেঁচুকি ভাঙি যাওঁ ৰূপহী যঁতৰে
মুচুকাই ভাঙি যাওঁ মাকো
ঠানুৱা কোঁৱৰে ঐ পানীত পৰি হেৰালে
অকলে কেনেকৈ থাকোঁ।"



# মিছিংসকলৰ লোকউৎসৱ 'আলি-আই-লৃগাং'


**লিপি বৰ্মন**

ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ


'আলি-আই-লৃগাং' মিছিং জনজাতিৰ এটি প্ৰধান উৎসৱ। অন্য এক কথাত ক'ব পাৰি যে- 'আলি-আই-লৃগাং' মিছিং জনজাতিৰ এটা লোক উৎসৱ। অসমীয়া মানুহৰ বাবে বিহু যেনেকৈ বাপতিসাহোন ঠিক তেনেদৰে মিছিং সম্প্ৰদায়ৰ কাৰণেও 'আলি-আই-লৃগাং' প্ৰাণসম উৎসৱ। মংগোলীয় নৃগোষ্ঠীৰ অসমৰ সংস্কৃতি মূলত উল্লেখযোগ্য জাতি মিছিংসকলৰ দঃগ্ৰিঃ পঃল অৰ্থাৎ জোন বেলিৰ সন্তান বুলিব পাৰি। কৃষিজীৱী মিছিংসকলে প্ৰত্যেক বছৰৰ ফাগুন মাহৰ প্ৰথম বুধবাৰৰ দিনটোত আদিম কালৰ পৰাই এই উৎসৱটি পালন কৰি আহিছে। এই উৎসৱ মিছিংসকলৰ এমুঠি অন্ন পেট ভৰাই খাব পৰাকৈ যোগান ধৰিবৰ কাৰণে চন্দ্ৰ-আৰম্য কৰে। এয়া লৃগাংৰ প্ৰাথমিক উদ্দেশ্য। বসন্ত ঋতুৰ আগমনত যেন গোটেই পৃথিৱীতে এই প্ৰজাগতাই দেখা দিয়ে। সেই কাৰণে মিছিং সমাজৰ এই উৎসৱটো প্ৰত্যেক বছৰৰ ফাগুন মাহৰ প্ৰথমটো বুধবাৰত প্ৰকৃতিৰ শস্য শ্যামলা হৈ জাতিষ্কাৰ হোৱা কামনাৰে মিছিংসকলে 'আলি-আই-লৃগাং' পালন কৰে। দৰাচলতে আলি-আই-লৃগাং মিছিংৰ উল্লেখযোগ্য কৃষি উৎসৱ।

উক্ত অধ্যয়নত বিশেষকৈ বৰ্ণনামূলক আৰু বিশ্লেষনাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। বিষমবস্তুৰ গুৰুত্বৰ ওপৰত দৃষ্টিনিক্ষেপ কৰি এইটো প্ৰস্তুত কৰা হয়। প্ৰস্তাৱিত অধ্যায়নত আৱশ্যকীয় গৌন উৎসৱ যেনে— গ্ৰন্থ, প্ৰসংগ পুথি, বাতৰি কাকত, আলোচনী, বিভিন্ন প্ৰবন্ধ আৰু আন আন তথ্যৰ মধ্যমেৰে সংগ্ৰহ কৰা হৈছে।

## মিছিংসকলৰ পূজা-পাৰ্বণ আৰু উৎসৱ

অসমৰ জাতীয় সংস্কৃতিলৈ অনবাদ্য বৰঙণি আগবঢ়োৱা মিছিং

জনজাতীয় সংস্কৃতিৰ ৰীতি-নীতি পৰম্পৰা বহুখিনি জানিবলগীয়া কথা উল্লেখ আছে।

"উই মাচাক" (পূজা আয়োজন আৰু পালন।)

"আলি-আই-লৃগাং" মিছিংসকলৰ এটা প্ৰধান কৃষি উৎসৱ। 'আলি-আই লৃগাং'ৰ দিনা পুৱাতে ঘৰৰ ঘাই গৃহিনীয়ে পথাৰৰ এচুকত কোৰেৰে নতুন শস্য সিঁচা আৰম্ভ কৰে। তেওঁ শস্য ছটিয়াই দি কোৰেৰে মাটিৰ ওপৰৰ কোমল অংশখনি এই পেনাম (বচন) কয়।—

১) "উপীকা গুঃচিন গায়মাভী তল বন লাংকা।
চিল অয়িং তাংঙক দপী তৃঃপী নামীয় চিদদুং।
আপান আঃচৰপীম কগংমাগম ৰিচুয়েক।"

২) "কুমদাং বৃংঙঙী কাঃত অহলাংকা, চিনী মুগনী
অঃত য়াংয় নলুতী কাঃলা-অদলাংকা।"

ওপৰৰ বচন কেইফাকিৰ অৰ্থ হ'ল—

"আপদবোৰ, বিফলতা আৰু বাধা বিঘিনিবোৰ ইয়াৰ পৰা চাৰিওফালে আঁতৰি যোৱা, আজি পাঁচ-দহবছৰ খাবলগীয়া শস্য সিঁচা আৰম্ভ কৰিছো, নিচলা, দুখীয়া, খোজনীয়া, মগনয়াক দান দিম। ঘৰৰ লক্ষ্মীদেৱী বা মঙ্গল ৰাখোতাই সৃষ্টি ৰাখক, মৃত আতা, মাতা, পূৰ্বপুৰুষসকলে শস্যবোৰ ৰখি সখি দিয়ে যেন।"

'আলি-আই লৃগাং'ৰ দিনা পুৱাতে ঘৰৰ গিৰিহঁতে ভূই বা পথাৰলৈ গৈ ধান আৰু ফল-মূলৰ কঠীয়া সিঁচি বা ৰুই আহে। কঠীয়া সিঁচাৰো এক বিশেষ প্ৰণালী আছে। কঠীয়া সিঁচা ডোখৰ মেগেলা গছেৰে সাধাৰণতে গছ-পাতক মাঙ্গলিক চিন বুলি ব্যৱহাৰ কৰে।

লৃগাং আৰম্ভ হোৱাৰ দুই-তিনিদিন মানৰ আগৰ পৰাই গাঁৱৰ ৰাইজে লৃগাংৰ বাবে আগতীয়াকৈ মাছ-মাংস, ফল-মূল আদি আৰু অন্যান্য খাদ্যবোৰ চিকাৰ কৰি থয়। লৃগাংৰ কাৰণে 'আপং' প্ৰায় এমাহৰ আগতে বেলেগাই যতনাই থয়। ইয়াক এনেদৰে ৰখা হয় যে, যাতে যিসকলে ই অপবিত্ৰ নহয়।

পূৰ্বতে চিকাৰত ধনু-কাঁড়, যাঠি আৰু য়কচা লিয়েই চিকাৰলৈ যায়। লৃগাংৰ আগতে কৰা চিকাৰ "কিং ৰুগং" আৰু তাৰ পিছত কৰা চিকাৰক ৰুগ্‌বাদ" বোলে।

সপ্তাহ বা পযেকৰ আগতে প্ৰতি পৰিয়ালৰ পৰা এজনকৈ পুৰুষ 'দম' (মাছ-মাংস) 'অপতা (চিকাৰ) কৰিবলৈ যায়। এই চিকাৰ দৰাচলতে সামজুৱাভাবে কৰি, পিছত গন পাতি লয়। চিকাৰত পোৱা মাছ-মাংখকেৰ শুকান কৰি অনা হয়। ঠিক তেনেদৰে প্ৰতি পৰিয়ালৰ তিৰোতা মানুহবোৰেও এমাহৰ আগতে 'আমকেল বা 'আপপি' (বৰা ধানৰ) 'আস্বন' (চাউল) 'তাকে' (আদা) 'মূৰচি' (জলকীয়া) আদি লাগতিয়াল মা-মচলা যতনাই থয়। লৃগাংৰ প্ৰায় দুদিনৰ আগতে এই 'আনতা' লৈ যোৱা মানুহবোৰে পাত এবোজা লৈ ঘৰলৈ আছে। এইখিনিতে ক'ব পাৰি যে এনে চিকাৰ কৰা বা উৎসৱ আয়োজনৰ কাৰ্যকলাপবোৰৰ গীত, নৃত্য আৰু আকাৰ ভঙ্গীৰে 'লৃগাং চঃমান'ত (লৃগাং বিহুত) দেখুতৰ পাৰে। তাৰে ভিতৰত 'আপতা' লৈ আহ্বান কৰা আৰু মাছ মৰা, ধেনু-কাঁড়েৰে পহু মৰা নৃত্য কৰো উল্লেখযোগ্য। লৃগাংৰ পুৱাই ঘৰৰ জীয়ৰী যোৱাসকলে গা-পা ধুই লৈ পূজাৰ বাবে উৎসৱৰ কাৰেণ অন্য খাদ্য সামগ্ৰীবোৰ ৰন্ধা-বঢ়াত লাগি যায়। 'লৃগাংৰ কাৰণে 'আমনি' বা আমকেল (বৰা) চাউলৰ সৰু সৰু চটাপোো কৰি ৰান্ধি বান্ধে আৰু পৰাচলতে এই উৎসৱৰ কাৰণে 'পৰআপং' (ছাইমদ) হে ব্যৱহাৰ কৰে। শুকান মাছ আৰু অকে ঃ (আদা) মিহলাই এবিধ চাটনি তৈয়াৰ কৰে। তাক 'তৃঃমৃ' বোলে। তাৰ উপৰিও মাছ বা মাংসৰে আঞ্জা ৰান্ধে। এইবিলাক খাদ্য তৈয়াৰ হোৱাৰ পিছত ঘৰৰ পিছফালে এডোখৰ ঠাই, কোৰেৰে পৰিষ্কাৰ কৰি এটি সৰু আলিৰ নিচিনাকৈ মাটি উঠায়। চিক্ত আলিৰ ওপৰত পাতেৰে সৰু সৰুকৈ বাটিৰ নিচিনাকৈ এটা ঘৰৰ কিমান উপৰি পুৰুষ বা মানুহৰ মৃত্যু হৈছে তাক হিচাপ কৰি কাটিবোৰ সজোৱা হয়। যিবিলাক পূৰ্বপুৰুষ বা মানুহৰ কেঁচাকৈ বা অৰ্থাৎ কোনো জ্বৰ বেমাৰ নহোৱাকৈ মৃত্যু হৈছে তেওঁলোকৰ কাৰণে বেলেকৈ বা আনভাগে ঠাই কৰি দিয়া হয়।

লৃগাংৰ দিনা ঠিক দুপৰীয়াৰ পিছতে উল্লেখ কৰা মাটি ডোখৰত 'উৰম আপিন' চোকতত্নালৈ জালপিত্ত) দিয়া কাম ঘৰৰ মুখিয়াল বা পুত্ৰ সন্তানে কৰে। 'উৰম আপিন'ৰ অৰ্থ হ'ল 'উৰম' মানে 'দেও বা প্ৰেতআত্মা, 'আপিন' মানে (ভাতে), উল্লেখিত পাতেৰে খজা সৰু সৰু বাটিবোৰত 'পঃৰ' আপং (ছাইমদ) ঢালিদি আৰু 'আমকেল বা আমপি' (বৰা চাউল) ছটিয়াই দি 'পেনাম' (বচন) আৰম্ভ কৰে। এই বচন মৃত উপৰিও পুৰুষসকলে নাম কাঢ়ি গাই যায়। অৰ্থাৎ এঘৰত যদি মে-তৃণ নামৰ বুঢ়া ককা আছিল তেন্তে তেওঁৰ নামেৰে এইদৰে ক'ব—

১) "চিনা, চিল অঃত মে-তৃণ নম দৃতাগ্ লক্‌কী পুঃনাম্ জোৰ নাম্ লগী দদ্ তৃঃদপী আমকেল আস্বনীলাং পঃৰ আপঃলক উৰস্ আপিন্ বিদুঃনীকী।"

২) "কুম্‌দাং বৃংঙঙী আইপী দুঃ মতইকা, অকুল্ ঔৰা ভীম্ আচাৰ বিঃবি মতইকা, উৰম, আপিন্ বিমাঃ ঔন্না মৃঃলাংকী।

"এয়া আজি ককাদেউতা মে-তৃণ। তোমাক বছৰৰ উৎপাদান আৰু উন্নতিৰে খাব পিবৰ কাৰণে বৰাচাউল আৰু জলপিত্ত আপঙোৰ দিছোঁ।

গোটেই পৰিয়াল ওচৰ-চুবুৰীয়া সুখ-শান্তিৰে থাকিবলৈ দিয়া, ঘৰৰ মানুহক কুশল মঙ্গলে থাকিবলৈ শান্তি দিয়া আৰু জল পিত্ত



দিয়া নাই বুলি নেভাবিব।'

ঠিক সেইদৰে সকলো মৃত উপৰিপুৰুষৰ নাম কাঢ়ি 'উৰম্ আপিন' বা জলপিন্ত দিয়া কাম সমাধান কৰা হয়।

লৃগাংৰ দিনা প্ৰায় আবেলি দুই বা তিনি বজাৰ পৰা খোৰা আৰম্ভ কৰে। এই কামো এটি নিয়মৰ দ্বাৰা আৰম্ভ কৰা হয়। যেনে গাৰৰ মুৰব্বী বা ঘৰৰ 'গাম'ৰ পৰা যেতিয়ালৈকে লীঃনঃ 'বাৰবাং' (এবিধ থালৰ আকৃতিৰ বাদ্য যন্ত্ৰ) নাবাজে তেতিয়ালৈকে কোনেও কাৰো ঘৰত গৈ খোৰা বোৰা আৰম্ভ কৰিব নোৱাৰে। 'লৌঃনং' 'বাৰ বাউ'ৰ ধ্বনিয়ে উৎসৱ আৰম্ভ আৰু ভোজন আজ্ঞাৰ সংকেত দিয়ে। এই লৌঃনং বাৰবাং বজোৱাৰ পিছতহে প্ৰতি ঘৰৰ মুৰব্বীজনক এবাটি আপং এটি পুৰাউৰ টোপলা (আম্পি ভাতৰ টোপোলা) দিয়ে। তেৱেঁই ঘৰৰ মাজত খোৰা আৰম্ভ কৰে।

তাৰ পিছত মৃজিং 'বাৰক' (বুঢ়া দলৰ বাৰিক) জনে গাঁৱৰ যিটো মূৰৰ পৰা খোৰা বোৰা আৰম্ভ কৰে। প্ৰত্যেক ঘৰৰ বুঢ়া মানুহজনে এই দলত যোগ দিয়া নিয়ম আছে আৰু কৰিব লাগে। তেওঁলোকে খোৰা 'আমং আচি' (মাটি পানীক) অৰ্থাৎ বসুমতী আইক প্ৰথমে— দান দি পেনাম (বচন) ক'ব-বিবাহিতা, অবিবাহিতা সকলোৱে ভাগ ল'ব পাৰে।

সেইদিনা গোটেই নিশা গাঁৱৰ প্ৰতি ঘৰতে খোৰা বোৰা কাম সমবী কৰে। ঘৰৰ জীয়ৰী-বোৱাৰীসকলে সেইদিনা কোনেও কাৰো ঘৰলৈ লৃগাং খাবলৈ নাযায়, যিহেতু তেওঁলোকে আলহী বা নিমন্ত্ৰিতসকলৰ অভ্যৰ্থনাত ব্যস্ত থাকিব লগতে পৰে। লৃগাং চঃমান (গীত-মাত আৰু নৃত্য) 'আলি-আই লৃগাংৰ গীত-মাতবোৰ অন্য উৎসৱ বা বিহু অৰ্থাৎ মাঘ বা বহাগ বিহুৰ গীত-মাত আৰু নৃত্যৰ পৰা বহুত বেলেগ।

'লৃগাং চঃমান' মিছিং সমাজৰ একমাত্ৰ সম্পূৰ্ণ কলা, সংস্কৃতিৰ প্ৰকৃত উৎপত্তি স্থল। গীতৰ পৰা আৰম্ভ কৰি নৃত্য, ঢোলৰ ধ্বনি পৰ্যন্ত বহল তাৎপৰ্য আছে। পৰম্পৰাগত মিছিং সমাজৰ কৃষ্টিহে ইয়াত বিশেষকৈ পৰিলক্ষিত হয়। 'লৃগাং'ত গীত, নৃত্য, বজোৱা ঢোলৰ ছেও অইন উৎসৱত পৰিৱেশন কৰা নহয়। ঢোলৰ মাত শুনিয়ে নিশ্চিত হ'ব পাৰিব যে আজি আমুক গাঁৱত লৃগাং হৈছে। পুৰণি কালত 'লৃগাং' উৎসৱ বেলেগ বেলেগ গাঁৱে বেলেগ বেলেগ দিনত অৰ্থাৎ বৰ্তমানৰ নিচিনাকৈ একেদিনাই পতা নাছিল। অন্য এটা বিশেষত্ব হ'ল যে 'লৃগাং'ৰ বাহিৰে 'লৌঃনং বাৰ্বাং' (এবিধ থালৰ নিচিনা বাদ্য যন্ত্ৰ) 'চঃমান'ত (বিহুতঃ বজোৱা নহয়। এই লৌনং বাৰ্বাংবোৰ, ঢোল তালৰ ছেৱে বজোৱা হয়।

বসন্ত উৎসৱ "আলি-আই-লৃগাং'ৰ গীত গাব লাগিব। সেই গীত গাঁৱৰ কাৰেণ পৃথিৱীক শস্যপূৰ্ণা কৰিবৰ কাৰণে গাঁওখন, সমাজখন, দেশখন, সেউজীয়া পুবৰ কাৰণে মানুহৰ জীয়াই থকাৰ কাৰণে সম্বল সুস্তা পৃথিৱীৰ পৰা পাবৰ কাৰণে মিছিং গাঁৱে গাঁৱে বসন্তো উৎসৱ 'আলি-আই-লৃগাং' পাতিব লাগে। এই উৎসৱত ডেকাহঁতে কোনোৱা এজনৰ ঘৰৰ দুৱাৰমুখতে ৰাতি গৈ সৰটোম এটাত ভৰাই এটা শিলগুটি ওলোমাই থৈ আহে গৈ। ৰাতিপুৱা শুই উঠি দুৱাৰ মেলি যেতিয়া সিজনে শিলগুটিটো দেখে তেতিয়া বুজি পায় যে ৰাইজে এই বেলি তেওঁ ঘৰত 'আলি-আই-লৃগাং'ৰ বৰকাঁহ খুটি পুতিব। সমাজৰ সিজনে 'আলি-আই-লৃগাং'ৰ ভোজ দি নিজে গৌৰৱান্বিত হ'ব। গতিকে তেওঁ কোনো আপত্তি নকৰে। আপত্তি থকা হ'লে ৰাইজক চপাই তেওঁ নিজৰ অপৰাগতা বা দুখৰ অৱস্থা ক'লেহেতেঁন।

এনেদৰে 'আলি-আই-লৃগাং'ৰ দিনা পুৱাৰ পৰা নিশা লৈ এনেদৰে নিয়ম পালন কৰা হয়।



# কবিতাৰ কৰণি

# সোৱৰণিৰ এখিলা সৰাপাত

**ৰেখামণি কলিতা**
জেষ্ঠ অধ্যাপক, দৰ্শন বিভাগ

কাচিয়ালি ৰ'দৰ ছিটিকনিত
সাৰ পাই উঠে সোৱৰণি
সপোনে পোখা মেলিছিল অজানিতে
বুকুত এজোপা গোলাপ গজিছিল
কপাহ মেঘৰ আৰে আৰে
কহুঁৱা তুলা হৈ মন উৰিছিল
কাঠৰ পখিঘোঁৰাত উঠি
গুচি গৈছিলো দূৰ দিগন্তলৈ
তুমি অহাৰ বাটেৰে
তোমাৰ সতে—

সোৱৰণিৰ বুকুত এতিয়া মাথোঁ
সোণালী চকুলো
শিলুৱা এন্ধাৰত বিহগী পখীজনীয়ে
ওৰে ৰাতি বিনাই
আৰু মই
এন্ধাৰতে বহি থাকো ওৰে ৰাতি
বতাহৰ জিৰজিৰণি শব্দ
হালধীয়া পাতবোৰ সৰি পৰিছে
বৰ সুৰীয়া মাতেৰে কোনোবাই
বিষাদৰ গীত গাইছে
ডাৱৰৰ বিশাল বুকুত
চপৰা চাপৰকৈ খহি পৰিছে
তপত চকুলো—
বিষাদৰ বৰষুণত তিতিছে বুৰিছে
শিতানৰ গাৰু
তৰাটো জ্বলি আছে অকলশৰে
তুমি অহাৰ বাটেৰে আৰু যোৱাৰ বাটেৰে
মইয়ো যাব পৰা হ'লে...

# ভাল লগা ছবিটি

(শিশু কবিতা)

**বিজুমণি শৰ্মা**
কনিষ্ঠ সহায়ক

অ' মোৰ মাতৃভূমি
মৰমৰ এখনি বোৱঁতী নৈ তুমি।
অ' মোৰ জন্মভূমি
তোমাৰ কোলাতে
লালিত-পালিত আমি।
ভাল লাগে লুকাভাকু
কইনা-দৰা খেলি।
আকাশৰ মুক্ত পথেদি উৰে
গীত গোৱা অলেখ পখী।
হিয়াখনি মোৰ পৰি যায় শাঁত
কথাপাতো আকাশৰ নীলাৰ সতে।
মেঘবোৰে আকাশত ছবি আঁকে
ৰঙচুৱা, শুকুলা আৰু কাজলবুলীয়া।
মাজে মাজে তাতে উজলি উঠে
ৰামধেনুখনি।
মনোৰম পদুমণি পুখুৰীৰ
শুভ্ৰজ্যোতিত ঘূৰি আহে মন মোৰ
মাটিৰ পৃথিৱীলৈ
পদুমৰ সুৱাসৰ সতে
ভোমোৰাৰ গুণ গুণ সুৰ শুনিবলৈ।



# দেউতা

**ৰিংকি পাছৱান**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

মনত পৰে তোমালৈ দেউতা
দুপৰ নিশা যেতিয়া মই বাহিৰত যাবালৈ উঠিছিলোঁ
তেতিয়া তুমিয়েতো কৈছিলা দেউতা
অকলে নাযাবা মাইনা ময়ো গৈছোঁ ৰ'বা,
আজি কিয় সেই মাত মই শুনা নাপাওঁ
অ', তুমি যে বহুত দূৰত আছা নহয়।
বিদ্যাশপত— আজিকালি কোনোবা পিতৃয়ে
নিজৰ সন্তানক দিয়া
প্ৰীতি, উৎসাহ, প্ৰেৰণা দেখিলে মোৰ যে
হৃদয়ৰ বেদনা বুকুৰেদি বগৰাই আনিব বিচাৰে,
অশ্ৰুৰ ঢল পাহৰিব নোৱাৰোঁ মই
তোমাৰ আৰু মোৰ শেষ মিলনৰ কথা।
দেউতা তুমি কৈছিলা সৰুতে ভাবি চোৱা নাছিলো
জীৱনক কিয় কৈছে এখন যুদ্ধ আজি বুজিছোঁ দেউতা
অ' দেউতা— কালি ৰাতি মোৰ ভীষণ জ্বৰ উঠিছিল,
কিন্তু তুমি দেখোন নাহিলা
মোৰ বিছনাৰ কাষত বহি ৰাতি উজাগৰে কটাব কিয় নাহিলা?
অ' প্ৰকৃতিৰ নিয়মত তুমি বাধ্য ন দেউতা
প্ৰকৃতিৰ নিয়ম কিয় ইমান নিষ্ঠুৰ
জীয়ৰীৰ বাবে দেউতাক এটি হাঁহিৰ সঁফুৰা
আনন্দ, উৎসাহ, প্ৰেৰণা সকলোতে কেৱল তুমিয়ে দেউতা
তুমিয়ে মোক ডাঙৰ-দীঘল কৰি জীৱনৰ মাজবাটত
এৰি থৈ গ'লা।
বাঃ নিয়তিৰ নিয়ম—
নিয়তিৰ এই নিয়ম মই বুজিবও নিবিচাৰোঁ
দেউতা কেৱল তোমাৰ মুখখন চাব বিচাৰোঁ,
কথা পাতিব বিচাৰোঁ
মনত পাৰেনে তোমাৰ মোলৈ দেউতা,
অ' মনত পৰে তোমালৈ দেউতা
মোৰ বিশ্বাস মোলৈ দেউতাৰ মনত পৰে
তোমাৰ আগমনৰ বাবে বাট চাই আছোঁ।

# মা আৰু মৰম

**কংকনা পাটৰ**
স্নাতক প্ৰথম যাণ্মাসিক

মা, তুমি মোৰ অতি মৰমৰ,
তুমি মোৰ অতি চেনেহৰ,
তোমাৰ কোলাত উঠি, কেনেকৈ
ডাঙৰ হ'লো গমকে নাপালোঁ।
তুমি মোৰ সুখত সুখী হোৱা আৰু
মোৰ দুখত দুখী হোৱা।
তোমাৰ কাৰণে আজি মই
এই মনোমোহা পৃথিৱীখন দেখিলোঁ মা।
তুমি মোৰ বাবে ভগৱানস্বৰূপ।



# বন্ধুত্ব

**আঞ্জিনা বেগম**
স্নাতক প্ৰথম ষাণ্মাসিক

বন্ধুত্ব এক বহুমূলীয়া ৰত্ন,
আমি সকলোৱে লালন-পালন কৰা
এটা সম্পদ।

হাঁহি, চকুলো আৰু অন্তহীন ঘণ্টাৰ
মাজেৰে,
কেতিয়াও নষ্ট নহ'ব পৰা এটা বান্ধোন
প্ৰতিটো নতুন দিনৰ লগে লগে আমাৰ
বন্ধুত্ব বাঢ়ি যায়।
আনৰ তুলনাত শক্তিশালী,
আৰু জীৱনৰ উত্থান-পতনৰ মাজেৰে
যাত্ৰা কৰি থাকোঁতে,
আমাৰ বন্ধুত্ব চিৰদিনৰ বাবে থাকে।
কাৰণ ইজনে-সিজনৰ মাজত আমি
শক্তি বিচাৰি পাওঁ
ইজনে সিজনৰ মাজত আমি প্ৰেম
বিচাৰি পাওঁ।
যাত্ৰা কৰি থাকোতে
আমাৰ বন্ধুত্ব চিৰদিনৰ বাবে থাকে।
কাৰণ ইজনে-সিজনৰ মাজত আমি
শক্তি বিচাৰি পাওঁ,
ইজনে-সিজনৰ মাজত আমি প্ৰেম বিচাৰি পাওঁ,
আৰু যদিও পৃথিৱীখন বিশৃংখল আৰু
অভাৱনীয় হ'ব পাৰে,
আমাৰ বন্ধুত্ব এটা স্থিৰ হৈয়েই থাকে
ওপৰৰ তৰাবোৰৰ দৰে।
গতিকে ইয়াত আমাৰ প্ৰিয় বন্ধু
আমাৰ বন্ধুত্ব সদায় ফুলি উঠক,
আৰু একেলগে আমি সদায়
চেষ্টা কৰিম।

# এটি পথৰ অপেক্ষাত

**ৰুমী ৰায়**
স্নাতক প্ৰথম ষাণ্মাসিক

মোৰ বুকুখন আজি বহুত বিষাইছে
কিয়নো মোৰ মনত বহু প্ৰশ্ন গোট খাইছে
সময়ৰ সোঁত
দেখিছোঁ-শুনিছোঁ অনুভৱ কৰিছোঁ
মনত বহু দুখ আছে
বহু কথা আছে
তথাপি আজি মই
মৌনতাৰে আগবাঢ়িছোঁ
ওঁঠত ওলমি ৰোৱা হাঁহিবোৰক
অজানিতে সামৰি ৰাখে মৌনতাই
মই বিচাৰো মাথোঁ এখন মুকলি আকাশ
উৰিব পৰাকৈ
চিলাৰ দৰে নহয়, চৰাইৰ দৰে।
দুখৰ বোজা লৈ মই বৈ আছো
জীৱনৰ সন্ধিয়া বেলাত
দুখৰ সোঁতত উটি যাবলৈ
এটি পথৰ অপেক্ষাত...।



# জীৱন জোনাক

**ৰূপাঞ্জলি কলিতা**
বুৰঞ্জী বিভাগ, তৃতীয় ষাণ্মাসিক

এই যে জীৱন
সপোন-দিঠকৰ
হেৰুৱা দিনৰ সুবাসেৰে
বিচাৰি পাওঁ
জীৱন নাটৰ অনুক্ৰমনিজ
সুবাসেই সম্বন্ধী।
হাঁহি ধেমালিৰ সুৰত
উটি-ভাঁহি আহে
জীৱন জোনাক।

# তই মাথোঁ এটি চাকি নহয়

**প্ৰেৰণা ডেকা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

চাকিটি তয়ো দেখোন ধিমিক ধামাককৈ
নুমাও নুমাও কৰিছে
নাই নাপাও বেয়া তোক,
দুখ কৰিব নালাগে দে,
যেতিয়া এই পূৰ্ণিমাৰ জোনাকৰ পোহৰতো
সকলোৱে মোক এৰি গৈছিল
এই আন্ধাৰেৰে ভৰা বাটত,

তেতিয়া,
তয়েতো আছিলি মোৰ লগত
তয়েতো আছিলি যিয়ে নিজে জ্বলি জ্বলি
মোক পোহৰৰ বাটত আগুৱাই নিছিল।

জানো,
আজি তই বাধ্য
আজি মই যে তোক আৰু
কষ্ট নিদিও
তই যাগৈ...

মোৰ এই আন্ধাৰৰে ভৰা বাটত
তই মোক পোহৰৰ মুখামুখি কৰালি
পোহৰৰ শিখৰত এদিন মই থিয় হ'ম
তেতিয়া,
সকলো উভতি আহিব মোৰ কাষলৈ...

তই মোৰ নিস্বাৰ্থ বন্ধু,
তই বিপদৰ বন্ধু,
তই প্ৰকৃত বন্ধু,
তই সঁচা বন্ধুত্ব,
তই মাথোঁ এটি চাকি নহয়।



# অপৰাজিতা

**স্নেহা মালাকাৰ**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

নাৰী তুমি অপৰাজিতা
সৃষ্টিয়েই তোমাৰ নাম
তোমাৰ সৃষ্টিতেই সৃষ্টি হৈছে
বিশ্ব ব্ৰহ্মাণ্ড বিশাল পৃথিৱীখন
ধৈৰ্য তোমাৰ অনন্যা আখ্যা
মান-অপমান সহ্য কৰি
সমগ্ৰ জগত জয় কৰাৰ সাহসৰ
কাম কেৱল তোমাৰ
দ্বাৰাই সম্ভৱ।
যৌৱনৰ ভৰ দুপৰত
তুমি বিলাই দিয়া
অনাবিল তৃপ্তি।
শিশু সুলভ আকলুৱা
মৰম-স্নেহ তোমাৰ
অন্তৰেৰে বৈ আহে।
মাতৃত্বক মহান জ্ঞান
কৰি পূজা কৰা তুমি নাৰী
মহীয়সী মহিমাময়ী।

# সপোন

**দুলুমণি দাস**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

সপোন সপোন কি যে এই সপোন
নাই কোনো আদি নাই কোনো অন্ত
সকলোৰে দেখে সপোন কি যে তাৰ মিঠা অনুভৱ
সপোন সপোন কি যে এই সপোন

কিয় জানো এটা সপোন পূৰণ হোৱাৰ পাছত
আনটোলৈ ধাপলি মেলে
কি যে মিঠা অনুভৱ নহয় জানো
সপোন-সপোন কি যে এই সপোন

সেয়েহে ক'ব বিচাৰো আহা সপোন তুমি আহা
তোমাৰ পথেৰে যাও আমি আগুৱাই
এই পৃথিৱী সপোনৰ পথেৰে
মানৱ জীৱন সাৰ্থক কৰি তোলে
সপোন সপোন কি যে মিঠা অনুভৱ

সপোন তুমি আহা
এই পৃথিৱীত জীয়াই থকা দিনকেইটা
আনন্দ উপভোগ কৰো নহয় জানো...
সপোন সপোন কি যে মিঠা অনুভব।



# বন্ধু
## (নাছিৰ আলীৰ সোঁৱৰণত)

**প্ৰিত্যমণি ডেকা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

তুমি নোহোৱাৰ কথা সেই
দিনটোৱে সোঁৱৰাই দিয়ে,
সোঁৱৰাই দিয়ে যে
'এবাৰ জীৱন গ'লে,
নাহে আকৌ উভতি'।

আকৌ নাহে তোমাৰ সেই
ভাল লগা কথাবোৰ আৰু
হৃদয়স্পৰ্শী বন্ধুত্ব।

তুমি আছিলা ষষ্ঠ শ্ৰেণীৰ বন্ধু
সেই বন্ধু সপ্তম শ্ৰেণীত
হেৰাই গ'ল,
হেৰাই গ'ল মোৰ প্ৰিয়
বন্ধু নাছিৰ।

নাছিৰ তুমি কেতিয়াও
হেৰাই নোযোৱা,
হেৰাই নাযায় তোমাৰ
নিস্বাৰ্থ বন্ধুত্ব।

শেষত এটাই কম যে
তুমি য'তে থাকা,
ভালে থাকা!



# মৰমৰ মা

**নাজিমা আখটাৰ**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

অ' মা...
মৰমৰ মাত এষাৰ দিয়ানা
বহু আশা কৰিছোঁ।
আছে মোৰ বাসনা
আছে মোৰ কল্পনা
দিবানে সঁহাৰি মা
জীৱনৰ বাটত
যাও আগুৱাই
দিয়ানা মৰম মা
তোমাৰেই সপোন
গঢ়িবলৈ মোৰ ভৱিষ্যৎ
আনিবলৈ শান্তি
আছে মোৰ শৰীৰত।



# মোৰ সেই স্কুলখনি

**প্ৰীতিমণি ডেকা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

মোৰ সেই স্কুলখনি
য'ত মই আছিলো
ৰং-ধেমালি কৰি।

আছিল মোৰ তাত
সুখ-দুখৰ আল্পনা
স্কুলৰ সকলোকে লৈ।

আল্পনা যে অঁকা
শেষ হ'বৰ হ'ল—
কেতিয়াও বিশ্বাসে
হোৱা নাছিল।

কিন্তু,
সেই দিনটো আহিল
যিদিনা এই মধুৰ
আল্পনাখন শেষ হ'ল।

সেই দিনটো আছিল—
১৫ ফেব্ৰুৱাৰী আৰু তোমাক
কেতিয়াও পাহৰি নাযাওঁ।

মোৰ সেই স্কুলখনিত
আৰু কেতিয়াও নাপাওঁ,
ৰং-ধেমালি কৰিব!

# নাহৰৰ পাতত মেলা এটা পাটবাউসীৰ জোন

**কাব্যশ্ৰী হাজৰিকা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

নাচি নাচি বৈ অহা বতাহজাকতে
    গধূলি গোপাল ফুলে
বাঢ়ি অহা নদীৰ কোবাল সোঁতত
    ভক্তিৰ গীত এটিত কঁপে
নাহৰৰ কোমল পাতত খেলি ভালপোৱা
    পাটবাউসীৰ এটা জোন।
পিতাই দিনত দহা ভোক এটাৰে
    জোনটো মোৰ বুকুত শিপায়
সেউজ সুগন্ধি পথাৰৰ আহে আহে
    মায়াময় নদীৰ কোবাল সোঁতত কঁপে
আকাশত নকৈ হাঁহি ৰোৱা তৰাবোৰ;
    বিস্মৃত মই, যেন এটি শিৰ নিজৰ মাজতেই
চৌপাশে বিৰাজে নৈমিষাৰণ্যৰ ধ্বনি-প্ৰতিধ্বনি
    মই তাতে লীন হৈ নতুনকৈ জী উঠিব খোজো।





# দেউতা

**হিয়ামণি পাটগিৰী**
স্নাতক প্ৰথম যাণ্মাসিক

দেউতা
এই পৃথিৱীত মই ভালপোৱা
    প্ৰথম পুৰুষজন।
যিয়ে তুমি দুখ পালে নাকান্দে কিয়নো
    তুমি কান্দি দিবা বুলি।
যাৰ খঙৰ মাজতো মৰম
    লুকাই থাকে।
যিজনে তোমাৰ দুষ্টটাৰ ওপৰত
    খং কৰি মাৰি নিজে কষ্ট পায়।
যাৰ ছাঁয়াত থাকি তুমি
    নিজকে সুৰক্ষিত ভাবা
যাৰ অবিহনে তুমি তোমাৰ এটা
    মুহূৰ্তও সুখী অনুভৱ কৰাব নোৱাৰে
যাৰ হাত তোমাৰ ওপৰত থাকিলে
    তুমি নিজকে এই পৃথিৱীৰ সকলোতকৈ
শক্তিশালী বুলি অনুভৱ কৰা
    সেইজনেই হৈছে মোৰ মৰমৰ দেউতা।



# বিবিধা

# জৰ্জ এডৱাৰ্ড মূৰ

**ৰীতা দেৱী**
দৰ্শন বিভাগ, পঞ্চম ষাণ্মাসিক



বিংশ শতিকাৰ বিশ্লেষণবাদী দাৰ্শনিকসকলৰ ভিতৰত এজন প্ৰধান বিশ্লেষণী দাৰ্শনিক হ'ল জৰ্জ এডৱাৰ্ড মূৰ। তেওঁক ভাষা বিশ্লেষণী দাৰ্শনিক বুলিও কোৱা হয়। এইজন দাৰ্শনিক মূৰৰ জন্ম হয় ১৮৭৩ চনত দক্ষিণ লণ্ডনত নৱেম্বৰ মাহৰ চাৰি তাৰিখত। মূৰ প্ৰথমতে ডুলউইছ্ কলেজত পঢ়া-শুনা কৰে, পাছত ১৮৯২ চনত কেমব্ৰিজলৈ যায় আৰু তাত তেওঁ ক্লাছিকত অধ্যয়ন কৰিবলৈ লয়।

মূৰ কেমব্ৰিজৰ ট্ৰিনিটি কলেজত 'Prize Fellowship' হিচাপে পুৰস্কৃতহৈছিল ১৮৯৮ চনত। ১৯০৩ চনত মূৰে 'Mind' নামৰ এখন আলোচনীত 'The Refutation of Indealist' শীৰ্ষক এটি প্ৰবন্ধ প্ৰকাশ কৰি ভাববাদৰ বিৰুদ্ধে তীব্ৰভাৱে আন্দোলন গঢ়ি তোলে।

মূৰক অধি-নীতিশাস্ত্ৰৰজনক বুলি কোৱা হয়। ১৯১৮ চনৰ পৰা ১৯১৯ চনলৈকে 'এৰিষ্ট'টলিয়ান সমাজ'ৰ সভাপতি হিচাপে কাম কৰে। তেওঁ পিছলৈ বহুকেইখন মূল্যৱান গ্ৰন্থ আৰু বিখ্যাত প্ৰবন্ধবোৰ প্ৰকাশ কৰে।

১৯৫৮ চনৰ ২৪ অক্টোবৰত মৃত্যুবৰণ কৰে।

# বন্ধুত্ব
# এক মিঠা, চুক্তিবিহীন, নিস্বাৰ্থ এনাজৰী

**প্ৰেৰণা ডেকা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



বন্ধুৰ মাজত প্ৰেম হ'ব নোৱাৰে, কিন্তু প্ৰেমত বন্ধুত্ব হ'ব পাৰে। কিয়নো প্ৰেম হৈছে বন্ধুত্বৰ শেষ পৰ্যায়। আৰু বন্ধুত্ব হৈছে এজনে আনজনক বুজি পোৱা, ইজনে সিজনৰ সুখ-দুখ সকলোতে একেলগে থকা।

সঁচাকৈ 'বন্ধুত্ব' তিনিটা আখৰেৰে গঠিত আন এটি এনে শব্দ যাৰ অৰ্থ মুখেৰে কৈ বা কলমেৰে লিখি বুজাব নোৱাৰি, প্ৰকাশ কৰিব নোৱাৰি। সঁচা বন্ধুত্বৰ এই এনাজৰীৰে যিয়ে বান্ধ খাই আছে সঁচাকৈ তেওঁ বৰ সৌভাগ্যৱান। সঁচা বন্ধুত্বৰ এই এনাজৰীডাল বৰ মজবুত; ইমান মজবুত যে কোনেও ইয়াক সন্দেহ নামৰ আঘাতৰে আঘাতপ্ৰাপ্ত কৰিব নোৱাৰে। বন্ধুত্ব সকলোৰে নাপায়।

বন্ধু যাৰ লগত আমি খেলো, হাঁহো, মনৰ সকলো কথা পাতো, আলোচনাৰ পৰা আৰম্ভ কৰি সমালোচনা, পৰ্যালোচনা সকলো কৰোঁ। বন্ধু নামৰ হাতখন আমাৰ চকুৰ পৰা ওলোৱা চকুলো মচি দি দু ওঁঠত হাঁহি বিৰিঙাবলৈ চেষ্টা কৰে, যেতিয়া আমি নিজকে অকলশৰীয়া অনুভৱ কৰো তেতিয়া বন্ধুৱেই আমাক কয় যে চিন্তা নকৰিবা তুমি কেতিয়াও অকলশৰীয়া নহয়, তোমাৰ লগত সদায় তোমাৰ বন্ধু আছে। আমি যেতিয়া দুখত ভাগি পৰো তেতিয়া এই বন্ধু নামৰ হাতখনে আমাৰ হাতখন খামুচি ধৰে আৰু আমাক সান্ত্বনা দিয়ে।বিপদৰ সময়ত বিশেষ একো সহায় নকৰিব পাৰে কিন্তু কেতিয়াও আঁতৰি নাযায়; এইটোৱেইটো সেই সময়ৰ প্ৰয়োজনীয় সহায়। এয়াই হৈছে সঁচা বন্ধুত্ব।

সঁচাকৈ এই বন্ধুত্ব বৰ অমূল্য। যাৰ ওপৰত আমি আটাইতকৈ বেছি বিশ্বাস কৰো, যিয়ে কেতিয়াও আমাক অকলশৰীয়া অনুভৱ কৰিব নিদিয়ে, কেতিয়াবা কেতিয়াবা স্ফূৰ্তিতে যাৰ হাতত হাত ধৰি গগন ভেদি চিঞৰিব পাৰো আৰু যেতিয়া ভয় লাগে তেতিয়া যেন নিঃসংকোচে দুবাহুৰ মাজত মূৰটো গুঁজি দিব পাৰো, যাক আমি কেৱল বুজি পোৱায়ে নহয় ভুল পথেৰে গ'লে যেন শাসনেৰে আৰু মৰমেৰে আকৌ শুদ্ধ পথলৈ ওভোতাই আনিব পাৰো। এই বন্ধুত্ব গংগাতকৈয়ো পৱিত্ৰ।

এনেকুৱা বন্ধুত্ব ল'ৰা আৰু ছোৱালীৰ মাজতো থাকিব পাৰে। এইটো জৰুৰী নহয় যে এই বন্ধুত্ব কাৰ কাৰ মাজত আছে; জৰুৰী এইটোহে যে এই বন্ধুত্ব সঁচা। এই বন্ধুত্ব সকলোৰে মাজত হ'ব পাৰে। ইয়াত কোনো বয়সৰ, উচ্চ-নীচ, জাতি-ধৰ্ম এইবোৰৰ স্থান নাই। এই বন্ধুত্ব সঁচাকৈ বৰ মজবুত। ই ইমানেই মজবুত যে এই বন্ধুত্বক কোনো সন্দেহে, আঘাতে, ভুল বুজাবুজিয়ে শেষ কৰিব নোৱাৰে।

যাৰ জীৱনত এনেকুৱা বন্ধুত্বৰ অভাৱ। তেওঁ অকলশৰীয়া অনুভৱ জীৱনৰ কোনো সময়ত কৰিবই আৰু এইটো নহয় যে কেৱল তোমাৰ বন্ধুইহে তোমাৰ কাৰণে সকলো কৰিব তুমিও তেওঁৰ কাৰণে কৰিবা। এই বন্ধুত্বৰ এনাজৰীডাল নিস্বাৰ্থ আৰু চুক্তিহীন; ইয়াৰ নিচিনা হ'বৰ চেষ্টা কৰা আৰু তুমিও এজন সঁচা বন্ধু হ'বলৈ যত্ন কৰা।



# ডায়েৰীৰ ধূসৰ পৃষ্ঠা

**ড° নবকান্ত শৰ্মা**
অধ্যাপক, হিন্দী বিভাগ

অনিৰুদ্ধ সময়ৰ হেঙুল চাকনৈয়াত জীৱননৌকি ক্ষন্তেক থমকি ৰলেও তাৰ গতি স্তব্ধ নহয়। বৰ কষ্টৰে হলেও নাৱৰীয়াৰ বঠাত নাৱখনৰ গতিশীলতাই নিৰ্দিষ্ট লক্ষ্যলৈ বাট পোনায় তীব্ৰ ধুমুহা, উত্তপ্ত ৰদ, ঘনঘোৰ অন্ধকাৰ আৰু থাউনি নোপোৱা গভীৰ জলৰাশিৰ অযুত প্ৰত্যাহ্বান নেওচি নাওখন আগবাঢ়ি যায়। গতিশীলতাই তাৰ জীৱন আৰু গতিহীনতাই তাৰ অন্তিম পৰিণতি। প্ৰকৃতি আৰু জীৱনৰ গতিচক্ৰ বৰ ৰহস্যময়, নিৰ্মম আৰু আকস্মিক। সেয়ে নিস্তব্ধ সময়ৰ এটি এটি পল যেন নতুনৰ ৰঙীণ পতাকা, প্ৰতিশ্ৰুতিৰ অনন্ত বাসনা আৰু ভালপোৱাৰ দিকচৌ ঠিকনা।

আবেলিৰ বেলিৰ ৰঙচুৱা লালিমাই উজ্বল কৰি তোলা পশ্চিমদিশৰ বেলকণিত বহি অপ্ৰতীম বৰুৱাই অতীতৰ এখন ডায়েৰীৰ পাত লুটিয়াই চালে। বিশ বছৰ আগৰ ডায়েৰীখনত তিনিজন বন্ধুৰ লগত তোলা এখন ক'লা-বগা ফটো তেওঁৰ চকুত পৰিল। নিজকে চাই তেওঁ অভিভূত হল। ময়েই নে এইজন? উজ্জ্বল চকু, ঘন এমূৰ চুলি, চিকচিকিয়া দাঁতেৰে হাঁহি থকা কোমল মুখখন, সুগঠিত শৰীৰ আৰু পৰিপাটি পোচাক! তেওঁৰ নিজকে দুপৰৰ দেদীপ্যমান বেলিৰ দৰে পূৰ্ণবিকশিত যেন লাগিল।

ডায়েৰীখন লুটিয়াই চাওতে গোট গোট আখৰেৰে লিখা তেওঁৰ নিজৰ কথাখিনি আকৌ পঢ়ি চাৰ মন গ'ল ঃ

১৭ জুন, ১৯৯৯

আজি মোৰ সমস্ত সাধনা আৰু অৰ্হতাই যেন নতুন বাট বিচাৰি পালে। মই স্বীকৃতি পালো। যাবতীয় অৰ্হতা অৰ্জন কৰি নাতিদূৰৰ কলেজখনত অধ্যাপকৰূপে যোগদান কৰো। এক বুজাব নোৱাৰা তৃপ্তিৰে মনটো উপচি পৰিল। পিতৃ-মাতৃৰ চৰণ চুই ওচৰৰে মন্দিৰটোত সেৱাজনাই অধ্যক্ষ মহোদয়ৰ টেবুলত মই যোগদান পত্ৰখন জমা দিলো। অধ্যক্ষ মহোদয়ে জনালে ঃ চিন্তা নকৰিবা, কাম কৰি যোৱা, ভাল ফল পাবাই। মই মূৰ দুপিয়াই তেওঁৰ কথা স্বীকাৰ কৰিলো।

অপ্ৰতীম বৰুৱাই ডায়েৰীখন নি ভিতৰত থলে। হাতত এখন নতুন ডায়েৰী লৈ আহিল। তেওঁ দেখিলে বাৰীত কেইজোপামান কলগজ হৈছে। একেলগে ৰোৱা যদিও দুজোপা গছতহে কলফুল ওলাইছে। মানে একেলগে গছ ৰুলেও ফল একেলগে নাপাবও পাৰে। এইবাৰ তেওঁ পিছফালে মূৰ ঘূৰাই চালে। দেখিলে এটি লাহী, নীলবৰণীয়া চঞ্চল পখিলা উৰি উৰি ওচৰৰে

ফুলজোপাত থমকি ৰৈছে। পখিলাটোৱে আকৌ উৰিব ললে। এইবাৰ সি নজনাকৈয়ে হঠাতে এখন মকৰাজালত বন্দী হৈ পৰিল। পখিলাটোৱে আপ্ৰাণ চেষ্টা কৰিও সেই জালৰ পৰা মুক্ত হব পৰা নাই। তেওঁ ভাবিলে সংসাৰৰ জালত বন্দী হৈ মানুহৰো এনে দশাই হয় নেকি বাৰু! কথাবোৰ মনতে ভাবি থাকোতে অকণমানি মিচিকিজনী তেওঁৰ কোলাত উঠিলহি। বতাহত তাইৰ চুলিবোৰ উৰি আছে। মিচিকিয়ে মৰমেৰে দেউতাক অপ্ৰতীমক সুধিলে ঃ দেউতা তুমি কি পঢ়ি আছা?

ঃ মাজনী, মই এই ডায়েৰীখন পঢ়ি আছো।

ঃ ডায়েৰীত কি লিখা থাকে?

ঃ আমাৰ অতীতৰ দিনবোৰৰ সঁচা কথাবোৰ লিখি ৰাখো।

ঃ ডায়েৰী কিয় লিখিব লাগে?

ঃ ডায়েৰী লিখিলে পাহৰিব খোজা কথাবোৰো হেৰাই নাযায়।

ঃ মই কেতিয়া লিখিব লাগিব?

ঃ তুমি ডাঙৰ হ'লে, বুজিব পৰা হ'লে লিখিবাদেই।

মিচিকি কোলাৰ পৰা নামি ঘৰৰ ভিতৰলৈ সোমাই গল। তাই বৰ মৰম আকলুৱা। তায়ো এদিন সময়ৰ লগত ডাঙৰ হ'ব। কলেজত যাব। এসময়ত বুকুত বেদনাৰ অদৃশ্য শলিতা জ্বলাই কাৰোবাৰ ঘৰলৈ গুচি যাব। অপ্ৰতিমৰ কথাবোৰ ভাবিলেই মনটো গধুৰ হৈ পৰে চকু দুটা সামান্য সেমেকি উঠে। এইবাৰ অপ্ৰতীম বৰুৱাই ডায়েৰীখন হাতৰ তুলি ল'লে। এটা পৃষ্ঠাত হঠাতে চকু দুটা ৰৈ গ'ল ঃ

১৭ জুন, ২০১৯

কৰ্মন্যেবাধিকাৰস্তে মা ফলেষু কদাচন।

মা কৰ্মফলহেতুৰ্ভূমা তে সঙ্খোসত্বকৰ্মণি।।

মহাভাৰতত যুদ্ধক্ষেত্ৰত আত্মীয় স্বজনক দেখি যুদ্ধক্ষেত্ৰ ত্যাগ কৰাই শ্ৰেয় বুলি ভবা অৰ্জুনক শ্ৰীকৃষ্ণই এইদৰে উপদেশ দিছিল। তৎস্বত্বেও যুদ্ধত পাণ্ডৱ পক্ষ শেষত বিজয়ী হৈছিল। মই কৰ্মক্ষেত্ৰত বিজয়ী হলোনে। নিজে ৰোপন কৰা গছবোৰত ফল কিয় নালাগিল। অদৃষ্টৰ এই নিৰ্মম পৰিহাস দেখি মই শোকস্তব্ধ হলো। বিশ বছৰ কাল সেৱা আগবঢ়োৱাৰ পিছত মই ষাঠি বছৰ বয়সত অৱসৰ ললো। ঘৰখন আৰু মাজনীৰ দায়িত্ব আছেই। মোৰ ক'ত ভুল হ'ল? এই বেদনা, শূণ্যতা আৰু অপ্ৰকাশ্য পীড়াই মোক তিলতিলকৈ দহি আনিছে। কিয় এনে হল? কিয় এনে হ'ল!

১৯৯৯ চনৰ পৰা ২০১৯ বৰ্ষৰ এই সময়ছোৱাৰ প্ৰাপ্তি অপ্ৰাপ্তিৰ হিচাবেৰে চালে তেওঁৰ জীৱন এটা বিৰাট শূণ্যতাৰ অনুৰনন। এটা মৌন ৰিক্ততা, অশ্ৰসিক্ত অপ্ৰকাশ্য যন্ত্ৰণা! তথাপি অপ্ৰতীম বৰুৱাই জীৱনৰ কঠিন যুদ্ধত সাহসেৰে যুজ দিয়াৰ সংকল্প ললে।

অপ্ৰতীম বৰুৱাই পশ্চিমৰ বেলিটোলৈ চাই ভাবিলে বেলিটো সন্ধ্যাকাশত লাহে লাহে ৰঙচুৱা গোলাকাৰ ৰূপ লৈ হেৰাই যাব। কিন্তু নতুন প্ৰভাতত পূব আকাশত আকৌ উদিত হ'ব। এন্ধাৰ ক্ষন্তেকীয়া। জীৱনক পোহৰেৰে উদ্‌যাপন কৰা হব। অপ্ৰতীমে সপ্তাহত তিনিখন কাকতত স্তম্ভ লেখক ৰূপে নিজৰ প্ৰতিভা দাঙি ধৰিবলৈ সক্ষম হৈছে। অনুবাদক ৰূপেও যথেষ্ট কাম কৰে। নুন্যতম পইচাত প্ৰায় ডেৰশ ছাত্ৰ-ছাত্ৰীক অনলাইনত শিকায়। মাজে মাজে থিয়েটাৰৰ বাবে নাটক লিখে। ধাৰাবাহিকৰ চিত্ৰনাট্য লিখে। এক স্বচ্ছল আৰ্থিক জীৱনৰ অধিকাৰী। মিচিকিক সাবটি ধৰি অপ্ৰতীমে কলে ঃ মাজনী, সূৰ্যটো যিদৰে ডুবি যায় আকৌ ৰাতিপুৱাতে ন কইনাৰ দৰে উদিত হয়। আমি সদায় দিনৰ পোহৰৰ মাজত জীয়াই থাকিম। পোহৰেৰে জীৱনৰ বাট উপচাই ৰাখিম। বৃক্ষই জিৰণি ললেও বতাহ বলিয়ে থাকিব।

মিচিকিয়ে আজলী হৰিণীৰ দৰে দেউতাকৰ মুখলৈ চাই ৰল। অপ্ৰতীমে মিচিকিৰ অবিন্যস্ত চুলিখিনি ঠিক কৰি দিলে। দুটোপাল অশ্ৰুৰে অপ্ৰতীমৰ চকুযুৰি সেমেকাই তুলিলে।



# ভ্ৰমণ কাহিনী



# ইণ্ডোনেছিয়াৰ প্ৰখ্যাত দুখন বিশ্ব ঐতিহ্য স্থান

ড° অপৰ্ণা বুজৰবৰুৱা

২০১৬ চনৰ অক্টোবৰ মাহত আমি ইণ্ডোনেছিয়াৰ দুখন বিশ্ব ঐতিহ্য আৰু স্থান চোৱাৰ হেঁপাহেৰে জাভালৈ গৈছিলোঁ। ইণ্ডোনেছিয়া চৰকাৰৰ প্ৰদেশ হিচাপে স্বীকৃতিপ্ৰাপ্ত দ্বীপসমূহৰ ভিতৰত জাভাও এটা প্ৰধান দ্বীপ। ইণ্ডোনেছিয়াব স্থায়ীভাবে জনবসতি থকা ৯২২টা দ্বীপৰ ভিতৰত মাটিকালি এক জনসংখ্যাৰ ওপৰত ভিত্তি কৰি জাভাৰ স্থান পঞ্চমত। এই প্ৰদেশৰ মাটিকালি ১৩৮৭৯৪² কিলোমিটাৰ আৰু জনসংখ্যা ১০১,৪৪৮,৭১৮।

আমি ছিংগাপুৰ এয়াৰলাইনছৰ যোগেদি ইণ্ডোনেছিয়াৰ জাভা প্ৰদেশৰ যুগযাকাৰ্টা নামৰ ঠাইখনলৈ গৈছিলোঁ। ইণ্ডোনেছিয়াৰ ৰাজধানী জাকাৰ্টা নগৰখানো এই জাভা প্ৰদেশতেই যদিও আমি জাকাৰ্টালৈ নগৈ যুগযাকাটালৈহে গৈছিলোঁ। কাৰণ যুগযাকাৰ্টাতেই বিশ্ব ঐতিহ্য স্থান দুখন বিৰাজ মান। যুগযাকাৰ্টাৰপৰা জাকাটালৈ দূৰত্ব প্ৰায় ৩০০ কিলোমিটাৰ বুলি আমাক গাইডজনে কৈছিল। জাকাটাত নগৰখন চোৱাৰ বাহিৰে বিশেষ একো চাবলগীয়া নাই বুলি কোৱাত আমি জাকাটলৈ যাবলৈ ইচ্ছা নকৰিলোঁ।

যুগযাকাৰ্টা বিমান বন্দৰটো বেছি ডাঙৰ নহয়। হাতত মোব ছোৱালীজনীৰ নাম লিখা 'প্লে'কাৰ্ড' এখন লৈ আমাৰ গাইডজনে আমাৰ বাবে অপেক্ষা কৰি আছিল। আমাক দেখিয়েই সুন্দৰ হাঁহিৰে শুভাগমন জনাই আমাৰ বস্তুবোৰ এখন টাটাছুম'ৰ লেখীয়া গাড়ীত উঠাই দিলে। গাড়ীখনত মই, মোৰ ছোৱালী, মোৰ দুজনী বান্ধবী, গাইডজন আৰু ড্ৰাইভাৰ। এইখন গাড়ীৰেই জাভাত একাকেইদিন আমি বিভিন্ন ঠাই চোৱাৰ লগতে বিশ্ব ঐতিহ্য স্থান দুখন চাবলৈ গৈছিলোঁ। আমাৰ থকা-মেলাৰ ব্যৱস্থা এখন পঞ্চতাৰকা হোটেলত কৰিছিল। বাটত গাইডজনে যুগযাকাৰ্টাৰ বিষয়ে বিভিন্ন কথা কৈ যোৱাৰ লগতে যুগযাকাটাৰ অৰ্থটো বুজাই দিছিল। ইণ্ডোনেছিয়ান ভাষাত 'যুগয়া' মানে শান্তি (peace) আৰু কাৰ্টা মানে সৌভাগ্য বা সুখ (prosperty)। মুঠৰ ওপৰত সুখ-শান্তিপূৰ্ণ এখন ঠাই। হোটেলত আমি 'ফ্ৰেছ' হৈ লৈ, দুপৰীয়াৰ খাই উঠি 'গ্ৰামবানান' নামৰ ঠাইখনলৈ গৈছিলো।

**গ্ৰামবানানৰ** (prambanan) **হিন্দু মন্দিৰ**

যুগযাকাৰ্টা ঠাইখন মধ্য জাভাত অৱস্থিত। আমি থকা ঠাইৰপৰা গ্ৰামবানানৰ দূৰত্ব কিল মিটাৰ। এই ঠাইতেই বৰ্তমান বিশ্ব ঐতিহ্য স্থান হিচাপে স্বীকৃতি পোৱা প্ৰখ্যাত হিন্দু মন্দিৰটো বিৰাজনান। ঠাইখনৰ নাম অনুসৰি মন্দিৰটোকো গ্ৰামবানান বোলা হয়। পোনপ্ৰথমে এই ঠাইখনত বৌদ্ধ ধৰ্মাবলম্বী লোকেই বসতি কৰিছিল। কিন্তু পাছলৈ বাকাই পিকাৰ্টন (Rakai Pikaton) নামৰ প্ৰাচীন মাটাৰাম ৰাজ্যৰ (Mataram Kingdom) হিন্দু বাজকোঁৱৰ এজনে বৌদ্ধধৰ্মীয় কাইলেন্দ্ৰ বংশৰ (Callendra dynasty) কন্যা এগৰাকীক বিয়া কৰাই ঠাইখনৰ লোকসকলক হিন্দু ধৰ্মৰ ফালে ঢাল খুবালে। তেওঁ নবম শতিকাৰ বাজভাগত (৮৫৬ খ্ৰিষ্টাব্দ) এই মন্দিৰ নিৰ্মাণ কৰিছিল। সৰু-বৰ ২৪০টা মন্দিৰৰ সৈতে এই মন্দিৰ প্ৰাংগণ বিশ্বৰ ভিতৰতেই সৰ্ববৃহৎ আব্দ অতি ধুনীয়া মন্দিৰ বুলি

প্ৰখ্যাত। সেই সময়ত জটাৰাম বংশৰ যিকোনো ধৰ্মীয় আৰু ৰাজকীয় অনুষ্ঠান এই মন্দিৰ প্ৰাংগণত উদ্‌যাপিত হৈছিল। কিন্তু দশম শতিকাত মাটাৰাম বংশৰ লোকসকল পূব জাভালৈ উঠি যোৱাত এই মন্দিৰ কিছুকাল ধৰি অব্যবহৃত হৈ আছিল।



মন্দিৰ প্ৰাংগণত ঢাল ঢাপকৈ (বা খাপে খাপে) তিনিখন চোতাল আছে। প্ৰথম ভাগত ১৬টা মন্দিৰ আছে। দ্বিতীয় অৰ্থাৎ মাজৰ ভাগত ২২৪টা মন্দিৰ আৰু তৃতীয় ভাগত কোনো মন্দিৰ নাই। ১৬টা মন্দিৰ থকা প্ৰথমভাগত তিনিটা যাই মন্দিৰ হৈছে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ। মহেশ্বৰ বা শিৰব মন্দিৰটো মাজত আৰু এই মন্দিৰৰ উচ্চতা ৪৭.৬ মিটাৰ। এই মন্দিৰৰ উত্তৰে আছে বিষ্ণু মন্দিৰ (উচ্চতা ৩৩ মিটাৰ) আৰু দক্ষিণে থকা ব্ৰহ্মান মন্দিৰৰ উচ্চতাও ৩০ মিটাৰ। প্ৰত্যেকৰে সন্মুখত তেওঁলোকৰ বাহনৰ মন্দিৰ আছে। যেনে- শিৰৰ সন্মুখত নদীৰ মন্দিৰ আৰু ব্ৰহ্মা আৰু বিষ্ণুৰ সন্মুখত ক্ৰমে হাঁহ আৰু গৰুড়ৰ মন্দিৰ স্থাপন কৰা হৈছে। তদুপৰি চাৰিটা দিশত চাৰিটা বিপদ নাশক (Calamity repellent) মন্দিৰ আছে। শিবৰ মন্দিৰটোৰ চাৰিটা কোঠা আছে। তাৰ ভিতৰত পূবফালৰ কোঠাত মহাদেব, পশ্চিমফালে গণেশ, উত্তৰফালে দুগাদেবী আৰু দক্ষিণফালে পশ্চিমফালে মুক্তি আছে। আনহাতে ব্ৰহ্মা আৰু বিষ্ণুৰ মন্দিৰত একোটাকৈ কোঠাত কেবল তেওঁলোকৰেই শিলৰ মূৰ্তি আছে। একোটাকৈ কেৰা চোতালখনৰ কাষৰ বেৰত চাৰিওফালে বিভিন্ন ধৰণৰ শিলত কটা মূৰ্তিসমূহ চালে চকুৰোৱা। সেইবোৰৰ ভিতৰত ৰামায়ণৰ কাহিনী, কল্পতৰু বৃক্ষ আধা মানুহ আধা প্ৰাণী আদিৰ ভাস্কৰ্যবোৰ দেখি আচৰিত হৈছিলোঁ। মনতে ভাবিছিলোঁ— সেইসকল লোক তেতিয়াই স্থাপত্য শিল্পৰ কিমান নিপুণ আছিল। দ্বিতীয়খন চোতালৰ থকা ২২৪টা মন্দিৰ চাৰিটা শাৰীত তৈয়াৰী। ইয়াৰ দেৱ-দেৱীৰ মূৰ্তি আছে যদিও এইবোৰৰ বেছিভাগেই বৰ্তমান ধ্বংস হৈছে। থলুৱা কিংবদন্তি মতে বানদুং বনদাওচ' (Bandung Bondowso) নামৰ ৰাজকুমাৰ এজনে ৰ'ৰ যংগৰাং (Roro Jonggrang) নামৰ এগৰাকী সুন্দৰী ৰাজকুমাৰীক বিয়া কৰাবলৈ ইচ্ছা প্ৰকাশ কৰাত তেওঁ কৈছিল যে 'যদি ৰাজকুমাৰে একে ৰাতিৰ ভিতৰতে ১০০০টা মন্দিৰ নিৰ্মাণ কৰিব পাৰে তেতিয়াহে কুঁৱৰীয়ে তেওঁক বিয়া কৰাব।' তেতিয়া কোঁৱৰে 'জিন' (Spirit) মন্দিৰ তৈয়াৰ কৰা কাৰ্য আৰম্ভ কৰিছিল Geines) সহায়ত মন্দিৰ হ'বলৈ বাকী পণ্য অবস্থাতে বিৰত গাঁৱৰ লোকসকলৰ ওচৰত থকা ধানৰ পথাৰৰ নৰাবোৰত জুই লগাই দি পোহৰ সৃষ্টি কৰি দিয়ালে। ফলত ৰাতিপুৱতে অদৃশ্য প্ৰাণীসমূহ কাম এৰি সকলো অন্তৰ্ধ্বনি হ'ল। তেতিয় কোঁৱৰ প্ৰচণ্ড খং উঠি বাকী থকা মন্দিৰটোৰ শিলৰ মূৰ্তিতে কুঁৱৰীকে হ'বলৈ শাপ দিলে। সেই মূৰ্তিটোৰেই শিৰমি উত্তৰফালে থকা পাৰ্বতীৰ মূৰ্তি বুলি থলুৱা লোকসকলে পিচ কৰে। সেইকাৰণে প্ৰামবানান মন্দিৰটো 'ৰ'ৰ যংগৰাং' মন্দিৰ বুলিও থলুৱা লোকসকলৰ মাজত জনাজাত।

এঘাৰ শতিকাত হোৱা প্ৰবল ভূমিকম্প হাম আগ্নেয়গিৰিৰ উদগীৰণৰ ফলত নিৰ্গত হোৱা লাভাই এই মন্দি প্ৰাংগণৰ চিন-চাব প্ৰায় নোহোৱা কৰিছিল। ১৭ শতিকাৰ এই ঠাই পুনৰ আৱিষ্কৃত হৈছিল। ১৯৯১ চনত এই মন্দিৰ 'কমপ্লেক্স' বিশ্ব ঐতিহ্য স্থানৰ অন্তৰ্ভুক্ত হয়। বৰ্তমান এই ঠাইত পূজা-অৰ্চন নহয়।

**যুগযাকাটাৰ (বৰবুদুৰ) বৌদ্ধ মন্দিৰ**

# উপন্যাসিকা

## বিজয়াৰ বিগলিত সন্ধ্যা

**চন্দন কুমাৰ শৰ্মা**
সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

বৰষাৰ ৰিমঝিম বৰষুণ নামে। অবিৰতভাৱে- উদ্যম গতিৰে। চঞ্চলা নিজৰাবোৰ পানীৰে উপচি পৰে। আকাশলৈ চালে এনেভাব হয়। বৰষুণ যেন দিয়েই থাকিব। অনন্ত সময় অনন্ত কাল। মনৰ মাজত টুকুৰা টুকুৰা স্মৃতিৰ পাপৰি ভাঁহি আহে। স্মৃতিয়ে কিছুমান দুৰ্বল মুহূৰ্ত সোঁৱৰাই দি মনক আমনি কৰে। ঘৰত এনেয়ে বহি ভাল নালাগে— এটি দিনকে কিবা এযুগ এযুগ লাগে। এই বিষণ্ণ আবেলিটোত কাষত যদি বিজয়া থাকিলহেঁতেন। কিমান যে মিঠা আমনি কৰি থাকিলেহেঁতেন। বিজয়া যদি সদায় কাষতে থাকে জীৱনৰ সুষম ছন্দ ধ্ৰুপদী সংগীতৰ লহৰ নহ'বনে।

সেমেকা পৰিৱেশটো ভাল লগা নাই। আমন-জিমনকৈ বহি আছো সন্মুখৰ বাৰাণ্ডাৰ চকীখনত। মনতে ভাবিলো যোৱা দুদিনৰ দৰে আজিও আবেলিটো এইখন চকীতে বহি কটাব লাগিবনে। বৰ দুৰ্বিসহ যন্ত্ৰণা এইবোৰ। আজি কেইবাদিনো বিজয়াৰ খবৰ পোৱা নাই। মনোজো তিনিদিনমান অহা নাই। আহিবনো কেনেকৈ, যিহে বৰষুণ। আকাশৰ ওপৰতো কেতিয়াবা খং উঠে। বৰষুণ দিয়েই থাকিব— এবিবৰ মনেই নাই।

ক্ৰমশঃ আকাশ মুকলি হৈ আহিছিল। পশ্চিম আকাশখন ৰঙচুৰা আৰু নীলাৰ অপূৰ্ব সংমিশ্ৰণে খুউব সুন্দৰ কৰি তুলিছে। দুই এচপৰা ক'লা মেঘ দৌৰি আহে। পশ্চিম আকাশৰ কোনোবাখিনিত সূৰুযে ভুমুকি মাৰিছিল। গছৰ পাতত এটোপা তেজৰঙী চকুপানীৰ দৰে উজলি উঠিছিল বৰষুণৰ টোপালবোৰ। পূব আকাশত ৰামধেনু ওলাইছিল— পাহাৰখনৰ সিটো পাৰে। লাহে লাহে বতাহ বলিছিল— বতাহৰ কোবত গছৰ কুঁহিপাতবোৰ কঁপিছিল হালি-জালি।

ৰাস্তাত পানীৰ ডোঙা বান্ধিছিল, দ' গাঁতবোৰত। পানীৰ ওপৰেৰে তীব্ৰগতিৰে বাইকখন চলাই মনোজ আমাৰ ঘৰলৈ আহিছিল। এইকেইদিন সিও যেন ঘৰত থাকি শান্তি পোৱা নাই— ক'ৰবাত ওলাবলৈ বৰষুণো এৰা নাই। তথাপিও বৰষাৰ বৰষুণৰ আমেজ আছে— মাদকতা আছে।

অপ্ৰতিম প্ৰাণৰ বন্ধু মনোজ— মাদকতা আছে। জিলিকে হাঁহিৰ ৰূপৰেখা। আমি শৈশব, কৈশোৰ, যৌৱন একেলগে পাৰ কৰিছো। মনোজহঁত প্ৰথমতে আমাৰ ভাড়াঘৰত আছিল। তেতিয়াৰ পৰাই কঠিন হৈ পৰিছিল আমাৰ বন্ধুত্বৰ শিপাডাল। সৰুতে তাৰ লগত কম কাজিয়া কৰিছিলো নে? মোক এবাৰ 'ফাল্টু' বুলি কোৱাৰ বাবে কিমান যে খং উঠিছিল তালৈ। সেইলৈ দুদিনমান নামাতিছিলো তাক। সেই কথা কেতিয়াবা কৈ খুউব হাঁহো।

ৰাস্তাৰ কাষতে বাইকখন ৰখাই কেৰেংকৈ লোহাৰ গেটখন খুলি মনোজ সোমাই আহিল। বহাৰ পৰা উঠি উচ্ছল হাঁহি এটি মাৰি ক'লো— তই আহিবি বুলি ভাবিছিলোবে। একেবাৰে ব'ৰ হৈ আছো জান। তিনিদিন— পূৰা তিনিদিন ঘৰৰ বাহিৰ ওলোৱা নাই।

মোৰ কাষৰ চকীখনতে সি বহিল। অত্যন্ত ব্যস্তভাৱেই ক'ল— ঘৰত কিমান সোমাই থাকিবি। ব'ল অলপ ফুৰি আহোঁ।

কাম কৰা ল'ৰাটোৱে চাহ দুকাপ দি গ'ল। চাহৰ কাপত সোহা মাৰি মনোজে সুধিলে—

ঃ খুড়াহঁত কেতিয়া আহিব?

ঃ দেউতা নাহে। একেবাৰে পূজাত আহিব। ভণ্টিৰ গৰমৰ বন্ধ শেষ হ'লেহে আহিব।

দেউতা বাংগালোৰত চাকৰি কৰে। মা আৰু ভণ্টি মণিকাহঁতৰ ঘৰলৈ তাত গৈছে। মোকো জোৰ কৰিছিল— নাযাওঁ বুলি ক'লো। আগতে বহুবাৰ গৈছো বাংগালোৰত। যোৱাৰ আৰু ইচ্ছা নাই। সৰুতে কিমান যে হেঁপাহ আছিল— দিনটোত যে কিমানবাৰ চাওঁ

কেলেণ্ডাৰখন। কেতিয়ানো গৰমৰ বন্ধ আহে।

ল'ৰাটোক যাৱতীয় দিহা দি আমি ওলাই আহিলো। ৰাস্তাৰ অ'ত-ত'ত পানীৰ ডোঙা। চৰকাৰখনক, মিউনিচিপালিটিক গালি পাৰিবৰ খুউব মন গ'ল। ইলেকচনৰ আগে আগে খৰখেদাকৈ কিবা অলপ কৰি আকৌ পাঁচ বছৰৰ বাবে বন্ধ। এনেকৈয়ে দেশ কাগজে-কলমে প্ৰগতিৰ শীৰ্ষত আৰোহণ কৰিছে। চহৰৰ কাষেৰে নদীখন বৈ গৈছে। নদীৰ দক্ষিণ পাৰত সৰু এখন পাৰ্ক। আমাৰ তাতে গধূলি আড্ডা চলে। আমাৰ বন্ধু ষ্টাফটো সময়মতে যাম। আহে। ৰোহিত, সঞ্জীৱ, সৰোজ, ভাস্কৰ আৰু কেতিয়াবা দিপু আৰু গগণো আহে। এবাৰ ঘৰত নোকোৱাকৈ গগণ, দিপুহঁতৰ ঘৰত ৰাতি থকাৰ বাবে সিহঁতৰ ঘৰত চিন্তাত ৰাতি কাৰো টোপনি নাছিল। পিছদিনা কলেজত আহোতে জিল্টিয়েতো মোক সুধিয়ে পেলালে—

ঃ সমীৰদা, আমাৰ দাদা যোৱাকালি আপোনালোকৰ ঘৰত আছিল নেকি?

মই দিপুহঁতৰ ঘৰত থকা বুলি কোৱাতহে বোলে মনটো পাতল লাগিছিল। খুউব হাঁহিছিলো সেইদিনা। অ' গগণ আৰু দিপু আমাৰ স'তে পাৰ্কত কেতিয়াবা আহিলেও আমাৰ লগত একাত্ম হৈ যাব নোৱাৰে। আড্ডাত চিগাৰেটৰ ঠাইখিনি ধুবলি-কুঁৱলি কৰে। গগণ-দিপুই মুখতে নিদিয়ে শ্ৰাদ্ধ চলে। গোল্ডফ্লেক বা অন্য চিগাৰেটৰ ধোঁৱাই চিগাৰেট। জৰ্দা পাণো নাখায়। খাব নোৱাৰে-গা পুৰে। চখতে চিগাৰেট খাইছিলো। এতিয়া এই চখেই অভ্যাসত লেডিছ বুলি জোকাওঁ— খং নকৰে। আমি প্ৰথমতে পৰিণত হৈছে। কিমানবাৰ যে প্ৰতিজ্ঞা কৰিলো- চিগাৰেট নাখাওঁ বুলি। নোৱাৰোঁ। নোখোৱাকৈ থাকিব নোৱাৰোঁ।

অলপ গৈয়ে মনোজ এঠাইত ৰৈ গ'ল। ভাস্কৰৰ বাইদেবেক অজন্তা ৰৈ আছে। ষ্টাৰ্ট বন্ধ নকৰাকৈয়ে মনোজে সুধিলে—

ঃ বাইদেউ ক'ৰবাত যাব নেকি।

ওঁঠত হাঁহি এটি আঁকি বাইদেবে ক'লে— ৰিম্পিৰ বাৰ্থডে। তালৈ যাম। সামান্য সংকোচ তথা দ্বিধাবোধ কৰি বাইদেবে আকৌ ক'লে- গাড়ীত ইমান যে ভিৰ। উঠিবকে নোৱাৰি।

সীমাৰ পৰিধিৰ ভিতৰত এটি সৰু সমস্যা। মনোজ কিন্তু বিমূঢ়ত পৰিছে। মোক ঘৰৰ পৰা মাতি আনিছে। আবেলিটো কটাবৰ বাবে— তাতে বাইদেউৰ বাবে চৰ পণ্ড হৈ যাব দিব পাৰিনে? ছিঃ কি কৰা যায় এতিয়া। বাইদেউক লিফট্ দিয়াটো ভাস্কৰৰ বন্ধু হিচাপে আমাৰ কৰ্তব্য। মনোজে ভাবি থাকোতেই মই ক'লো—

ঃ যা বাইদেউক থৈ আহ। মই বেলেগ এঠাইত যাম।

মই পোনে পোনে বিজয়াহঁতৰ মেছলৈ গ'লো। বিজয়া, জুনু, পূৰবী, বিনীতা মেছ কৰি থাকে। বিজয়া চিনিয়ৰ। ইহঁত দুজনী কলেজৰ লাষ্ট ইয়েৰৰ ছাত্ৰী। বিজয়া আমাৰ লগত পি জি কৰি আছে- একে ডিপাৰ্টমেন্টত। বিজয়া আৰু মোৰ সম্বন্ধটো কিন্তু এতিয়াৰ নহয়। কলেজত এডমিশ্বন লোৱা দিনৰে পৰা।

বিজয়াই মোক প্ৰায়ে মাতি থাকে- মইহে সঘনাই নাযাওঁ। সঘনাই যাবলৈ ভাল নালাগে। মই গ'লে পূৰবী আৰু জুনু ক'ৰবাত ফুৰিব যোৱা হয়। যেনেকৈহে চাই থাকে লাজেই লাগে। মোক হঠাতে দেখি বিজয়া নিশ্চয় আচৰিত হ'ব। কিয় নহ'ব— ইমান মাতি থাকে নাযাওঁ। আজি আকৌ হঠাতে।

কাষেৰে মাৰুতি এখন পাৰ হৈ গ'ল। ভাগ্যে বোকা-পানী ছিটিকি নপৰিল।

লোহাৰ গেটখন খুলি সোমাই গ'লো। তাইৰ পঢ়া টেবুলৰ ওচৰত বহি দুই এখন কিতাপ চাইছো। জুনু, পূৰবী তিনিও ক'ৰবালৈ যাব ওলাইছে। সম্ভৱতঃ বজাৰলৈ। তিনিদিন বজাৰত যোৱা নাই— বহু কিবা আনিব লগা আছে। মোক মাত দি পূৰবী আৰু জুনু ওলাই গ'ল। সিহঁতৰ ইংগিতপূৰ্ণ কথা, চাৱনি মোৰ আমনি লাগে। ইমান সন্দেহবাদী ছোৱালীবোৰ। মোক সিহঁতে কি বুলি ভাবিছে। মই অন্য ল'ৰাৰ দৰে নহয়। মই মোৰ নিজস্বতাক বিক্ৰী নকৰো কেতিয়াও। মই পলায়নবাদীও নহয়— স্পষ্টবাদী।

বিজয়াই পঢ়া টেবুলৰ কাষৰ সৰস্বতীৰ ফটোখনৰ তলত দুডাল ধূপকাঠি জ্বলাই দিলে। সৰস্বতীক প্ৰণাম কৰি ক'লে—

ঃ এই কি এনেকৈ চাই আছা?

মোৰ কি কওঁ কি নকওঁ লাগিল। মই মূক হৈ পৰিলো। আচলতে তাইক চাইছোনে— তাইৰ ভগৱান প্ৰীতিত মুগ্ধ হৈ তাইৰ পিনে চাইছো? মোক বেছি সময় ভাবিবলৈ অৱকাশ নিদি তাই আকৌ ক'লে—

ঃ তোমাৰ বাবে এডাল আৰু মোৰ বাবে এডাল ধূপ সদায় জ্বলাই দিওঁ। তুমি যিহে ল'ৰা ধূপ জ্বলাই কিজানি পোৱাই নাই।

ঃ মোৰ কামখিনি দেখো তুমি কৰিয়ে আছা? অৰ্ধকামৰ অংশীদাৰ বাবেই অৰ্ধাঙ্গিনী তুমি...

ঃ এই সমী- কথা ভালকৈ ক'বাদেই কিন্তু। কৈ দিছো হ'লে...

এনে মিঠা গালি বাৰু কেইজনৰ ভাগ্যত মিলে? এনে গালি শুনিলে শুনি থাকিবৰ মন যায়। ইয়াত অন্য এক ধৰণৰ মাদকতা আছে, তৃপ্তি আছে। নামহীন তৃপ্তি।

বিজয়া আৰু মই ওলাই আহিলো। তেতিয়া গধূলি উদুলি-মুদুলি। ৰাস্তাত মানুহৰ ভিৰ। আমি অ'ভাৰ ব্ৰিজৰ কাষলৈ গ'লো। তাৰ পৰা ৰাতিৰ চহৰখন চাবলৈ খুউব ভাল লাগে। দূৰৈৰ পাহাৰখনিত যেন জোনাকী পৰুৱাৰে ভৰি আছে— অনুজ্জ্বল

পোহৰৰ লাইটবোৰ তেনেকুৱাই লাগে। ওপৰৰ পৰা চালে এনেকুৱা যেনহে লাগে— তলৰ পৃথিৱীখন যেন এখন সৰু আকাশ।

বৰষুণ আকৌ আহিব পাৰে। বাৰিষাৰ বতৰত দোষ দি লাভ নাই। বিজয়াই খুউব একাত্ম হৈ পৰিছে পৰিৱেশটোৰ স'তে। তাইক অলপ নাৰ্ভাছ কৰিবৰ বাবে ক'লো—

ঃ ওৰেটো জীৱন ইয়াতেই থাকিবানে?

তায়ো তৎক্ষণাত উত্তৰ দিলে—

ঃ তুমি থাকিলে— থাকিব পাৰো হেজাৰ সমুদ্ৰৰ মাজতো।

চাৰিআলিটোৰ পূব পিনৰ পৰা 'অমৃতা চুইটছ'লৈ সোমাই গ'লো। মানুহৰ খুউব বেছি ভিৰ নাই। চাহ একাপৰ টেনজেন্সি আছিল— বহুসময়ৰে পৰা। কোণ এটিৰ টেবুল এখনত মুখামুখিকৈ বহিছো। ৰেস্তোঁৰাৰ কাম কৰা ল'ৰা এজনক হাতেৰে ইংগিত দি মাতি কিবা-কিবি আনিবলৈ ক'লো।

ঃ বন্ধত তুমি ঘৰলৈ নোযোৱা বিজয়া? মানটো যিমান পাৰি কোমল কৰি সুধিলো। তথাপি মাতটো কিবা ৰূঢ় যেন লাগিল নিজৰে। ছোৱালী মানুহৰ মাতবোৰ যে খং কৰিলেও কিবা খুউব ভাল লাগে।

ঃ তোমাক এৰি যাব পাৰো সমী? দুষ্ট হাঁহি এটি মাৰি কৈছিল বিজয়াই।

ঃ ধেমালি বাদ দিয়ানা। সঁচাই কোৱাচোন। বয়টোৰে দুকাপ চাহ আৰু মিঠাই দুটা দি গ'ল।

ঃ ধেমালি? ইও ধেমালি— তেতিয়া সঁচা কি?

বাৰু মোৰ বাবেই গৰমৰ বন্ধত ঘৰলৈ নগ'লনে? কি মই অলপ নাৰ্ভাছ হ'লো কিজানি। সঁচাই তাই আচৰিত ছোৱালী বাৰু? সাঁথৰ আৰু নাৰী এটা মুদ্ৰাৰ দুটা পিঠি। অনন্ত কালৰে পৰা নাৰী এক জীৱন্ত সাঁথৰ— মানুহৰ মাজত। মোৰ চিন্তাত যতি পেলাই তাই ক'লে—

ঃ কিহৰ ইমান চিন্তা? হাঁ। তাইক অন্য পিনে ঢাল খুৱাবৰ বাবে ক'লো—

ঃ ৰবিবাৰে তোমালোকৰ পিক্‌নিক হ'বনে? ওঁঠৰ চিৰ পৰিচিত সেই জান-নেজান হাঁহিটো আঁকি ক'লে—

ঃ পিক্‌নিক বুলি নক'বা। জুনু-পূৰবী আৰু মই যাম হলিডে কটাবৰ বাবে। সেয়াও পিকনিক বুলি কৈ কিয় ইনচাল্ট কৰা? অৱশ্যে আমি আৰু এজন গেষ্ট মাতিম আমাৰ লগত।

মই বিজয়াৰ মুখলৈ এনেকৈ চালো— মোৰ চকুৰ অৰ্থ হ'ল ঃ কোন বাৰু সেই ভাগ্যৱানজন?

ঃ কোন জানো? সেইজন— সেইজন সমীৰণ বৰুৱা।

তাই আকৌ হাঁহি ক'লে— যোৱাৰ ইচ্ছা মোৰ সম্পূৰ্ণই আছে। তথাপি নাযাও বুলি এবাৰ কৈ চালো। তাই প্ৰতিক্ৰিয়া চাবৰ বাবে।

দেখা যাব যোৱা নে নোযোৱা। নে আমাতকৈ আগতেহে আহি ৰৈ থাকা। ৰবিবাৰে পুৱা ন বজাত তিনিআলি ষ্টপেজত ৰৈ থাকিবা।

বহু দেৰি বহিলো। হোটেলত এনেকৈ আড্ডা মৰা মোৰ অভ্যাস নাই। ভাল নালাগে কিবা। প্ৰয়োজন হ'লে ঘণ্টাৰ পিছত ঘণ্টা পাৰ্কত বহি কটাব পাৰো। তথাপি আধাঘণ্টা হোটেলত বহিব নোৱাৰো ছোৱালীৰ লগত। মেনেজাৰৰ পৰা সৰু বয়টোৰেও কিবা সন্দেহৰ চকুৰে চায়। বিজয়াই কাউণ্টাৰৰ পিনে আগুৱাই গ'ল। মই ক'লো—

ঃ মই দিম দিয়া তুমি দিব নালাগে।

তাই এক অপূৰ্ব ভঙ্গীমাৰে মোৰ হাতখনি ঠেলি দি ক'লে—

ঃ না বাবা না। আজি তুমি নিদিলেও হ'ব। পিছত দিবা।

তাইৰ কথাত কি সাংগীতিক লয় আছে— অভিভূত হৈ পৰিব পৰাকৈ। ভাবি আচৰিত হওঁ। দুৰ্যোগৰ দিনত অথবা প্ৰাণময় সুদিনতো একেই কথন ভংগী। হতাশাত বুৰ যোৱা মানুহক প্ৰাণ দিয়ে সেই কথাই। জীয়াই থকাৰ বাবে মহাজীৱনত ইও কিজানি এপাত অস্ত্ৰ।

আমি দুয়ো ইটো-সিটো কথা কৈ গৈ আছো। ষ্ট্ৰীট লাইটৰ সেমেকা পোহৰত উজ্বলি উঠিছিল বিজয়াৰ মুখ। মানুহৰ ভ্ৰূকুটি অনাস্থাক জয় কৰি নিৰ্ভীকভাৱে থিয় দিব পৰা শক্তি কেতিয়াবাই আহৰণ কৰিছে তাই। প্ৰাচুৰ্যৰ নামহীন অহংকাৰ অথবা ৰূপৰ গৰ্বৰ-দুৰ্বল, আদৰ্শহীন পথত কোনোদিন খোজ দিয়া নাই তাই।

বিজয়াই কিজানি এই সন্ধিয়াটোত এজন চফল মই বিজয়াৰ মুখলৈ এনেকৈ চালো- মোৰ চকুৰ ডেকাৰ লগত অকলে ফুৰি আৱেগত লীন হৈ গৈছে। আবেগত জ্বলি উঠা চাকিৰ পোহৰত ৰঙা হৈ পৰিছে তাইৰ মুখ। এই মুহূৰ্ততে যেন বিজয়াৰ সমান সুখী আৰু কোনো নাই। কিন্তু তাই অকলে যুঁজিব নোৱাৰে পংকিলময় পৃথিৱীৰ সক্সতে- তাইক এজন সংগী লাগে। তাইৰ মনে বিচৰা সংগী। সেইজন- সমীৰণ বৰুৱা।

আবেগ আন্দোলিত বিজয়াৰ হাতখনিত মোৰ তপত ওঁঠেৰে আলফুলকৈ চুমা এটি আঁকি দি 'বাই বিজয়া' বুলি উভতি আহিলো। ওচৰৰ ঘৰৰ পৰা বিচ্ছুৰিত হৈ অহা সেমেকা, ক্ষীণ পোহৰত মই নেদেখা নোহোৱালৈ তাই চাই থাকিল। বিজয়াৰ কণ্ঠ আজি আবেগত জব্দ হৈ গৈছে।

বিভিন্ন ভাবৰ সমষ্টিয়ে মোক খুন্দিয়াব ধৰিছে। এই যে ছোৱালীবোৰ সদায় দেখা ছোৱালীবোৰ আৰু বিজয়াৰ মাজত বাৰু বিশাল পাৰ্থক্য নাইনে? বিজয়াৰ

জিজ্ঞাসপূর্ণ দৰদ মিহলি অভিমানৰ ক'ৰবাত তুলনা আছেনে? অবিমিশ্ৰ শ্ৰদ্ধা ওপজে— অন্যৰ দৰে স্পৰ্শকাতৰ নহয় বাবে তাইৰ গাম্ভীৰ্য আৰু দৃঢ়তাত যেন ফুটি উঠে ভাৰতীয় প্ৰাচীন নাৰীৰ আদৰ্শ। কুসংস্কাৰ, ভুল কথা, ভুল ৰীতি-নীতিক যুক্তিৰে বিচাৰ কৰিব খোজে। নিজস্ব বিসৰ্জন দি, প্ৰমূল্যক বিসৰ্জন দি, আদৰ্শক বিসৰ্জন দি আপোচৰ জীৱন কেতিয়াও নিবিচাৰে তাই।

মোক এদিন ইউনিভাৰচিটি কেন্টিনত চাহ খাই থাকোতে কৈছিল ঃ 'সমী— তোমাৰ আদৰ্শক, দৃঢ়তাক, নিৰ্ভীকভাবে মই শ্ৰদ্ধা কৰো। এই স্থিতি তুমি সদায় বজাই ৰাখিব লাগিব। বিয়াৰ আগৰ আদৰ্শ যদি তুমি ভৱিৰে মোহাৰি পেলোৱা মই তাৰ প্ৰতিবাদ কৰিম। তোমাক মই কেতিয়াও পৰাজিত হ'ব নিদিওঁ, আদৰ্শৰ পৰা বিচ্যুত হ'ব নিদিওঁ। মৃত্যুদণ্ডৰ আজ্ঞাৰেও যুক্তিহীন 'কনভিন্স' মোক কোনেও কৰাব নোৱাৰে। তোমাৰ আমাৰ আদৰ্শ-আদৰ্শনীয় হওক।'

বিজয়াৰ আকস্মিক বিস্ফোৰিত ভাষণত মই হতবাক হৈছিলো। আঁত নেহেৰুৱাকৈ ইমান সুন্দৰভাৱে কেনেকৈ ইমানবোৰ কথা ক'ব পাৰে ভাবিলে আচৰিত লাগে। আচলতে কথা কোৱাটোও এটা আৰ্ট। কথাৰেই মানুহৰ অন্তৰ জয় কৰিব পাৰি।

আকাশ আকৌ ক'লা মেঘে ঢাকি ধৰিছে। যেন ক্ৰমে আকাশখনি তললৈহে নামি আহিছে— এনেকুৱা দেখা গৈছে। হয়তো কিছুসময় পাছতে আকৌ বৰষুণ দিব। বৰষাৰ বৰষুণৰ প্ৰতি কোনো কালে কোনোদিনে মোৰ আক্ষেপ নাই, অভিযোগ নাই— অথবা বিদ্ৰোহ। কেৱল ভগৱানৰ ওচৰত একান্ত বিনীত প্ৰাৰ্থনা অহা ৰবিবাৰে যেন বৰষুণ নিদিয়ে। অৱশ্যে ৰবিবাৰলৈ মাজত আৰু পাঁচ দিন আছে। বতৰ নিশ্চয় সলনি হ'ব।

লোহাৰ গেটখন খোলাৰ শব্দ শুনি কাম কৰা ল'ৰাটো ভিতৰৰ পৰা ওলাই আহিল। তলাটো গেটত লগাই আহি মোৰ কাষতে থিয় হ'ল। মই তালৈ নোচোৱাকৈ ক'লো—

ঃ যাচোন লুলু— শলাকাঠি এডাল লৈ আহ। ৰাস্তাৰ ৰঙামাটিবোৰ জোতাৰ ছল'ত লাগি ধৰিছে। বৰষুণ দিলে মাটিবোৰ উতলি উঠে। শলাকাঠিডাল মোৰ হাতত দি লুলু মুঢ়া এটাত বহিল মোৰ পৰা এটা দূৰত্ব বজাই ৰাখি মই একান্তমনে মাটিবোৰ গুচোৱাত লাগিছো। মোৰ মুখলৈ চাই সি ক'লে—

ঃ গধূলি সৰোজদা আহিছিল।

তালৈ নোচোৱাকৈ সুধিলো—

ঃ বহিব কৈছিলিনে?

কৈছিলো নব'হে বোলে। আপোনাক কাইলৈ মাতিছে। পুৱাতে।

মই বুজিছো সি কিয় আহিছিল। গগণৰ লগত নিশ্চয় বিষয়টো আলোচনা কৰিছে— তথাপি এবাৰ মাতিছে। কিমান যন্ত্ৰণা বুকুত বান্ধি লৈ নিজৰ স'তে সংগ্ৰাম কৰিছে। কিয় এনেকুৱা হ'ব পালে তাৰ জীৱনত। ফুল আৰু তৰাইতো তাৰ জীৱনৰ সম্পদ আছিল। তথাপি কিয় বাৰু কবিতাই ঠগিলে তাক। মস্ত ঘৰখনত সি আৰু কেৱল মাক। কিমান যে হেঁপাহ কবিতাক আনি নকৈ গঢ়িবলৈ ঘৰখন। চব শেষ কৰি দিলে কবিতাৰ সেই অপ্ৰত্যাশিত সিদ্ধান্তই। এটি দুঃস্বপ্ন বুলি পাহৰি পেলাব পাৰিবনে সি তাৰ অনন্ত স্মৃতি। পাৰিবনে সি মনৰ ভিতৰত বলা ধুমুহাজাক আঁতৰাব? পাৰিবনে নিজৰ স'তেই কম্প্ৰমাইজ কৰিব? নোৱাৰে। নোৱাৰে বাবেই মোক মাতিছে।

কবিতা। কবিতা— কবিতাৰ সুগন্ধৰ দৰে আহিছিল সৰোজৰ জীৱনলৈ। তেতিয়া সি কলেজৰ মেগাজিন ছেক্ৰেটাৰী। তেনেকৈ আৰম্ভ হৈ আদৰ্শহীন পৰিকল্পনা এটিৰ দুঃশীল শেষ পৰিণতি পাইছে। কবিতাই বহুদিন থাকি গৈছে সৰোজহঁতৰ ঘৰত— তথাপি তাই সৰোজৰ বহল অন্তৰখন নেদেখিলে। ভাববিলাসী কবিতাই নুবুজিলে আত্মত্যাগী, সজ সৰোজক। কবিতাই বিচাৰে এটি সন্মানজনক চাকৰি অথবা ব্যৱসায়, বিলাতী গাড়ী, শকত বেংক বেলেন্স আৰু বহু কিবা কিবি। সন্দেহ হয় ইমান টকা-পইচাৰ মাজত বিচাৰি পালেহেঁতেননে এখন অবিমিশ্ৰ অন্তৰ? নাই তাই এইবোৰ নুবুজে। বুজে সস্তীয়া জীৱনৰ মাদকতা অথবা গৌৰৱ।

কবিতাৰ কল্পনাৰ আত্মকেন্দ্ৰিক ছিষ্টেমটোৰ নিজক লৈয়ে মানুহ জীয়াই থাকিব নোৱাৰে সেয়াই মানুহৰ আদৰ্শ জীৱন হ'ব নোৱাৰে। সৰোজক কৈ আহিব লাগিব— তাক কনভিন্স কৰাব লাগিব কবিতাক পাহৰি যাব। যি কবিতাই টকা, চাকৰিৰ বাবে তাক পাহৰিব পাৰে, আদৰ্শৰ বাবে সি কিয় নোৱাৰিব। সি পাৰিব লাগিব— সি 'কাৱাৰ্ড' হ'ব নোৱাৰে।

হাত-মুখ ধুই আহি আলনাডালৰ পৰা টাৱেলখন লৈ মুখ মছি মছি ভাবিলো বিজয়াই দেখো সৰস্বতীৰ ফটোখনৰ তলত ধূপ জ্বলাই দিয়ে সদায়। ময়ো নোৱাৰোনে? দুডাল ধূপ জ্বলাই দিলো। এডাল মোৰ, এডাল....

ঃ দাদা চাহ খাওক।

লুলুৱে দি যোৱা চাহকাপ হাতত লৈ ভাবিছো— এই চাহকাপ লুলুৱে নিদি যদি বিজয়াই হাতত তুলি দিলেহেঁতেন। কিমান সুখৰ হ'লহেঁতেন। বিজয়াই এদিন আশাৰ বন্তিগছি জ্বলাব— নতুন ঘৰলৈ নসাজেৰে আহি। মোৰ এই বিশৃংখল কোঠাটো বিজয়াই এদিন সজাই তুলিব। কিতাপৰ দ'মবোৰ, মলিয়ন কাপোৰবোৰ ভণ্টিয়েও ধুই দিলেহেঁতেন। এতিয়াও বিজয়াই মোৰ অপৰিপাটী কোঠা অপ্ৰত্যাশিত এক বিস্ময়েৰে প্ৰত্যক্ষ কৰে। তাইৰ আগত

লাজ নেলাগে। এলেহুৱা বুলি জানে তাই।

বিশ্বাস। মানুহৰ ওপৰত, মোৰ ওপৰত অত্যন্ত বিশ্বাস আছে বিজয়াৰ। কিমান বিশ্বাস মোৰ লগত সহজভাৱেই ঘুৰি ফুৰিছে তাই। তাইৰ সৰু, পৰিপাটি কোঠাটোত কিমান বিশ্বাসত কথা পাতিছো। নাই, বিজয়া অন্যৰ দৰে ইমান স্পৰ্শকাতৰ নহয়। আস্থা আৰু বিশ্বাসেই তাইৰ মূলধন। বিজয়াৰ কথা শুনি কেতিয়াবা হাঁহি উঠি যায়। কি যে সৰু ছোৱালীৰ দৰে কথাবোৰ কয়—

ঃ সমী— তৰা দুটি আনি দিবা নেকি?

মই দৰদ মিহলি ঢমক দি কওঁ—

ঃ এই পাগলী— তুমি এতিয়া সৰু হৈ থকা নাই। চিৰিয়াছ হ'বাচোন। তাই আকৌ কয়—

ঃ জানা সমী— কেতিয়াবা সৰু হক্সবৰ খুউব মন যায়। সেয়ে তোমাৰ স'তে ধেমালি কৰো। তুমিও যদি বুজি নোপোৱা কোনে বুজি পাব মোক?

বিজয়াৰ আবেগত আন্দোলিত কণ্ঠই মোক আনমনা কৰে। মোৰ নিজৰ ওপৰতে খং উঠে। বিজয়াই অভং বুলি নাভাবেতো। প্ৰেম মানেই দেখো অভিমান। অভিমান বাৰু তাই মোৰ ওচৰত নকৰি কাৰ ওচৰত কৰিব?

এজাক বৰষুণ নামি আহিছিল জিৰজিৰকৈ। হে ভগবান ৰবিবাৰলৈ...। নাই— বৰষুণ এৰিব। নদীবোৰৰ পাৰ ভাঙিছে, পূবত ৰামধেনু ওলাইছে। বিজয়াৰো বিশ্বাস আছে ভগৱানৰ ওচৰত। জীৱনৰ পৰা শিকা বহু কথা— আনন্দ আৰু উদ্যম বিজয়াৰ মূলধন। ইয়াক লৈয়ে তাই সপোন ৰচে। কিন্তু শূন্যৰ স'তে মুখামুখি হোৱা ছোৱালী বিজয়া নহয়— তাইৰ এখন আকাশ আছে, এখন পৃথিৱী আছে।

চকুহাল ক্ৰমে জাপ খাই আহিছিল।

তেতিয়া দুপৰ ৰাতি।

ৰাতিপুৱাতে ফোনটো সৰৱ হৈ উঠিছিল। খং উঠি আহিছিল— ইমান ৰাতিপুৱাতে ফোন কৰি আমনি দিব লাগেনে? বিছনাৰ পৰা উঠিছোহে— মাতটোও ভাগি আছে। ফোনটো তুলি ল'লো। সিটো মূৰৰ পৰা ভণ্টিয়ে লেনিয়াই লেনিয়াই কৈছে—

ঃ উঠিচানে কুম্ভকৰ্ণ। আমনি দিছো নেকি— ইমান পুৱাতে ক'ল কৰি।

টোপনিৰ আমেজ লাগিয়ে আছিল। নিশা আকৌ শোৱাত বৰ আৰাম হৈছে। ৰাতি বৰষুণ দিয়া বাবে ঠাণ্ডা ঠাণ্ডা লাগিছে। হঠাতে হামি এটি আহি গ'ল। সিটো মূৰত তাই খিলখিলাই হাঁহি দিলে। কক্সলে ভ্ৰূকুটি মাৰি—

ঃ নবাবৰ চাগে টোপনিয়ে নহ'ল।

মোৰ খং উঠি গ'ল— এইবোৰ বকি থকাৰ বাবে। খঙতে ক'লো—

ঃ এই ভণ্টি, কি ক'ব লগা আছে ক' সোনকালে। কি এইবোৰ বকি আছ? তাই যেন মোৰ কথা শুনাই নাই। আগৰ দৰে তাই ক'লে—

ঃ আমি নোহোৱা বাবে তোমাৰ চাগে' খুব ফুৰ্তি ন'? ৰাতি পিছে ঘৰত আছ নে নাই। নে বন্ধুৰ ঘৰত...

ঃ এই ভণ্টি, কথা ভালকৈ ক'বি কিন্তু। কি ক'ব লগা আছে ক'— কি ছাছপেন্স ৰাখি কথা ক'ব্ৰ। নহ'লে থৈ দিম ফোনটো।

ঃ ঠিক আছে থৈ দে। মণিকাৰ কণ্ঠস্বৰ। তাই যেন মোৰ কথাত আহত হৈছে। মোৰো অলপ বেয়া লাগিল।

মই অলপ খৰ-ধৰকৈ আকৌ ক'লো—

ঃ ভণ্টি-ভণ্টি- এই ভণ্টি। ক'ছোন কি কথা। উত্তেজনাতনে আন কিহবাত মোৰ মাতটো কঁপিছিল। মণিকাই উচ্ছল হাঁহি এটি মাৰি কৈছিল—

ঃ প্ৰমাণহে চালো— মোলৈ মৰম আছে নে নাই। বাৰু, আমি অহা ৰবিবাৰে গুৱাহাটী পাম। ষ্টেচনত থাকিবা। গধূলি ৬ বজাত।

ঃ থাকিম বাৰু। থ' এতিয়া। বিল বহু হ'ব।

ঃ বিজয়াবাৰ খবৰ নোকোৱা?

ঃ পাগলী- সুধিবৰ একো নাপালি? ভাল। হাইফাই।

লাইন কাটি গ'ল। অৱশ্যে বেয়াও পোৱা নাই। নহ'লে কম ভৰিব লাগিব? অহা ৰবিবাৰে আহিব— ভালেই হ'ব নহ'লে ঘৰখনত অকলে থাকি অকণো ভাল নালাগে।

এটি নিঃসঙ্গ আবেলি। নিঃসঙ্গতা কাৰোবাৰ ভাল লাগে। কাৰোবাৰ আমনি লাগে। কবিবোৰে বোলে নিঃসঙ্গতা ভাল পায়। দ্বাদশীৰ জ্যোৎস্নাভৰা নিশা খিৰিকিৰে জোনাক সোমায়। মোৰ প্ৰিয় কবিয়ে তেওঁৰ প্ৰিয় বৰ্ণমালাৰে কবিতা লিখে। অৱশ্যে নিঃসঙ্গতা সকলোৰে প্ৰিয় নহ'বও পাৰে। যাৰ অন্তৰত বিষাদে ডোল খাই থাকে সিহে ভাল পায় নিঃসঙ্গতা, নীৰৱতা।

কম ভলিউমত ডেকটো বজাই পংকজ উদাজৰ গজলৰ কেছেট এখন দি শুই আছো। আচলতে মই গজলৰ ভক্ত নহয়। গজল মোৰ প্ৰাণো নহয়। গজলে বোলে চকুপানী হৈ ধুই লৈ যায় বেদনাৰ থূপ। অৱশ্যে মই আনন্দতহে গজল শুনো।

বিজয়াক গজল পাগলী বুলি জোকাওঁ। তাই হাঁহি হাঁহি কয়— গজল মোৰ প্ৰাণ। গজল মোৰ জীৱন— জিজ্ঞাসা। জীৱনৰ পাতে পাতে বিয়পি থকা দ্বন্দ-যন্ত্ৰণা সকলো পাহৰো— গজল শুনিলে।

মই যেন অভিমান কৰিবলৈ সুযোগ বিচাৰি আছিলো। ক'লো— মোক ভাল নোপোৱা। মোতকৈও বেছি ভালপোৱানে গজল?

ঃ ও, তাইৰ আয়ত চকুহালত নাৰীত্বৰ তৃপ্তি আৰু পূৰ্ণতাৰ জান-নেজান সেই হাঁহিটো আঁকি কৈছিল। দায়িত্বৱান তৰুণীৰ দৰে লাগিছিল— তাৰ্কিক, যুক্তিবাদী, কৰ্মমুখৰ সুগঢ়ী বিজয়াক।

বিজয়াৰ ওচৰত মোৰ অভিমান ঠুনুকা-কাঁচৰ দৰে জৰ্জৰকৈ ভাঙি পৰে। তাইৰ প্ৰগাঢ় ব্যক্তিত্বত; চিৰ সেউজ অন্তৰৰ ওচৰত মই আত্মসমৰ্পণ কৰো, বিনাচৰ্তে।

কলিং বেলটো বাজি উঠিছিল।

বিৰক্তিৰে দুৱাৰৰ পিনে উঠি গ'লো। যিমান বিৰক্তিৰে উঠি গৈছিলো— দুগুণ উৎসাহেৰে উভতি আহিলো দুৱাৰ খুলি।

বিজয়া। বিজয়া আহিছে।

বিজয়াই মোৰ মুখলৈ ভেবা লাগি চাই আছে। তাই যেন মোৰ মুখত, চকুৰ কোণত বিচাৰিছিল কিবা প্ৰশ্নৰ উত্তৰ। তাই আচৰিত হৈ চাইছে মোলৈ। মোৰ মুখৰ সঘন পৰিৱৰ্তন হৈছিল কিজানি। মই ভেকাহি মাৰি ক'লো—

ঃ তোমাৰ ধেমালি নুগুছিল আৰু।

ছেঃ মাতটো প্ৰয়োজনতকৈ বহুত ডাঙৰকৈ ওলাল নেকি? বিজয়াই কিবা ভাবিছে নেকি বাৰু? নাই-নাই- তাই ইমান সংকীৰ্ণ নহয়। তাই বুজে। বুজিব পৰা এখন অন্তৰ আছে।

সহজ কথনভংগীৰে একান্ত আত্মীয়ৰ দৰে সতেজ হাঁহি এটি বিৰিঙিয়াই ক'লে—

ঃ ধেমালি নহয় সমী। আচৰিত হৈছো তুমিও যে গজল শুনা। কেতিয়াৰ পৰা হ'ল এই অনুভৱ।

লুলুক চাহ দুকাপ বনাব কৈ আকৌ দ্ৰয়িং ৰূমলৈ আহিলো। গজলৰ কেছেটখনৰ বাকলিটো চাব ধৰিছে। তাইৰ কাষতে বহি ক'লো— ভণ্টিহঁত অহাই নাই। একেবাৰে ভাল নালাগে— উদং ঘৰখনত।

কেছেটটো শেষ হোৱাত বিজয়াৰ কথামতে ওলোটাই দিলো আকৌ। কি ইমান ভাল পায় গজল? গজলত আছেনে প্ৰাণ? আজি বিজয়া অহাৰ পৰা কিবা এক নামহীন অবিশ্ৰিত অনুভৱে মোক জোকাৰি আছে। বিজয়াৰ ওচৰত মই অশাশ্বত সময়ৰ বাবে বশীভূত হৈ পৰিছো নেকি বাৰু ?

লুলুৱে দুকাপ চাহ আৰু কিবা-কিবি খোৱা বস্তু দি গ'ল। চাহ খাই কাপ-প্লেটবোৰ ময়ে ভিতৰত থৈ আহিলো। লুলু বজাৰত গ'ল। কাপকেইটা থৈ ঘূৰি দেখিলো পিছফালে বিজয়া থিয় হৈ আছে। হঠাতে অপ্ৰস্তুত হৈ পৰিলো কিজানি। বিহ্বল বিবৰ্ণ মোৰ মনৰ ভিতৰখন। নামহীন এক আৱেগে খুলি খুলি খাব ধৰিছে মোৰ বুকুখন। মোৰ অৱস্থাটো কিজানি ধৰা পেলাইছিল। তাই কৈছিল—

ঃ তোমাৰ দেখিছো ভয়টো কম নহয়। চাওঁ কিমান ভয় লাগিছে?

বিজয়াই মোৰ বুকুত হাতদি শুনিছিল বুকুৰ স্পন্দন। মোৰ বুকুৰ মিহি নোমবোৰে তাইৰ আলফুলীয়া হাতত চুমা খাইছে। তাই যেন কিবা কাৰণত বিহ্বল হৈ পৰিছে। মই অলপ সহজ হৈ দেখুৱাই ক'লো—

ঃ ধেৎ পাগলী, ভয় কিয় লাগিব?

মোৰ মাতটো বাৰু কঁপিছিল নেকি?

কিমান দিন ভাবি আছিলো বিজয়াক একান্ত নিবিড়ভাৱে পাবলৈ—। হৃদয় উজাৰি বহু কথা ক'ম বুলি ভাবিছিলো— এতিয়া দেখো কথা ওলাই নাহে। বেজাৰৰ, আনন্দৰ, হাঁহি-কান্দোনৰ বহু কথাই ক'ম বুলি ভাবি আছিলো। কিমান হেঁপাহ, কিমান সপোন, পাৰ উপচাই তাইক মৰম কৰিবলৈ। তাই আজি নিজে আহিছে, মোৰ ওচৰত প্ৰায় ধৰা দিছে। মই বাৰু তাইৰ অম্লান আকাংক্ষাক উপেক্ষা কৰিব পাৰিমনে? কিয় মই সহজ হ'ব পৰা নাই বাৰু? বুকুৰ মাজত মোৰ সেয়া কিহৰ স্পন্দন ? নীৰৱতাত লীন যোৱা এখন পৃথিৱী তাত দুখন অন্তৰৰ খলকনিৰ বাহিৰে অন্য শব্দ নাই।

মই আৰু 'কাৱাৰ্ড' নেকি? ধেৎ কিয় হ'ম। বিজয়াৰ কোমল, আলসুৱা কলিজাত আৱেগৰ আবাস সাজি জিৰণি ল'ব পাৰো চেনেহ মমতাৰ সুকোমল ছাঁত বিজয়াই জানে মোৰ অন্তৰৰ খবৰ। মইতো অস্থিৰ হৈ যোৱা নাই।

বিজয়াৰ দীঘলীয়া চুলি, দুচকুৰ কাজল ৰঙে, স্পষ্ট তাইৰ উন্নত বুকু- কথা-বতৰাৰ সাংগীতিক লয় -শৰীৰৰ সৌন্দৰ্যৰ সমস্ত সুষমাই মোৰ হৃদয় জোকাৰি গৰুল; দেহৰ উত্তাপৰ নিৰ্লজ কামনাৰ আকাংক্ষা কোনো কালে কৰি পোৱা নাই। মইতো বাধাগ্ৰস্ত দিক্‌হাৰা মানুহ নহওঁ। বিজয়াক মই ভাল পাওঁ আকাশৰ সমান বহুল অন্তৰেৰে- বতাহৰ সমান কোমল অন্তৰেৰে।

মই মোৰ দুবাহুৰ মাজলৈ বিজয়াক চপাই আনিছিলো— সকলো অস্থিৰতাক বাধা দি সীমাৰ মাজেৰে অপৈনত ভংগীৰে বিচাৰিছিলো তাইৰ ওঁঠ, কপাল। মুদ খাই আহিছিল বিজয়াৰ দুচকু। মই— মই যেন হেৰাই গৈছিলো অনন্ত কালৰ বাবে তাইৰ সুকোমল বুকুৰ মাজত। উন্মুখ হৈ পৰিছিলো— বন্দী কৰি থ'বলৈ সমস্ত সপোন।

এই মুহূৰ্তত কিজানি মোতকৈ সুখী কোনো নাই—। চিৰদিন চিৰকাল অমৰ ভাস্কৰ্য হৈ খোদিত হক্সব মোৰ বুকুত-এই অনাবিল অনুপম সুখ। এই সুখৰ নাম নাই, পৰিধি নাই।

মই অনুভৱ কৰিছিলো— মোৰ বুকুত প্ৰাণ-সূৰ্যৰ উত্তাপ। মোৰ মনৰ কোঠালিত তোলপাৰ লগাইছিল এজাক ৰূপালী চৰাইয়ে। আস্ কি অদ্ভুত অনুভূতি নিৰ্দিষ্ট সময়তকৈ আগতেই পালো— ৰবিবাৰৰ উজ্জ্বল পুৱাটোত তিনিআলি বাছ ষ্টপেজ।

আহোতে বাটতে দিপুক লগ পালো— গগণৰ ঘৰত যাব বোলে ইণ্টাৰনেশ্বনেল ল'ৰ কিতাপখন আনিব। সিহঁতলৈ মোৰ খং উঠে কেতিয়াবা— এনি টাইম কিতাপ কাগজতে ব্যস্ত থাকে। কিতাপৰ পোক সিহঁত। নুফুৰে, প্ৰেম নকৰে খালি কিতাপ লৈয়ে ব্যস্ত থাকে। এতিয়া প্ৰেম নকৰিলে, নুফুৰিলে, কেতিয়া এইবোৰ কৰিবি? বুঢ়া বয়সত। ধিক্কাৰ দিওঁ সিহঁতক।

এক মিনিট, দুই মিনিট, পাঁচ মিনিট....... বিশ মিনিট....... ক্ৰমশঃ পাৰ হৈ গৈ আছে সময়। অপেক্ষাৰ ক্ষণবোৰ সঁচাই আমনিদায়ক। আৰু কিমান সময় বা ৰ'ব লাগে— ভগৱানেহে জানে। খুউব সোনকালে আহিলো নেকি? ন বাজি দহ মিনিট গ'লেই। নাহিব নেকি? নে ধেমালি কৰিছে? এবাৰ যিহে উৎপাত কৰিছিল তাই। কৈছিল— চিনেমা চাব যাম। ৰূপলেখাত।

ঠেলা-হেঁচা কৰি আধাঘণ্টা আগৰ পৰা ৰৈ আছো। মানুহৰ দেখা— দেখি নাই। শ্ব' আৰম্ভ হ'লে- তাইহে অহা নাই। কিবা অসুখ-বিসুখ হোৱা নাইতো? কিয় হ'ব? ৰাতিপুৱাতে পি চি অ'ৰ পৰা নিজে ফোন কৰিছে। নে ৰাতিপৰাৰ শ্ব' চোৱাৰ কথা নাছিল। নাই— তাই অহাৰ আশা নেদেখি টিকট দুটা বেচি দিলো। আকৌ অপেক্ষা কৰিলো— দুপৰীয়াৰ শ্বলৈ। নাহিল। পিছতহে গম পালো এপ্ৰিল ফুল কৰা বুলি। কিন্তু আজিতো পহিলা এপ্ৰিল নহয়।

খোজকাঢ়ি অহা ছোৱালীকেইজনী বিজয়াহঁত নহয়নে? বিজয়াৰ খোজৰ ভংগী দূৰৈৰ পৰাই অনুমান কৰিব পাৰি। কিবা এক অপূৰ্ব ভংগীমাৰে খোজ কাঢ়ে। থৌকি-বাথৌ কৰিছে মোৰ অন্তৰখন। প্ৰায় চল্লিশ মিনিট ৰ'লো— এতিয়াহে আহিছে। বিজয়ালৈ খং উঠে— হওক তেওঁযে আহিছে। আহিয়ে ক'লে—

ঃ এবছলিউটলি ছ'ৰি সমী। বেয়া নাপাবা

মই একো নক'লো। বিজয়াৰ অম্লান উল্লাসৰ মুখখনিত মই কেতিয়াও নোৱাৰো বেজাৰৰ সুৰ ঢালিব। নিষ্ঠুৰভাৱে চিণ্ডি আনিব তাইৰ হৃদয়ৰ নীল-নক্ষত্ৰ। নীলনক্ষত্ৰৰ অপাৰ আনন্দ তাইৰ।

পাহাৰৰ দাঁতিতে মন্দিৰটো। পাহাৰখন দক্ষিণ ফালৰ যেন মৰম দুৱাৰ। যোল্ল প্ৰহৰৰ প্ৰহৰী পাহাৰখন— অনন্ত কালৰ বাবে। গছ-গছনিৰে ভৰি আছে সমস্ত পাহাৰখনি। বতাহত কঁপি আছে পাতবোৰ। ওখ ওখ গছবোৰৰ লক্ষ্য যেন ওপৰৰ আকাশখন চুবলৈ। চিনাকি-অচিনাকি বিভিন্ন চৰাইৰ উল্লাসিত কিৰিলি আৰু বতাহত কঁপা গছৰ পাতৰ শব্দই পৰিৱেশটো কিবা অপাৰ্থিৱ কৰি তুলিছে। ওখ ওখ গছৰ পাতৰ ফাঁকেৰে সৰি পৰিছে ৰক্সদৰ জিলমিলনি।

পাহাৰৰ ওপৰত ডাঙৰ শিল এছটাত চাৰিও বহিলো। শিলবোৰ ইমান মিহি হৈ আছে। এইবোৰ বোলে বাৰ-তেৰ শতিকাৰ কোনোবা পালবংশীয় ৰজাৰ দিনৰ সৃষ্টি। পাহাৰৰ ওপৰৰ অ'ত-ত'ত আছে এনেকুৱা যথেষ্ট বহা আসন। ডাঙৰ গছবোৰৰ তলত এইবোৰ উপবিষ্ট কৰিছে এতিয়া।

বিজয়াই পূৰবী আৰু জুনুক উদ্দেশ্যি ক'লে—

ঃ তোমালোক এতিয়া যোৱা। এক বজাত আকৌ এই ঠাইতে লগ হ'ম। একেলগে লাঞ্চ কৰিম।

পাহাৰৰ ওপৰৰ পৰা তলৰ চহৰখন সম্পূৰ্ণকৈ দেখি। এনেকুৱা লাগে যেন কোনোবা যুগজয়ী চিত্ৰশিল্পীয়ে তেওঁৰ অপূৰ্ব শৈলীৰে সৃষ্টি কৰিছে জীৱনৰ সমস্ত সুধা ঢালি দি এখন সপোন নগৰ। বিজয়াই ক'লে— ব'লা সমী, নিজৰাৰ পাৰত বহোঁগৈ।

পাহাৰখনিৰ শিলৰ মাজৰ পৰা বৈ আহিছে এটি নিজৰা। নিজৰাৰ স্বচ্ছল জলধাৰাই যেন দেৱীৰ চৰণ পখালি নিছে নিতে। নিজৰাৰ পানীৰ কুল-কুল শব্দ শৃংখলে সঁজাল কৰি ৰাখিছে পৰিৱেশটো। নিজৰাটোৱে যেন অবোধ্য ভাষাৰে গান গাই আছে। শিলে শিলে ঠেকা খাই চিটিকি পৰিছে পানীবোৰ। স্বচ্ছল নিজৰাৰ পানীবোৰত ৰ'দ পৰ জিক্-মিকাই আছে। নিজৰাৰ পাৰত বহি বিজয়া আজি মৌন। এই কথকী ছোৱালীজনীৰ আজি হৈছে কি? কিয় ইমান মৌন বাৰু? কেৱল মাজে মাজে দুই এটি সৰু শিলৰ টুকুৰা পানীত দলিয়াই আছে। মাতটো যিমান পাৰি কোমল কৰি ক'লো— তোমাৰ আজি কি হৈছে বিজয়া। ইমান নীৰৱ যে?

বিজয়াৰ এনেকুৱা এখন মুখ মই কেতিয়াও দেখা নাই। তাইৰ মুখখন বিষাদত ক'লাও পৰা নাই— অথবা হাঁহিৰ ছিটিকনিও নাই। দুয়োটাৰে এক অপূৰ্ব সংমিশ্ৰণ হৈ সুন্দৰ দেখা হৈছে মুখনি।

কিবা এক বিশেষ ভংগীত ডিঙিটো মোৰ পিনে বেঁকা কৰি চাই ক'লে— কি হোৱা দেখিলা? মোৰতো একো হোৱা নাই। ইমান আনন্দত ভাষা হেৰাই যায়। নিজৰাৰ সুৰৰ ছন্দত দেৱদাসীৰ জুনুকা সৰে। প্ৰকৃতি সঁজাল হয়।

প্ৰাকৃতিক সৌন্দৰ্য দেখি ময়ো কেতিয়াবা অভিভূত হৈ পৰো। সৰুতে এবাৰ কাজিৰঙালৈ যাওঁতে সেই স্মৃতি বহুদিনলৈ জীপাল হৈ আছিল। পাহৰিব পৰা নাছিলো জীৱ-জন্তু, চৰাই-চিৰিকতি।

একে ঠাইতে এনেকৈ বহি থাকিবলৈ মই অস্বস্তি পাওঁ। সেয়ে তাইক ক'লো— এই বিজয়া, কিমান বহিবানো ইয়াত? ব'লা বোটানিকেল গাৰ্ডেনৰ পৰা আহোঁ।

তাইৰ হাত এখনত ধৰি প্ৰায় টানিয়ে আনিলো। মন্দিৰৰ কাষতে পৰ্যটন বিভাগে গাৰ্ডেনখন বনাইছে। বিভিন্ন ফুলৰ সমাহাৰ তাত। গছবোৰত বিভিন্ন অৰ্কিড। অৰ্কিড সংগ্ৰহ কৰাৰ চখ এটা এতিয়াও নথকা নহয়। বহুবিধ অৰ্কিড আছে আমাৰ। তাৰে দুবিধমান বাংগালোৰ পৰাও অনা আছে। আমাৰ ঘৰৰ বাগিচাখন আৰু এইখনৰ এটা

ডাঙৰ মিল হক্সল ছিজন ফ্লাৱাৰ আৰু অৰ্কিডৰ প্ৰাধান্য। মণিকা ফুলৰ কাৰণে পাগল একেবাৰে। সেয়ে জোকাওঁ ফুল—কুঁৱৰী, ফুল পাগলী বুলি।

ইমান নীৰৱতা ভাল নালাগে। নীৰৱতা ভাঙিবৰ বাবেই ক'লো— বিজয়া বন্ধত বাৰু তুমি ঘৰলৈ কিয় নগ'লা?

ঃ সেইবোৰ নুসুধিবা সমী। এখন প্ৰাণহীন, মমতাহীন ঘৰত মই উশাহ নোপোৱা হৈ যাওঁ। দেউতা ৰাজনীতৰ মানুহ, দাদা ব্যৱসায়ত ব্যস্ত, নবৌ নিজক লৈয়ে ব্যস্ত— তেতিয়া কাৰ লগত কটাম সময়বোৰ? ঘৰত থাকিলে হয়তো ময়ো সেই ছিষ্টেমটোৰ অংশীদাৰ হৈ যাম। তোমাক লগ নাপালে ময়ো কিজানি চেঞ্জ হৈ গ'লোহেঁতেন।

ঃ তথাপি তুমি জানো বন্ধত ঘৰত নোযোৱাটো পাবহি উচিত হৈছে?

ঃ নাজানো। কিন্তু ঘৰখনৰ লগত একাত্ম হ'ব নোৱাৰো মই।

মন্দিৰত শঙ্খ-ঘণ্টাৰ শব্দ ভাঁহি আহিছিল। বিজয়াই ক'লে—

ঃ ব'লা সমী, মন্দিৰত যাওঁ ব'লা এবাৰ।

দুয়ো মন্দিৰৰ পিনে পোনালো। নিজৰাত হাত-মুখ ধুই এই মন্দিৰত সোমাম। হঠাতে শিল্প অধিক উপটি খাই পৰি গ'লো। অসহায়ভাৱে কাষত থিয় হৈ সুধিলো বিজয়াই— দুখ পালা নেকি ক'ৰবাত ?

দুখ? অলপ পাইছো। তথাপি অসত্য পদক সামান্য। ক'লো— আঁঠুৰ কাষত অলপ দুষ পাইছো।

দুখ পোৱা ঠাইখিনি বিজয়াই তৎপৰতাৰে পিতিকি দিছে। আস্ তাইৰ লাহি আঙুলিৰ পৰশত বিষ পাহৰি গৈছো। তাইৰ ব্যস্ততা দেখি ভাল লাগিল। গৌৰৱ কৰিবৰ মন গ'ল। আনৰ দুখত সমভাগী হ'ব পৰা সৰল এজনী ছোৱালীয়ে মোক ভাল পায়।

গৰম পানীৰে ধুই দিবা। বিষৰ টেবলেট পাৱা আদি উপদেশ দিলে। তাই মোক সৰু ল'ৰা বুলি ভাবিছে নেকি। নে মোৰ ওপৰত অভিভাৱকত্ব পটুৱাইছে?

মন্দিৰৰ পৰা ওলাই আহি ক'লো— পুৰবীহঁত নাহিলে দেখোন। এক বাজি গ'ল এতিয়া।

চুটি হাঁহি এটি মাৰি বিজয়াই ক'লে— সিহঁ কিজানি প্ৰাণ প্ৰিয়তমৰ লগত কথাত মছগুল। সিহঁতৰ বাবেহে আহিব লগা হ'ল। আহিমেই যেতিয়া তোমাৰ লগতে কটাম বুলি তোমাক মাতিছিলো। তোমালৈ বোলে সিহঁতৰ লাজ লাগে— সেইবাবে তেতিয়া নক'লো।

আমি পোনে পোনে ৰেষ্টুৰেণ্টলৈ গ'লো। তেতিয়া মানুহৰ সিমান ভিৰ নাই। খুউব গৰম পৰিছে— কল ড্ৰিংকছ দুটা ল'লো। ৰেষ্টুৰেণ্টৰ এটা চুকত মুখামুখিকৈ বহিছো আমি। ইটো-সিটো কথা সুধি আছে তাই। মই মাথো যথাযথ উত্তৰ দি গৈছো। কথা প্ৰসঙ্গতে ক'লো—

ঃ মাহঁত আজি আহি পাব। গধূলি ছয় বজাত ষ্টেচন।

তুমি তেতিয়া হ'লে ৰাতিপুৱা ছয় বজাত যাবা ষ্টেচনলৈ।

ঃ কিয়?

ঃ কিয় মানে— যিহে ইণ্ডিয়ান ৰেলৰে। তথাপি তুমি চেণ্ট্ৰেল কন্‌ট্ৰোল ৰূমত ফোন কৰি সময়টো জানি ল'বা। গম পাবা কিমান লেটকে চলে।

হয়। পাঁচ ঘণ্টা পলমকৈ ষ্টেচন আহি পাইছে ট্ৰেইনখন।

ইমানবোৰ মানুহৰ মাজত ক'ত বিচাৰি পাম সিহঁতক। তাতে চাৰি নম্বৰ প্লেটফৰ্মখন একেবাৰে লেতেৰা। কেনেকৈ বিচাৰি থাকিম অকলে? ট্ৰেইনখন আহি পোৱাৰ লগে লগে ব্যস্ত হৈ পৰিছে ষ্টেচনটো। মানুহবোৰ লৰাঢপৰা কৰিছে। কিছুমান উঠিছে— কিছুমান নামিছে। কুলি, ফেৰীৱালা, কন্‌ট্ৰোল ৰূম-চব ব্যস্ত। মইহে একে ঠাইতে ৰৈ আছো। ওলোৱা-সোমোৱা গেটৰ ওচৰত।

মানুহৰ ভিৰ পাতলিছে। মাহঁত দেখো অহাই নাই। ভাবিলো প্লেটফৰ্মৰ ক'ৰাবাত ৰৈ থাকিব পাৰে মাহঁত — এবাৰ চাই অহা ভাল হ'ব। লাইট পোষ্টটোৰ তলতে সেয়াচোন মাহঁত থিয় হৈ আছে।

ভণ্টিয়ে দূৰৈৰ পৰাই মোক দেখি আগুৱাই আহিল। মাৰ ওচৰ পোৱাত ক'লে— চোৱা মা, মই কোৱা নাছিলো দাদা ৰৈ থাকিব বুলি।

ঃ তই অকলে আহিলে নাথাকিলোহেঁতেন। ভণ্টিৰ খং তুলিবৰ বাবে মিছাতে ক'লো।

ঃ অকলে আহিলে— অকলেই গ'লোহেঁতেন।

ঃ মুখতহে কৈছ; দেখা যাব কেতিয়াবা। মাই আমাৰ অযুক্তিকৰ তৰ্ক শুনি ক'লে—

ঃ তহঁতৰ তৰ্ক আৰম্ভ হ'লেইনে? ব'ল এতিয়া কিমান তৰ্ক কৰ ঘৰতে কৰিব পাৰিবি।

দুহাতে ভি আই পি দুটা লৈ মই আহে আগে আৰু পিছে পিছে মাহঁত আহি আছে। ষ্টেচনৰ পৰা অট' এখন ল'লো। কম দূৰত্বত অট' যাব নোখোজে। গ'লেও মিটাৰত নচলায়। 'হ'ব' বুলি কোৱাত যেনিবা মান্তি হ'ল।

ভণ্টিৰ হাত এখনত ধৰি জোকাৰি দি ক'লো— এই কিবা ক'না। টোপনি ধৰিছে নেকি?

মণিকাই মুখখন ঘূৰাই দিলে। অভিমান ভঙাই নাই। মুখখন মোৰ পিনে ঘূৰাই দি ক'লো— ইমান বেয়া লাগি আছে। ইমানদিন

তহঁত নাই বাবে।

ঃ ইহ্ কথা চোৱা। ভগৱানক বা দিনত কিমানবাৰকৈ খাটিছে আমি নাহিবলৈ।

ঃ এই ভণ্টি— কথা ভালকৈ কবিদেই কিন্তু। মণিকাই কিবা ভোৰ-ভোৰালে। মই এইবাৰ নীৰৱ হৈ ৰ'লো।

মোৰ ইংগিতত অট'খন গলিটোলৈ ঘূৰাই দিলে। গলিটোৰ দ্বিতীয়টো ঘৰেই আমাৰ। অট'খন ৰখাৰ শব্দ শুনি লুলু ওলাই আহিল। তাৰ হাতত বস্তুখিনি দি ক'লো— গেটত তলা লগাবি।

আহিয়ে মণিকাই গা ধুবলৈ বাথৰূপত সোমাল। ট্ৰেইনৰ দিঘলীয়া জাৰ্ণিৰ পিছত ঘৰত ভালকৈ গা ধুলে গাটো কিবা-কিবি লাগে।

টাৱেলখনেৰে চুলি মচি মচি মণিকা বাথৰূমৰ পৰা ওলাই আহিছে। তাইক খং তুলি পোৱা বিকৃত আনন্দৰ বাবেই মাৰ গালি সহ্য কৰিও ক'লো—

ঃ গৰম দিন বাবেহে এতিয়া গা ধুলি। ঠাণ্ডাত ধুলি হয়নে ?

ঃ তোমাৰ দৰে নহয় কিন্তু। একেৰাহে তিনিচাৰিদিন গা নোধোৱাকৈ থাকা। কৈয়ে তাই ভিতৰ সোমাই গ'ল। ময়ো পিছে পিছে সোমাই গৈ বিছনাতে বহি ক'লো—

ঃ ঠাণ্ডা লাগিছে যদি জুই পুৱা। নহ'লে ঠাণ্ডাত মৰিবি।

মোক নাৰ্ভাছ কৰিবৰ বাবে তাই মাক ক'লে—

ঃ মা দাদাক চোৱাহিচোন। কাপোৰ সলাব ধৰিছো ইয়াতে বহি আছে।

তাইৰ কথা মাই শুনা নাই। গা ধুবলৈ মাও বাথৰূমত সোমাইছে। তথাপিও মই ওলাই আহিলো। টোপনিয়ে হেঁচি ধৰিছিল। ওৰে দিনটো খুউব পৰিশ্ৰম হৈছে। ভৰিৰ বিষটো আছেই। বিছনাত বাগৰ দিয়াৰ লগে লগে নিদ্ৰাদেৱীয়ে সপোন ৰাজ্যলৈ লৈ গ'ল। আজি দুদিনমানৰ পৰা গা-মন ভাল লগা নাই। মণিকাৰ লগত আবেলি ফুলিনিত আছো। তাই মোৰ ওপৰত নানান অভিযোগ আনিছে— মই বোলে ফুলনিখিনিৰ অকণো যত্ন লোৱা নাছিলো। সিহঁত বাংগালোৰ যোৱাত। হঠাতে জানো মোৰ কি হ'ল— মূৰটো দেখো আচন্দ্ৰাই কৰিব ধৰিছে। মোৰ চাৰিওফালৰ পৃথিৱীখন সংকুচিত হৈ চেপি ধৰিছে মোৰ মুৰটো। ৰাই-জাই কৰিব ধৰিছে মুৰটো। নাই থিয় হৈ থকাৰ শক্তি নোহোৱা হৈ গৈছে। ধুগুচকৈ মাটিত বাগৰি পৰিলো। ভণ্টি আহি অসহায় ভাবত মোৰ কাষতে বহিছে। তাই চিঞৰি চিঞৰি মাতিলে- মামা- দৌৰি আহা। দাদাৰ কি হ'ল চোৱাহি। লুলু... এই লুলু...

মা, ভণ্টি আৰু লুলুৰ যুগ্ম প্ৰচেষ্টাত মই ঘৰ পালোঁ। কিছু সময় মূৰত মই মোক বিছনাত আৱিস্কাৰ কৰিলো। মা-ভণ্টি দুয়ো মোৰ মুৰ শিতানত বহি আছে লুলু ভৰিৰ পিনে এনেয়ে থিয় হৈ আছে। চকু মেলি চোৱাত মাহঁতে অদ্ভুত কিবা এটা দেখাৰ দৰে মোৰ পিনে চালে। মাই আৱেগত ফুটো-ফুটো কণ্ঠেৰে ক'লে—

ঃ তোৰ কি হৈছে সমী ?

মোৰ কি হৈছিল মই নিজেই নাজানো। মূৰটো আচন্দ্ৰাই কৰাৰ দৰে কৰিছিল। তাৰ পিছত বাগৰি পৰিলো। মূৰটো এতিয়াও কাৰেন্টে শ্বৰ্ট কৰা মানুহৰ দৰে জিনজিনাই আছে। মাক মাথোঁ ক'লো— একো হোৱা নাই। মূৰটো ঘূৰোৱা যেন কৰিছিল।

ভাল পালো। বিশেষটো একো হোৱা নাছিল— মূৰটো ঘূৰাইছিল। আকৌ ঘূৰি ফুৰিব পৰা হ'লো। মণিকাৰ মতে মোৰ ওপৰত হেনো ভগৱান বিতুষ্ট হৈছে। তাইৰ ফুলনিখনিৰ যত্ন নোলোৱা বাবে। যোৱাকালি হেনো স্বৰ্গৰ পৰা দেৱদূত এজন আহি কাণে কাণে কৈ গৈছে তাইক।

আবেলি বিজয়াই মাতিছিল। মনোজ আৰু মই গ'লো। বহু সময় কথা পাতিলো। চাহ-পানী খাই উঠি আহিবৰ সময়ত ক'লো— অহা সপ্তাহত 'য়ামাহা' আহি পাব। পিছৰ ছিটটো তোমাৰ বাবেই ৰিজাৰ্ভ কৰি থ'ব লাগিব এনি টাইম।

বিজয়াই মিছাতে মোক খেদি আহিছিল। চকীৰ পৰা উঠিব খোজোতেই মজিয়াতে লুটি খাই পৰিলো আগৰ দৰে একেই লক্ষণ। মোৰ চাৰিওপিনৰ বেৰবোৰ ঘূৰি ঘূৰি যেন মোৰ মূৰত পৰিছে। বিজয়াই আকস্মিক ঘটনাটোত বিধ্বস্ত হৈ পৰিছিল। কিছু সময় পিছত আকৌ সুস্থ হ'লো।

মনোজ আৰু মই দুয়ো ডাক্তৰ সঞ্জয়ৰ চেম্বাৰলৈ গ'লো। আমাৰ ল'ৰালিৰ বন্ধু সঞ্জয়। মেডিকেল পাছ কৰি আহি প্ৰাইভেট প্ৰেছিত লাগিছে। চৰকাৰী চাকৰি নকৰে বোলে।

সঞ্জয়ক অসুখৰ বৰ্ণনা দিয়াত তাৰ মুখনি ক'লা পৰি গৈছিল। কথাটো মনোজেও লক্ষ্য কৰিছে। ইটোসিটো সুধি বহু সময় কিবা ভাবি ক'লে— সমী, তই অলপ বাহিৰত যাবি নেকি ?

মই অলপ নাৰ্ভাছ নহওঁ।

ঃ কিয় ? ক' মোৰ আগত ক'ব নোৱাৰি ?

তথাপিও মই কিন্তু ভিতৰি ভিতৰি শিয়ৰি উঠিছিলো। মোৰ অন্তৰাত্মাই কঁপি উঠিছিল। কি হৈছে বাৰু ? সঞ্জয়ে তেনেকৈ কোৱাৰ বাবেহে বেছি আগ্ৰহ জন্মিছিল শুনিবলৈ শংকাত ঠৰ-ঠৰকৈ কঁপি উঠা নাই— কিন্তু ভিতৰি বিধ্বস্ত হৈ গৈছিলো সম্পূৰ্ণৰূপে। সঞ্জয়ে ক'লে— ৰোগীৰ আগত অসুখৰ কথা কৈ ৰোগীক নাৰ্ভা কৰাৰ কথা ডাক্তৰী শাস্ত্ৰত নাই। যদিও তোৰ ডাঙৰ অসুখ নহয়।

ঃ চা সঞ্জয়— মোৰ অসুখৰ কথা মোক নকৈ কাক ক'বি ? কিবা ডাঙৰ অসুখ হ'লেও মাহঁতক নক'বি ঘৰখনক, ভণ্টিক দুখ দিব ইচ্ছা নাই। মোৰ কিবা এটা

হ'লে মাহঁতে কিমান দুখ পাব মই তোক বুজাব নোৱাৰিম সঞ্জয়। ক'— তই কোনো সংকোচ নকৰিবি।

মই কথাষাৰ কওঁতে সঞ্জয়ৰ মাতটোও কঁপি উঠিছিল। কেতিয়াও আশা কৰা নাছিলো— সঞ্জয়ৰ মুখত তেনেকুৱা এষাৰ কথা শুনিম বুলি। মই কিয়— মোৰ শত্ৰুৱেই কিজানি নাভাবিলেহেঁতন। এতিয়াৰ পৰা মোৰ মূৰত আৰু এটি বোজা কঢ়িয়াই ফুৰিম- এটি আতংকৰ বীজ। ব্ৰেইন টিউমাৰ সঞ্জয়ে বাহিৰত যোৱাৰ পৰামৰ্শ দিলে। যিমান পাৰি সোনকালে যাবলৈ ক'লে। এড্ৰেছ এটি লিখি দি ক'লে— এই নাৰ্ছিংহোমখনত মোৰ বন্ধু এজন থাকে। চিৰঞ্জীৱ। ফোন কৰি মই সকলো ব্যৱস্থা কৰি থ'ম। আৰু শুন- টকা বহুত লাগিব। মোৰ পৰা পাঁচ হেজাৰমান পাবি। পিছত ধাৰ মাৰি দিবি। মনোজ- কাইলৈ তয়ে আহি লৈ যাবি।

টকা বিশ হেজাৰ বা ত্ৰিশ হেজাৰ মোৰ বাবে একো কথাই নহয়। টকাৰ চিন্তা মুঠেও কৰা নাই। মোৰ চিন্তা হৈছে ঘৰত যদি জানি যায় সকলো। মাহঁতে শান্তিৰে থাকিব পাৰিবনে? মণিকাতো বাউলী হৈ পৰিব। আৰু বিজয়া? তাই পাৰিবনে অক্ষুণ্ণ ৰাখিব বিজয় গৌৰৱ? আকৌ শেষবাৰৰ বাবে সঞ্জয়ক ক'লো— সঞ্জয় তই কিন্তু ঘৰত নজনাবি ভাই। বন্ধুৰ ওচৰত এয়া মোৰ দাবী। অনুৰোধ নহয়। মৃত্যুৰ আগমুহূৰ্তত এয়া মোৰ...

ঃ আস্ সমী। প্ৰমিজ। প্ৰমিজ। মই কেতিয়াও নকওঁ।

আমি অহাকালি গধূলিৰ ৰাজধানী এক্সপ্ৰেছত যোৱাৰ সিদ্ধান্ত ল'লো। মোৰ লগত মনোজ যাব। ঘৰত মিছা কথা এটি কৈহে যাব ওলাইছো। কৈছো— দিল্লীৰ ইণ্টাৰনেশ্বনেল কোম্পানী এটাত চাকৰি হৈছে। জইণ্ট কৰিব যাম। মোৰ উচ্ছল হাঁহিয়ে মাৰ চকুলো বোৱাই আনিছিল। কিমান কষ্ট কৰি যে হাঁহিব লগা হৈছে। কোনে বুজিব কলিজা ফাটি ওলোৱা হাঁহিৰ খলকনি। অন্তৰখন পুৰি নিছে- ভণ্টিৰ বাবে, বিজয়াৰ বাবে। কিছু সময় পিছত ছাই হৈ পৰিব অন্তৰখন।

আজি ৰাতি বিজয়াৰ সপোন দেখিছিলো। মোক আগবঢ়াই থ'বৰ বাবে আহি একান্ত নিবিড়ভাৱে কৈছে— 'লোৱা এই আঙুঠিটো। হাতখন আগুৱাই দিলো।' ভণ্টিৰ মাতত সাৰ পালোঁ। আধৰুৱা হৈ ৰ'ল সপোনটো— মোৰ জীৱনটোৰ দৰে। অসমাপ্ত জীৱনৰ এয়া এক সংকীৰ্ণ পাণ্ডুলিপি।

ভণ্টিৰ আনন্দৰ সীমা নাই। মই চাকৰি পাইছোঁ। তাইৰ কথা শুনি মোৰ বেয়া লাগে। তাই বোলে মই পূজাত আহিলে মোৰ লগত নিশ্চয় যাব দিল্লীত। বহু 'পেনফ্ৰেণ্ড' আছে দিল্লীত তাইৰ— সেইবোৰৰ ঘৰতো যাব। বহু আশা তাইৰ! তাই কয়—

ঃ দাদা মোৰ বাবে কি আনিবা জানা। নীলা বৰণৰ এযোৰ ছেলোৱাৰ কামিজ আনিবা। লুলুৰ বাবেও কিবা আনিব নাপাহৰিবা।

ঃ নানিলে? নানিলে কি কৰিবি?

ঃ নানিলে? নানিলে— তোমাক কেতিয়াও নামাতো।

মাই কিবা খাব মাতিছে। আজি ৰাতিপুৱাৰে পৰা কেৱল খোৱা আৰু খোৱা। কিমান খাম বাৰু ?

সকলোবোৰ বন্ধুৱে ষ্টেচনত উপস্থিত হৈছে। সৰোজ, গগণ, দিপু, ভাস্কৰ, ৰোহিত, সঞ্জীৱ, সঞ্জয়, বিজয়া, পূৰবী, জুনু। সকলোবোৰ। বিজয়াৰ চকুত আনন্দৰ অনুপম জ্যোতি। তাইৰ হাতত চিঠি এখন গুজি দি ক'লো- এই চিঠিখন মনোজ উভতি নহালৈ নুখুলিবা প্ৰমিজ কোৱা।

ঃ প্ৰমিজ সমীৰ। চকুৰ কোণত ঈষৎ হাঁহি আঁকি আকৌ কয়— 'তোমাৰ কথা মই কেতিয়াবা না কৰিছো।

ঃ তোমালৈ কি আনিব লাগিব কোৱা? মোৰ কথাত বিজয়া উজলি উঠিছিল। মোৰ চাকৰিৰ টকাৰে তাইলৈ তাইৰ পছন্দৰ কিবা আনিম- ইয়াতকৈ কিবা সৌভাগ্য থাকিব পাৰেনে? তাই কওঁ-নকওঁকৈ ক'লে— মোলৈ-। যি মন যায় আনিবা।

ঃ নহয়, কিবা এটা কোৱানা।

ঃ ও... কি আনিবা জানা? ৰজনীগন্ধাৰ এধাৰি মালা। সেয়াও মোৰ ডিঙিত পিন্ধাবৰ বাবেই নহয়নে? বগা কাপোৰেৰে ঢাকি অনা মোৰ মৃতদেহত তাই সযতনে পিন্ধাই দিব মালাধাৰ! মোৰ কান্দি দিবৰ মন গ'ল। ইমান ডাঙৰ সত্য এটাক কিমান দিন লুকাই ৰাখিম? জানিব যেতিয়া চিঠিৰ ভিতৰৰ কথাবোৰ...

বিজয়াক দুয়ো হাতেৰে সজোৰে সাবটি ধৰিবৰ মন গ'ল। হয়তো তাই নাজানিব ভিতৰত কি আছে। কথাষাৰ মনোজকো ক'ব লাগিব। মনোজক একাষৰীয়াকৈ মাতি আনি ক'লো—

ঃ মনোজ তই মোৰ এটি অনুৰোধ ৰাখিব লাগিব। ক' তই পাৰিবি?

পাৰিম। পাৰিম সমী।

ঃ বিজয়াক চিঠি এখন লিখি চব জনাইছো। মোৰ মৃত্যুৰ পিছত বিজয়াক তই গ্ৰহণ কৰিবি। তেতিয়া তেতিয়া মোৰ মৃত আত্মাই শান্তি পাব।

মই অন্তৰৰ পৰাই কৈছো যদিও কথাখিনি কোৱাত মোৰ অলপ অসুবিধা হৈছিল। ষষ্ঠীত দেৱীক স্থাপন কৰি বিজয়াৰ বিগলিত সন্ধ্যাত দেৱীক বিসৰ্জন দিয়া সহজ কথা নহয় যদিও ই শাশ্বত। মনোজৰ পৰা সন্মতি পাই মোৰ এনে লাগিল যেন মৰাৰ পিছতো জীয়াই থাকিম। মৰাৰ আগত আৰু মোৰ কোনো দুখ নাই।

ষ্টেচনৰ মাইকত এনাউন্স কৰি আছে— ইংৰাজী, হিন্দী, অসমীয়াত সালসলনিকৈ— ট্ৰেইন সঠিক সময়তে আহি পাব। ট্ৰেইনৰ সময় যিমান ওচৰ চাপি আহিছে মোৰ বুকুখন সিমানে খামোছ মাৰি ধৰিছে। আচলতে কেতিয়াবাই মূক হৈ গৈছো মই? কিমান কষ্ট কৰি হাঁহি আছো— বাধা দি ৰাখিছো চকুলো।

দীঘলীয়া উকি মাৰি ষ্টেচন আহি পাইছে ট্ৰেইনখন। বেছি সময় নৰয়- মাত্ৰ দহ মিনিট। মানুহবোৰে দৌৰাদৌৰি কৰিছে। সৰোজ, ৰোহিতহঁতে মোৰ বস্তুখিনি উঠাই দিলে। মই মা-ভণ্টিৰ ওচৰৰ পৰা সাৰধানে আঁতৰি ফুৰিছোঁ। হয়তো কোনোবা দুৰ্বল মুহূৰ্তত মই সংযম হেৰুৱাই ধৰা পৰি যাব পাৰোঁ।

ভণ্টিক মাত দিব গৈ আৱেগত ভাগি পৰিছোঁ মই। বুকুখনিত দেখো কিবা এটি সোপা মাৰি ধৰাৰ দৰে কৰিছে। ভণ্টিক মোৰ শীতল বুকুৰ মাজত সাবটি ধৰি উচুপি উঠিলোঁ। মোৰ দুচকুৰে জৰ্জকৈ সৰি পৰিছে বাধাহীন চকুলো। মই একো ক'ব পৰা নাই— কথা কোৱাৰ শক্তি হেৰাই গৈছে। মোৰ এনে লাগিছে ভণ্টিক বুকুত সাবটি লৈ যেন আজীৱন কান্দি থাকিম। মই দেখাত কন্দা নাই— কিন্তু ভিতৰখনে মোৰ হাহাকাৰ কৰি আছে। দুৰ্বল মুহূৰ্তত পৰি যাব পাৰো, সেয়ে তাইক এৰি দি মাৰ ভৰি চুই জীৱনৰ শেষ আশীৰ্বাদ ল'লো। মোৰ চকুলো মছি দি মাই ক'লে— গৈয়ে ফোন কৰিবি। দেউতাৰালৈয়ো। দুৰ্গা পূজালৈ আহিবি।

মই মাক কেনেকৈ কওঁ দুৰ্গা পূজা নালাগে। কেইদিনমানৰ ভিতৰতে ঘূৰি আহিম কফিনৰ ভিতৰত। ট্ৰেইন এৰাৰ সময় হৈছে। দুৱাৰ এখনত ওলমি হাত জোকাৰি জোকাৰি হাঁহি হাঁহি আটাইৰে পৰা বিদায় ল'লো। সঞ্জয়ে স্থিৰেৰে থাকিব পৰা নাই— বাৰে বাৰে চকুপানী মছি আছে। খুটা এটাত আউজি বিজয়াই একেথৰে চাই আছে মোলৈ। মোৰ বিষদ গধুৰ চকুহাল চকুপানীৰে তিতি আছে। মই স্থিৰেৰে থাকিব পৰা নাই। মালৈ, ভণ্টিলৈ, বিজয়ালৈ হেঁপাহ পলুৱাই শেষবাৰৰ বাবে চাইছো। আৰু বন্ধুবোৰ?

ভণ্টিয়ে দুৱাৰৰ কাষলৈ আহি মোৰ হাতখন চুই দিলে। ট্ৰেইন ক্ৰমে ধীৰ গতিৰে ধাবিত হৈছে। চিঞৰি চিঞৰি ক'লো— ভন্টি তোলৈ ছেলোৱাৰ কামিজ আনিম। পূজাত পিন্ধিবি...খাবলৈ জীয়াই নাথাকিবা, জীয়াই থাকিবলৈহে খাবা।

ট্ৰেইন ইতিমধ্যে বহুদূৰ পালে।

অদূৰত এৰি থৈ আহিলো মাহঁতক। শেষবাৰৰ বাবে চাই পঠিয়ালো। এক কৰুণ দৃষ্টিৰে। তেতিয়া সিহঁত অসীমত লীন হৈছে।




# প্রতিবেদন

# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন





**ৰীতা দাস**
সাধাৰণ সম্পাদিকা

সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন আৰম্ভণিতে মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰুসকললৈ পৰম শ্ৰদ্ধা আৰু প্ৰণাম যাঁচিলো।

শৈক্ষিক বিকাশত স্ত্ৰী শিক্ষাৰ অগ্ৰণী ভূমিকা আছে। আমাৰ নাৰী জাতিক শিক্ষাৰে আলোকিত কৰি জাতীয় জীৱনলৈ অৰিহণা যোগোৱাত কন্যা মহাবিদ্যালয়ৰ গুৰুত্ব আৰু ঐতিহ্য আজি বিশেষভাৱে পৰ্যালোচনা বিষয়। বৰ্তমান কন্যা মহাবিদ্যালয় দোপতদোপে আগুৱাই জাকত জিলিকা হৈ উঠিছে সেয়া আমাৰ কাৰণে গৌৰৱৰ বিষয়।

কন্যা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত প্ৰকাশিত হোৱা আমাৰ হেঁপাহৰ "প্ৰজ্ঞা"খন আমাৰ জীৱন্ত দলিল। কন্যা মহাবিদ্যালয়ৰ হিয়াৰ আমঠু "প্ৰজ্ঞা" আমাৰ চিন্তন আৰু সৃজনৰ সমাহাৰ, "প্ৰজ্ঞা" আমাৰ স্বীকৃতি। গতিকে স্ত্ৰী-শিক্ষাৰ সম্প্ৰসাৰণত "প্ৰজ্ঞা" জাতীয় জীৱনৰ ক্ৰমোন্নতিৰ পৰিপূৰক।

কন্যা মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদিকা নিৰ্বাচিত হৈ নিজৰ সাধ্যানুসাৰে কাম কৰাৰ চেষ্টা কৰিছিলো, বিশেষভাৱে উল্লেখযোগ্য যে আমাৰ কাৰ্যকালতে মহাবিদ্যালয়খনত 'NAAC'ৰ দ্বাৰা পৰ্যবসিত হৈ 'B' Grade পাবলৈ সক্ষম হয় উক্ত সময়ত আমি মহাবিদ্যালয়খনৰ উন্নতিৰ যৎপৰনাস্তি চেষ্টা কৰিছিলো। কাৰ্যসূচী চলাই নিয়াৰ চেষ্টা কৰিছো, সেইখিনি সুকলামে চলাই নিয়াত যিসকলে সহায়-সহযোগিতা আগবঢ়াইছে, তেখেতসকলক অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

মহাবিদ্যালয়ৰ নীতি-নিয়ম, শৃঙ্খলা, যি কাম সকলোকিনি সুকলামে কৰিবলৈ চেষ্টা কৰিছো। মোৰ কাৰ্যত যদি কিবা ভুলভ্ৰান্তি হৈছে তাৰ বাবে কৰপূতে ক্ষমা বিচাৰিছো।

সৰ্বশেষত কন্যা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়ত্ৰীসকল, ছাত্ৰী একতা সভাৰ সদস্যসকলৰ লগতে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

জয়তু অসম জননী
জয়তু কন্যা মহাবিদ্যালয়

ধন্যাবাদেৰে
**ৰীতা দাস**
সাধাৰণ সম্পাদক



# উপ-সভাপতিৰ প্ৰতিবেদন



**মনালিছা বৰ্মন**
উপ-সভাপতি

নমস্কাৰ গ্ৰহণ কৰিব। সৰ্বপ্ৰথমে মই কন্যা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপ সভাপতি হিচাপে শ্ৰদ্ধাৰে অধ্যক্ষ মহোদয়ৰ লগতে শিক্ষাগুৰুসকললৈ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। কন্যা মহাবিদ্যালয় নাৰী শিক্ষাৰ এক অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে অসমৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। মানব সখাদ বিকাশৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়খনৰ এক সুকীয়া স্থান আছে। শিক্ষাগ্ৰহণৰ লগতে ছাত্ৰীসকলৰ সৰ্বাংগিন উন্নতিৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়খনে যৎপৰোনাস্তি চেষ্টা চলাই আহিছে। কন্যা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ উপ সভাপতি হিচাপে মই যিখিনি সম্ভৱ সেইখিনি দিবলৈ যত্ন কৰিছো। মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত একতা, শৃংখলাবদ্ধতা, আৰু নিয়মীয়াকৈ শ্ৰেণীত উপস্থিত থকা আদি বিষয়ৰ ওপৰত গুৰুত্ব দিছো। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক শোভাযাত্ৰা সাংস্কৃতিক অনুষ্ঠান, খেল-ধেমালী আদি সকলোতে মোৰ অগ্ৰজ আৰু অনুজসকলক অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিছো। মহাবিদ্যালয়ৰ সকলো ক্ষেত্ৰতে মই সদায় ইতিবাচকভাৱে জড়িত হৈ থকাৰ মানসেৰে সকলোলৈ পুনৰ ধন্যবাদ জ্ঞাপন কৰিছো।

**মনালিছা বৰ্মন**
উপ-সভাপতি

# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



**গায়ত্ৰী ডেকা**
গুৰু খেল বিভাগৰ সম্পাদিকা

প্ৰতিবেদন আৰম্ভণিতে মই মহাবিদ্যালয়ৰসমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলক ধন্যবাদ প্ৰকাশ কৰিছোঁ আৰু শ্ৰদ্ধা জনাইছোঁ। মোক ২০২৩-২৪ বৰ্ষৰ গুৰু খেল বিভাগৰ সম্পাদকৰূপে বিয়োজিত কৰাৰ বাবে মই সকলোৰে কৃতজ্ঞ। মোক গুৰু খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰা আৰু মোৰ এই কাৰ্যকালত মোক সহায় আৰু পৰামৰ্শ আগবঢ়োৱা প্ৰতিজন বন্ধু বান্ধৱী, অধ্যক্ষ মহোদয় প্ৰমুখ্য শিক্ষাগুৰুৰ ওচৰত মই চিৰখনী হৈ থাকিম। বিশেষকৈ মোৰ তত্বাবধায়কদ্বয় শ্ৰদ্ধাৰ গুপ্তজিৎ পাঠক ছাৰ আৰু লিখা শৰ্মা বাইদেউৰ সহায় পৰামৰ্শৰ বাবে তেখেতসকলক প্ৰণাম জনাইছোঁ।

মই মোৰ কাৰ্যকালটোত ছাত্ৰ একতা সভাৰ কন্যা সদস্যসকলৰ সৈতে একেলগে হৈ কাম কৰি যাবলৈ চেষ্টা কৰিছিলোঁ। মহাবিদ্যালয়ৰ প্ৰতিটো কামৰ অংগ হ'বলৈ চেষ্টা কৰিছিলোঁ। বিশেষকৈ মহাবিদ্যালয় প্ৰতিটো কামৰ অংশ হ'বলৈ চেষ্টা কৰিছিলোঁ। বিশেষকৈ মহাবিদ্যালয় সপ্তাহটো নিয়াৰিকৈ পৰিচালনা কৰা আৰু মোৰ বিভাগৰ ক্ষেত্ৰসমূহ সুন্দৰকৈ আয়োজন কৰাৰ বাবে চেষ্টা কৰিছিলোঁ, কাবাডী ১০০,২০০ আৰু ৩০০ মিটাৰ দৌৰ খেঁলো, জেভলিন, ডিচক্সাচ, চটৰ্কট প্ৰতিযোগিতাসমূহত পূৰ্বতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে যোগদানৰ ফলত মই মোৰ কৰ্ম সুন্দৰকৈ পালন কৰিব পাৰিছো বুলি আনন্দ উপভোগ কৰিছিলোঁ, তদুপৰি মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহৰ বিজয়ী প্ৰতিযোগীক পূৰ্বৰ তুলনাত উন্নতমানৰ বঁটা প্ৰদান কৰিছিলোঁ। উল্লেখ যোগ্য যে ২০২৩-২৪ বৰ্ষৰ 'খেল মহাৰণ' অসমত, গুৱাহাটী বাণিজ্য মহাবিদ্যালয় আৰু অন্যানয় স্থানত হোৱা বিভিন্ন খেলত পুৰষ্কাৰ লাভ কৰিছিলোঁ। গৌৰৱৰ বিষয় যে উক্ত খেল মহাৰণত আমি কাবাডি প্ৰতিযোগীতাত চোৱান্ত বিজয়ৰ সন্মান লাভ কৰিছিলো।

সদৌ শেষত, মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী বিন্দ উচ্চৰত ক্ষমা বিচৰাৰ লগতে গীতানগৰ মহাবিদ্যালয়ৰ (পূৰ্বতে কন্যা মহাবিদ্যালয়) উজ্জ্বল ভবিষ্যত কামনা কৰিলো।

জয়তু গীতানগৰ মহাবিদ্যালয়
**গায়ত্ৰী ডেকা**
গুৰু খেল বিভাগৰ সম্পাদিকা
২০২৩-২৪

# সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন





**সংগীতা ৰাণী দাস**
সম্পাদিকা
সমাজ সেৱা বিভাগ

জয় জয়তে আমাৰ মহাবিদ্যালয়ৰ সকলোলৈকে শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। কন্যা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ ২০২৩ বৰ্ষৰ নিৰ্বাচনত মোক নিৰ্বাচিত কৰাৰ বাবে সকলোৰে প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছো।

সমাজ সেৱা এক মহান কাম, সমাজ সেৱাই সকলোকে পৰোপকাৰি, উদাৰ আৰু সহনশীল হ'বলৈ শিকায়। আমি ছাত্ৰ অৱস্থাৰ পৰাই সমাজ সেৱা দৰে কামত গুৰুত্ব দিলেহে এখন সুন্দৰ সমাজ নিৰ্বানৰ আশা কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকল হৈছে দেশৰ ভৱিষ্যত, সেয়ে কলেজৰ সময়তে সমাজ সেৱাৰ ভাৱনা মনত অংকুৰিত হ'লে ভৱিষ্যতে সেয়াই ফলে-ফুলে জাতিষ্কাৰ হয়।

কন্যা মহাবিদ্যালয়ৰ সমাজ সেৱা কৰিবলৈ মোৰ সাধ্য অনুসাৰে চেষ্টা কৰিছিলো। চৌহদ পৰিষ্কাৰ আৰু চাফ-চিকুন আদি কামত গুৰুত্ব দিয়া হৈছিল। মাজে-মাজে গছৰ গুৰি আৰু ফুলনি চিকুণ কৰিবলৈ চেষ্টা কৰিছিলো, ইয়াৰোপৰিও পৰিষ্কাৰ-পৰিছন্নতাৰ প্ৰতিও সজাগতাৰ বৃদ্ধিৰ বাবে যত্ন কৰা হৈছিল।

মোৰ কাৰ্যকালত বিভাগীয় তত্ত্বাৱধায়ক মাননীয়া ৰূপামনি তালুকদাৰ বাইদেউৰ পৰা যথেষ্ট দিহা পৰামৰ্শ লাভ কৰিছিলো। সন্মানীয় অধ্যক্ষ মহোদয়ৰ পৰা পথ নিৰ্দেশনা লাভ কৰিছিলো। ছাত্ৰী একতা সভাৰ সতীৰ্থসকলৰ পৰাও সহযোগ পাইছিলো, সকলোৰে প্ৰতি পুনৰ ধন্যবাদ জনালো আৰু ইমানতে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু কন্যা মহাবিদ্যালয় সেৱাৰে
**সংগীতা ৰাণী দাস**
সম্পাদিকা, সমাজ সেৱা বিভাগ,
কন্যা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভা
২০২৩-২৪ বৰ্ষৰ।

## কমনৰুমৰ সম্পাদকৰ প্ৰতিবেদন





**প্ৰীতি দাস**
সম্পাদক কমনৰুম

আৰম্ভণিতে মই মোৰ শিক্ষাগুৰুসকলোলৈ পৰম শ্ৰদ্ধা আৰু প্ৰণাম যাঁচিলো, আৰু লগতে মোৰ সহপাঠী সকলোলৈ আন্তৰিক মৰম জনালো,

কন্যা মহাবিদ্যালয়ৰ 'কমনৰুম' বিভাগৰ সম্পাদক ৰূপে নিৰ্বাচিত হৈ নিজৰ সাধ্যানুসাৰে যি কাৰ্য্যসূচী চলাই নিয়াৰ চেষ্টা কৰিছো সেইখিনি সুকলমে চলাই নিয়াত যি সহায় সহযোগিতা আগবঢ়ালে সকলোৰে, যেনে- সকলোকে অশেষ ধন্যবাদ জ্ঞাপন কৰিলো,

মই যিমান পাৰো কমৰুমত শৃঙ্খলা বজাই ৰাখি জিৰণি সময়ত ছাত্ৰীসকলে জিৰণি লোৱাৰ ব্যৱস্থা কৰিছো ও ব্যৱস্থা কৰিছো, যাতে কোনেও লেতেৰা নকৰে সেয়া লক্ষ্য ৰাখিছো, মোৰ মাধ্যমতে যিমান পাৰো কমনৰুমৰ সম্পাদক হিচাপে সুকলমে কাৰ্যনিৰ্ভাহ কৰাৰ চেষ্টা কৰিছো, কিন্তু মোৰ কাৰ্যত কিবা ভুল হলে ক্ষমা বিচাৰিছো।

জয়তু কন্যা মহাবিদ্যালয়

ধন্যবাদেৰে
**প্ৰীতি দাস**
সম্পাদক কমনৰুম



# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



**অঞ্জিমা বড়ো**
সম্পাদক
লঘু খেল বিভাগ

আৰম্ভণিতে মই মোৰ শিক্ষাগুৰুসকললৈ পৰম শ্ৰদ্ধা আৰু মোৰ সহপাঠীসকললৈ আন্তৰিক মৰম যাঁচিলো।

কন্যা মহাবিদ্যালয়ৰ লঘু-খেল বিভাগৰ সম্পাদকৰূপে নিৰ্বাচিত হৈ নিজৰ সাধ্যানুসাৰে যি কাৰ্যসূচী চলাই নিয়াৰ চেষ্টা কৰিছিলো সেইখিনি সুকলমে চলাই নিয়াৰ চেষ্টা কৰিছিলো সেইখিনি সুকলমে চলাই নিয়াত যি সহায় সহযোগিতা আগবঢ়ালে তাৰ বাবে সকলোকে অশেষ ধন্যবাদ জনাইছো।

মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা লঘু-খল সমূহত মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু সহপাঠীসমূহৰ পৰা পোৱা সহায় সহযোগিতাৰ বাবে আটাইকে ধন্যবাদ জনাইছো।

সদৌ শেষত মই মোৰ জ্ঞাতে-অজ্ঞাতে কৰা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিছে।

জয়তু কন্যা মহাবিদ্যালয়
ধন্যবাদ সহাকাৰে

**অঞ্জিমা বড়ো**
সম্পাদক
লঘু খেল বিভাগ

# তৰ্ক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন





**চুকুৰজান বেগম**
সম্পাদিকা
তৰ্ক বিভাগ

পোন প্ৰথমে আমাৰ কলেজৰ অধ্যক্ষ মহোদয় ড° সত্যজিৎ কলিতা চাৰক ধন্যবাদ জনালো। লগতে মোৰ সন্মানীয় শিক্ষা গুৰুসকলকো শ্ৰদ্ধা জ্ঞাপন কৰিলো।

মই তৰ্ক বিভাগৰ সম্পাদিকাৰ দায়িত্ব পালন কৰিবলৈ পাই নথৈ আনন্দিত হৈছো। যোৱাটো বছৰত মহাবিদ্যালয় সপ্তাহত তৰ্ক প্ৰতিযোগিতা এখনি পাতি সুচাৰো ৰূপে মোৰ তত্বাৱধায়ক মৰমী চৌধুৰী বাইদেউৰ লগতে আন আন শিক্ষা গুৰু সকলেও সহায় সহযোগিতা আগবঢ়োৱা বাবে তেখেতসকলক ধন্যবাদ জনালো। তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল "মোবাইল ফোনৰ ইতিবাচক আৰু নেতিবাচক দিশসমূহ"

শেষত মোক বিভিন্ন দিশত কাম কৰিবলৈ উৎসাহ যোগোৱা বাবে মৰমৰ বান্ধবীসকলৰ লগতে সকলোৰে ওচৰত চিৰ কৃতজ্ঞা হৈ ৰ'লো।

সদৌ শেষত কন্যা মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিলো।

জয়তু কন্যা মহাবিদ্যালয়

**চুকুৰজান বেগম**
সম্পাদিকা, তৰ্ক বিভাগ
২০২৩-২০২৪ শিক্ষাবৰ্ষ

# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন





**কৃত্তিকা ভূঞা**
সম্পাদিকা
সাংস্কৃতিক বিভাগ

নমস্কাৰ, সকলো শিক্ষাগুৰুসকললৈ পৰম শ্ৰদ্ধা আৰু মোৰ সহপাঠীসকললৈ আন্তৰিক মৰম যাঁচিলো।

কন্যা মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ এই বাদটোৰ বাবে মোক যোগ্য বুলি ভাবি সুবিধা দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ সকলো ছাত্ৰীকে ধন্যবাদ জ্ঞাপন কৰিলো।

মোৰ কাৰ্যকালৰ আৰম্ভণি হৈছিল চানমাৰিত অনুষ্ঠিত হোৱা উত্তৰ-পূৰ্ব গ্ৰন্থমেলাৰ দ্বাৰা।

বিশ্ববিদ্যালয়সমূহৰ মাজত হোৱা সাংস্কৃতিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল আমাৰ মহাবিদ্যালয় আৰু আটাইতকৈ সুখৰ খবৰ যে বিহু নৃত্যৰ দলটোৱে 'প্ৰতিদিনৰ শ্ৰেষ্ঠ বঁটা লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছিল।

ইয়াৰ পিছত আৰম্ভ হয় 'মহাবিদ্যালয় সপ্তাহ।'

পূৰ্বৰ দৰে এইবছৰো সাংস্কৃতিক বিভাগত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। কেৱল এইবছৰ ব্যতিক্ৰম আছিল 'সাংস্কৃতিক শোভাযাত্ৰা' আৰু 'কইনা' প্ৰতিযোগিতা। মহাদ্যিালয়ৰ ৯ টা বিভাগৰ সাংস্কৃতিক শোভাযাত্ৰাত বহু সংখ্যক ছাত্ৰীয়ে বিভিন্ন সাংস্কৃতিক সাজ-পোচাক পিন্ধি আৰু আগ্ৰহেৰে অংশ গ্ৰহণ কৰিছিল আৰু সকলো প্ৰতিযোগিতা সাফল্য মণ্ডিত কৰিছিল।

মোৰ এই এবছৰীয়া কাৰ্যকলৰ সময়ছোৱাত মোক দিহা-পৰামৰ্শ, সহায় সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু, মৰমৰ বাইদেউ, ভণ্টি লগতে সহপাঠিসকলক মই ধন্যবাদ জ্ঞাপন কৰিলো।

জয়তু কন্যা মহাবিদ্যালয়

**কৃত্তিকা ভূঞা**
সম্পাদিকা
সাংস্কৃতিক বিভাগ




# English Section



# History: The Concept and Idea of Humanism and Human Development


**Guptajit Pathak**

Head, Department of History
Co-ordinator, Environmental Studies, Former- Co-ordinator, IQAC
Geetanagar College, Guwahati, Assam & Academic Counsellor, IGNOU,
Guwahati Regional Centre, Guwahati, Assam & Section Editor: INSIGHT Journal,
Reviewer: IJCRT Journal, Peer Reviewed Board Member, Shakti, NAM,
Editorial Board Member, JRTDD Journal, Editorial Board Member: EPH Journal


The study of history examines all facets of previous social life in connection to current events and aspirations for the future. It is an evidence-based historical investigation telling the tale of man in the ages. In fact, the foundation of teaching and learning about history is the evidence. It is an investigation into historical events, including their causes, dates, and modes of occurrence. It is an investigation into the inescapable shifts in human affairs throughout history and how these shifts impact, shape, or define societal norms.

History provides us with an understanding of the past and how humans have developed. History is the chronicle of human evolution through time. A history tells the tale of the past and provides an explanation and analysis of it. History is a deep-rooted force that cannot be ignored or reduced to something that happened in the past.

The purpose of history is to challenge our understanding of the past. This idea of history particularly interests Collingwood (1945). The goal of teaching history to pupils is to help them comprehend the social, political, religious, and economic circumstances that people are currently living in. We cannot understand the foundation of our government, institutions, customs, religion, and so forth without an understanding of history. Teaching history to pupils aids in their ability to understand, evaluate, and chart the course of the present. The history presents the cause-and-effect link between the past and the present in vivid

detail. Thus, history aids in our accurate and impartial understanding of the issues facing the country and the world now.

In order to comprehend the significance and dynamism of the cause-and-effect relationship in the overall development of human societies, history is the study of the past. Its vast scope of inquiry is its main characteristic; it addresses individual events and details as well as diverse interpretations of sources and evidence, broad views, and basic problems. The promise of history lies not so much in its ability to record historical knowledge or to record minute details, but rather in its ability to handle and interpret a wide range of sources and highlight their overall significance for our understanding of the causes and mechanisms of change. Few historians would disagree that studying history is better appropriately classified as a branch of the humanities or arts than as a science.

At most, it can be classified as a social science, and even then, it wouldn't meet any precise or predetermined definition of science. Firstly, there is the issue of varying approaches to the use and interpretation of evidence: written or unwritten sources cannot be used to establish a single, "true," meaning. Second, there's the question of realising the boundaries of historical knowledge and how much we can genuinely learn from the past. Thirdly, historical topics can be posed from a variety of human viewpoints and in a variety of methods. Fourthly, there's the important question of what applications history can have. The study of history is never easy: is it only the canonical account of the country and the rise of a particular type of society, or is it also an investigation of the ways in which people have lived in their homes and within families?

With the end of the 20th century approaching and a new age dawning, we must give careful thought to history's nuanced meanings, essential characteristics, goals, and significance. In order to plan a feasible future for humanity, we must first comprehend how it arrived at its current state through history. This is because the rich and varied social foundations of life such as language, material culture, national identity, and the structure of work and politics are the tangible legacy of a resilient human past. Thus, the value of history lies not only in its capacity to provide fresh perspectives on and insights into the past, but also in its capacity to instill confidence in critical information and facilitate its assimilation, thereby fostering a shift in consciousness. The dynamics of historical understanding can actively shape our future by emphasizing that it might be one of possibilities and alternatives and by putting the possibility of human action at the centre of study. Therefore, studying history is a type of research that is neither prescriptive nor rigorously predictive regarding the effects of events or systems.




History was merely a narrative description of previous events in its earliest known applications in human society. The Latin idea of “historia”, the Greek construction of “istoria”, and the French formulation of histoire all contributed to the word's introduction into the English language. All three expressed the fundamental idea of knowing the past. Fictional accounts of

events as well as a narrative or chronicle of historical occurrences were included in these early conceptions of history. History and story were used synonymously in early English usage to refer to any narrative of the past, whether it is of events that were believed to be true or made up. Undoubtedly, the practice of using history to support imagined or created events has continued, albeit to a lesser extent, till the present day. Particularly in creative writing, like novels, it is deeply ingrained. One example of this is an attempt at fictional realism in J. G. Farrell's story "The Singapore Grip from the 1970s", which recreates the Japanese invasion of Singapore in 1941 by fusing historical facts with a fictional narrative. Alternatively, it could involve the intentional creation of a "Counterfactual" history using novelistic means, as exemplified by Robert Harris's 1980s tale Fatherland, which is predicated on the idea that Nazi Germany emerged victorious in World War II.

The definition of story began to shift towards a set of uses that included less documented accounts of past events as well as accounts of purely imagined or fantastical events starting around the fifteenth and sixteenth centuries, while the meaning of history shifted more strongly towards an account of past real events. Now, history started to take on the unique quality or feel of a systematic understanding of the past. The idea of an organised body of historical knowledge was a broad development of the previous idea of a particular written or spoken narrative. The uniquely contemporary definitions of historian, historical, and historic arose with the growth of this notion of history.

Historiographers and cultural writers attest that this has become the prevailing and enduring general idea of history in modern English. However, it's also critical to recognise the emergence of a more profound understanding of history that goes beyond the simple definition of structured knowledge of former lives. The idea that history is a continuous process of human or self-development is its intellectual source, however it is hard to pinpoint exactly when it originated. This particular intellectual phase became more pronounced in European thought starting in the eighteenth century, and it was first expressed in the creation of new global histories or universal histories that were predicated on the imperial notion of a physical mapping or "discovery" of the globe. The best approach to portray this more recent, post-eighteenth-century understanding of history, according to cultural critic Raymond Williams, is to state that historical events are seen as a continuous and interconnected process rather than as discrete, finite histories.

History in many of its broader applications loses its exclusive link with knowledge of the past and becomes intimately tied to both the present and the future in light of the prevalent new accent on the functioning of history as human self-development. Thus, the word "geschichte" (meaning "history") in a language like German has the linguistic meaning of "a process," which combines the past, present, and future.

The history that has been inscribed in this modern understanding has, in turn, incorporated multiple iterations of more recent conceptual frameworks. One was the understanding of the advancement and development of civilization brought forth by the European Enlightenment. An alternative perspective stems from an idealistic understanding, as espoused by the philosopher Hegel, of an inevitable global-historical progression over time. Political in nature, a third sense of process has become increasingly significant since the 1800s. History has been seen here as a collection of mass historical forces, firstly because of its close ties to the French Revolution and then to Marxism and other socialist ideologies. In this systemic understanding of history, its forces are byproducts of the past that are not only active and influential in the present but also imperatives that will persist into the future and mould it according to predictable or planned

means. Scholarly disagreement between such disparate interpretations of history as an organised process has, of course, always existed. In addition, there has long been disagreement over history as a systematic movement between proponents and detractors of the idea that history is only a collection of stories about historically authentic but wildly erratic events. This wider interpretation holds that the course of history does not necessarily indicate the future's form or carry any obvious design.

The designation of historical analysis as "historicist," or "historicism," is a significant twentieth-century departure from history. Its basic and impartial use as a description of an academic research methodology that relies on gathering historical data and following observable precedents to interpret contemporary occurrences is one of its functional applications. There exists another interpretation of historicism that is more ideological in nature and has generated controversy. It has been used harshly here to undermine the fundamental significance of history as an ongoing series of fruitful human stages, a process that inevitably has ramifications for the future. At this point, it has been applied to criticisms of Idealist and Enlightenment accounts of history as an ascending process, in addition to critiques of Marxist.

Some academics have also suggested that it is not always simple to distinguish between attacks on the idea of any predictive future and attacks on historicism, which essentially rejects the notion that history embody a necessary or probable future. The latter group uses the idea of a lesson or lessons of history to argue against an uncritical hope or faith in human progress. One particularly notable aspect of the twentieth century has been this second, cautious viewpoint on history as a forward-looking or hopeful process. History has typically been used to denote a generally negative pattern of frustration, breakdown, or defeat, or of some explosion or implosion of the gains of civilization, since the earlier twentieth century, in contrast to the buoyant sense of positive achievement or promise of earlier versions of historical movement.

We are aware that the historical factors that have moulded the world are still at work, despite human ignorance of the present and uncertainty about the future. On the other hand, determining whose interpretation of history is prevalent today is perhaps more difficult than it was in the past. As in its previous interpretation, "historian" still serves as a fairly accurate description. In general, "historical" refers to a documented understanding of the past. "Historic" is typically used to allude to the scope of a profound or extensive process or destiny. Conversely, "history" maintains some of the multiplicity of connotations and applications it has accrued over human history.

The organised knowledge and interpretation of the past that has become the practically universal definition of history today is a defining characteristic that both archaeology and history share. So, archaeology can be recognised as a variation of history even though it is a different and more scientific study. History has grown into a unique and respected academic field with a variety of approaches and discourses all its own. Because it includes every aspect of human experience from the past, its field of study is potentially infinite. Different historical perspectives are likewise a subject of intense dispute in that field. There exist significant distinctions and even debates between those who consider it a historical narrative and those who, using postmodern terminology, see it as a projection of the author's identity and location and as a wholly imagined or subjective production of the past.

However, history's subject and mode of presentation are easily verifiable. The study of the manifold wonders, hopes, fears, and darker contrasts inherent in the human condition is a probing obsession shared by history, literature, art, and the history of art, among

other laboratories of the spirit and the mind. In order to give us a sense of how cumulative forces operate, explain how cause and effect work, and, most importantly, educate us about the past, historical understanding depends on the movement of time and space as well as on the living tissue. That information is of a unique kind since it explains not just how and why history has led humanity to this point, but also how and why it did so. Although scholarly perspectives on history may continue to diverge, history serves as a fundamental analytical framework that can tell us about the majority of the known human past and almost all of the conceivable, if not predicted, human future.

A few guiding assumptions can be used to distil the essential investigative method to historical understanding. These generally represent the following major issues:

The promotion of a lively and constructive discourse amongst contrasting viewpoints, analyses, and portrayals of historical elements.

A critical assessment of historical sources and evidence, including written and oral records.

A historical account presented with clarity, justification, and analysis.

An in-depth examination of significant socioeconomic phenomena, such as the dynamics of political power, economic pursuits, or cultural life across time, with a focus on the drivers of continuity and change as well as the mechanisms by which human societies undergo change.

An understanding that the study of the past is an ongoing endeavour with momentum that affects the present and the future necessitates investigation and discussion of the potential connections between a defined historical past, present, and future.

A concentration on response, adjustment, and metamorphosis as the fundamental forces behind historical development.

It is acknowledged that change can be examined historically without implying that it is definitive or that it transcends nature; history is an ingrained force that cannot be eclipsed or reduced to a previous existence.

**References:**


1. Bentley, M. (1998), Modern Historiography London, Routledge.
2. Boyd, K. (ed.1999), Encyclopedia of Historians and Historical Writing, 2 volumes. London and Chicago, Fitzroy Dearborn.
3. Bullock, A. (ed. 1971), The Twentieth Century. London, Thames and Hudson.
4. Diamond, J. (1998) Guns, Germs and Steel : A Short History of Everybody for the Last 13000 Years. London, Vintage.
5. Mahro, (1984), Visions of History. New York, Pantheon.

# Industrial Revolution:
# Its affect on the culture and society of 19th century England

**Nazrul Islam**
Assistant Professor, Department of English

**'The Industrial Revolution was another one of those extraordinary jumps forward in the story of civilization.'**
-Stephen Gardiner

The Industrial Revolution marked a period of development in the latter half of the 18th century that transformed largely agrarian societies in Europe into industrialized ones. The revolution that lasted for over a period of five decades has given a lot to the human beings for their advancement. As a result, goods that had once been painstakingly crafted by hand, started to be produced in mass quantities by machines in factories. Fueled by the game-changing use of steam power, the Industrial Revolution began in Britain and spread to the rest of the world, including the United States by the 1830s. Modern historians often refer to this period as the first phase of the Industrial Revolution to set it apart from a second phase of industrialization that took place from the late 19th to early 20th centuries. In this phase a rapid growth in the steel, electric and automobile industries have been witnessed.

**Early 19th Century English Society:**

Early in the French Revolution, many Englishmen enthusiastically welcomed the overthrow of the old order. But as the violence and terror in France reached extreme heights, English society was divided. The upper levels of society, the governing classes, were naturally alarmed at the radicalism. On the other hand, the

underprivileged and the liberals were encouraged to agitate for improved conditions.

The struggle on the continent led to acute hardship among the English people. The heavy tax burden imposed to support military operations bore hardest on those least able to pay. Although the upper classes had relatively little need to sacrifice, the working classes were hit hard by rising prices and food scarcity. The working classes placed the blame for their woes on the landlords and industrialists. In contrast to ugly appearances on the surface, there was an undercurrent of strong forces striving for improvement. The pressure of public opinion supported the efforts of reformers to rectify many old abuses.

Slavery also came under attack by humanitarian forces. In 1808, the slave trade was made illegal. In 1834, slavery was entirely abolished in British land possessions. The objective was quietly achieved through gradual transition and with generous compensation to former slave-owners. In the elections brought about by the crowning of William IV in 1830 as king, the Tories, i.e. the conservatives, who supported the established church and the traditional political structure, lost control of the government. With the power now in the hands of the Whigs, i.e. the favorers of reform, the way was opened for an era of accelerated progress. On June 20, 1837, Queen Victoria came to the throne of England as the long period of middle-class ascendancy was gaining momentum. Then only the situation of the working class people started improving.

**Industrialization and Materialism:**

The term 'materialism' gets a bad press. There is an assumption that people who give more priority to' things' are inherently selfish. The stereotype is that of highly materialistic people, living in a different world, where their priority is cash, possessions and status. Highly materialistic people believe that owning and buying things are necessary means to achieve important life goals, such as happiness, success and desirability. However, in the quest of owning more, they often sideline other important goals. But some others show that materialism is a natural part of being human and that people develop materialistic tendencies as an adaptive response to cope with situations that make them feel anxious and insecure, such as a difficult family relationship or even our natural fear of death.

Throughout the nineteenth century, the concept of matter or materialism transformed from the solid bedrock of the physical world to a dynamic a set of forces Alongside and on equal footing with these physicists, we will read

novelists and poets who engaged materialist science and philosophy

from George Eliot and Thomas Hardy to Olive Schreiner and Walter Pater,

asking to what extent their writing can be understood in materialist

terms. To what extent did Victorian literature presume or conjure a material world and what role might literature more broadly play in conceptualizing and theorizing

matter? Finally, what might attention to the longer history of materialism teach us about more recent "new materialisms" and their stakes for literary studies?

**Materialism and Literature:**

Materialism is a significant term in literature covering all aspects of the material world, including clothing, household goods, tools, buildings, roads, books, periodicals, photographs, paintings, museums,

and ornaments described by the authors. In other words, material culture encompasses everything which involves the design, manufacture, and use of the material world. The Victorian period coincided with the development of mass production, the industrial revolution transforming Britain from a rural economy to an urban industrialized nation. Social historians of the period have long explored the abundance of products generated by the industrial revolution. In recent years, a growing interest in the study of commodity cultures and consuming practices has also been emphasized. These have generated new areas of debate in literary studies, resulting in examinations of representations of material culture in the work of Victorian writers.

From the industrial novels of Benjamin Disraeli, Charles Dickens, and Elizabeth Gaskell to the work of John Ruskin, William Morris and Walter Pater, Victorians engaged in complex ways with the diversity of material cultural forms, whether cheap cotton goods, handmade crafts, or the art and architecture of the period. Research has also moved toward examinations of the global exchange of goods between Britain and its Empire, the display of artifacts in the newly built museums of Victorian London, the development of retail centers in towns and cities, the advertisements of goods in periodicals and on the streets, the cultural role of the fashion industry, representations of objects in literature, design reform movements such as Arts and Crafts, the Victorian home, the collection of objects and collecting practices along with other human interactions with the material world.

Of course, the Industrial Revolution was the key to advancement for society, but at the same time it brought moral degradation to the life of modern people. It is reflected in the writings of the early $19^{th}$ century, especially, in the compositions of Romantic poets. The poems of William Wordsworth, P. B. Shelley, John Keats etc. are full of intimations which remind us the term 'return to nature'. At present, there have been so many debates all over the world regarding environmental degradation and climate change.

***'We led the Industrial Revolution, the White revolution.***

***Now it's time for a Cultural Revolution.'***

-Narendra Modi

I wish we heard the call of those authors!

